


শ্ৰীকিশোৰ কলিতা. পাঠশালা.
yehi hai right choice baby. Aha.


সূত্ৰধাৰ

চতুৰ্থ বছৰ, এয়োদশ সংখ্যা
১৬-৩১ জুলাই, ১৯৯২
Vol.IV No. 13
16-31 July.1992


# বিষয়-সূচী


প্ৰচ্ছদ নিৱন্ধ

## অলিম্পিয়া অলিম্পিক আৰু অলিম্পিক- ১২

ছিউল অলিম্পিকৰ পাছত এইবাৰ বাৰ্চিলোনা অলিম্পিক। পবিত্ৰ কুমাৰ ডেকাই তেওঁৰ প্ৰচ্ছদ নিৱন্ধত অলিম্পিকৰ ইতিকথাৰ লগতে অলিম্পিকত ভাৰতীয় হকীৰ বিষয়েও আলোচনা কৰিছে।
লগতে এইবাৰ অলিম্পিকৰ বাবে আমন্ত্ৰিত খেলুৱৈ দীপাংকৰ ভট্টাচাৰ্য্যৰ বিষয়ে লিখিছে ৰয়েল আহমেদে

সাময়িক প্ৰংসগ

## অসমত গ্ৰাহক প্ৰতিৰোধ আন্দোলন-◻ ৬

মূল্যবৃদ্ধিৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কে গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি শ্ৰীদেবেন দত্ত আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালক শ্ৰী বি বি চৌধুৰীৰ মতামতৰ আধাৰত এই লেখা আগবঢ়াইছে যশোধৰা সেনে

বিশেষ নিবন্ধ

## আত্মহত্যা ঃ এক সামাজিক সমস্যা ◻ ২০

এই সুন্দৰ পৃথিৱীৰ মোহ পৰিহাৰ কৰি মানুহে কিয় আত্মহত্যা কৰে নাইবা আত্মঘাতী হ'বলৈ চেষ্টা কৰি সমাজৰ চকুত পৰ্যবসিত হোৱাৰ লগতে আইনৰ কবলতো পৰে। তথাপিও মানুহে কিয় আত্মহত্যা কৰে- এই সামাজিক সমস্যাটো বহলভাৱে আলোচনা কৰিছে ডালিমী চলিহাই

### খাদ্য চৰ্চা
সাজপানী, শুকটি আৰু আমৰলি পৰুৱা
◻ সত্যেন গগৈ ◻ ১২

### ৰাজনীতি
আচহুৱা তত্ত্বৰ অৱতাৰণা আৰু বিভ্ৰান্ত ৰাইজ
◻হিতেন মহন্ত ◻ ২৫

### দৃষ্টিকোণ
সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদী শক্তি সমূহৰ উৎপত্তি ঃ
◻ যোগানন্দ গগৈ ◻ ২৬

### প্ৰতিবেদন
কেইজনমান যুবকৰ সঁতে এটা নিশাৰ আলাপ
◻ দেৱব্ৰত বৰগোহাঞি ◻২৮

### শিল্প সংস্কৃতি
মানিক বাবু সত্যজিৎ ৰায়
◻ আবু নাছাৰ চাঈদ আহমদ ◻ ৩১

### পৰিবেশ
প্ৰদূষণ ঃ প্ৰাকৃতিক নে ৰাজনৈতিক ?
◻ গীতিমল্লিকা শইকীয়া ৪০

### সাহিত্য
ৰবীন্দ্ৰ কাব্যত মঙ্গলবোধ
নলিনীধৰ ভট্টাচাৰ্য ◻৪৪

### গ্ৰন্থজগত
ৰত্নেশ্বৰ মেধিৰ গল্প 'অকাব্যিক' আৰু এজন তৰুণ কবিৰ কবিতা
◻ নলিনীধৰ ভট্টাচাৰ্য ◻ ৪৬

### লীলা-খেলা
আতিথেয়তা
◻ডাঃ মুক্তিপ্ৰসাদ গগৈ-৫০

### দৃষ্টিপাত
ফিনিচিং টাচ্
◻ ৰসানন্দ অভাজন ◻ ৫২

### বিচিত্ৰা
মোৰ শিৰ আৰু বিষ্ণু দৰ্শন
ৰিপুঞ্জয় গগৈ ◻ ৫৪

### এক পৃষ্ঠা
চম্পক বৰবৰাৰ শিল্প-চৰ্চা
◻ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য ◻ ৬২

চিঠি ৪
সম্পাদকৰ টোকাবহী ১০
উপন্যাস ৩৪
মিত-ভাষ-৪৯
গল্প ৫৯


বেটুপাত ◻চম্পক বৰবৰা


সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশানচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: ◻ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608


OKDISCD

## শাকটিক বাক্য

১৬-৩০ জুন সংখ্যাৰ 'সূত্ৰধাৰ' (পৃঃ ২৯) অত শ্ৰীযুত নগেন শইকীয়াই লেখিছে "ভাৰতীয় আলংকাৰিক কুন্তকে তেওঁৰ 'বক্ৰোক্তিজীৱিত' নামৰ অলংকাৰ শাস্ত্ৰত 'শাকটিক বাক্য' অৰ্থাৎ গাৰোৱানৰ ভাষাৰে কাব্য সৃষ্টি নহয় বুলি মত পোষণ কৰিছিল।"

ৰাজানক কুন্তক (সঃ ৯৫০ খৃঃ)ৰ 'বক্ৰোক্তিজীৱিতম্' অৰ প্ৰথমোন্মেষৰ ১২ সংখ্যক কাৰিকা শ্লোকৰ বৃত্তিত 'শাকটিক বাক্য'ৰ উল্লেখ আছে। কাৰিকা শ্লোকটোৰ উদ্ধৃতি দিওঁ ঃ

স্বভাৱব্যতিৰেকেণ ৱক্তুমেৱ ন যুজ্যতে।
ৱস্তু তদ্ৰহিতং যস্মান্নিৰুপাখ্যং প্ৰসজ্যতে॥

বৃত্তি অৰ্থাৎ গদ্য টীকা (যথা সম্ভৱ কুন্তকৰ নিজৰ) গোটেইখিনি উঠাই দি 'সূত্ৰধাৰ'ৰ দৰে মুখ্যতঃ ৰাজনীতিক বাৰ্তালোচনীত ঠাই নষ্ট নকৰো। প্ৰাসংগিক খিনি এনে ধৰণৰ ঃ

"......স্বভাৱ যুক্তমেৱ সৰ্ব্বথাভিধেয়পদৱীমৱতৰতি শাকটিক বাক্যানামপি সালংকাৰতা প্ৰাপ্নোতি, স্বভাৱোক্তিযুক্তত্বেন।..........."

মই যিখন কিতাপৰ পৰা এই উদ্ধৃতিটো দিছো (সুশীল কুমাৰ দে সম্পাদিত 'ৱক্ৰোক্তিজীৱিত, ৩য় সংস্কৰণ, ফাৰ্মা কে এল এম, কলিকতা ১৯৬১ পৃ ২৪) সেইখনত মূল সংস্কৃতখিনিহে আছে। অন্য কোনো ভাষালৈ কোনো অনুবাদ আদি নাই। গতিকে মোৰ সীমাবদ্ধ সংস্কৃত জ্ঞানেৰে এনেকুৱাকৈ অনুবাদ কৰিলো ঃ

"সকলো ধৰণৰ অভিধেয়ই নিজ নিজ স্বভাৱযুক্ত, গাড়ী চলোৱা মানুহৰ বাক্যইও (তেতিয়াহলে) স্বভাৱোক্তিযুক্ত হোৱা কাৰণে অলংকাৰময় হ'ব।" (এই অনুবাদ যদি দৈবাৎ কোনো সংস্কৃতজ্ঞজনৰ চকুত পৰে, অশুদ্ধ থাকিলে অনুগ্ৰহ কৰি শুদ্ধ কৰি দিয়ে যেন)

মনকৰিবলগীয়া এই প্ৰসংগটো উঠিছে এই প্ৰতিজ্ঞাৰ পৰা ঃ 'স্বভাৱোক্তি'ও অলংকাৰ। কুন্তকে ওপৰৰ কথাখিনিৰে এই মত খণ্ডন কৰিছে। প্ৰশ্নটো কিন্তু এনেকুৱা নহয় যে 'স্বভাৱোক্তি' কাব্য হয় নে নহয়। গতিকে প্ৰসংগ সংগতিক্ৰমে এইটোহে স্পষ্ট যে কুন্তকে 'শাকটিক বাক্য' কাব্য হ'ব নোৱাৰে বুলি কোৱা নাই, সি অলংকাৰ হ'ব নোৱাৰে বুলিহে ইংগিত দিছে। তদুপৰি, অলংকাৰ নহলে যে কাব্য হ'ব নোৱাৰে এই কথা কুন্তকে দ্ব্যৰ্থহীনভাবে কোৱা নাই। বৰং 'ৱক্ৰোক্তিজীৱিতম'ৰ তৃতীয়োন্মেষৰ প্ৰথম কাৰিকা শ্লোকৰ বৃত্তিত এই বুলিহে কৈছে ঃ

যস্মাদত্যন্তৰমনীয় স্বাভাৱিক ধৰ্মযুক্ত ৱৰ্ণনীয়ৱস্তু পৰিগ্ৰহণীয়ম্।

ৰাজানক কুন্তকে বহু প্ৰবন্ধেৰে অলংকাৰ সংখ্যা কমাই আনি যি ১৬টা নিৰ্দ্ধাৰণ কৰিছে তাৰ এটাও প্ৰয়োগ নকৰাকৈ কেৱল 'স্বভাৱোক্তি'ৰ দ্বাৰাই কাব্যগুণ সম্পন্ন ৰচনা হ'ব পাৰে বুলি কৈছে নে নাই সি এটা অতি সূক্ষ্ম বিবেচনাৰ বস্তু। এই বিষয়ে আলোচনা হোৱা আৱশ্যক। গতিকে শাকটিক বাক্যৰে কাব্য নহয় এই মতটি শ্ৰীযুত শইকীয়াদেৱে নিজে পোষণ কৰে নে, অন্য কোনোবাই পোষণ কৰে আৰু তেখেতে তাৰ উদ্ধৃতি দিছে আৰু যদি উদ্ধৃতি দিছে ক'ৰ পৰা দিছে জনালে বৰ বাধিত হ'ম। কাৰণ এই বিষয়টোলৈ আজি বেছ কিছুদিন মই চৰ্চা কৰিছো। দুয়োফালৰ যুক্তিয়েই জানিব খোজো।

**শ্ৰীঅজিৎ বৰুৱা**
গুৱাহাটী

## মনবিকাশ কেন্দ্ৰ

'সূত্ৰধাৰ'ৰ চতুৰ্থ বছৰ, দশম সংখ্যাত (১-১৫ জুন, ১৯৯২) উত্তৰ পূৰ্বাঞ্চলৰ মানসিক বাধাগ্ৰস্তসকলৰ বাবে অন্যতম শিক্ষা প্ৰতিষ্ঠান 'মনবিকাশ কেন্দ্ৰ'ক প্ৰচ্ছদ নিবন্ধত স্থান দিয়া বাবে বাধাগ্ৰস্ত শিশু তথা অভিভাৱকসকল, কেন্দ্ৰৰ কৰ্মকৰ্তাসকল আৰু মোৰ নিজাববীয়াকৈও আপোনালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শ্ৰীমতী মালবিকা পাঠক আৰু ডাঃ ৰণেন পাঠকেও অশেষ কষ্ট স্বীকাৰ কৰি আৰু বহু মূলীয়া সময় ব্যয় কৰি মনবিকাশৰ বাধাগ্ৰস্ত শিশুসকলৰ সমস্যাসমূহৰ বুজ লৈ জনমানসত বাধাগ্ৰস্তসকলৰ সমস্যাসমূহ প্ৰতিফলিত কৰাৰ আন্তৰিক প্ৰচেষ্টাৰো আমি শলাগ লৈছো।

আপোনালোকৰ এই মানৱীয় অনুভূতি আৰু আন্তৰিক সচেতনতাই অভিভাৱকসকল আৰু কৰ্মকৰ্তাসকলক কি যে প্ৰেৰণা যোগায় তাক ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়।

এই কেন্দ্ৰৰ অধ্যক্ষা হিচাপে চৰকাৰ তথা ৰাইজক কেন্দ্ৰৰ কেইটিমান জ্বলন্ত সমস্যাৰ প্ৰতি আপোনাৰ বহুমূলীয়া আলোচনীৰ জৰিয়তে অৱগত কৰাৰ এটি প্ৰয়াস কৰিব খুজিছো।

১। মনবিকাশ কেন্দ্ৰৰ তথা সমগ্ৰ অসমৰ মানসিক বাধাগ্ৰস্তসকলেও বিদেশৰ তথা ভাৰতবৰ্ষৰ অন্যান্য ভালেমান ৰাজ্যৰ বাধাগ্ৰস্তসকলৰ দৰে বাছ আৰু ৰেলত বিনামূলীয়া ভ্ৰমণৰ সুবিধা পোৱা উচিত।

২। কেন্দ্ৰৰ বাধাগ্ৰস্তসকলৰ উন্নতিৰ বাবে প্ৰস্তুত কৰা আঁচনি সমূহৰ সফল ৰূপায়ণৰ বাবে আৰু কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ বাবে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ পৰা পোৱা অনুদানৰ পৰিমাণ বৃদ্ধি কৰা একান্ত প্ৰয়োজন।

৩। অভিভাৱক সকলক আৰ্থিক দিশত কিছু সকাহ দিবৰ বাবে কেন্দ্ৰৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈকে বছৰেকীয়া ভাট্টাৰ অনুমোদন কৰা উচিত।

৪। কেন্দ্ৰলৈ অহা যোৱা কৰা পথছোৱাৰ দুৰৱস্থাৰ বাবে বাৰিষা দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ কেতিয়াবা স্কুল বন্ধ দিব লগা হয়। ই কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিকাশত যথেষ্ট বাধাৰ সৃষ্টি কৰে। সেয়ে এই পথছোৱাৰ আশু মেৰামতিৰ একান্ত প্ৰয়োজন।

৫। চৰকাৰী তথা বেচৰকাৰী প্ৰতিষ্ঠানসমূহত শতকৰা এজন হ'লেও বয়স্ক মানসিক বাধাগ্ৰস্তৰ (Adult mentally retarded) কৰ্মসংস্থানৰ ব্যৱস্থা কৰিলে এনে সাধাৰণ ভাবে বাধাগ্ৰস্ত (Mild mentally retarded) ছাত্ৰ-ছাত্ৰীসকলে আত্মনিৰ্ভৰশীল হৈ পৰিয়ালৰ বোজা লাঘৱ কৰাৰ সুযোগ পাব, মই ভাবো অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগেই এই ক্ষেত্ৰত বাট কটীয়া হোৱা উচিত হ'ব।

আশাকৰো এই সমস্যাসমূহ আন্তৰিকতাৰে বিবেচনা কৰি চৰকাৰ আৰু সহৃদয় ৰাইজে কেন্দ্ৰৰ উত্তৰোত্তৰ উন্নতিৰ ক্ষেত্ৰত সক্ৰিয় সহযোগিতা আগবঢ়াব।

**মন্জুশ্ৰী শইকীয়া**
অধ্যক্ষা, মনবিকাশ কেন্দ্ৰ

## বহিৰাগতৰ সমস্যা ঃ এটি পৰ্যালোচনা

যোৱা ১-১৫ জুন, ১৯৯২ সংখ্যাৰ 'সূত্ৰধাৰ'ত শ্ৰীবিলাসী ছেত্ৰীয়ে স্বনামধন্য সাহিত্যিক তথা সাংবাদিক শ্ৰদ্ধেয় শ্ৰীযুত হোমেন বৰগোহাঞিদেৱক ব্যক্তিগতভাবে আক্ৰমণ কৰি লিখা উপৰোক্ত পৰ্যালোচনাটিৰ বিষয়ে দু-আষাৰ নিলিখি নোৱাৰিলো।

শ্ৰীছেত্ৰীয়ে বৰগোহাঞিদেৱক আক্ৰমণ কৰি অসহিষ্ণু মনৰ পৰিচয় দিছে। অসমত অনেক বছৰ বসবাস কৰি থকা খিলঞ্জীয়া নেপালী সকলক বৰগোহাঞিদেৱে নিশ্চয় বিদেশী বুলি অভিহিত কৰিবলৈ যোৱা নাই। অসমলৈ বিদেশী নেপালীৰ প্ৰব্ৰজন হৈ থকা বুলি কোৱাত শ্ৰীছেত্ৰীৰ টিঙিচকৈ খংটি উঠিল কিয় ? অসমলৈ বিদেশী নেপালীৰ প্ৰব্ৰজন নাই হোৱা বুলি শ্ৰীছেত্ৰীয়ে বুকুত হাত দি ক'ব পাৰিবনে ? যোৱা ১৯৭৬ চনৰ ৩০ জুনৰ পৰা RAP বলৱৎ হোৱাৰ পিছত অসমত এজনো বিদেশী নেপালীৰ অনুপ্ৰৱেশ ঘটা নাই বুলি শ্ৰীছেত্ৰীয়ে কেনেকৈ জানিলে ? ইফালে অসম পুলিচে নেপালীৰ ওপৰত জোৰ-জুলুম কৰিছে বুলি শ্ৰীছেত্ৰীৰ বুকুৰ পোৱণি উঠিছে। অনুপ্ৰৱেশকাৰী বিদেশী নেপালীক অসম পুলিচে বহিষ্কাৰ নকৰি বুকুত সাবটি ল'ব লাগে নেকি ? বিদেশী নেপালীৰ প্ৰতি শ্ৰীছেত্ৰীৰ ইমান দৰদ কিয় ? দাৰ্জিলিঙৰ দৰে শ্ৰীছেত্ৰীয়েও অসমখনক এখন বধ্যভূমিত পৰিণত কৰি এখন গোৰ্খালেও দাবী কৰি পাবত গজা ৰাজনৈতিক নেতা হোৱাৰ সপোন দেখা নাইতো ?

অসমত বিদেশী নেপালীৰ প্ৰব্ৰজন হৈছে নে নাই তাৰ প্ৰমাণ লবলৈ আঘোন-পুহ মহীয়া তিনিচুকীয়া, ডিব্ৰুগড়, নাহৰকটীয়া, দুলীয়াজান আদি ৰেল ষ্টেচনবোৰৰ প্লেট্‌ফৰ্মত অসহায়ভাবে পৰি থকা বুভুক্ষু জৰাজীৰ্ণ নেপালী পৰিয়ালবোৰক প্ৰত্যক্ষ কৰিবলৈ শ্ৰীছেত্ৰীক সকীয়াই দিয়া হ'ল। শ্ৰীছেত্ৰীয়ে কেৱল নমস্য ব্যক্তি শ্ৰীবৰগোহাঞিদেৱকে আক্ৰমণ কৰি এৰা নাই; আহোম জাতিটোকো খকৰা মুকুটি মাৰিবলৈ প্ৰয়াস কৰিছে। তলৰ কথাখিনি প্ৰণিধানযোগ্য ঃ

"অসম বুৰঞ্জীত পঢ়িবলৈ পাইছো ১২২৭ চনত মুছলমানসকল অসমত প্ৰৱেশ কৰিছিল আৰু আহোমসকলে ১২২৮ চনত অসমত প্ৰৱেশ কৰিছিল। প্ৰবন্ধটিত সেই মুছমানসকলক ন-অসমীয়া বা অনা-অসমীয়া বুলি উল্লেখ কৰা হৈছে আৰু অন্যহাতে আহোমসকল পূৰ্ণাংগ অসমীয়া।" কথাষাৰ মোৰ বোধগম্য হোৱা নাই। মোৰ বাবে এইটো বিস্ময় !

পূব-পাকিস্তান বা বাংলাদেশৰ পৰা অহা আৰু অসমত পুনৰ সংস্থাপন পোৱা ভগনীয়া সকলকহে যে ন-অসমীয়া বুলি কোৱা হয় আৰু তাৰ দ্বাৰা যে খিলঞ্জীয়া মুছলমান সকলক নুবুজায় এই সামান্য কথাটো শ্ৰীছেত্ৰীয়ে নুবুজাৰ কাৰণে আমিও বিস্ময় মানিছো। শ্ৰীছেত্ৰীয়ে কেৱল আহোম জাতিটোকে উপলুঙা কৰা নাই, দুই সম্প্ৰদায়ৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। শ্ৰীছেত্ৰীৰ উদ্ধতালি আৰু স্পৰ্দ্ধা মন কৰিবলগীয়া।

শ্ৰীছেত্ৰীয়ে আহোম জাতিটোকো প্ৰব্ৰজনকাৰী নেপালী জাতিৰ লগত তুলনা কৰিবলৈ প্ৰয়াস কৰিছে। আহোমে নিজৰ ধৰ্ম, ভাষা, সংস্কৃতি পৰিত্যাগ কৰি অসম ভূমিৰ বিভিন্ন জনগোষ্ঠীৰ হৃদয় জয় কৰি তেৰশ শতাব্দীত বৰ অসমৰ ভেটি স্থাপন কৰিছিল। কিন্তু নেপালীসকলৰ অসমলৈ প্ৰব্ৰজন ঘটিল ঘাইকৈ বৃটিছে অসম অধিকাৰ কৰাৰ পাছতহে। আৰু তেওঁলোক আহিছিল বৃটিছৰ ৰণুৱাহৈ। নেপালী প্ৰব্ৰজনে অসমৰ সেউজী বনাঞ্চল ভাঙি তহিলং কৰাৰ বাহিৰে অসমৰ জাতি গঠন প্ৰক্ৰিয়াত তেওঁলোকৰ বৰঙণি কি ছেত্ৰীয়ে ক'ব পাৰিবনে ?

বিদেশী প্ৰব্ৰজনকাৰী নেপালীয়ে অসমৰ অৰণ্যৰ মাজত আহি আশ্ৰয় লোৱা বুলি বৰগোহাঞিদেৱে উল্লেখ কৰা সত্য ঘটনাটো শ্ৰীছেত্ৰীয়ে উৰা-বাতৰি বুলি উৰাই দিব খোজে। কিন্তু প্ৰত্যেক সচেতন ব্যক্তিয়ে জানে যে পঞ্চাশৰ দশকত শ শ নেপালী আহি বিশেষকৈ উজনি অসমৰ জনশূন্য বনাঞ্চলত কেনেকৈ বেদখল কৰি বহিছিল। সেইবোৰ ঠাইত অনেক নেপালী পৰিয়াল এতিয়াও আছে যিবোৰে আজিও মাটিৰ পট্টা পোৱা নাই। তাৰ আগৰ দশকবোৰত নেপালীৰ প্ৰব্ৰজনকাৰীৰ কথা নকলোৱেইবা।

**ধীৰেণ বৰুৱা**
দুলীয়াজান

## চুম্বনে নাসিকা ছিন্ন

যোৱা ১৬-৩১ মে'ৰ সূত্ৰধাৰত প্ৰকাশিত পুতলী কায়স্থৰ "ঢকুৱাখনা ঃ প্ৰসংগ 'নবীন'ৰ ৬ষ্ঠ বাৰ্ষিক অধিবেশন" শীৰ্ষক প্ৰবন্ধটিৰ যোগে 'নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি'ৰ লক্ষ্য-উদ্দেশ্য আমাৰ অৱগত হৈছে। গাঁৱে-ভূঞে সিচঁৰতি হৈ থকা সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি পূৰ্ণ বিকাশৰ পথত নিবলৈ চেষ্টা কৰা কথাটোত আমি গাওঁবাসী লোক হিচাপে সুখী নহৈ নোৱাৰো। গ্ৰামাঞ্চলবাসী লোক অধ্যুষিত ঢকুৱাখনাত ৰাজ্যিক পৰ্যায়ৰ এখন সন্মিলন পতাৰ বাবে কৰ্ম-কৰ্তাসকল সেয়ে ধন্যবাদৰ পাত্ৰ। বৈচিত্ৰ্যময় অসমৰে এক অবিচ্ছেদ্য অংগ হৈছে এই ঢকুৱাখনা; ইয়াৰ শৈক্ষিক সাংস্কৃতিক কোনো এটা দিশ আমি পৃথকাই চাব নোৱাৰো। কিন্তু শ্ৰীমতী কায়স্থৰ উক্ত প্ৰবন্ধটোৰ কেইটিমান কথাই ঠাইখনৰ সম্পৰ্কত পাঠকৰ মনত এটা সুকীয়া ভুল ধাৰণাৰ সৃষ্টি কৰিছে বুলিয়ে ক'ব লাগিব। তেখেতে 'সাধুকথা' শুনাদি শুনা কথাৰ আধাৰতে এঠাইত লিখিছে ঃ "ঢকুৱাখনাৰ অধিক সংখ্যক মানুহেই শিক্ষিত, তাৰ সকলো মানুহেই মদ খায় আদি কথাই সৰু কালৰ পৰা মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল।" (পৃঃ ৫৭) কিন্তু 'সাধুকথা'ৰ দৰে শুনাৰ সলনি বাস্তৱত কি পাইছে সেইটো উহ্য ৰখাৰ কাৰণে 'সকলো মানুহেই মদ খায়' এই ধাৰণাটোৱে পাঠকৰ মনত দোলা দি ৰ'ল বুলি আমি বিশ্বাস কৰো। পাহাৰে-ভৈয়ামে গোটেই অসমতে অনেক মানুহে মদ খায়, কিন্তু সকলোৱেতো নেখায়। অসমৰ অংগ হিচাপে ঢকুৱাখনাতো মদ খোৱা মানুহ থাকিব পাৰে, কিন্তু সকলোৱে যে মদ খায় এই কথা নিশ্চয় ধৰি ল'ব নোৱাৰি।

প্ৰবন্ধটোত ঢকুৱাখনাৰ আৰ্থিক-শৈক্ষিক দিশৰ ওপৰত দিয়া ধাৰণা (যাদৃচ্ছিকভাবে হলেও), ধেমাজি-ঢকুৱাখনা পথৰ বাছ-যাত্ৰাত লেখিকাৰ অভিজ্ঞতাৰ ক্ষেত্ৰত একোজন সাধাৰণ যাত্ৰীৰ মানৱীয় আচৰণ-অনুভূতিৰ বিষয়ে দিয়া বৰ্ণনা আদিত সুখ অনুভৱ কৰিব খোজাজন পিছ মুহূৰ্ততে ৰসভংগৰ খাৰৈত পৰে যেতিয়া প্ৰবন্ধৰ শেষ বাক্যটোৰ কোৱা 'ৰান্ধনিশালত ৰান্ধনিৰ মদৰ ৰাগি'ৰ (বানান ছপা মতেই) দৰে বাক্যাংশই মনত ক্ৰিয়া কৰে। পূৰ্বে সাধুকথাৰ দৰে শুনা ঢকুৱাখনাৰ 'সকলো মানুহেই মদ খায়' বোলা কথাষাৰকেই যেন উক্ত সামৰণিৰ বাক্যটোৱে সমৰ্থন কৰিব বিচৰা হ'ল। ৰান্ধনিৰ মদৰ ৰাগি সম্পৰ্কত লেখিকাৰ কথা সঁচা হ'বও পাৰে। সঁচা হলে সি অভ্যৰ্থনাৰ ক্ৰুটি, তাৰ বাবে সামগ্ৰিকভাবে এখন ঠাইক অসমৰ লোকচক্ষুত হেয় প্ৰতিপন্ন কৰাৰ প্ৰৱণতা অবাঞ্চনীয়। লেখিকাই হয়তো ক'ব যে তেনে মানসিকতাৰে প্ৰবন্ধটো লেখা হোৱা নাই। লেখিকাৰ মনত যিয়ে নেথাকক লাগে, বাস্তৱিকতে লেখিকাৰ মনত পূৰ্বতে ঠাইখনৰ সম্পৰ্কত 'সাধুকথা'ই দিয়া সেই 'সাঁচ'টোৱেই অক্ষত হৈ থকাটো প্ৰবন্ধটোত প্ৰকাশ পাইছে।

তদুপৰি প্ৰবন্ধটিৰ ভুল ক্ৰুটিও আঙুলিয়াই দিয়াৰ লোভ সামৰিব নোৱাৰিলো। "সাম্প্ৰতিক অসমৰ জাতিসত্তাৰ বিকাশৰ প্ৰৱণতা আৰু অসমীয়া সমাজ-জীৱনত ইয়াৰ প্ৰভাৱ" শীৰ্ষক আলোচনাত ড° বিৰিঞ্চিকুমাৰ মেধি, ড° চন্দ্ৰধৰ চমুৱা আৰু শ্ৰীঅমিয় কুমাৰ সন্দিকৈয়েহে ভাষণ দিছিল। প্ৰবন্ধত উল্লেখ কৰা মতে শ্ৰীতোযেশ্বৰ চেতিয়াই তাত অংশগ্ৰহণ কৰা নাছিল।

যি কি নহ'ক সামৰণিত কওঁ যে ঢকুৱাখনাত কেইবছৰমানৰ আগতে সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৫৫তম (বাৰ্ষিক) অধিৱেশনৰ দৰে ৰাজ্যিক পৰ্যায়ৰ বৰ্ণাঢ্য সন্মিলন হৈ গৈছে। কিন্তু এই ক্ষেত্ৰত আমি কোনো পক্ষৰ পৰা কোনো ধৰণৰ বিৰূপ মন্তব্য দিয়া পোৱা নাই। নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ সন্মিলনৰ বেলিকা যদি চক্ৰ, সভা আদি গাম্ভীৰ্যপূৰ্ণ হোৱা নাই সেয়া সংগঠনৰ ক্ৰুটিৰ বাবে, যদিও লেখিকাই এই সম্পৰ্কে একৰকম নীৰৱতা অৱলম্বন কৰিছে। অভ্যৰ্থনাৰ ক্ষেত্ৰতো যদি কিবা বিজুতি ঘটিছে তাৰো সম্পৰ্ক নিশ্চয় সাংগঠনিক দুৰ্বলতাৰ লগত আছে বুলি নকৈ নোৱাৰো। ক'ৰবাত কিবা ক্ৰুটি হৈছে আৰু সিয়ে যেন পৰোক্ষভাবে গৈ ঠাইখনৰ ওপৰত এটা গ্লানি আনিব পৰা ধৰণৰ মন্তব্য সৃষ্টিত সহায় কৰিলে। এনেবোৰ কথাৰ পৰা বিৰত থকা হলেও লেখিকাৰ ভ্ৰমণ বৃত্তান্তটো আধৰুৱা হৈ নিশ্চয় নেথাকিলহেঁতেন। পুনৰুক্তি নিষ্প্ৰয়োজন যে ঠাইখনৰ বিষয়ে তেখেতে প্ৰশংসাসূচক মন্তব্যও কৰিছে আৰু তাকে কৰোতে যেন চুমা খোৱাৰ ছলেৰে নাক চিঙিলে।

**চন্দ্ৰধৰ চমুৱা**
ঢকুৱাখনা

# অসমত গ্ৰাহক প্ৰতিৰোধ আন্দোলন

যশোধৰা সেন

*[বিক্ৰেতাই যে গ্ৰাহকৰ পৰা যিমান বেছিকৈ পাৰে লাভ কৰিব বিচাৰে সেইটো আজিৰ কথা নহয়। বৰঞ্চ গ্ৰাহকৰ পৰা অধিক দাম লৈ বস্তু বিক্ৰী কৰাটো এতিয়া এক ৰীতি আৰু পৰম্পৰাত পৰিণত হৈছে। বিক্ৰেতাই গ্ৰাহকৰ পৰা অনুচিত দাম লব পৰাৰ মুখ্য কাৰণ সমূহ হ'ল–*

*(ক) গ্ৰাহকৰ দৰদাম সম্পৰ্কে অজ্ঞতা বা এই সম্পৰ্কে উদাসীনতা,*

*(খ) বিক্ৰেতাৰ ব্যৱসায়িক চাতুৰালি,*

*(গ) কৰ্তৃপক্ষৰ সৈতে ব্যৱসায়ীৰ লেনদেনৰ সম্পৰ্ক*

*মূল্যবৃদ্ধিৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কে গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি শ্ৰী দেবেন দত্ত আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালকক লগ কৰি তেখেতসকলৰ মতামতৰ আধাৰত এই প্ৰবন্ধ লেখিবলৈ প্ৰয়াস কৰা হৈছে। লেখিকা]*

বহুদিনৰ আগৰ পৰাই শ্ৰীদেবেন দত্তই গ্ৰাহক সকলৰ ওপৰত চলি থকা শোষণ সম্পৰ্কে চিন্তা কৰিছিল। এই সম্পৰ্কে গ্ৰাহক সকলৰ অভাৱ অভিযোগবোৰ কাণ পাতি শুনিবলৈ যে কোনো সাংগঠনিক মঞ্চ অসমত একেবাৰেই নাই এই কথাটো অনুভৱ কৰি তেওঁ কেইজনমান সতীৰ্থৰ সৈতে ১৯৮৬ চনৰ আগষ্ট মাহত কিছু অনুসন্ধানকাৰ্য চলায় আৰু গ্ৰাহক সুৰক্ষা সমিতি এখন গঠন কৰিবলৈ প্ৰাথমিক প্ৰস্তুতি চলায়। ১৯৮৭ চনৰ আগষ্ট মাহত শ্ৰী অতুলানন্দ গোস্বামীক সভাপতি আৰু শ্ৰী দেবেন দত্তক উপ-সভাপতি হিচাপে লৈ গ্ৰাহক সুৰক্ষা সমিতিখন গঠন কৰা হয়। সমিতিখনৰ মুখ্য উদ্দেশ্য সমূহ আছিল এনেধৰণৰ–

(১) গ্ৰাহকসকলক তেওঁলোকৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে সচেতন কৰি তোলা।

(২) গ্ৰাহকসকলৰ অভিযোগৰ বিচাৰ বিবেচনা আৰু তেওঁলোকৰ সমস্যা সমাধান কৰা।

(৩) সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰা আৰু প্ৰকৃত তথ্য উৎঘাটন কৰা।

(৪) গ্ৰাহকক দিহা পৰামৰ্শ দিয়া।

(৫) বেপাৰীৰ ঠগ, প্ৰবঞ্চনাৰ পৰা গ্ৰাহকক ৰক্ষণাবেক্ষণ দিয়া।

খাদ্য দ্ৰব্যৰ মূল্য নিয়ন্ত্ৰণ, পৰিবহণ ভাড়া নিয়ন্ত্ৰণ, বিজুলী আৰু অন্যান্য কৰপোৰেচন কৰৰ নিয়ন্ত্ৰণ আদিক ইয়াৰ প্ৰধান কাৰ্যক্ৰম হিচাপে লৈ এই সংস্থাই কৰ্তৃপক্ষ আৰু গ্ৰাহকৰ মাজত সমন্বয় ৰক্ষীৰ ভূমিকা গ্ৰহণ কৰে।

অত্যাৱশ্যকীয় দ্ৰব্যৰ মূল্য হ্ৰাস কৰাৰ বাবে এই সংস্থাই চৰকাৰক কেইটামান উল্লেখযোগ্য দিহা পৰামৰ্শ আগবঢ়াইছিল এই বুলি 'খাদ্য আৰু অসামৰিক যোগান বিভাগে - (১) যোগান ধৰা দ্ৰব্যৰ পৰিমাণ বৃদ্ধি কৰক আৰু অধিক দ্ৰব্যক যোগানৰ তালিকাত অন্তৰ্ভুক্ত কৰক, (খ) সুলভ মূল্যৰ দোকানৰ সংখ্যা বৃদ্ধি কৰক আৰু বিতৰণ ব্যৱস্থা শক্তিশালী কৰক। লগতে ষ্টেটফেডৰ যোগেৰে অধিক দ্ৰব্য যোগান ধৰক। এইদৰে নিয়ন্ত্ৰিত বজাৰে খোলা বজাৰৰ ওপৰত এক হেঁচা সৃষ্টি কৰাৰ লগতে অত্যাৱশ্যকীয় দ্ৰব্যৰ মূল্য নিয়ন্ত্ৰিত কৰি ৰাখিব পাৰে। এই সন্দৰ্ভত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালক শ্ৰী বি, বি চৌধুৰীৰ মতামত এনেধৰণৰ– বৰ্তমানে থকা ২৪,২০৩৪ খন সুলভ মূল্যৰ দোকান আৰু ষ্টেটফেডৰ লগত আৰু ৪৪৬ খন দোকান যোগ দিয়াৰ পৰিকল্পনা ইতিমধ্যে গ্ৰহণ কৰা হৈছে আৰু নতুন দ্ৰব্য কেইপদমান যেনে, মমবাতি, দিয়াচলাই আৰু চাবোনো এই যোগানৰ অন্তৰ্ভুক্ত কৰি এইবোৰ সুলভ মূল্যত যোগান ধৰা হব।

এতিয়া প্ৰশ্ন হ'ল, চৰকাৰে স্থিৰ কৰি দিয়া দামত দ্ৰব্য সমূহ মুকলি বজাৰত বিক্ৰী হয় নে? দেখা গৈছে ব্যৱসায়ী সকল এই ক্ষেত্ৰত সম্পূৰ্ণ বেপৰোৱা। এই বিষয়কে লৈ ১৯৯২ চনৰ ৭ মাৰ্চত এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈ যায়। স্বয়ং মুখ্যমন্ত্ৰীয়ে অংশ গ্ৰহণ কৰা এই বৈঠকত ব্যৱসায়ীপক্ষ, গ্ৰাহকৰ হৈ গ্ৰাহক সুৰক্ষা সমিতি আৰু চৰকাৰৰ খাদ্য আৰু যোগান বিভাগ মিলিত হৈছিল। এই বৈঠকতে কেইপদমান অত্যাৱশ্যকীয় দ্ৰব্যৰ মূল্য চৰকাৰে থিৰাং কৰি দিছিল আৰু সেই দাম এক সপ্তাহৰ ভিতৰতে প্ৰযোজ্য হোৱাৰ কথা ঘোষণা কৰিছিল। কিছুদিন পিছত গ্ৰাহক সুৰক্ষা সংস্থাই নিজা ৰবীয়াকৈ অনুসন্ধান চলায় যে চৰকাৰে থিৰাং কৰা দামত ব্যৱসায়ীয়ে দ্ৰব্যসমূহ বিক্ৰী কৰিছেনে নাই? কিন্তু আচৰিত কথা এই অনুসন্ধানত ধৰা পৰে যে ব্যৱসায়ীয়ে নিজৰ খেয়াল খুচীমতে গ্ৰাহকৰ পৰা বস্তুৰ দাম আদায় কৰিয়েই আছে। উদাহৰণ স্বৰূপে পিয়াজৰ দাম স্থিৰ হৈছিল প্ৰতি কেজিত ৩.৫০ টকাকৈ অথচ বেপাৰীয়ে প্ৰতি কেজিত ৫ টকাকৈ বিক্ৰী কৰিছে। আলুৰ দাম স্থিৰ কৰা হৈছিল প্ৰতি কেজিত ২.৫০ টকাকৈ অথচ বজাৰত সেয়া বিক্ৰী হৈ আছে প্ৰতিকেজিত ৫ টকাকৈ। মোটা চাউলৰ দাম স্থিৰ হৈছিল কেজিত ২ টকাকৈ, কিন্তু সেই চাউল বজাৰত পাবলৈকে নাই।

লগে লগে বিষয়টো সংস্থাই খাদ্য আৰু যোগান বিভাগৰ ওচৰত উত্থাপন কৰে আৰু তেওঁলোকে অভিযোগ কৰে যে এই সম্পৰ্কত কোনো ব্যৱস্থাই গ্ৰহণ কৰা দেখা নগ'ল। লগতে এই তথ্যও ওলাই পৰিল যে প্ৰত্যেক ব্যক্তিৰ বাবে প্ৰতি মাহত নিৰ্দ্ধাৰিত চাউলৰ পৰিমাণ মাত্ৰ ৩ কেজিয়ে হৈ আছে যদিও এই পৰিমাণ বৃদ্ধি কৰিবলৈ দাবী কৰা হৈছিল। খাদ্য আৰু যোগান বিভাগৰ সঞ্চালক বি, বি [illegible]ৰীয়ে এক যুক্তি আগবঢ়ালে যে আলু আৰু পিয়াজ যিহেতু সোনকালে নষ্ট হৈ যোৱা শ্ৰেণীৰ দ্ৰব্য আৰু এইবোৰৰ পৰিবহণ খৰচো যথেষ্ট গতিকে ব্যৱসায়ীয়ে এই দুবিধ কিঞ্চিৎ লাভ লৈ বিক্ৰী কৰিবলৈ বাধ্য, কিন্তু তেওঁলোকৰ বিভাগে বজাৰৰ পৰা পোৱা তথ্য মতে বেপাৰীয়ে এইবোৰৰ কেজিয়ে প্ৰতি মাত্ৰ ২০/৩০ পইছা মান লাভ লৈহে বিক্ৰী কৰে। আনহাতে চাউলৰ দাম ৩ টকাৰ ঠাইত কেনেকৈ ৬ টকা হাৰত বিক্ৰী হৈছে বুলি প্ৰশ্ন কৰাত খাদ্য আৰু যোগান বিভাগে জনালে যে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ৬০ মেট্ৰিকটনৰ বিপৰীতে চাউল যোগান দিছে ৪০ টন; আনহাতে গমৰ ক্ষেত্ৰতো প্ৰয়োজনীয় ৪২০০০ টনৰ বিপৰীতে যোগান ধৰিছে মাত্ৰ ২০০০০ টনৰ। এই ঘাটি যোগানৰ ফলত মূল্য বৃদ্ধি হবলৈ পাইছে। ক্ষুদ্ৰ ব্যৱসায়ীবোৰক এই বিষয়ে প্ৰশ্ন কৰাত তেওঁলোকেও পৰিবহণ ব্যয় যথেষ্ট বাবে সোনকালে নষ্ট হোৱা খাদ্য দ্ৰব্য বোৰ অলপ বেছি দামত নেবেচিলে তেওঁলোকৰ পাওনা একো নেথাকে বুলি কয়। আৰু এক আচৰিত কথা ক্ষুদ্ৰ বেপাৰীবোৰে খাদ্য সৰবৰাহ কৰোতে পুলিচকো পইছা দিব লাগে বুলি জনায়।

মন কৰিব লগা কথা হ'ল পঞ্জাবত ৰাজ্য চৰকাৰে কৃষি বিশ্ববিদ্যালয়ৰ সহযোগিতাত অধিক কৃষি জাত খাদ্য দ্ৰব্য উৎপাদন কৰিবলৈ সক্ষম হৈছে -ঃ এইক্ষেত্ৰত অসম চৰকাৰৰ একো মন কাণেই নাই। বি বি চৌধুৰীৰ মতে কেন্দ্ৰ চৰকাৰৰ ফালৰ পৰা ৰাজ্যচৰকাৰক বণ্টন কৰা খাদ্যদ্ৰব্যৰ Quota (কোটা) বৃদ্ধি নকৰিলে গ্ৰাহক সকলক দুৰ্ভোগৰ পৰা মুক্তি দিবলৈ তেওঁৰ বিভাগে একো কৰিবলৈ অপাৰগ। কেৰাচিনৰ বন্টনো খাদ্য আৰু যোগান বিভাগেই কৰে। এই ক্ষেত্ৰত চৰকাৰৰ নীতি হ'ল শতকৰা ৭০ ভাগ কেৰাচিন সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিক্ৰী কৰা আৰু বাকী ৩০ শতাংশৰ বাবে নিবনুৱা যুৱকক বিক্ৰীৰ লাইচেঞ্চ প্ৰদান কৰা। এই সন্দৰ্ভতো সুলভ মূল্যৰ দোকানী বিলাকে অভিযোগ কৰিছে যে তেওঁলোকক যোগান দিয়া কেৰাচিনৰ প্ৰতি বেৰেলত ১০/১৫ লিটাৰকৈ ঘাটি থাকে। তেওঁলোকক এই বেৰেল বোৰ যোগান ধৰে কেৰাচিনৰ ডিপো বোৰে। স্বাভাৱিকতেই এই ঘাটি পূৰণ কৰিবলৈ তেওঁলোকেও নিৰ্দ্ধাৰিত দৰতকৈ অধিক দামত বিক্ৰী কৰিব লগা হয়। এইদৰে সৃষ্ট ঘাটি যোগানৰ ফলত গ্ৰাহকবোৰে এই অত্যাৱশ্যকীয় ইন্ধনবিধৰ বাবে ক'লাবেপাৰীৰ হাতৰ মুঠিত অধিক ধন গুজিব লগা হয়। এই বিষয়ে প্ৰকৃত তথ্য বিচৰাত খাদ্য আৰু যোগান বিভাগে এই বুলি কলে যে তেওঁলোকে এই সম্পৰ্কে জিলা সমূহৰ উপায়ুক্ত সমূহক কঠোৰ ব্যৱস্থা লবলৈ নিৰ্দেশ দিছে। তাৰোপৰি ক'লা বজাৰৰ সৈতে যুক্ত বুলি প্ৰমাণ পোৱা ৫৬ জনৰ লাইচেঞ্চ বাতিল কৰা হৈছে। যোগান বিভাগৰ ক্ষেত্ৰ বিষয়াবোৰকো বিতৰণ ব্যৱস্থাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ সকীয়াই দিয়া হৈছে। অৱশ্যে দোকানীয়ে প্ৰতি বেৰেলত কমকৈ কেৰাচিন পোৱা কথাৰ অভিযোগ সম্পৰ্কে তেওঁলোকৰ ওচৰত তথ্য নাই বুলিও কলে।

আন এক অত্যাৱশ্যকীয় ইন্ধন হ'ল ৰন্ধন গেছ। এই বিধৰো প্ৰায়ে কৃত্ৰিম নাটনিয়ে গ্ৰাহকক জীয়াতু ভোগায়। দেখা গৈছে জধে মধে বিতৰণ কৰাৰ বাবেহে নাটনিৰ সৃষ্টি হয়। বিশেষকৈ হোটেল ৰেষ্টোৰাঁ বোৰে তেওঁলোকৰ ভাগৰ কমাৰ্চিয়েল চিলিণ্ডাৰৰ (এই চিলিণ্ডাৰত এডাল নীলা ফিটা থাকে) বাহিৰেও ডোমেষ্টিক চিলিণ্ডাৰ বহু পৰিমাণে হাত কৰে। অনুসন্ধান কৰোতে ওলাই পৰিছে বহু হোটেলত ব্যৱহৃত হৈ থকা চিলিণ্ডাৰত নীলা ফিটা নাই। ইপিনে চিলিণ্ডাৰ কঢ়িওৱা মিনি ট্ৰাকবোৰৰো বেছিভাগেই ৰেজিষ্টাৰ্ড নহয়। আচলতে সকলো গ্ৰাহককে নিজৰ ভাগৰ চিলিণ্ডাৰটো ঘৰতেই পৌছাই দিব লাগে, কাৰণ দামত সেই চাৰ্জটো অন্তৰ্ভুক্ত কৰা থাকে। কিন্তু কাৰ্যক্ষেত্ৰত বেছিভাগ গ্ৰাহকে দেৰি হোৱাৰ ভয়ত নিজেই নিজৰ চিলিণ্ডাৰ লৈ আহি ডিষ্ট্ৰিবিউটৰৰ সমুখত দীঘল দীঘল লাইন দি থকাটো এটা সচৰাচৰ দৃশ্য হৈ পৰিছে।

আন এক অত্যাৱশ্যকীয় ইন্ধন হ'ল ৰন্ধন গেছ। এই বিধৰো প্ৰায়ে কৃত্ৰিম নাটনিয়ে গ্ৰাহকক জীয়াতু ভোগায়। দেখা গৈছে জধে মধে বিতৰণ কৰাৰ বাবেহে নাটনিৰ সৃষ্টি হয়। বিশেষকৈ হোটেল ৰেষ্টোৰাঁ বোৰে তেওঁলোকৰ ভাগৰ কমাৰ্চিয়েল চিলিণ্ডাৰৰ (এই চিলিণ্ডাৰত এডাল নীলা ফিটা থাকে) বাহিৰেও ডোমেষ্টিক চিলিণ্ডাৰ বহু পৰিমাণে হাত কৰে। অনুসন্ধান কৰোতে ওলাই পৰিছে বহু হোটেলত ব্যৱহৃত হৈ থকা চিলিণ্ডাৰত নীলা ফিটা নাই। ইপিনে চিলিণ্ডাৰ কঢ়িওৱা মিনি ট্ৰাকবোৰৰো বেছিভাগেই ৰেজিষ্টাৰ্ড নহয়। আচলতে সকলো গ্ৰাহককে নিজৰ ভাগৰ চিলিণ্ডাৰটো ঘৰতেই পৌছাই দিব লাগে কাৰণ দামত সেই চাৰ্জটো অন্তৰ্ভুক্ত কৰা থাকে। কিন্তু কাৰ্যক্ষেত্ৰত বেছিভাগ গ্ৰাহকে দেৰি হোৱাৰ ভয়ত নিজেই নিজৰ চিলিণ্ডাৰ লৈ আহি ডিষ্ট্ৰিবিউটৰৰ সমুখত দীঘল দীঘল লাইন দি থকাটো এটা সচৰাচৰ দৃশ্য হৈ পৰিছে। আইনমতে এনেকৈ চিলিণ্ডাৰ কঢ়িয়াটোও বিধিসন্মত নহয়। নিজৰ চিলিণ্ডাৰটো আগতে পাবলৈ কিছুমান গ্ৰাহকে দুই চাৰি টকা অধিককৈ খৰচ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ফলত কোনোবাই মাহত এটা চিলিণ্ডাৰো সময়মতে নাপায়, কোনোবাই দুটা তিনিটাও পাই যায়। সুধা যোশী পাৰ্লিয়ামেণ্টাৰী কমিটিৰ মতে বিস্ফোৰক

..মগ্ৰী কড়িওৱা লাইচেঞ্চ নথকা কোনো ব্যক্তিয়ে বা গাড়ী চালকে চিলিণ্ডাৰ কঢ়িয়াব নোৱাৰে। অৰ্থাৎ গ্ৰাহকবোৰে যে নিজৰ চিলিণ্ডাৰটো ৰিক্সাত স্কুটাৰত কঢ়িয়াই ফুৰে বা আই, ও, চি, আৰু এ, ও, চি,য়ে যে ৰেজিষ্টাৰ্ড নোহোৱা মিনিট্ৰাকবোৰ কড়িওৱা কামত ব্যৱহাৰ কৰে সেয়া আইনমতে দণ্ডনীয়।

কিছুদিন আগতে গেছ এজেন্সিবোৰে এটা নিয়ম কৰি দিলে যে এবাৰ চিলিণ্ডাৰ লোৱাৰ পোন্ধৰদিন উকলি যোৱাতহে পুনঃ বুক কৰিব পাৰিব। এইটোৱে গ্ৰাহক সকলক মিছাতেই জুলুম কৰিলে। কিন্তু গ্ৰাহক সুৰক্ষা সমিতিৰ সময়োচিত হস্তক্ষেপত যেনিবা এই নিয়মটো উঠাই লোৱা হ'ল।

এই বিষয়টোৰ লগত জড়িত খাম-খেয়ালিবোৰ সম্পৰ্কে জি, এচ, এচ, এ, চৰকাৰকো অভিযোগ কৰিলে। পেট্ৰোলিয়াম মন্ত্ৰীয়ে তেতিয়া এগৰাকী এডিশ্বনেল ডিৰেক্টৰ জেনেৰেলক এই সম্পৰ্কে অনুসন্ধান কৰিবলৈ গুৱাহাটীলৈ পঠায়। তৎকালীন কাৰ্য ব্যৱস্থা লোৱাৰ ফলত বহুতো খাম-খেয়ালিৰ কথা পোহৰলৈ আহে। বিশেষকৈ মায়া গেছ এজেন্সিয়ে যথেষ্ট অনিয়ম কৰাৰ কথা ওলাই পৰে। তেওঁলোকৰ ট্ৰেড লাইচেঞ্চ বাতিল কৰি দিয়া হয়। আৰু চৰকাৰে এই কোম্পানীটোক চাৰ্জচিটো জাৰি কৰে।

গ্ৰাহক সুৰক্ষা সমিতিৰ এক বিশেষ সাফল্যৰ কথা এইখিনিতে উল্লেখ কৰা যাওক। যোৱা বছৰ গুৱাহাটীৰ মিনি চিটি বাছবোৰে যেতিয়া অত্যন্ত অনুচিত ভাৱে ভাড়া বৃদ্ধি কৰে তেতিয়া এই সমিতিয়ে বিষয়টোক লৈ ততাতৈয়াকৈ চৰকাৰৰ লগত আলোচনা কৰে। ফলত ৰাউণ্ড টিকেটৰ বৰ্দ্ধিত হাৰ ১০ টকাৰ পৰা হ্ৰাস কৰি ৬.৫০টকাত স্থিৰ কৰিবলৈ বাধ্য হয়।

অটোৰিক্সা সমূহত মিটাৰ প্ৰৱৰ্তন কৰা আৰু মিটাৰৰ উচিত হাৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতো জি, এচ, এচ, এ, দীৰ্ঘদিন সংগ্ৰাম কৰি আহিছে। এইখিনিতে অটোৰিক্সাৰ আৰোহীয়ে মনত ৰখা দৰকাৰ যে গাড়ীত উঠাৰ পিছতেই গাড়ীখনৰ চালকে মিটাৰটো অন কৰিব লাগে। অন কৰোতে ক্লিং কৈ এটা শব্দ হয় আৰু মিটাৰত ০০ উঠিব লাগে। প্ৰথম দুই কিঃমিঃত মিটাৰে ৫ টকা দেখুৱায়, তাৰ পিছত প্ৰতি কিঃমিঃত ২টকাকৈ বৃদ্ধি হয়। ৰাতি ১০ টাৰ পৰা ৰাতি পুৱা ৫ বজাৰ মাজৰ সময়খিনিত অতিৰিক্ত ২৫ % শতাংশ ভাড়া আদায় কৰিব পাৰে।

এতিয়াও সুবিধা বুজি অটোচালকে গ্ৰাহকৰ পৰা অতিৰিক্ত দাম লবলৈ সুবিধা বিচাৰি থাকে। জি এচ এচ ৰ সদস্যই ক্ষেত্ৰভিত্তিক তথ্যৰ বাবে এবাৰ এখন অটোত (নং এ, এক্স, এ, ৯৩৭৯) পল্টন বজাৰৰ পৰা ৰাজগড়ৈহে জুৰোড লৈ ভ্ৰমণ কৰোতে চালকে এইছোৱা পথৰ পৰা ভাড়া দাবী কৰে ২৫ টকা। অথচ মিটাৰ চলাই দেখা গ'ল এইখিনি দূৰত্বত মিটাৰৰ ভাড়া হয় ১০ টকা।

আমাৰ নাগৰিক সকল আন এক ক্ষেত্ৰত নিজৰ অধিকাৰৰ প্ৰতি মুঠেই সচেতন নহয়। সেয়া হ'ল ৰাস্তাত বিজুলী চাকি, নলা নৰ্দমাৰ নিৰ্মাণ, মেৰামতি, আৰু সময়মতে চাফাই কৰা ইত্যাদি অথচ এইবোৰৰ বাবে আমি নগৰ নিগমক নিয়মিত কৰ দি থাকো। গুৱাহাটী চহৰৰ কিছুমান ঠাইত এতিয়াও পকী বাট নাই। কিছুমান ঠাইত নলা নিৰ্মাণ কৰাই নাই। আন কিছুমান ঠাইত নলা আছে যদিও সেইবোৰ কেতিয়াও ভালকৈ পৰিষ্কাৰ কৰা নহয়। এইবোৰ কাৰণতে বাৰিষাৰ কালছোৱাত চহৰখনৰ বহু ঠাই এতিয়াও জলমগ্ন হৈ থাকে।

তাৰোপৰি বোকাপানী গচকি নাগৰিক সকলে যমৰ যাতনা ভুগিও তাৰ পৰা পৰিত্ৰাণ পাবলৈ কৰ্তৃপক্ষৰ ওপৰত একেৰাহে হেঁচা দি থকাৰ মানসিকতা নাগৰিক সকলৰ একেবাৰেই নাই। বহু নাগৰিকে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ সম্পৰ্কে সচেতনেই নহয়। যি সকল সচেতন তেওঁলোকে নিজৰ ব্যস্ততাৰ বাবে এইবোৰ ৰাজহুৱা কামৰ বাবে সময়েই উলিয়াব নোৱাৰে। নগৰৰ পৰিসীমাৰ ভিতৰত মাটি কটাৰ কথাটোকে চাওক। চৰকাৰে কেতিয়াবাই এই কাম নিষিদ্ধ ঘোষণা কৰিলে ১৪৪ চি আৰ পি বি ধাৰা অনুসৰি। অথচ ঠিকাদাৰ সকলে নিৰ্বিবাদে চহৰৰ ভিতৰত থকা পাহাৰবোৰৰ পৰাই মাটি কাটি থাকিল। ইয়াতো নগৰ নিগমৰ বিষয়া কৰ্মচাৰী সকলক উৎকোচ দি এই কাম সম্ভৱ কৰি তুলিছে নহয় চৰকাৰী ওপৰমহল এই বিষয়ত জড়িত আছে।

এই সন্দৰ্ভতো জি এচ এচ এ উপদেশ দিছিল চহৰৰ ভিতৰৰ পাহাৰৰ মাটি কটাতকৈ ব্ৰহ্মপুত্ৰৰ বালি মাটি ব্যৱহাৰ কৰক, এইটো কৰিলে নদীখনো বহল হয় আৰু এই মাটি পাহাৰৰ ৰঙা মাটিতকৈ গুণগত ভাৱেও উচ্চ পৰ্যায়ৰ। ইয়াৰ উপৰিও নদীৰ দাঁতিত বেআইনী ভাৱে মাটি দখল কৰি ঘৰ সজাৰ সন্দৰ্ভতো চৰকাৰ আৰু নগৰ নিগমৰ ওচৰত জি এচ এচ-এ সদায় প্ৰতিবাদ কৰি আহিছে। সন্তোষৰ কথা যে শেহতীয়াকৈ চৰকাৰে নদীৰ দাঁতিত উচ্ছেদ কাৰ্য আৰম্ভ কৰিছে। ঠিক তেনেকৈ নগৰ নিগমেও নতুন নতুন নলা নিৰ্মাণ কৰা, পুৰণি কাঠৰ দলং আদি আঁতৰাই কংক্ৰিট দলং নিৰ্মাণ কৰিবলৈ ধৰা দেখা গৈছে। কেবাটাও মূল পথ আগতকৈ যথেষ্ট বহলও কৰা হৈছে।

> অটোৰিক্সা সমূহত মিটাৰ প্ৰৱৰ্তন কৰা আৰু মিটাৰৰ উচিত হাৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতো জি, এচ, এচ, এ, দীৰ্ঘদিন সংগ্ৰাম কৰি আহিছে। এইখিনিত অটোৰিক্সাৰ আৰোহীয়ে মনত ৰখা দৰকাৰ যে গাড়ীত উঠাৰ পিছতেই গাড়ীখনৰ চালকে মিটাৰটো অন কৰিব লাগে। অন কৰোতে ক্লিং কৈ এটা শব্দ হয় আৰু মিটাৰত ০০ উঠিব লাগে। প্ৰথম দুই কিঃমিঃত মিটাৰে ৫ টকা দেখুৱায়, তাৰ পিছত প্ৰতি কিঃমিঃত ২টকাকৈ বৃদ্ধি হয়। ৰাতি ১০ টাৰ পৰা ৰাতি পুৱা ৫ বজাৰ মাজৰ সময়খিনিত অতিৰিক্ত ২৫ % শতাংশ ভাড়া আদায় কৰিব পাৰে।

কিন্তু বহু কাম এতিয়াও বাকী। নাগৰিক সকল সচেতন হৈ এক মঞ্চৰ তলত ঠিয় হৈ কাম কৰিলে নিজৰ অধিকাৰ বহুলাংশে সহজেই আদায় কৰিব পাৰে।

আজিও নিগমৰ বজাৰ কেইখনেই উপযুক্ত ভাৱে গঢ়ি উঠা নাই। ফলত বেপাৰী বিলাকে পথৰ ওপৰত, ফুটপাথৰ ওপৰতেই পোহাৰ মেলি বজাৰ চলাই আছে। উপযুক্ত বজাৰ সাজি এইবোৰ আঁতৰালে নিগমে কৰও বেছিকৈ পালেহেঁতেন আৰু পথৰ জেঙো আঁতৰ হ'লহেঁতেন। এইখিনিতে অভিযোগ পোৱা গৈছে বাটৰ দাঁতিৰ বে-আইনী দোকান বিলাক বৰ্ত্তি থাকে ট্ৰেফিক পুলিচ সকলৰ ছত্ৰছায়াতেই। নিগমে কৰ নেপালেও পুলিচ মহাশয়ে নিয়মিত মাছুল পাই থাকে হেনো এওঁলোকৰ পৰা। সেই বাবেই কেতিয়াবা উচ্ছেদ কৰিলেও পিছ মুহূৰ্তত ৰঘুমালাৰ দৰে এই বাটৰ বজাৰ সমূহ গজে।

এতিয়া আমি বিজুলী যোগানৰ সৰ্ব পৰিচিত বেমাৰটোৰ কথালৈ আহো। প্ৰতি বছৰে বিজুলীৰ নাটনি আৰু তাৰ পৰা উদ্ভৱ হোৱা সঘন লোড শ্বেডিঙে এতিয়া নাগৰিকৰ ধৈৰ্যৰ বান্ধ ভাঙি দিয়া অৱস্থা। গ্ৰামাঞ্চলততো আধা আধি বিজুলী-যোগান বন্ধই থাকে। বছৰটোৰ কোনো কোনো সময়ত প্ৰয়োজন পূৰাব পৰাকৈ বিজুলী উৎপাদন নোহোৱাটোৱে কিন্তু ইয়াৰ একমাত্ৰ কাৰণ নহয়। বিশেষকৈ গ্ৰামাঞ্চলৰ লোকে প্ৰায়ে বঞ্চিত হোৱাৰ এক মুখ্য কাৰণ হ'ল সেইবোৰ অঞ্চলৰ লাইনবোৰত বিদ্যুৎ বিভাগে ব্যৱহাৰ কৰি থকা আওপুৰণি সা-সৰঞ্জাম বোৰ, আনহাতে বিদ্যুৎ বিভাগ আৰু সামাজিক বনবিভাগৰ মাজত যি এক বুজা পৰা থাকিব লাগে তাৰ অভাৱেও এইবোৰ সমস্যা সৃষ্টি কৰিছে। বাটৰ দাঁতিত যিবোৰ গছ বনবিভাগে ৰোপণ কৰে তাৰে বেছি ভাগেই অতি ঠুনুকা। গতিকে বতাহ বৰষুণ দিলেই গছ উভালি পৰা বা গছৰ ঠাল ভাঙি বৈদ্যুতিক তাঁৰ ছিগাটো নিত্য নৈমিত্তিক ঘটনা। সেইবাবেই কিজানি বহুসময়ত বিদ্যুৎ বিভাগে দুৰ্ঘটনাৰ ভয়ত বতাহ বৰষুণ দিলেই আগতীয়াকৈ বিজুলী বন্ধ কৰি দিয়ে।

আন এটা মন কৰিব লগা দিশ হ'ল যি সময়ত বিজুলীৰ নাটনিৰ বাবে প্ৰকৃত গ্ৰাহকে জীয়াতু ভুগে, তেনে সময়ত গাঁৱ চহৰ উভয়তে অসংখ্য লোকে বে-আইনী ভাৱে মেইন লাইনৰ পৰা হুক কৰি তাঁৰ একোদালৰ মাধ্যমত বিজুলী চুৰ কৰি বিনা পইছাৰেই বিজুলী ভোগ কৰি আছে। ইয়াৰ ফলত বিদ্যুৎ বিভাগে সাংঘাতিক ধৰণে ঘাটি ভৰি থাকিব লগা হৈছে। আনপিনে চৰকাৰী বেচৰকাৰী আৰু বহু ব্যৱসায় প্ৰতিষ্ঠানৰ পৰা এতিয়ালৈকে অনাদায় বিজুলী শুল্কৰ পৰিমাণ গৈ ৬১ কোটি পৰ্যন্ত হৈছে। সেয়ে আজি অসম বিদ্যুৎ পৰিষদ এক ৰুগ্ন প্ৰতিষ্ঠান এক বগা হাতী। অলপতে এক গুৰুতৰ ষড়যন্ত্ৰৰ বাতৰি জি এচ এচ এ সংগ্ৰহ কৰে। সেইটো হ'ল কফি ব'ৰ্ডৰ গুৱাহাটী ৰিজিওনেল অফিছটো দক্ষিণ ভাৰতলৈ স্থানান্তৰিত কৰাৰ পৰিকল্পনা। জি এচ এচ এ- ইয়ে লগে লগে এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওপৰত হস্তক্ষেপ কৰাত এই পৰিকল্পনা বাতিল হৈ যায়। আচলতে এই অফিছটো ইয়াত স্থাপন কৰাৰ উদ্দেশ্য আছিল অসমত এই বোৰ্ডৰ যোগান ধৰা এক বিশেষ ব্ৰেণ্ড (যিটো বজাৰত লব্ধ ব্ৰেণ্ড বোৰতকৈ সস্তা) জনপ্ৰিয় কৰা। তেওঁলোকে এই ক্ষেত্ৰত একোৱে কৰা নাই বুলিব পাৰি। তেওঁলোকে কেৱল দুটা প্ৰতিষ্ঠানকে তেওঁলোকৰ সামগ্ৰী যোগান ধৰে। প্ৰতিষ্ঠান দুটা লাখটকীয়াৰ "ডি গুপ্তাচ" আৰু "মেচাৰ্চ জি বি থেঙ্গামৰিয়া" এইবিষয়ে জি এচ এচ-এ তদন্ত কৰাত বিষয়টো বিধান সভাতো উত্থাপিত হৈছিল।

জি এচ এচ গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আৰু কেবাটাও উল্লেখযোগ্য অৱদান আগবঢ়াইছে। যেনে, গুৱাহাটীত গাখীৰত ভেজালকৰণ, মিঠাতেলৰ ভেজাল কৰণ ধৰা পেলাইছে। তাৰোপৰি ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ যোগান ধৰিব লগা কিতাপ (অসম ৰাজ্যিক পাঠ্য পুথি প্ৰকাশন নিগমৰ দ্বাৰা প্ৰকাশিত) বজাৰত বিক্ৰী হোৱা কাণ্ড ধৰা পেলাই ইয়াক লগে লগে বন্ধ কৰিছে। সম্প্ৰতি গাখীৰ বেপাৰী সকলে কৰা ধৰ্মঘটৰো নিষ্পত্তিত মধ্যস্থতাকাৰীৰ ভূমিকা লৈ গাখীৰত চাহ আৰু আন কেইটা মান বস্তুৰ নায্য দাম থিৰাং কৰি দিছে।

গ্ৰাহক সুৰক্ষা সমিতিৰ সভাপতি শ্ৰী দেবেন দত্তক (তেওঁ একেৰাহে তৃতীয়বাৰ সভাপতি নিৰ্বাচিত হৈছে) আমি এই সংগঠনটোৰ বিষয়ে কৰা কেইটামান বিশেষ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে গুৱাহাটীৰ দৰে অসমৰ আন আন ঠাইতো এনে সংগঠন গঢ়ি উঠিব লাগে। তেতিয়া হলেহে গ্ৰাহক সকলৰ অধিকাৰ আৰু অধিক সুৰক্ষিত হব। সংগঠনটো সম্পূৰ্ণভাৱে স্বেচ্ছামূলক আৰু দান বৰঙণিৰ দ্বাৰাই ই চালিত হয়। বিত্তীয় সমস্যাতকৈ ডাঙৰ কথা হ'ল এনেকুৱা কামৰ বাবে যথেষ্ট উদ্যমৰ প্ৰয়োজন আৰু লাগে একাণপতীয়াকৈ লাগি থকা উৎসৰ্গীকৃত কৰ্মীৰ। সংগঠনটোৰ কাম-কাজ সম্পৰ্কে এতিয়া প্ৰায় লোকেই জনা হৈছে। জনসাধাৰণৰ সঁহাৰিও এই ক্ষেত্ৰত অভূতপূৰ্ব। কিন্তু কিছুমান লোকে অৱশ্যে এই সমিতিৰ পৰা অত্যধিক প্ৰত্যাশা কৰে। তেনেলোকে বুজা উচিত এইটো এটা সংগঠনহে আৰু এই সংগঠনে প্ৰতিটো অন্যায়, অবিচাৰ, অনিয়মৰ বিৰুদ্ধে যুদ্ধ কৰিহে ঈপ্সিত ফল লাভ কৰিব পাৰে। এই সংস্থাটোৰ ইতিবাচক ভূমিকা চৰকাৰেও নিশ্চয় পৰ্যবেক্ষণ কৰিছে, কাৰণ গ্ৰাহকৰ অধিকাৰ জড়িত বিষয়বোৰৰ নিষ্পত্তিকৰণৰ বাবে কোনো দ্বিদলীয় বা ত্ৰিপাক্ষিক বৈঠক অনুস্থিত কৰিলে চৰকাৰে এই সংস্থাক আজিকালি নিমন্ত্ৰণ কৰে।

শেষত এটা কথা দোহৰা প্ৰয়োজন যে গ্ৰাহক সকলৰ অধিকাৰ ৰক্ষা কৰাৰ বাবে আইনতো ব্যৱস্থা আছে আৰু এইবোৰৰ তদাৰক কৰিবলৈ চৰকাৰী বিভাগ বোৰো আছে;কিন্তু এই আইন বোৰ যাতে গ্ৰাহকৰ স্বাৰ্থতহে প্ৰযোজ্য হয় আৰু চৰকাৰী তদাৰকী বিভাগবোৰে যাতে গ্ৰাহকৰ স্বাৰ্থ আৰু অধিকাৰৰ পিনে সতৰ্ক দৃষ্টি ৰাখে তাৰ বাবে এই সম্পৰ্কে গ্ৰাহক নিজেই সচেতন, সতৰ্ক আৰু সংগ্ৰামী মনোভাৱৰ হোৱা উচিত গ্ৰাহকৰ অধিকাৰৰ হৈ যিকোনো সময়তে মাত মাতিবলৈ আৰু প্ৰয়োজন হ'লে আইনৰ সহায় পৰ্যন্ত লবলৈ সৰ্বদা জি এচ এচ সৰ্বদা প্ৰস্তুত। লাগে মাথো ৰাইজৰ সদিচ্ছা, সহযোগ, সমৰ্থন আৰু ঐক্যবদ্ধ সংগ্ৰামী মনোভাব।

# উইল ডুৰাণ্টৰ 'এশখন কিতাপ'

যোৱা সংখ্যা সূত্ৰধাৰত 'জ্ঞানাৰ্জনৰ কাৰণে পঢ়িবলগীয়া এশখন কিতাপৰ' তালিকা প্ৰকাশ হোৱাৰ পিছত কেইবাজনো পাঠকে মোক সুধিছে : উইল ডুৰাণ্টৰ বাছনিৰ লগত আপুনি সম্পূৰ্ণ একমতনে ?'

এই প্ৰশ্নৰ উত্তৰত মই প্ৰথমেই স্বীকাৰ কৰি লব লাগিব যে উইল ডুৰাণ্টৰ লগত একমত বা দ্বি-মত হবৰ জোখাৰে কিতাপৰ বিশাল জগতখনৰ লগত মোৰ পৰিচয় সিমান ব্যাপক আৰু গভীৰ নহয়। গতিকে তেওঁৰ বাছনিৰ ওপৰত মন্তব্য কৰাৰ ধৃষ্টতা মোৰ নাই। পাঠকসকলে নিশ্চয় মন কৰিছে যে উইল ডুৰাণ্টৰ এশখন কিতাপে জ্ঞান-বিজ্ঞান আৰু সাহিত্য-শিল্পকলাৰ আটাইবোৰ শাখা সামৰি লৈছে। বিজ্ঞান, দৰ্শন, সাহিত্য, বুৰঞ্জী, চিত্ৰকলা, সঙ্গীত, অৰ্থনীতি, নৃতত্ব, স্বাস্থ্যবিধি, পুষ্টি-বিজ্ঞান– কোনো এটা বিষয়েই তেওঁৰ তালিকাৰ পৰা বাদ পৰা নাই। ইয়াৰ অৰ্থ এয়েই যে এজন মানুহ প্ৰকৃত অৰ্থত শিক্ষিত হবলৈ হলে মাত্ৰ দুটামান বিষয়ৰ ওপৰত তেওঁৰ অগাধ জ্ঞান থাকিলেই নহব ; জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰ লগত তেওঁৰ এটা সাধাৰণ পৰিচয় থাকিব লাগিব। যিজন মানুহ পদাৰ্থ-বিজ্ঞান বা অৰ্থনীতিত দিগ্‌গজ পণ্ডিত, অথচ সাহিত্য বা সঙ্গীতৰ বিষয়ে তেওঁৰ ধনিষ্ঠামানো জ্ঞান নাই, তেওঁক প্ৰকৃত অৰ্থত শিক্ষিত বুলি কব নোৱাৰি। ইংৰাজী gentleman শব্দটোৰ আমি ভাৰতীয় প্ৰতিশব্দ কৰিছো 'ভদ্ৰলোক' বুলি। কিন্তু gentleman শব্দটোৱে ইতিহাসত প্ৰথম গুৰুত্ব পাবৰ সময়ত ইয়াৰ অৰ্থ আছিল সুকীয়া। নব-জাগৰণৰ পিছত ইউৰোপৰ উদাৰনৈতিক শিক্ষা-পদ্ধতিৰ প্ৰধান উদ্দেশ্য আছিল gentleman সৃষ্টি কৰা। Gentlemanৰ লক্ষণ কি ? তেওঁ হ'ল এনে এজন মানুহ– যিজন মানুহ জ্ঞান-বিজ্ঞানৰ সকলো শাখাতে সমানে পাৰঙ্গম। অৱশ্যে যোৱা তিনিশ বছৰত মানুহৰ জ্ঞান-ভাণ্ডাৰত ইমান বিপুল জ্ঞান জমা হব ধৰিছে আৰু মানুহৰ জ্ঞান-চৰ্চাৰ ক্ষেত্ৰ এনেভাবে বিস্তৃত হব ধৰিছে যে অসাধাৰণ প্ৰতিভা-সম্পন্ন মানুহৰ বাহিৰে আজিৰ দিনত আন কাৰো পক্ষেই জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰ লগত নিবিড় পৰিচয় স্থাপন কৰা সম্ভৱ নহয়। কিন্তু মোটামুটিভাবে পৰিচিত হোৱা নিশ্চয় সম্ভৱ। কেৱল সম্ভৱেই নহয়, সি অতি প্ৰয়োজনীয়ও। বিজ্ঞান আৰু কলা দুয়োটাকে দুটা পানী-নসৰকা কোঠালি বুলি ভবাৰ ফলত কেনেকৈ আধুনিক কালত নব্য-অশিক্ষিত মানুহৰ সংখ্যা দ্ৰুতগতিৰে বাঢ়িব ধৰিছে সেই কথাৰ প্ৰতি চাৰ চি পি স্নৱে আমাৰ সকলোৰে মনোযোগ আকৰ্ষণ কৰিছে তেওঁৰ বিখ্যাত আৰু বহু-বিতৰ্কিত 'Two Cultures' নামৰ প্ৰবন্ধত। উইল ডুৰাণ্টৰ তালিকাখনৰ প্ৰধান আকৰ্ষণ এয়েই যে মাত্ৰ এই এশখন কিতাপ পঢ়িয়েই যি কোনো এজন মানুহে আধুনিক জ্ঞান-চৰ্চাৰ সকলো শাখাৰ বিষয়ে এটা মোটামুটি পৰিচয় লাভ কৰিব পাৰে আৰু তাৰ ফলত তেওঁৰ মানসিক দিগন্তৰ প্ৰসাৰণ ঘটে।

অৱশ্যে উইল ডুৰাণ্টৰ কেইটামান বাছনি মই সহজভাবে মানি লব পৰা নাই, আৰু সেই আটাইকেইটাই সৃজনী-মূলক সাহিত্যৰ লগত সম্পৰ্কিত। উদাহৰণ স্বৰূপে তেওঁ শ্বেকছপীয়েৰৰ যিকেইখন নাটক বিশেষভাবে পঢ়িবলৈ পাঠকসকলক উপদেশ দিছে সেই তালিকাত 'কিং লীয়েৰৰ' উল্লেখ নাই। কলেজত থাকোতেই পঢ়িছিলো যে 'হেমলেটক' শ্বেকছপীয়েৰৰ best আৰু 'কিং লীয়েৰক' greatest নাটক বুলি কোৱা হয়। এই কথাও মনত ৰখা দৰ্কাৰ যে শ্বেকছপীয়েৰৰ অসামান্য কাব্যিক প্ৰতিভাৰ কেইটামান শ্ৰেষ্ঠতম নিদৰ্শন দেখিবলৈ পোৱা যায় 'কিং লীয়েৰ' নাটকৰ কেইটামান দৃশ্যত : বিশেষকৈ লীয়েৰৰ মোহভঙ্গ আৰু উন্মাদনাৰ দৃশ্যকেইটাত আৰু ধুমুহাৰ ৰাতিৰ দৃশ্যত। অথচ উইল ডুৰাণ্টৰ মতে ৰস-পিপাসু পাঠকে 'কিং লীয়েৰ' নপঢ়িলেও চলে !

ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগৰ কবিসকলৰ ভিতৰত উইল ডুৰাণ্টে কীটছ্, শ্যেলি, বায়ৰণ আৰু টেনিছনৰ কবিতা পঢ়িবলৈ পাঠকক পৰামৰ্শ দিছে ; কিন্তু তেওঁৰ তালিকাৰ পৰা সম্পূৰ্ণভাবে বাদ পৰিছে ওৱৰ্ডছওৱৰ্থ। ওৱৰ্ডছওৱৰ্থ মোৰ প্ৰিয় কবি। কিন্তু কেৱল সেই কাৰণেই তেওঁৰ নামটো বাদ পৰাৰ কাৰণে মই ক্ষুণ্ণ বা বিস্মিত হোৱা নাই। 'Wordsworth is not only one of England's greatest lyric poets; he has profoundly influenced modern attitude and sensibilities.'– মাৰ্ক্সবাদী সাহিত্য-সমালোচক ভি জি কিয়েৰনানে আনকি এই বুলিও ঘোষণা কৰিছে যে '........ as an English poet Wordsworth is second only to Shakespeare, and because we have reached a time when what is authentic in his poetry both of revolution and of preservation has potent meanings, somehow to be reconciled'.

কিন্তু উইল ডুৰাণ্টৰ তালিকাত এনেহেন ওৱৰ্ডছওৱৰ্থৰ কাৰণে ঠাইৰ অভাব !

পাঠকসকলে মোৰ বিভিন্ন লেখাৰ বহু ঠাইত উইল ডুৰাণ্টৰ উল্লেখ পাব, কাৰণ মই কিতাপৰ জগতত বহু সময়ত উইল ডুৰাণ্টক গাইড্ হিচাপে ব্যৱহাৰ কৰো। কিন্তু তাৰ অৰ্থ এই নহয় যে মই তেওঁক অন্ধভাবে অনুসৰণ কৰো বা সকলো কথাতে তেওঁক হয়ভৰ দিওঁ। নানা কথাত তেওঁৰ লগত মোৰ মতৰ অমিল। উদাহৰণ স্বৰূপে কোনোবা এঠাইত তেওঁ লিখিছে যে (গোয়েথেৰ) 'ফাউষ্টৰ' দ্বিতীয় খণ্ড পঢ়িবৰ সম্পূৰ্ণ অযোগ্য আৰু পাঠকসকলে সেইখন কিতাপ উপেক্ষা কৰাই উচিত। মই এনেকুৱা কথা সমূলি ভাল নাপাওঁ।

উইল ডুৰাণ্টৰ তালিকা সম্পৰ্কে মোৰ তৃতীয় প্ৰধান আপত্তি হ'ল তেওঁৰ তালিকাত আমেৰিকান কবি ওৱাল্ট হুইটমেনৰ অন্তৰ্ভুক্তি। সন্দেহ নাই যে হুইটমেন আধুনিক যুগৰ এজন অতি গুৰুত্বপূৰ্ণ কবি। কিন্তু পাশ্চাত্য-জগতৰ মাত্ৰ এশখন অৱশ্য পঠনীয় কিতাপৰ তালিকাত হুইটমেনৰ Leaves of Grass ৰ অন্তৰ্ভুক্তি মোৰ পক্ষে কোনো মতেই গ্ৰহণীয় নহয়। চমাৰচেট মমে তেওঁৰ Ten Novels and their Authors নামৰ কিতাপৰ পাতনিত লিখিছে যে আন জাতিৰ লেখকতকৈ নিজৰ জাতিৰ লেখকক বেছি শ্ৰেষ্ঠ বুলি ভাবিবলৈ বিচৰাটো যি কোনো মানুহৰে এটা স্বাভাৱিক প্ৰৱণতা। তেওঁ তাৰ উদাহৰণো দি লিখিছে যে দহখন সৰ্বশ্ৰেষ্ঠ উপন্যাসৰ তালিকাত তেওঁ নিজে হেৰমান মেলভিলৰ 'মবি ডিক' আৰু জেন অষ্টেনৰ প্ৰাইড এণ্ড প্ৰেজুডিচ'ক স্থান দিছে ; কিন্তু এজন ফৰাচী পাঠকে সেইটো নিশ্চয় নকৰিলেহেঁতেন। তেওঁৰ বাছনিত হয়তো উঠিলহেঁতেন মাডাম দ্য লাফায়েতৰ La Princesse de Cleves। এনে প্ৰৱণতাৰ বশৱৰ্তী হৈয়েই ডাঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে বিশ্বসাহিত্যৰ বাৰখন শ্ৰেষ্ঠ গ্ৰন্থৰ তালিকাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ গ্ৰন্থসমূহক স্থান দিছিল ;ঠিক একে প্ৰৱণতাৰ বশৱৰ্তী হৈ উইল ডুৰাণ্টে আন এঠাইত পৃথিৱীৰ দহজন সৰ্বশ্ৰেষ্ঠ কবিৰ ভিতৰত ওৱাল্ট হুইটমেনো এজন বুলি ঘোষণা কৰিছে। কিন্তু তেওঁলোকৰ এই বাছনিত জাতিগত অহংকাৰ বা পক্ষপাত যিমান প্ৰকাশ পাইছে, সেই পৰিমাণে নিৰ্ভুল আৰু নিৰপেক্ষ সাহিত্যিক বিচাৰ-বুদ্ধি ফুটি উঠা নাই। হুইটমেন আৰু ৰবীন্দ্ৰনাথ দুয়োজনেই মহৎ কবি ; কিন্তু সেইবুলি তেওঁলোক পৃথিৱীৰ মাত্ৰ দহজন বা বাৰজন সৰ্বশ্ৰেষ্ঠ লেখকৰ তালিকাত ঠাই পোৱাৰ যোগ্য নিশ্চয় নহয়।

## 'অনুবাদ' : এটি মহৎ প্ৰয়াস

ওপৰত কিতাপৰ বিষয়ে এবকলা লিখিলো যদিও তাৰ পৰা কিবা লাভ হবনে নহয় সেই বিষয়ে মোৰ নিজৰ মনতেই সন্দেহ উপজিছে। আমাৰ শিক্ষা-ব্যৱস্থাত ইংৰাজী ভাষাৰ গুৰুত্ব কমি যোৱাৰ দিন ধৰি এটা ডাঙৰ সমস্যাই দেখা দিছে। গাঁৱে-ভূঞে যি হাজাৰ হাজাৰ স্কুলত মাতৃভাষাৰ যোগেদি শিক্ষা দিয়া হয় সেইবোৰ স্কুলত ইংৰাজী ভাষা-শিক্ষাৰ মান ইমান নিম্নগামী হৈছে যে তেনেবোৰ স্কুলৰ পৰা প্ৰবেশিকা পাছ কৰি অহা ল'ৰা-ছোৱালীয়ে আনকি বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি অৰ্জন কৰাৰ পিছতো ইংৰাজী ভাষাৰ কিতাপ পঢ়ি, ৰসাস্বাদন কৰাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰে। মই অসমৰ বিভিন্ন ঠাইত কেতিয়াবা ফুৰিবলৈ যাওঁতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে মোক লগ ধৰি পঢ়িব লগীয়া কিতাপৰ নামৰ তালিকা বিচাৰে। যিহেতু বছৰি প্ৰকাশ হৈ ওলোৱা অসমীয়া কিতাপৰ নাম দুখন হাতৰ আঙুলিৰ মূৰতে লেখি শেষ কৰিব পাৰি, সেই কাৰণে মই তেওঁলোকক ইংৰাজী কিতাপৰ নাম কবলৈ বাধ্য হওঁ। কিন্তু ইংৰাজী কিতাপৰ নাম শুনিলেই তেওঁলোকে আতঙ্কিত হৈ কৰুণ মুখভঙ্গী কৰি কয়- 'কিন্তু চাৰ, আমি ইংৰাজী কিতাপ পঢ়িম কেনেকৈ ? এটা বাক্যও দেখোন ভালকৈ বুজি নাপাওঁ।'

বছৰি প্ৰকাশ হোৱা অসমীয়া কিতাপৰ সংখ্যা নগণ্য ; আনহাতে বিদ্যানুৰাগী বেছি ভাগ অসমীয়া পাঠকেই ইংৰাজী কিতাপ পঢ়ি তাৰ অৰ্থোদ্ধাৰ আৰু ৰসাস্বাদন কৰিব নোৱাৰে। তেনেহ'লে অসমীয়া মানুহৰ মনত জ্ঞানৰ বন্তি জ্বলাই ৰখাৰ উপায় কি ?

একমাত্ৰ উপায় হ'ল ব্যাপক অনুবাদৰ যোগেদি সমগ্ৰ বিশ্বৰ জ্ঞান-চৰ্চা আৰু ভাব-প্ৰবাহৰ লগত অসমৰ সেতু-বন্ধনৰ চেষ্টা কৰা। তাকে নকৰিলে অসম আকৌ এক নতুন ধৰণৰ অজ্ঞান অন্ধকাৰত নিমজ্জিত হব। নিজৰ ভাষাত পঢ়িব লগীয়া কিতাপ নাই ; ইংৰাজী বা অন্যান্য ভাষাৰ কিতাপ পঢ়াৰ যোগ্যতা নাই। তেনেহ'লে অসমীয়া মানুহে জ্ঞান-আহৰণ কৰিব কেনেকৈ ? অবিশ্বাস্য দ্ৰুতগতিৰে বিকশিত আৰু বিস্তাৰিত হোৱা বিশ্বৰ ভাব-আন্দোলনবোৰৰ লগত তেওঁলোকে সম্পৰ্ক ৰক্ষা কৰি চলিব কেনেকৈ ? এই সমস্যাৰ একমাত্ৰ সমাধান হ'ল অনুবাদ।

অসমীয়া বিদ্যানুৰাগী আৰু সাহিত্য-প্ৰেমীসকলক এটা শুভ সংবাদ দিব খুজিছো। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেইজনমান শিক্ষকে 'অনুবাদ' নামৰ এখন তিনিমহীয়া আলোচনী প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলাইছে। এই উদ্দেশ্যে তেওঁলোকে এখন সমবায় সমিতিও গঠন কৰিছে (Regd No D-3 of 1991-92- registered under section 11 of the Assam Co-operative societies Act 1944)। মই শুনামতে তেওঁলোকে সমবায় সমিতিৰ অংশ বিক্ৰী কৰি এতিয়ালৈকে একলাখমান টকা সংগ্ৰহ কৰিছে। কিন্তু 'অনুবাদ'ৰ নিচিনা এখন উচ্চাভিলাষী আলোচনী নিয়মিতভাবে চলাই থাকিবলৈ একলাখ টকা একোৱেই নহয় ; ই এপাচি শাকত এটা জালুকৰ নিচিনা। তেওঁলোকৰ আৰু কেইবালাখো টকাৰ প্ৰয়োজন হব। 'অনুবাদ'ৰ সম্পাদনাৰ লগত ডঃ কবীন ফুকন, ডঃ পোনা মহন্ত আৰু অধ্যাপক ভুবন বৰুৱাৰ নিচিনা কৃতবিদ্য লোকসকল জড়িত আছে। গতিকে ইয়ে এখন উচ্চমানৰ আলোচনী হব সেই বিষয়ে কোনো সন্দেহ নাই। এতিয়া অসমীয়া সুধী সমাজৰ প্ৰধান কৰ্তব্য হ'ল আলোচনীখন জীয়াই ৰখা আৰু তাৰ শ্ৰীবৃদ্ধিত সহায় কৰা। তেওঁলোকে এই কথা খুব পৰিষ্কাৰভাবে উপলব্ধি কৰা উচিত যে অসমত এখন আধুনিক সভ্য আৰু শিক্ষিত সমাজ গঢ়ি তুলিবৰ কাৰণে ঠিক এই মুহূৰ্তত কৰিবলগীয়া আটাইতকৈ জৰুৰী কামবোৰৰ ভিতৰত এটা প্ৰধান কাম হ'ল পৃথিৱীৰ সকলোবোৰ প্ৰধান ভাষাৰ উৎকৃষ্ট গ্ৰন্থবোৰ অসমীয়ালৈ অনুবাদ কৰা। জাপানে কেৱল অনুবাদৰ যোগেদিয়েই 'গুৰু-মৰা বিদ্যা' আয়ত্ত কৰি পৃথিৱীৰ উন্নত দেশবোৰৰ ভিতৰত শীৰ্ষস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। অসমে শীৰ্ষস্থান অধিকাৰ কৰাৰ স্বপ্ন দেখিব নালাগে। কিন্তু কেৱল এটা সভ্য জাতি হিচাপে কোনোমতে টিকি থাকিবলৈকো অনুবাদৰ বাহিৰে আমাৰ গত্যন্তৰ নাই। কিয় নাই– সেই কথা ওপৰতেই ব্যাখ্যা কৰা হৈছে। এই অৱস্থাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক কেইজনে প্ৰকাশ কৰিব খোজা 'অনুবাদ' নামৰ আলোচনীখন জীয়াই ৰখাৰ কামটোক প্ৰত্যেকজন বিদ্যানুৰাগী অসমীয়াই নিজৰ এটা প্ৰধান নৈতিক কৰ্তব্য বুলি বিবেচনা কৰা উচিত। সেই কৰ্তব্য পালন কৰাৰ উপায় দুটা। প্ৰথমতে, তেওঁলোকে এই উদ্দেশ্যে গঠিত সমবায় সমিতিখনৰ অংশ কিনি 'অনুবাদ'ৰ এটা নিৰ্ভৰযোগ্য পুঁজি গঠনত সহায় কৰিব পাৰে। দ্বিতীয়তে, প্ৰত্যেকজন শিক্ষিত অসমীয়াই 'অনুবাদ'ৰ গ্ৰাহক হোৱাটোক নিজৰ এটা জাতীয় কৰ্তব্য বুলি বিবেচনা কৰিব লাগে। (এই বিষয়ে যোগাযোগৰ ঠিকনা : ডঃ কবীন ফুকন, ইংৰাজী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, পোঃ ডিব্ৰুগড় 786004)।

## 'Meet me behind the class'

অসম কৃষি বিশ্ববিদ্যালয়ৰ এজন শিক্ষকে তেওঁৰ এজন ছাত্ৰক কব খুজিছে যে শ্ৰেণী শেষ হোৱাৰ পিছত ছাত্ৰজনে তেওঁক লগ ধৰিব লাগে। কিন্তু কথাটো তেওঁ অসমীয়াত নকৈ ইংৰাজীতে কবলৈ ঠিক কৰিলে, কাৰণ বিশ্ববিদ্যালয়ৰ শিক্ষকৰ মুখত ইংৰাজীহে বেছি শোভা পায়। ছাত্ৰজনক মাতি আনি তেওঁ কলে- Meet me behind the class।

কথাটো মই নিজ কাণে শুনা নাই। কিন্তু নিজ কাণে শুনা সেই বিশ্ববিদ্যালয়ৰে এজন শিক্ষকে নিজে আহি মোক কথাটো কৈছে।



# অলিম্পিয়া অলিম্পিক আৰু অলিম্পিক

পবিত্ৰ কুমাৰ ডেকা

ভূগোল বিজ্ঞানত 'লিপ ইয়াৰ' বুলি এটা কথা আছে। 'লিপ ইয়াৰ' ইয়াকে কয় যে যিটো বছৰত ৩৬৫ দিনৰ সলনি ৩৬৬ দিন হয়। চাৰি বছৰৰ মূৰে মূৰে এনে হয়। 'লিপ ইয়াৰ' বুলি কোৱা অৰ্থাৎ ৩৬৬ দিনীয়া বছৰটোৰ লগত জড়িত থকা দুটা কথাই বৰকৈ উল্লেখনীয়। এটা হ'ল 'লিপ ইয়াৰ' বুলি কোৱা বছৰটোত ফেব্ৰুৱাৰী মাহটো ২৯ দিনীয়া হয়। আনটো কথা হ'ল 'লিপ ইয়াৰ' বছৰতহে অলিম্পিক গেমছ অনুষ্ঠিত হয়। তাহানিৰে পৰা এই নীতি চলি আহিছে। কিবা কাৰণত যদি নিৰ্দিষ্ট সময়ত অলিম্পিক গেমছ অনুষ্ঠিত নহয়, তেন্তে পুনৰ চাৰি বছৰৰ মূৰত 'লিপ ইয়াৰ'তহে অলিম্পিক অনুষ্ঠিত হয়। ইয়াৰ ব্যতিক্ৰম এতিয়ালৈ হোৱা নাই। এনে এক সুবিশাল তাৎপৰ্যৰে আৰম্ভ হোৱা অলিম্পিকৰ আৰম্ভণিৰ তাৰিখ সম্বন্ধে কিন্তু ইতিহাস এতিয়াও নিমাত! অৱশ্যে একাংশ গ্ৰীচ ইতিহাসবিদৰ মতে এই মহোৎসৱ খ্ৰীষ্ট জন্মৰ পোন্ধৰশ শতিকাৰ আগতে দক্ষিণ গ্ৰীচত গ্ৰীক দেৱতা জিউছক সন্তুষ্ট কৰাৰ বাবে মহাবীৰ হাৰ্কিউলিছে এই মহোৎসৱৰ আয়োজন কৰিছিল।

এই ক্ৰীড়া মহোৎসৱৰ উৎপত্তিৰ বিষয়ে ইতিহাসবোৰ নিমাত যদিও প্ৰাচীন গ্ৰীকৰ উপাখ্যানবোৰৰ পৰা কিছু কথা জানিব পাৰি। সেই সময়ৰ কবিসকলৰ কাব্যিক বৰ্ণনাৰ পৰা জানিব পাৰি যে 'জিউচ' আৰু 'ক্ৰনছ' নামে গ্ৰীকসকলৰ মাজত দুজন শক্তিশালী দেৱতা আছিল। এদিন দুয়োৰো মাজত তয়াময়া যুদ্ধ হয়–কাৰণ আছিল অলিম্পাচ পৰ্বতৰ মাটি অধিগ্ৰহণ। যুদ্ধত 'জিউচ'য়ে জয়লাভ কৰে আৰু এই বিজয়ীৰ প্ৰতীক হিচাপেই অলিম্পিক খেলৰ আৰম্ভ হয় বুলি বহুতে কয়। বিখ্যাত গ্ৰীচ কবি হোমাৰৰ গীতবোৰতো এই বিষয়ে বৰ্ণনা পোৱা যায়। হোমাৰৰ মতে অলিম্পিক খেল বুৰঞ্জীত লিপিবদ্ধ কৰা হৈছিল ৭৭৬ খ্ৰীঃ পূঃত। প্ৰথম অলিম্পিক খেলখন পূব গ্ৰীচৰ অলিম্পিয়াত অনুষ্ঠিত হৈছিল বাবেই ঠাইখনৰ নাম অনুসৰি এই খেলখনৰ নাম ৰখা হৈছিল 'অলিম্পিক'।

শান্তিৰ বাবে, শান্তিৰ হৈ ...... মানৱ জাতিৰ আশা-আকাংক্ষা বিজৰিত শান্তিৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ আৰম্ভ হৈছিল 'অলিম্পিক'। তেতিয়াই মট' ( Motto) হিচাপে ৰখা হৈছিল *ছিটিয়াছ, এলটিয়াছ* আৰু *ফৰটিয়াছ* অৰ্থাৎ ফাষ্টাৰ, হায়াৰ, ষ্ট্ৰংগাৰ (*Citius, altius, fortius*, in the language of the Olympiad means faster, higher, stronger)। 'অলিম্পিকৰ' নামাৰ্থত অলিম্পাছ পৰ্বতৰ অৱদান তুলনাবিহীন। পিছত কিন্তু ইয়াক অলিম্পিয়া বুলি কোৱা হয়। পেল' পনাছৰ এলিছ উপত্যকাৰ এলফিউছ নদীৰ পাৰত থকা আকৰ্ষণীয় সেউজ উপত্যকা 'অলিম্পিয়া'ক গ্ৰীক সাহিত্যত ৰাষ্ট্ৰীয় অভয়াৰণ্য বুলি উল্লেখ আছে। এই ঠাইডোখৰতে গ্ৰীকসকলৰ বিভিন্ন দিশ যেনে কলা-সংস্কৃতি, ভাস্কৰ্য আদিৰ প্ৰাক বিকাশ ঘটিছিল। অলিম্পিক প্ৰতিযোগিতাৰ বাবে ৬৬০ × ৫৬৮ ফুটৰ এডোখৰ ঠাই এলটিছৰ ওচৰত আছিল। আকৌ এই ঠাই ডোখৰতে গ্ৰীক দেৱতা জিউছৰ স্মৃতি সজা 'অলিম্পিয়াম' আছিল। প্ৰথম প্ৰাচীন অলিম্পিকত এটা মাত্ৰ ডাঙৰ দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আৰু সেই প্ৰতিযোগিতাত বিজয়ী হৈছিল–এলিচৰ কৰাবাচ। ইয়াক 'ষ্টেড' দৌৰ বুলিও কোৱা হৈছিল। এই 'ষ্টেড' দৌৰ শব্দটোৰ পৰাই বৰ্তমান ষ্টেডিয়াম শব্দটোৰ উৎপত্তি বুলি প্ৰবাদ আছে। ইয়াৰ প্ৰায় এশ বছৰ পূৰ্বে সংঘটিত অলিপিবদ্ধ এক ঐতিহাসিক ঘটনাৰ কাহিনীৰ পৰা আমি সেই সময়ৰ ৰজা হৰ্থিটাছে 'শান্তিযোগ' ঘোষণা কৰাৰ কথা জানিব পাৰো। ৰজাই খেলৰ সময়ছোৱাত অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগ বন্ধ কৰিবলৈ ডেলফিত প্ৰতিশ্ৰুতি প্ৰচাৰ কৰিছিল। এই প্ৰতিশ্ৰুতিৰ চিনস্বৰূপে ব্ৰঞ্জৰ ঘূৰণীয়া পাঁচটা চক্ৰ কাটিছে। এই পাঁচটা চক্ৰকে পাঁচখন মহাদেশৰ স্বাক্ষৰ হিচাপে অলিম্পিকৰ প্ৰতীক ৰূপে লোৱা হৈছিল।

অকল গ্ৰীক খেলুৱৈয়ে ভাগ লোৱা প্ৰথম অলিম্পিক খেল পাঁচদিন ধৰি চলিছিল। অৱশ্যে সেইবাৰৰ অলিম্পিক গ্ৰীকসকলৰ দেৱতা 'জিউচ'ৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ এক ধৰ্মীয় অনুষ্ঠান হিচাপে গণ্য কৰা হৈছিল। খ্ৰীঃ পূঃ ৬৭ৰ অলিম্পিকত সেইসময়ৰ সম্ৰাট নিৰোৱে সকলো খেলত ভাগ লৈছিল। তেওঁ খেলত হাৰিলেও বিজয়ী ৰূপে পুৰস্কৃত হৈছিল। আকৌ সেইবাৰ সম্ৰাট নিৰোৱে প্ৰথমবাৰৰ বাবে অলিম্পিকত গান, নাটকৰ প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰি নিজে সেইবোৰত পৰাজিত হ'লেও নিজেই বিজয় মাল্য পিন্ধিছিল।

উল্লেখযোগ্য যে তেতিয়াৰ অলিম্পিকত মহিলাৰ অংশ গ্ৰহণ নিষিদ্ধ আছিল বাবে খেলুৱৈসকলে উলঙ্গ হৈ খেলত অংশ লৈছিল। অৱশ্যে সম্ৰাট নিৰোৰ আত্মহত্যাৰ পিছত অলিম্পিকৰ পৰা নাটক, গান আদি বাদ দিয়া হৈছিল। প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে প্ৰাচীন অলিম্পিক খেল প্ৰায় ১১০০ বছৰ ধৰি চলিছিল। বিদেশী আক্ৰমণত জীৰ্ণ-শীৰ্ণ হৈ অলিম্পিকে গ্ৰীচত প্ৰাচীন তাৎপৰ্য হেৰুৱালে। খ্ৰীঃ পূঃৰ ৩৯৫ত ৰোমৰ সম্ৰাট থিওদিছিয়াতে গ্ৰীচ আক্ৰমণ কৰি অলিম্পিক খেলৰ ওপৰত এক নিষেধাজ্ঞা জাৰি কৰি ইয়াৰ চিহ্নও মচি পেলাইছিল। বৰ্বৰ আক্ৰমণেৰে ৰোম সম্ৰাটে হাতীৰ দাঁত আৰু সোণেৰে সজা বিখ্যাত জিউচৰ মূৰ্তি আদিও জুইৰ দ্বাৰা ধ্বংস কৰি পেলাইছিল। ইয়াৰ ঠিক এশবছৰ পিছত হোৱা প্ৰবল ভূমিকম্পই ঐতিহাসিক অলিম্পিয়াৰ বাকী থকা চিনবোৰ নিঃশেষ কৰি পেলাইছিল। ইয়াৰ বহু বছৰ পিছত ১৮৫৩ চনত গ্ৰীচত সম্ৰাট তাপসে জাতিৰ ঐতিহাসিক কীৰ্তিক সুঁৱৰিবৰ বাবে পুনৰ অলিম্পিক আৰম্ভ কৰা হয়। তাপসে ১৮৫৯, ১৮৭০, আৰু ১৮৮৯ চনতো অলিম্পিক পাতিছিল। ইতিমধ্যে বেৰন পিয়েৰ দা কুৰ্বাটিনে আধুনিক অলিম্পিকৰ প্ৰস্তুতি কৰিবলৈ লোৱাত আৰু সম্ৰাট তাপসৰ মৃত্যুত পুৰণি অলিম্পিক বন্ধ হৈ যায়।


আধুনিক অলিম্পিকে আদিতে গ্ৰীচৰ পৰিধি ভাঙি গোটেই বিশ্বতে বিয়পি পৰিছিল, সেয়া পুৰণিৰ সৈতে যথেষ্ঠ প্ৰভেদ আছিল। সেয়া যেন অলিম্পিকৰ পুনৰুত্থান আছিল, কিন্তু লাহে লাহে ই ভয়াবহ হ'ল, অলিম্পিকৰ দেহাবয়বত প্ৰবেশ ঘটিল

## ১৮৯৬ চন, ২৫ মাৰ্চ ঃ অলিম্পিকৰ ইতিকথা

২৫ মাৰ্চ; ১৮৯৬ চন; যুগ–যুগান্তৰ কালত এই দিনটোৱে ক্ৰীড়া ইতিহাসৰ উল্লেখযোগ্য স্মৰণীয়া দিন হিচাপে জিলিকি আছে আৰু থাকিব।

স্থান, আয়োনিনন দ্বীপপুঞ্জ আৰু ইজিয়ান সাগৰৰ মধ্যবৰ্তী ভুমিখণ্ড ঐতিহ্যমণ্ডিত গ্ৰীচ দেশৰ ৰাজধানী এথেন্স। ইফালে তুৰস্কবাসীৰ অস্থিৰতা; আনফালে আফ্ৰিকান দেশৰ ঈৰ্ষা। তথাপি কৃষ্ণ সাগৰীয়া দেশসমূহৰ সাহায্যসূচক মনোভাব, বুলগেৰিয়া, ৰুমানিয়া, যুগোশ্লাভিয়া, সুদূৰ নৰৱে, ফিনলেণ্ড আদিয়ে গ্ৰীচক সাহায্য কৰিছিল, সহযোগৰ প্ৰস্তাৱ দিছিল–"আধুনিক ক্ৰীড়া বিপ্লৱ সূত্ৰপাত কৰিব বিচৰা গ্ৰীচৰ এই উদ্দেশ্য বাস্তৱত সাধিত হওক; প্ৰাচীনৰ পিছত আধুনিক অলিম্পিকৰ জন্ম হওক ........।

এই ক্ৰীড়া বিপ্লৱৰ সূত্ৰপাত ফৰাচী দাৰ্শনিক বেৰণ পেৰী দা কুবাৰ্টিনৰ বহু বছৰীয়া প্ৰচেষ্টাৰ এটি নিদৰ্শন বুলিব পাৰি। এইজনা দাৰ্শনিকৰ নেতৃত্বাধীন এটি ফৰাচী প্ৰত্নতত্ত্ববিদ দলে ১৮৮০ চনত প্ৰাচীন ক্ৰীড়া কীৰ্তিক্ষেত্ৰ অলিম্পিক নগৰ খননকাৰ্যৰ দ্বাৰা আৱিষ্কাৰ কৰি প্ৰাচীন গ্ৰীচৰ মহান ক্ৰীড়া সভ্যতাৰ বিষয়ে



*বেৰণ পিয়েৰ দি কুবাটিন*

উদ্‌ঘাটন কৰে। পিছত কুবাৰ্টিনে চিন্তা কৰে এনে ক্ৰীড়াৰ সুঁতিটো প্ৰাচীন সভ্যতাৰ পৰা আধুনিকলৈ প্ৰেৰণ কৰি ভৱিষ্যত মানৱ সমাজৰ শৰীৰ, নৈতিকতাক সাত্ত্বিক কৰি বিশ্বৰ সকলো জ্ঞাতিক এক গোট কৰিব পৰা যাব।

তেওঁৰ চিন্তা আছিল বিশেষকৈ এথলেটিক্‌চ প্ৰতিযোগিতাৰ ওপৰত; কিয়নো কুবাৰ্টিনে বিশ্বাস কৰিছিল এইবিধ ক্ৰীড়াই মানুহৰ সৎসাহস, সহিষ্ণুতা আৰু প্ৰকৃত ক্ৰীড়াসুলভতা জন্মায়।

১৮৯২ চনত এথলেটিক্‌চ স্পটছ এছোছিয়েশ্বনৰ আন্তৰ্জাতিক সভা এখন আহ্বান কৰি বেৰণ দা কুবাৰ্টিনে প্ৰথম আধুনিক অলিম্পিক গেমছৰ পাতনিৰ প্ৰস্তাৱ দাঙি ধৰে। কিন্তু অতি কম সংখ্যক সদস্যই উক্ত প্ৰস্তাৱটো সমৰ্থন কৰে যদিও নতুনকৈ অলিম্পিক গেমছৰ আঁচনি প্ৰস্তুত কৰিবলৈ এটি দল গঠন কৰাটো এই সভাৰ প্ৰথম পদক্ষেপ। ১৮৯৪ চনত পুনৰ এখন সভাৰ আহ্বান কৰা হয়। সভাত আমেৰিকা, ইটালি, ৰাছিয়া, চুইডেন, ইংলণ্ড, বেলজিয়াম, অষ্ট্ৰেলিয়া আদিয়ে অংশ গ্ৰহণ কৰাৰ উপৰিও হাংগেৰি, হলেণ্ড, জাৰ্মান আদিয়ে সমৰ্থন আৰু যোগদানৰ সপক্ষে মত আগবঢ়ায়। উক্ত সভাৰ মূল সিদ্ধান্ত আছিল অলিম্পিক গেমছক আধুনিক ৰূপত প্ৰতিষ্ঠা কৰা।

ইতিমধ্যে উনবিংশ শতিকাৰ শেষ ভাগত আন্তৰ্জাতিক অলিম্পিক সমিতি গঠন কৰা হয়। আধুনিক বিশ্ব ক্ৰীড়া এই অলিম্পিক গেমছৰ প্ৰাচীন ৰীতি নিয়ম সলনি কৰি আধুনিক আদৰ্শৰ ৰূপত পুনৰ সক্ৰিয় কৰাৰ অৰ্থে অনুপ্ৰাণিত হ'ল বিশ্বৰ আগৰণুৱা ৰাষ্ট্ৰসমূহে। ১৮৯৪ চনৰ পৰা আন্তৰ্জাতিক অলিম্পিক সমিতিয়ে এই অলিম্পিক আসৰৰ প্ৰচাৰ আৰু সাংগঠনিক দিশত মনোযোগ দিলে সমিতিৰ মুখ্যতম কুবাৰ্টিনে ১৮৯৫ চনৰ শেষৰ ফালে অলিম্পিকৰ সভা আহ্বান কৰিলে। সভাই প্ৰাচীন অলিম্পিকৰ জন্মভূমি গ্ৰীচতে এই আধুনিক অলিম্পিক গেমছৰ সূত্ৰপাত কৰিবলৈ চূড়ান্ত আঁচনি প্ৰস্তুত কৰিলে। অলিম্পিক গেমছৰ ঐতিহাসিক নিদৰ্শন স্বৰূপে আধুনিক সৃষ্টিৰে অলিম্পিক ১৮৯৬ চনত গ্ৰীচদেশৰ দুৱাৰমুখ এথেন্সত পাতিবলৈ ঘোষণা কৰা হ'ল।

এথেন্স অলিম্পিক সমিতিৰ প্ৰেছিডেণ্ট আছিল ক্ৰাউন প্ৰিন্স। সেই বছৰৰ ফেব্ৰুৱাৰী মাহৰ আঠ তাৰিখৰ পৰা এথেন্সৰ ঐতিহ্যমণ্ডিত ষ্টেডিয়াম "পানাথেনিয়াম" মোৰ্বল' ষ্টেডিয়াম বুলিও জনা যায়)ৰ ৰূপ সলনি কৰি বিশ্বমণ্ডিত উৎসৱমুখী হৈ উঠিল; ৬০ হেজাৰ দৰ্শকে প্ৰায় ৯,২০,০০০ গ্ৰীক মুদ্ৰা (দ্ৰাছ মাছ) ক্ৰয় কৰি আধুনিক প্ৰথম উদ্বোধনী অনুষ্ঠান উপভোগ কৰিছিল।

উদ্বোধনীৰ দিনা আবেলি তিনি বাজি পোন্ধৰ মিনিটত এথেন্স অলিম্পিক সমিতিৰ অনুৰোধত গ্ৰীচৰ ৰজাঘৰীয়ালোকে পানাথেনিয়ান ষ্টেডিয়ামত প্ৰৱেশ কৰে পিছত গ্ৰীচৰ সম্ৰাটে প্ৰথম আধুনিক অলিম্পিক ক্ৰীড়াৰ আসৰ উদ্বোধনীৰ কথা ঘোষণা কৰিছিল। এয়াই হ'ল আধুনিক অলিম্পিক গেমছৰ আৰম্ভণি। **প. কু. ডে**





*১৮৯৬ চনৰ আধুনিক অলিম্পিক ফ্ৰান্সৰ বিখ্যাত শিল্পী ছেপলিনে ডিজাইন কৰা মানপত্ৰ বিজেতাসকলে লাভ কৰিছিল।*

ৰাজনৈতিক বিসম্বাদ-বিদ্বেষ, বিশ্বযুদ্ধ, অৰ্থনৈতিক দুৰ্দশাগ্ৰস্ততা আৰু কোনোৱে কামনা নকৰা কেলেঙ্কাৰি সমূহ আৰু ইয়াৰ কাৰকবোৰে সময়ে সময়ে অলিম্পিকৰ মাধ্যমেৰে ঐক্যবদ্ধতাৰ মহান আদৰ্শৰ কণ্ঠৰোধক হ'ল। সময়ত অলিম্পিক হৈ পৰিল বিশ্ব ৰাজনীতিৰ অন্যতম চাবিকাঠি, তথাপি আজিৰ অলিম্পিকৰ মান, যশস্যা কোনোক্ষেত্ৰতে কম বা অনাদৰ হোৱা নাই। খেলসমূহৰ প্ৰতিদ্বন্দ্বিতাৰ পৰিসৰ ক্ৰমে উপমাহীন হৈ পৰিছে।

বিশ্বযুদ্ধৰ দিনৰে পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ বা ৰাছিয়াই আৰম্ভ কৰা অলিম্পিক বয়কট, বৰ্জন (দ্ৰষ্টব্য : অলিম্পিকৰ গোপন কথা) আদিয়ে আজিও অলিম্পিকৰ দৰে বিশ্বশ্ৰেষ্ঠ ক্ৰীড়ামহোৎসৱক মাজে সময়ে আউল লগাব বিচাৰে। তথাপি অত্যধিকভাৱে যান্ত্ৰিক হ'ব ধৰা এই বিশ্বৰ উত্তাল আৰু ভয়াবহ ভৱিষ্যতৰ কথা চিন্তা কৰি আজিও এজাক শান্তিৰ কপৌচৰাইক অলিম্পিকৰ প্ৰতীক হিচাপে বিচৰা হৈছে। ফ্ৰেন্সৰ মহান বেৰণ কুৰ্বাটিনে বিচৰা মানসিকতাৰে তেখেতৰ উত্তৰসূৰীসকলে অলিম্পিকৰ মাজেৰে পৃথিৱীত ভাতৃত্ববোধৰ জন্ম দিবলৈ অহৰহ প্ৰচেষ্টা চলাইছে। এইবেলি বাৰ্চিলোনা অলিম্পিক তাৰেই এটি নিদৰ্শন! ২৫ তম অলিম্পিক স্পেইনৰ ঐতিহাসিক চহৰ বাৰ্চিলোনাত হ'বলৈ আৰু মাথো কেইদিনমানহে বাকী আছে। বাৰ্চিলোনাই কুৰ্বাটিনৰ কাম্য 'শান্তি'ৰ প্ৰতি বাৰুকৈ প্ৰলব্ধ হৈছে। দেখা যাওঁক, সময় ইয়াৰ প্ৰত্যক্ষ সাক্ষী! স্পেইনিজ ভাষাত '*খামছা হামিডা*' (Khamsa hamida) মানে– 'ধন্যবাদ', বাৰ্চিলোনা গেমছলৈ অপেক্ষা কৰো আঁহক।

## অলিম্পিকৰ গোপন কথা

❑ স্থপতিবিদ জিওৰাজিওছৰ এক নিযুত গ্ৰীচ মুদ্ৰা (ড্ৰেকমাৰ) সাহায্যৰে অনুষ্ঠিত ১৮৯৬ ৰ এথেন্স অলিম্পিকত ন খন দেশৰ মুঠ ৩১১ গৰাকী এথলেটে নটা বিভাগৰ খেলত ভাগ লৈছিল।

❑ ১৯৪০ ৰ ছেন্ট-লুই অলিম্পিক চাৰে চাৰি মাহ ধৰি চলিছিল। অংশ লৈছিল বাৰখন দেশৰ ৬৮৭ জন খেলুৱৈয়ে। আচৰিত কথা সেইবাৰৰ অলিম্পিক আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ সভাপতি বেৰণ কুৰ্বাটিনে বয়কট কৰিছিল।

❑ আৰ্থিক দুৰ্বলতাৰ বাবে ১৯০৮ ৰ অলিম্পিক ইটালিয়ে পাতিব নোৱাৰিলে, পিছত সেইবাৰৰ অলিম্পিক লণ্ডনত হয়।

❑ ১৯১৬ ৰ বাৰ্লিন অলিম্পিক অনুষ্ঠিত নহ'ল–কাৰণ আছিল প্ৰথম বিশ্বযুদ্ধ।

❑ প্ৰথম বিশ্বযুদ্ধত পৰাজিত হোৱা বাবে অষ্ট্ৰিয়া, জাৰ্মানী, হাংগেৰী, বুলগেৰিয়া আৰু টুৰ্কীক ১৯২০ ৰ এণ্টৱাৰ্প অলিম্পিকত অংশ গ্ৰহণ কৰিব দিয়া নহ'ল।

❑ ১৯২৮ ৰ আমষ্টাৰডাম অলিম্পিকত প্ৰথমবাৰৰ বাবে ট্ৰেক আৰু ফিল্ড বিভাগত মহিলাই অংশ গ্ৰহণ কৰিছিল।

❑ বাৰ্লিন অলিম্পিক ১৯৩৬ চন, ইয়াতেই প্ৰথমবাৰৰ বাবে অলিম্পিক শিখা প্ৰজ্বলন কৰা হয়। সেইবাৰৰ পৰায়েই দূৰদৰ্শন যোগে এই প্ৰতিযোগিতাৰ প্ৰচাৰ ব্যৱস্থা আৰম্ভ হয়।

❑ একেলেথাৰী দুবাৰ অলিম্পিক অনুষ্ঠিত নহ'ল–১৯৪০ (টকিঅ') আৰু ১৯৪৪ (লণ্ডন)ত; কাৰণ আছিল দ্বিতীয় মহাযুদ্ধ।

❑ দ্বিতীয় মহাযুদ্ধত পৰাজিত হোৱা বাবে জোৰ কৰি চীন আৰু জাপানক ১৯৪৮ ৰ লণ্ডন অলিম্পিকত যোগদান কৰোৱা হয়, সেইবাৰেই আছিল অলিম্পিকত কমিউনিষ্ট দেশৰ প্ৰথম অংশ গ্ৰহণ।

❑ শক্তিশালী দল বুলি পাতনিৰে পৰা পৰিচিত ছোভিয়েত দেশে প্ৰথমবাৰৰ বাবে অলিম্পিকত অংশ গ্ৰহণ কৰিছিল–১৯৫২ ৰ হেলছিংকি প্ৰতিযোগিতাত।

❑ হলেণ্ড, ইৰাণ, ইজিপ্ত, স্পেইন, ছুইজাৰলেণ্ড, লেবানন আদি দেশে বয়কট কৰা ১৯৫৬ ৰ মেলবৰ্ন অলিম্পিকে প্ৰথমবাৰৰ বাবে সামৰণি অনুষ্ঠানৰ আয়োজন কৰিছিল।

❑ প্ৰথমবাৰৰ বাবে এছিয়ান ৰাষ্ট্ৰ জাপানৰ টকিঅ'ত অলিম্পিক অনুষ্ঠিত হয়–১৯৬৪ চনত।

❑ ১৯৬৮ ৰ মেক্সিকো অলিম্পিকত প্ৰথমবাৰৰ বাবে যৌন পৰীক্ষা (মহিলাৰ) কৰা হৈছিল।

❑ মিউনিক অলিম্পিক ১৯৭২ চন; পেলেষ্টাইনী গৰিলাৰ আক্ৰমণৰ বাবে ৩৬ ঘণ্টা ধৰি অলিম্পিকৰ খেলসমূহ বন্ধ আছিল। পেলেষ্টাইনী গৰিলাৰ আক্ৰমণত এঘাৰ গৰাকী ইজৰাইলী খেলুৱৈ নিহত হৈছিল।

❑ ১৯৮০ ৰ অলিম্পিক মস্কোত হোৱা বাবে আমেৰিকা আৰু ইয়াৰ অনুগামী দেশসমূহে বৰ্জন কৰিছিল।

❑ ১৯৮৪ চন, লছ এঞ্জেলছ অলিম্পিক ছোভিয়েত নেতৃত্বৰ দেশসমূহে বয়কট কৰিলেও সেইবাৰৰ অলিম্পিকতে সৰ্বাধিক ১৪০ খন দেশে অংশ গ্ৰহণ কৰিছিল।



*❑ ড্ৰাগছ ব্যৱহাৰৰ অপৰাধ! ছিউল অলিম্পিকত বেন জনছনে ড্ৰাগছ সেৱন কৰাৰ অপৰাধত অভিযুক্ত হোৱা বাবে তেওঁৰ স্বৰ্ণ পদকটি আমেৰিকাৰ কাৰ্ল লুইছে পায়। এয়া অলিম্পিকৰ অভিলেখ!*



# অলিম্পিকত ভাৰতৰ সাফল্য

পবিত্ৰ কুমাৰ ডেকা

### অলিম্পিকত ভাৰতৰ সাফল্য

অলিম্পিক ক্ৰীড়াৰ ইতিহাসত ভাৰতীয় ক্ৰীড়াৰ সাফল্যৰ ছবি বৰ উজ্জ্বল নহয়। অলিম্পিকৰ স্বৰ্ণৰ বাবে সকলোৱে বৰ লুভীয়া – স্বাভাৱিক কথা, মাথো অস্বাভাৱিক ইয়াতে যে প্ৰতিবাৰেই ভাৰতীয় দলে অলিম্পিকত আশাতীত কুফলহে লাভ কৰে। মাথো হকীৰ ক্ষেত্ৰত প্ৰাৰম্ভিক কেইটিমান বছৰত সাফল্যৰ গৌৰৱ কঢ়িয়াই অনাৰ বাহিৰে বাকী প্ৰায়বোৰ অলিম্পিকতে যোগদানৰ ভূমিকাহে আছে – সাফল্যৰ খতিয়ান কিন্তু তেনেদৰে নাই। তথাপিও হৈ যোৱা অলিম্পিক কেইটিত ভাৰতৰ সাফল্যৰ এটি ধাৰাবাহিক প্ৰতিচ্ছবি ইয়াত থোৰতে দিবলৈ যত্ন কৰা হৈছে।

বাৰ্চিলোনা অলিম্পিকত ভাৰতবৰ্ষৰ অংশ গ্ৰহণেৰে ভাৰতৰ এয়া ১৭তম অলিম্পিক পদক্ষেপ। আধুনিক অলিম্পিক ক্ৰীড়াৰ প্ৰথম পাঁচোটা অনুষ্ঠানে ভাৰতক আকৃষ্ট কৰিব পৰা নাছিল যদিও ১৯২০ চনত হোৱা এণ্টৱাৰ্প (বেলজিয়াম) গেমছত ভাৰতে প্ৰথম যোগদান কৰে। আৰু তেতিয়াৰে পৰা ভাৰতে নিয়মিতভাৱে অলিম্পিকত যোগদান কৰি আহিছে। অৱশ্যে ইয়াৰ আগতে ১৯০০ চনত পেৰিচ অলিম্পিকত নৰ্মান প্ৰিলচাৰ্ড নামৰ এজন বৃটেইনত থকা ইন্দো-ভাৰতীয় খেলুৱৈয়ে ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰি ২০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰিছিল। সেয়া হলেও নিয়মীয়াকৈ অলিম্পিক খেলাৰ পিছত ভাৰতৰ কৃতিত্বৰ থূল-মূল আভাস এনে ধৰণৰ :

### ১৯২০ : এণ্টৱাৰ্প

চাৰিজন এথলেটিকচ্ খেলুৱৈ আৰু দুজন মল্লযোদ্ধাসহ ভাৰতীয় দলটোৱে ড'ৰাৱজী টাটাৰ নেতৃত্বত পোন প্ৰথমবাৰৰ বাবে অলিম্পিকত অংশগ্ৰহণ কৰে। ১০০ মিটাৰ আৰু চাৰিশ মিটাৰ দৌৰত অংশগ্ৰহণ কৰি এথলেট চাৰিজনে বিশেষ কৃতিত্ব দেখুৱাব পৰা নাছিল যদিও ফ্ৰী-ষ্টাইল ৰেছলিং প্ৰতিযোগিতাত এছ পি সিঙে চূড়ান্ত খেল খেলি ন্যূনতম ব্যৱধানত পিছ পৰি ব্ৰঞ্জৰ পদকৰ পৰা বঞ্চিত হয়।

### ১৯২৪ : পেৰিচ

ছজন এথ্‌লেট, দুজন মল্লযোদ্ধা আৰু এজন ধেনু-কাঁড় চালকসহ ভাৰতীয় দলটোৱে ফ্ৰেন্সৰ পেৰিচত হোৱা অলিম্পিক খেলিবলৈ গৈ এথলেটিকচ্‌ৰ ২০০ মিটাৰ দৌৰত এজন এথ্‌লেটে চেমি-ফাইনেল পোৱাৰ বাহিৰে বিশেষ সাফল্য ভাৰতৰ বাবে নহ'ল। এজন মল্লযোদ্ধাই আকৌ বিনা প্ৰতিদ্বন্দ্বিতাৰে স্বদেশলৈ উভতি আহিছিল।

### ১৯২৮ : আমষ্টাৰডাম

তেতিয়া ভাৰতৰ অলিম্পিক পদক পোৱাৰ প্ৰথম সুযোগ; ভাৰতীয় হকীৰ উত্তেজনাই বিশ্বজুৰি আলোড়ন সৃষ্টি কৰিছিল। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ জয়পাল সিঙৰ নেতৃত্বত ১৬ জনীয়া দল এটাই প্ৰথমবাৰৰ বাবে অলিম্পিক হকীত অংশ গ্ৰহণ কৰিছিল। প্ৰথম খেল ১৭ মে' ২৮ তাৰিখে; অষ্ট্ৰিয়াক পৰাভূত (৬-০) কৰোতে ভাৰতীয় হকীৰ কিংবদন্তী ধ্যান চাঁদে নিজে চাৰিটা গ'ল দিছিল। ক্ৰমে বেলজিয়াম, ডেনমাৰ্ক, চুইজাৰলেণ্ডক পৰাস্ত কৰি ফাইনেলত সেই সময়ৰ শক্তিশালী দল হলেণ্ডক (এতিয়া নেদাৰলেণ্ড) ৩-০ গ'লত পৰাজিত কৰি ভাৰতলৈ অলিম্পিকৰ প্ৰথমটি সোণৰ পদক কঢ়িয়াই আনিছিল। বাকী এথলেটিকচ্ আৰু মল্লযুদ্ধৰ বাবেও ভাৰতীয় খেলুৱৈয়ে আমষ্টাৰডামলৈ গৈছিল যদিও বিশেষ স্বীকৃতি নাপালে।

### ১৯৩২ : লছ এঞ্জেলছ


ভাৰতীয় হকী দলৰ অধিনায়ক এইবাৰ লাল শ্বাহ বুখাৰী। হকীৰ দ্বিতীয় খেলত ভাৰতীয় দলে এক অভিনৱ অভিলেখ স্থাপন কৰিছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰক ২৪-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। সেইবাৰ অলিম্পিকত মাত্ৰ তিনিখন দেশে হকীত প্ৰতিদ্বন্দ্বিতা কৰিছিল বাবেহে মাত্ৰ দুখন খেলত জিকিয়ে ভাৰতে স্বৰ্ণ পদক অৰ্জন কৰিছিল। সেইবাৰ প্ৰথম বাৰৰ বাবে ভাৰতীয় দলত দুগৰাকী বক্সিং খেলুৱৈও গৈছিল; এওঁলোক দুয়োজন প্ৰথম পৰ্যায়তে সেও মানে যদিও মল্লযোদ্ধা ছাহাবুদ্দিন ছালুৱে কিছু উন্নত খেল প্ৰদৰ্শন কৰিছিল যদিও পদক লাভৰ যোগ্যতা লাভ কৰিব নোৱাৰিলে।

### ১৯৩৬ : বাৰ্লিন

বাৰ্লিন অলিম্পিক গেমচৰ এটা বিশেষত্ব হ'ল ভাৰতীয় হকী দলৰ যশস্বী খেলুৱৈ ধ্যান চাঁদক হকীৰ 'উইজাৰ্ড' উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতীয় হকী দলে যথাক্ৰমে হাংগেৰী, মাৰ্কিন যুক্তৰাষ্ট্ৰ, জাপানক পৰাজিত কৰি ফাইনেলত উদ্যোক্তা জাৰ্মানীৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিছিল। নিজৰ খেল-পথাৰ আৰু ঘৰুৱা দৰ্শকৰ মাজত হকীৰ শক্তিশালী দেশ জাৰ্মানীয়ে ভাৰতক পৰাস্ত কৰিব এটি মৃদু আলোড়ন সৃষ্টি হৈছিল যদিও কাৰ্যতঃ দুৰ্ধৰ্ষ খেলেৰে ভাৰতে জাৰ্মানীক ৮-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি একেলেথাৰী তৃতীয়বাৰৰ বাবে হকীৰ স্বৰ্ণপদক আদায় কৰে। বাৰ্লিন অলিম্পিকত ভাৰতে মল্লযুদ্ধ আৰু বক্সিঙতো অংশ গ্ৰহণ কৰিছিল যদিও সেয়া কোনো উল্লেখনীয় নহ'ল।

### ১৯৪৮ : লণ্ডন

ভাৰতীয় অলিম্পিক দলত সেইবাৰ দুগৰাকী ভাৰোত্তলন খেলুৱৈও অন্তৰ্ভুক্ত কৰা হৈছিল। হকীকে ধৰি দলটোত সৰ্বমুঠ ৩৬ গৰাকী খেলুৱৈ আছিল। দৌৰবিদ শ্ৰীৰাম সিঙে ৪০০ মিটাৰ দৌৰত চেমিফাইনেল পৰ্যন্ত পাইছিলগৈ। পোন প্ৰথমবাৰৰ বাবে লণ্ডন অলিম্পিকত অসমৰ খেলুৱৈ, তেওঁ হ'ল ফুটবলাৰ টালিমেৰণ আও। টালিমেৰণ আওৰ নেতৃত্বত ভাৰতীয় ফুটবল দলটিয়ে অলিম্পিকৰ ফুটবলত অংশ গ্ৰহণ কৰিছিল। হকীত স্বৰ্ণ পোৱাৰ বাহিৰে আৰু কোনো পদক ভাৰতে লণ্ডন অলিম্পিকত নাপালে।



*আজটেক বিন্ড ষ্টেডিয়াম, বাৰ্চিলোনা*

## ১৯৫২ ঃ হেলচিংকি

ফুটবলত ভাৰতে সেইবাৰৰ প্ৰতিযোগিতাত তৃতীয় ৰাউণ্ডলৈ উন্নতি লভিছিল। ট্ৰেক আৰু ফিল্ডত হেমৰী ৰীবেলই পঞ্চম স্থান অধিকাৰ কৰিছিল। ফ্ৰী-ষ্টাইল ৰেছলিঙত কে বি জাদুৱে এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল। হকীত স্বৰ্ণ পোৱাৰ বাহিৰে কে বি জাদুৰ এই পদকটোৱে আছিল ভাৰতৰ একমাত্ৰ পদক। আনহাতে জয়পাল সিঙৰ নেতৃত্বাধীন হকী দলটোৱে পুনৰ অলিম্পিকৰ স্বৰ্ণ পদক হস্তগত কৰি বিশ্বত ভাৰতীয় হকীৰ প্ৰতিছবি উজ্জ্বল কৰি ৰাখে।

## ১৯৫৬ ঃ মেলবৰ্ণ

অলিম্পিক হকীত ভাৰতে অভিলেখ সৃষ্টি কৰি একেৰাহে ষষ্ঠ বাৰলৈ স্বৰ্ণ পদক অৰ্জন কৰে। হাইজাম্পত অজিত সিঙে ফাইনেল ৰাউণ্ডত খেলিও পদক লাভ কৰিব নোৱাৰিলে। ১০০ মিটাৰ দৌৰত অনিতা ছাত্তৱে ছেমিফাইনেল পৰ্যন্ত খেলিছিল। ফুটবলত ভাৰতে সমৰ বেনাৰ্জীৰ নেতৃত্বত ছেমিফাইনেল খেলিছিল – ক্ৰমে অষ্ট্ৰেলিয়া (১-৪) আৰু বুলগেৰীয়া (০-৩) পৰাস্ত কৰি ছেমিফাইনেলত হলেণ্ডৰ হাতত পৰাস্ত হৈ চতুৰ্থ স্থান লাভ কৰিছিল। ৰেছলিঙত প্ৰেমনাথে দুৰ্জয়েৰে খেলিও অৱশেষত পদক লাভ কৰাৰ পৰা বঞ্চিত হৈছিল।

## ১৯৬০ ঃ ৰোম

ৰোমত ভাৰতীয় হকী দলৰ আধিপত্য খৰ্ব কৰিছিল – পাকিস্তানী দলে। অলিম্পিক হকীৰ ফাইনেলত সেইবাৰ পাকিস্তানৰ বিৰুদ্ধে একমাত্ৰ গ'লৰ ব্যৱধানত পৰাভূত হৈ ভাৰতে ৰূপৰ পদক লাভ কৰে। ভাৰতৰ উৰন্ত শিখ মিলখাঁ সিঙে ৪০০ মিটাৰ দৌৰত প্ৰথম দ্বিতীয়, তৃতীয় হিট্‌ত জয়লাভ কৰি পিছত ছেমিফাইনেলত অভিলেখ সহ কৃতিত্বৰে জয়ী হৈ ফাইনেলত উপনীত হয়। কিন্তু ফাইনেলত মিলখাঁ সিঙে ৪৫ দশমিক ৬ চেকেণ্ডত ৪০০ মিটাৰ অতিক্ৰম কৰি চতুৰ্থ স্থানহে পাইছিল। ৰেছলিঙত জাম্বিৰ প্ৰসাদ আৰু লাখৱাল আগুনাই বেছ কৃতিত্ব দেখুৱাইছিল যদিও পদক লাভ কৰিব নোৱাৰিলে।

## ১৯৬৪ ঃ ট'কিঅ'

স্বৰজিত সিঙৰ নেতৃত্বাধীন হকী দলটোৱে চূড়ান্ত খেলত পাকিস্তানৰ বিৰুদ্ধে খেলিছিল। খেলত মহেন্দ্ৰলালৰ জৰিয়তে দিয়া একমাত্ৰ গ'লটোৰে ভাৰতে পুনৰ স্বৰ্ণ পদক লাভ কৰিছিল। এথলেটিকচ্‌ত গুৰুবচ্চন সিঙে ৪০০ মিটাৰ দৌৰত ফাইনেলত উপনীত হয় যদিও কোনো ধৰণৰ পদক নাপালে। ৰেছলিঙত জগীন্দৰ সিঙে ১ দশমিক ৯২ পইন্টৰ ব্যৱধানত ব্ৰঞ্জৰ পদক পোৱাৰ পৰা বঞ্চিত হয়। সেইবাৰ ভাৰতীয় দলটোত সৰ্বমুঠ ২৮ জন খেলুৱৈ আছিল।



## ১৯৬৮ ঃ মেক্সিকো

ৰেছলাৰ জগীন্দৰ সিঙে পুনৰ কৃতিত্ব সহ ফ্ৰী-ষ্টাইল ইভেন্টৰ চূড়ান্ত খেলত তেওঁ অস্বাভাৱিকভাবে ব্যৰ্থ হৈ পদক লাভৰ মুখ নেদেখিলে। হকীত ভাৰতীয় দলে জাৰ্মানীৰ বিৰুদ্ধে জয়লাভ কৰি মাত্ৰ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট লভিবলগীয়া হৈছিল। টেনিছত ভাৰতে কোৱাৰ্টাৰ ফাইনেলতে বিদায় লৈছিল। সেইবাৰ অলিম্পিকত ছয় গৰাকী এথলেটেৰে পূৰ্ণ এথলেটিকচ্ দলটিৰ পৰা ভাৰতে বিশেষ একো উল্লেখনীয় কৃতিত্ব লাভ কৰিব নোৱাৰিলে।

## ১৯৭২ ঃ মিউনিক

মিউনিক অলিম্পিকত ভাৰতীয় হকী দলে আগৰ বাৰৰ দৰে ব্ৰঞ্জৰ পদকহে লাভ কৰিছিল। চেম্পিয়ন হ'ল পাকিস্তানে। ভাৰতে ছেমিফাইনেলত পাকিস্তানৰ হাতত সেও মানিছিল, তৃতীয় স্থানৰ বাবে ভাৰতে পুনৰ জাৰ্মানীৰ লগত যুঁজিছিল। খেলখনত ভাৰতে জাৰ্মানীক ১-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। সেইবাৰ অলিম্পিকত ভাৰতীয় ৰেছলাৰে বিশেষ কৃতিত্ব লাভ কৰিব নোৱাৰিলে যদিও এথলেট ৰাম সিঙে ট্ৰেক এণ্ড ফিল্ডত ৪০০ মিটাৰ দৌৰত ফাইনেল পৰ্যন্ত খেলিছিল।

## ১৯৭৬ ঃ মন্ট্ৰিল

ভাৰতৰ বাবে পদকৰ সংখ্যা শূন্য। সুদূৰ ৪৮ বছৰৰ বিৰতিৰ মূৰত ভাৰতে অলিম্পিকৰ পৰা খালী হাতে উলটি আহিব লগা হৈছিল। বিশ্ব ক্ৰীড়া ক্ষেত্ৰত ভাৰত সমালোচনাৰ পাত্ৰ হ'ব লগা হৈছিল। ৰেছলিঙৰ বেলিকাও পদক লাভ কৰা দূৰৈৰ কথা প্ৰথম দহোটা পজিশ্যনৰ ভিতৰত ভাৰতীয় ৰেছলাৰৰ নাম নাথাকিল। এথলেটিকচ্‌ৰ ব্যৰ্থতাও অতিশয় দুখজনক আছিল। মুঠতে মন্ট্ৰিল অলিম্পিক বিশ্ব ক্ৰীড়াঙ্গনত ভাৰতৰ ব্যৰ্থতাৰ অন্যতম দৃষ্টান্ত।

## ১৯৮০ ঃ মস্কো

ৰাজনৈতিক চেলু কিছুমান উলিয়াই বিশ্ব ক্ৰীড়াঙ্গনৰ ঐতিহাসিক ঐতিহ্যত চেকা পেলোৱাৰ অন্যতম দৃষ্টান্ত আছিল মস্কো অলিম্পিক। আগশাৰীৰ বহুকেইখন ৰাষ্ট্ৰই সেইবাৰৰ অলিম্পিক বয়কট কৰিছিল। ফলত ভাৰতৰ পথ প্ৰশস্ত হৈছিল বিশেষকৈ হকীত। ভাৰতীয় হকী দলে ফাইনেলত কাণে-কাণ মাৰি স্পেইনক ৪-৩ গ'লত হৰুৱাই স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ৰূপা ছৈনীৰ নেতৃত্বত ভাৰতীয় মহিলা হকী দল এটিয়ে সেইবাৰৰ অলিম্পিকত অংশ গ্ৰহণ কৰিছিল। ব্যক্তিগত শিতানত মহাবীৰ সিঙে ৰেছলিঙত পঞ্চম স্থান দখল কৰিছিল।

## ১৯৮৪ ঃ লছ এঞ্জেলছ

আন্তৰ্জাতিক দৌৰবিদ পি টি উষাই ৪০০ মিটাৰ দৌৰত ফাইনেল পৰ্যন্ত উন্নতি লভিছিল। মাত্ৰ এশভাগৰ এক চেকেণ্ড ব্যৱধানৰ বাবে তেওঁ ব্ৰঞ্জৰ পদকৰ পৰা বঞ্চিত হৈ চতুৰ্থ স্থানহে লাভ কৰিছিল। ৪×৪০০ মিটাৰ দৌৰত উষাই সপ্তম হৈছল। ৩০০০ মিটাৰ দৌৰত গীতা জুটশ্বীয়ে ফাইনেল ৰাউণ্ডত অষ্টম স্থান লাভ কৰিছিল। ৰেছলিঙত ৰাজেন্দ্ৰ সিঙে ৭৪ কিলোগ্ৰামত চতুৰ্থ স্থান পাইছিল। ৫২ কিলোগ্ৰামৰ ৰেছলিঙতো মহাবীৰ সিঙে ষষ্ঠ স্থান পাইছিল। ৫৭ কিলোগ্ৰামত ৰোহটিছ সিঙে পঞ্চম হৈছিল।

লছ এঞ্জেলছ অলিম্পিত ভাৰতীয় হকী দলেও পঞ্চম স্থানহে দখল কৰিবলৈ সক্ষম হৈছিল। হকীৰ গ্ৰুপ লীগত সাত পইন্ট লাভ কৰি পিছত পশ্চিম জাৰ্মানীৰ লগত ড্ৰ খেলা বাবেই ভাৰতে ছেমিফাইনেলৰ পৰা বঞ্চিত হৈছিল। পিছত হলেণ্ডক ৫-২ গ'লত পৰাজিত কৰি পঞ্চম স্থান অধিকাৰ কৰে। ফলস্বৰূপে পদকবিহীন ভাৰতে লছ এঞ্জেলছৰ পৰা বিদায় লৈছিল।

## ১৯৮৮ ঃ ছিউল

ছিউল অলিম্পিকতো ভাৰতে এটাও পদক নাপালে। আটাইকেইটা বিভাগতে ব্যৰ্থ। ৪০০ মিটাৰ হাৰ্ডলচত পি টি উষাই প্ৰথম ৰাউণ্ডত সপ্তম স্থানহে দখল কৰিছিল। ছাইনী আব্ৰাহামে নেতৃত্ব কৰা ১৬০০ মিটাৰ ৰীলেত ভাৰতীয় দলে ছেমিফাইনেল হিটত শেষৰ স্থান পাইছিল। টেনিছত বিজয় অমৃতৰাজ আৰু জিছান আলীয়ে যথাক্ৰমে প্ৰথম আৰু দ্বিতীয় ৰাউণ্ডতে পৰাজিত হৈছিল। হকীৰ গ্ৰুপ খেলৰ শেষখন খেলত ভাৰতে গ্ৰেট বৃটেইনৰ লগত ড্ৰ খেলাৰ বাবে ছেমিফাইনেলৰ পৰা বঞ্চিত হয়, ভাৰতে মাথো ষষ্ঠ স্থানহে লাভ কৰিছিল। ■

### অলিম্পিকত ভাৰতে পোৱা পদকৰ তালিকাখনঃ

| চন | স্থান | স্বৰ্ণ | ব্ৰঞ্জ | ৰূপ |
|---|---|---|---|---|
| ১৯২০ | এন্টৱাৰ্প (বেলজিয়াম) | ০ | ০ | ০ |
| ১৯২৪ | পেৰিছ (ফ্ৰান্স) | ০ | ০ | ০ |
| ১৯২৮ | আৰ্মষ্টাৰডাম (হলেণ্ড) | ১টা (হকী) | ০ | ০ |
| ১৯৩২ | লছ এঞ্জলেছ (মাঃ যুক্তৰাষ্ট্ৰ) | ১টা (হকী) | ০ | ০ |
| ১৯৩৬ | বাৰ্লিন (জাৰ্মানী) | ১টা (হকী) | ০ | ০ |
| ১৯৪৮ | লণ্ডন (বৃটেইন) | ১টা (হকী) | ০ | ০ |
| ১৯৫২ | হেলছিংকি (ফিনলেণ্ড) | ১টা (হকী) | ০ | ০ |
| ১৯৫৬ | মেলবৰ্ণ (অষ্ট্ৰেলিয়া) | ১টা (হকী) | ০ | ০ |
| ১৯৬০ | ৰোম (ইটালি) | ০ | ১টা (হকী) | ০ |
| ১৯৬৪ | টকিঅ' (জাপান) | ১টা (হকী) | ০ | ০ |
| ১৯৬৮ | মেক্সিকো (মেক্সিকো) | ০ | ১টা (হকী) | ০ |
| ১৯৭২ | মিউনিখ (পঃ জাৰ্মানী) | ০ | ১টা (হকী) | ০ |
| ১৯৭৬ | মন্ট্ৰিল (কানাডা) | ০ | ০ | ০ |
| ১৯৮০ | মস্কো (ছোভিয়েত ৰাছিয়া) | ১টা (হকী) | ০ | ০ |
| ১৯৮৪ | লছ এঞ্জেলছ (মাঃ যুক্তৰাষ্ট্ৰ) | ০ | ০ | ০ |
| ১৯৮৮ | ছিউল (দক্ষিণ কোৰিয়া) | ০ | ০ | ০ |
| ১৯৯২ | বাৰ্চিলোনা | ? | ? | ? |

[বিঃ দ্ৰঃ দ্বিতীয় মহাসমৰৰ বাবে ১৯৪০ আৰু ১৯৪৪ চনত অলিম্পিক অনুষ্ঠিত নহ'ল।]

OKDISCD

# আকৌ স্বৰ্ণময় ভাৰতীয় হকী



তাহানিৰে পৰা অলিম্পিক হকীত ভাৰতৰ কৃতিত্ব লাভৰ এক স্বৰ্ণময় ইতিহাস আছে। একেলেথাৰী ছয়-বাৰ স্বৰ্ণ পোৱাৰ অলিম্পিক অভিলেখ কেৱল ভাৰতৰে আছে। শেহতীয়া ভাবে ১৯৮০ চনৰ মস্কো অলিম্পিকত ভাৰতে স্বৰ্ণ লাভ কৰিছিল। কিন্তু তাৰ পিছত, শেহতীয়াভাবে দুবাৰ অলিম্পিকত ভাৰতীয় হকীৰ পশ্চাদাপসাৰণ ঘটিল, ইয়াৰ কাৰণ পশ্চিমীয়া আৰু সমাজতান্ত্ৰিক দেশকেইখনৰ দ্ৰুত উন্নয়ন, খেলৰ ন ন আধুনিক বিজ্ঞানসন্মত পৰিবৰ্তন, এচট্ৰ' টাৰ্ফৰ আগমন ইত্যাদি। এসময়ত অলিম্পিক আৰু হকীৰ বিশ্বকাপত তোলপাৰ লগাই থকা ভাৰতে এই প্ৰতিযোগিতাবোৰত খেলাৰ যোগ্যতা অৰ্জনৰ বাবেই হাবাথুৰি খাবলগীয়া হ'ল। বিপৰ্যয়ৰ গৰাহত নিমজ্জিত হ'ল ভাৰতীয় হকীৰ স্বৰ্ণময় যুগ।


কিন্তু শেহতীয়াভাবে দুবছৰ মানৰ পৰা ভাৰতীয় হকীৰ মান বিশিষ্ট অস্তিত্ব জীয়াই ৰখাৰ সংগ্ৰাম চলিছে। এই সংগ্ৰাম সোণালী অতীতৰ পুনৰুদ্ধাৰৰ সংগ্ৰাম। এই দুৰ্বিসহ প্ৰচেষ্টাত এইবেলি পুনৰ আনি দিছে ভাৰতীয় হকীত আশাৰ ৰেঙণি, লক্ষ্য বাৰ্চিলোনাঅলিম্পিক......... ।

যোৱা দুমাহ ধৰি ভাৰতীয় হকী দলটোৱে ইউৰোপ ভ্ৰমণ কৰিছিল। উদ্দেশ্য আছিল – বাৰ্চিলোনা অলিম্পিকৰ পূৰ্বে নিজকে প্ৰস্তুত কৰা, আন্তৰ্জাতিক অভিজ্ঞতা সঞ্চয় কৰা। এই দুয়োটা উদ্দেশ্যতে দলটো সফল হোৱা বুলি ক'ব পাৰি। এই ভ্ৰমণকালত দলটোৰ প্ৰদৰ্শনো আছিল যথেষ্ট উৎসাহব্যঞ্জক। ইউৰোপ ভ্ৰমণত দলটোৱে ধাৰাবাহিক সাফল্যৰ মুখ দেখিছিল – বিশেষকৈ বৃটেইন, আৰ্জেন্টিনাৰ উপৰিও ইউৰোপৰ আগশাৰীৰ হকী দলৰ বিপক্ষে জয়লাভ কৰি অলিম্পিকৰ প্ৰাক্-মুহূৰ্তত নিজকে ভাৰসাম্যপূৰ্ণ দল বুলি দাবী কৰিলে। এনে মনোবলেৰে দলটোৱে যেন হেৰুৱা ছন্দ ঘূৰাই পাইছে। বুকু ফিন্দিয়াই ক'ব পৰা হৈছে যে ভাৰতীয় হকীত এইবেলি প্ৰতিভাও আছে বীৰত্বও আছে। সেয়েহে আগন্তুক বাৰ্চিলোনা অলিম্পিকত এই সম্ভাৱনা-প্ৰতিভাৰ সদ্ব্যৱহাৰ হলে সাফল্য লাভ নকৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। অধিনায়ক পাৰ্গত সিঙৰ মতে শেহতীয়া ভ্ৰমণে দলৰ প্ৰতিজন খেলুৱৈৰ আত্মবিশ্বাস উত্তৰোত্তৰভাবে বৃদ্ধি কৰাৰ লগতে আগন্তুক অলিম্পিকত সাফল্য লাভৰ আশাও জগাই তুলিছে। এই সন্দৰ্ভত দলৰ প্ৰশিক্ষক বালকৃষ্ণণ সিঙে পোষণ কৰা উচ্চমতকো একেবাৰে উৰুৱাই দিব নোৱাৰি। অধিনায়ক-প্ৰশিক্ষক উভয়েই স্বীকাৰ কৰিছে যে ভাৰতীয় হকীৰ শেহতীয়া সাফল্য দলীয় সংহতি আৰু প্ৰচেষ্টাৰ প্ৰতিফলন আৰু ইয়াৰ বহুল প্ৰতিশ্ৰুতি হ'ল বাৰ্চিলোনা অলিম্পিকৰ সাফল্য লাভ ......... ।

প.কু.ডে

## ভাৰতে এইবাৰ ১২ বিধত ভাগ ল'ব

এইবাৰো টালি-টোপোলা বান্ধি বৃহৎ আকাৰৰ দল এটিয়ে কোটি টকা খৰচ কৰি ভাৰতীয় প্ৰতিনিধি হিচাপে বাৰ্চিলোনা অলিম্পিকত ভাগ ল'ব। অহা ২৫ জুলাইৰ পৰা বাৰ্চিলোনাত হ'ব লগীয়া অলিম্পিকত ভাৰতে মুঠতে ১২ বিধ বিভিন্ন খেলত ভাগ ল'ব। সেয়া হ'ল ঃ হকী, জুড', শ্যুটিং, আৰ্চাৰী, মল্লযুঁজ, ভাৰোত্তলন, এথলেটিকচ, য়াছটিং, বক্সিং, টেবুল টেনিছ, টেনিছ আৰু বেডমিন্টন। উল্লেখযোগ্য যে এইবাৰৰ অলিম্পিকত বিশ্বৰ বিভিন্ন প্ৰান্তৰ মুঠ ১২৩ খন দেশৰ প্ৰায় ১৫,২০০ গৰাকী প্ৰতিযোগীয়ে সৰ্বমুঠ ২৪ বিধ ক্ৰীড়াত যুঁজিব, লক্ষ্য হ'ব ৫৪৯টা স্বৰ্ণ, ৫৪৫টা ৰৌপ্য ৫৯৩টা ব্ৰঞ্জৰ আৰু বহুতো সন্মান।



দ্যা ভালদ' হেব্ৰাওন ভেল'ড্ৰ'মে ষ্টেডিয়াম, বাৰ্চিলোনা



প্ৰচ্ছদ নিবন্ধ

# বাৰ্চিলোনাত অসমৰ দীপঙ্কৰ

ৰয়েল আহমেদ

এজন অলিম্পিয়ান পোৱাৰ বাবে বহুদিন প্ৰতীক্ষা কৰিবলগীয়া হৈছিল অসমৰ জনসাধাৰণে। প্ৰায় ৪৪ বছৰ কালৰ প্ৰতীক্ষা। অৱশেষত এই দীৰ্ঘ প্ৰতীক্ষাৰ অন্ত পৰিল। এই জটিল কামফেৰা সমাধা কৰিলে অসমৰ এজন ঐকেশ বছৰীয়া যুৱকে। নাম তেওঁৰ দীপঙ্কৰ ভট্টাচাৰ্য। আজিৰ পৰা ৪৪ বছৰৰ পূৰ্বে তেতিয়াৰ বৰ অসমৰ অঙ্গ নগালেণ্ডৰ এজন ব্যক্তি ডঃ টালিমেৰণ আওৱে ভাৰতীয় ফুটবল দলক প্ৰতিনিধিত্ব কৰিছিল ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত। অলিম্পিকৰ ক্ৰীড়াঙ্গনত খোজ পেলোৱা তেওঁৱেই আছিল প্ৰথমজন অসমীয়া। আও আছিল বৰ অসমৰ প্ৰথমজন অলিম্পিয়ান। তাৰ পিছত ভালেমান দিন অতিবাহিত হ'ল। পূৰ্বৰ বৰ অসমখনো নোহোৱা হ'ল। বহু প্ৰতীক্ষাৰ সামৰণি মাৰি এতিয়াৰ অসমৰ এজন যুৱকে ভাৰতীয় বেডমিণ্টন দলক অলিম্পিকত প্ৰতিনিধিত্ব কৰাৰ দুৰ্লভ সুযোগ লাভ কৰিছে। দীপঙ্কৰৰ এই কৃতিত্বত অসমৰ প্ৰতিজন ক্ৰীড়াপ্ৰেমী গৌৰৱান্বিত। দীপঙ্কৰ আজি অসমৰ ক্ৰীড়াজগতৰ আশাৰ প্ৰতীক।



ফটো : বিকেবেশ

অন্যান্য ন-শিকাৰুৰ ক্ষেত্ৰত হোৱাৰ দৰেই দীপঙ্কৰৰ প্ৰতিভাৰো প্ৰথম অঙ্কুৰণ ঘটিছিল ঘৰখনতেই। দেউতাক আছিল এজন ক্ৰীড়াপ্ৰেমী লোক। মাকো আছিল খেলা-ধূলাৰ প্ৰতি আগ্ৰহী। এই সকলৰ অনুপ্ৰেৰণাতে দীপঙ্কৰে কণমাণি বয়সৰ পৰাই বেডমিণ্টনৰ ৰেকেট হাতত তুলি লৈছিল। দেউতাকে হাতত ধৰি খেলিবলৈ শিকাইছিল।

দীপঙ্কৰৰ তেতিয়া বয়সেইবা কিমান ? খুউব বেছি আঠ–ন বছৰ। তেতিয়া পৰাই অঙ্কুৰিত হবলৈ লৈছিল দীপঙ্কৰৰ প্ৰতিভা। অন্তৰ্মুখী, নিৰ্জু স্বভাৱৰ ল'ৰা দীপঙ্কৰে সেই বয়সতে দৃঢ় প্ৰত্যয়েৰে বেডমিণ্টনৰ ৰেকেট হাতত লৈ অসীম ধৈৰ্যৰে চলাই গৈছিল একান্ত অনুশীলন। তেনেই সীমিত পৰিসৰ আৰু সা-সুবিধাৰ মাজেৰেই দীপঙ্কৰে অগ্ৰগতি অব্যাহত ৰাখিছিল। সান্নিধ্য লাভ কৰিছিল অসমৰ বেডমিণ্টন জগতৰ এজন লেখত লবলগীয়া ব্যক্তি প্ৰদীপ চলিহাৰ। খেলৰ সুবিধা পাইছিল ভালেকেইজন উদীয়মান প্ৰতিভাৱান খেলুৱৈৰ সৈতে। কিন্তু মূলতঃ আন্তৰিকতা আৰু ঐকান্তিক অনুশীলনেই আছিল দীপঙ্কৰৰ সাফল্যৰ অন্যতম চাবি-কাঠি। এই সফলতাৰ সূত্ৰপাত হৈছিল ১৯৮৩ চনতে। সেই বছৰতে অনুষ্ঠিত ৰাষ্ট্ৰীয় বেডমিণ্টনত ছাব-জুনিয়ৰ শাখাত ৰাৰ্ণাচআপ আৰু ছাব-জুনিয়ৰ ল'ৰাৰ ডাবলছত চূড়ান্ত বিজয়ী হয়। এই সফলতাই চেমনীয়া দীপঙ্কৰক অনুপ্ৰাণিত কৰিছিল আগলৈ আগুৱাই যোৱাৰ বাবে। তেতিয়াৰ পৰাই দীপঙ্কৰে পিছলৈ ঘূৰি চোৱা নাই। কেৱল আগুৱাই গৈছে–সফলতাৰ বাট বুলি। ৰাষ্ট্ৰীয় পৰ্যায়ত আয়োজিত বিভিন্ন প্ৰতিযোগিতাত প্ৰতিভাৰ চমক দেখুৱাইছে। দীপঙ্কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত লাভ কৰাৰ দৰে ধাৰাবাহিক সাফল্য এই অঞ্চলটোৰ আন কোনো খেলুৱৈৰ ভাগ্যত হোৱা নাই। প্ৰকাশ পাডুকোণৰ দৰে অন্যতম প্ৰতিভাশালী বেডমিণ্টন খেলুৱৈয়ো দীপঙ্কৰৰ হাতত ধৰাশায়ী হ'বলগীয়াত পৰিছে। অকল ৰাষ্ট্ৰীয় পৰ্যায়ত বুলিয়ে নহয়, আন্তৰ্জাতিক পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত দীপঙ্কৰে দেশক বহুবাৰ প্ৰতিনিধিত্ব কৰিছে। এইক্ষেত্ৰত তেওঁ চূড়ান্ত সাফল্যৰ সোৱাদ পাবলৈ সমৰ্থবান হোৱা নাই যদিও প্ৰতিভাৰ প্ৰতিশ্ৰুতি ৰাখিছে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ক'ৰ্টত। দুৰ্লভ সুযোগ লাভ কৰিছে বিশ্বৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈসকলৰ সৈতে খেলাৰ। ইয়ে দীপঙ্কৰক দিছে প্ৰচুৰ অভিজ্ঞতা।

ৰাষ্ট্ৰীয় বেডমিণ্টনৰ ৰেঙ্কিং তালিকাত দীপঙ্কৰৰ নাম প্ৰথম স্থানত। বিশ্ব ৰেঙ্কিঙত ৩৮। অসমৰ এজন খেলুৱৈয়ে বিশ্বৰেঙ্কিং তালিকাৰ চল্লিশৰ ভিতৰত থাকিব পৰাটোৱেই কম কৃতিত্বৰ কথা নহয়। এই কথাটো এই বাবেই কোৱা হৈছে যে, গুৱাহাটীত বেডমিণ্টন চৰ্চাৰ সা-সুবিধা তেনেই সীমিত। এই সীমিত সা-সুবিধাৰ মাজত থাকি একাগ্ৰতা আৰু ঐকান্তিকতাৰে অনুশীলন চলাই দীপঙ্কৰ আজিৰ অৱস্থাত আহি উপনীত হৈছেহি। গুৱাহাটীত বেডমিণ্টন প্ৰতিভা ভালেমান আছে। কিন্তু আজি পৰ্যন্ত আধুনিক বিজ্ঞানসন্মত ক'ৰ্ট এখন নিৰ্মাণ নহ'ল। কনকলতা ইনড'ৰ ষ্টেডিয়াম আৰু এবিটা ইনড'ৰ ষ্টেডিয়ামৰ ক'ৰ্টৰ বিনে গতি নাই। এই দুখন ক'ৰ্টৰ অৱস্থাও তথৈবচ। এনে এক পৰিবেশৰ মাজতে অনুশীলন চৰ্চা চলাই দীপঙ্কৰ আজি ওলাই আহিছে বিশ্বৰ দৰবাৰলৈ বুলি। দীপঙ্কৰৰ এই সফলতাত তেওঁৰ মাক–দেউতাক, গড়্ফাদাৰ স্বৰূপ ডিম্বেশ্বৰ দাস, প্ৰদীপ চলিহা আদিৰ অৰিহণা নিশ্চয় আছে। কিন্তু এই সকলোৰে ওপৰত আছে দীপঙ্কৰৰ ঐকান্তিক সাধনা। প্ৰচুৰ অধ্যৱসায়েৰে দীপঙ্কৰ ইমানদূৰ আগবাঢ়ি আহিছে। লাভ কৰিছে দেশক অলিম্পিকত প্ৰতিনিধিত্ব কৰাৰ দুৰ্লভ সুযোগ। অলিম্পিকত দীপঙ্কৰৰ প্ৰদৰ্শন সন্দৰ্ভত আমি বিশেষ উচ্চমত অথবা উচ্চাশা পোষণ নকৰো। বিশ্বৰ প্ৰতিজন তাৰকা খেলুৱৈ সমবেত হ'ব অলিম্পিক থলিত। আমি মাথো ইয়াকে আশা কৰিম যে–অলিম্পিকৰ মহান ক্ষেত্ৰৰ পৰা দীপঙ্কৰে প্ৰচুৰ অভিজ্ঞতা সঞ্চয় কৰি আনক। ■

# আত্মহত্যা – এক সামাজিক সমস্যা

ডালিমী চলিহা

"মৰিতে চাহিনা আমি সুন্দৰ ভুবনে, মানবেৰ মাঝে আমি বাচিবাৰে চায়"– বিশ্বকবি ৰবীন্দ্ৰনাথৰ বিখ্যাত উক্তি এইষাৰ। খ্যাতনামা মনোবিদ্ চিগ্‌মণ্ড ফ্ৰয়েডৰ মতেও মানুহৰ আত্মসংৰক্ষণৰ প্ৰবৃত্তি (Urge for self-preservation) হেনো অতি শক্তিশালী।

খৃষ্টান ধৰ্মৰ মতে আত্মহত্যা মহাপাপ। চেইন্ট আগষ্টাইন আৰু টমাছ একুইনাচে আত্মহত্যাক পাপকৰ্ম বুলি অভিহিত কৰি গৈছে। কোৰাণৰ মতে আত্মহত্যা কৰাটো আনক হত্যা কৰাতকৈও ডাঙৰ পাপ। হিন্দুধৰ্মৰ মতে আত্মহত্যাকাৰীৰ আত্মাই কেতিয়াও মুক্তি নাপায়। সেয়েহে আত্মঘাতী হৈ মৰা লোকৰ শ্ৰাদ্ধাদিৰ বিধানো নাই। পুৰাণৰ মতে আত্মঘাতী হোৱা জনৰ আত্ম বতাহত ওলমি থকাৰ দৰে থাকে আৰু কল্পান্তকাল তেনেকৈয়ে থাকে। এইটো এটা অতি সাংঘাতিক অৱস্থা। ভোগৰ আকাঙ্ক্ষা থাকে। অথচ ভোগায়তন শৰীৰ নাথাকে। সেয়েহে এনে লোকৰ অতৃপ্ত আত্মাই প্ৰেতাত্মাৰূপে প্ৰকৃতিতে বিচৰণ কৰি থাকে। গয়াৰ প্ৰেতশিলাত পিণ্ড দিলেহে হেনো আত্মঘাতী হোৱা মানুহৰ আত্মাই পুনৰ সূক্ষ্মদেহ ধাৰণ কৰিব পাৰে। এনেবোৰ বিশ্বাস জলাঞ্জলি দি আৰু সুন্দৰ পৃথিৱীৰ মোহো পৰিহাৰ কৰি মানুহে কিয় আত্মহত্যা কৰে নাইবা আত্মঘাতী হবলৈ চেষ্টা কৰি সমাজৰ চকুত পৰ্যবসিত হোৱাৰ লগতে আইনৰ কবলতো পৰে? এই আত্মাঘাতী প্ৰবৃত্তিৰ উৎস ক'ত? ই একপ্ৰকাৰ ব্যাধি নেকি?

অলপতে প্ৰকাশ পোৱা এটা সমীক্ষা মতে অকল ভাৰতবৰ্ষতে বছৰি চল্লিছ হেজাৰৰো অধিক লোক অৰ্থাৎ গড় হিচাপে প্ৰতি ১২ মিনিটত এজনে আত্মহত্যা কৰে। বিভিন্ন ধৰ্মৰ বিভিন্ন সমাজত সংঘটিত হোৱা আত্মহত্যাৰ তথ্য সংগ্ৰহ কৰি দেখা গৈছে যে ইয়াৰ বেছিভাগেই ৫৫ বছৰৰ পৰা ৬৪ বছৰৰ ভিতৰৰ লোক। আনহাতে আত্মহত্যাৰ চেষ্টা কৰি বিফল হোৱা সকলৰ বয়স সাধাৰণতে ২৪ অৰ পৰা ৪৪ বছৰৰ ভিতৰত। লিংগভেদে বিচাৰ কৰিলে দেখা যায় যে মহিলাতকৈ অৰ্ধিক সংখ্যক পুৰুষে আত্মহত্যা কৰে। আনহাতে আত্মহত্যাৰ চেষ্টা কৰি বিফল হোৱা সকলৰ ভিতৰত পুৰুষতকৈ মহিলাৰ সংখ্যা অধিক। আৰ্থ–সামাজিক দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে একেবাৰে নিম্নস্তৰৰ আৰু অতি উচ্চ স্তৰৰ লোকৰ দ্বাৰা অধিক আত্মহত্যা সংঘটিত হয়। আকৌ গাওঁ অঞ্চলতকৈ নগৰ অঞ্চলত আৰু নিম্নবৰ্গৰ চাকৰিয়ালতকৈ উচ্চবৰ্গৰ চাকৰিয়াল তথা প্ৰশাসনীয় কাৰ্যত থকা সকলৰ ক্ষেত্ৰত এই অনুপাতৰ মাত্ৰা অধিক। আত্মহত্যাৰ সমীক্ষাত এইটোও দেখা গৈছে যে অবিবাহিত বা বিবাহ বিচ্ছেদ ঘটা লোকৰ ক্ষেত্ৰত আত্মহত্যাৰ অনুপাত তুলনামূলক ভাবে অধিক। যুদ্ধৰ সময়তকৈ শান্তিৰ সময়ত, দিনটোৰ পুৱাৰ ভাগতকৈ আবেলিৰ ভাগলৈ অধিক সংখ্যক আত্মহত্যা সংঘটিত হয়। মহিলাৰ ক্ষেত্ৰত বয়ঃসন্ধিৰ সময়ছোৱাত (৫০ বছৰৰ পৰা ৬৪ বছৰ মানলৈ) অধিক আত্মহত্যা সংঘটিত হয়। অতিশয় নিচাসক্ত আৰু 'মানসিক বিমৰ্ষতাত' (mental depression) ভোগা লোকে চূড়ান্ত অৱস্থাত আত্মহত্যা কৰে। সমাজত নিবনুৱা সমস্যা বৃদ্ধিৰ লগে লগে আত্মহত্যাৰ সংখ্যাও বৃদ্ধি পায়। "World Health Organisation" আৰু আমেৰিকাৰ লচ্ এঞ্জেলচ্‌ত থকা "Suicide Prevention Centre" আদি স্বেচ্ছাসেৱী সংগঠনসমূহেও মাজে মাজে আত্মহত্যা সম্পৰ্কে এনেধৰণৰ মনোযোগ আকৰ্ষণীয় তথ্য কিছুমান প্ৰকাশ কৰে বছৰটোৰ ভিতৰত বসন্ত কলিতেই অধিক সংখ্য আত্মহত্যা সংঘটিত হয়। মনোবিজ্ঞানী সকলৰ মতে বছৰটোৰ অন্য সময়তকৈ এইখিনি সময়ত মানুহৰ মন অধিক চঞ্চল হয় আৰু মনলৈ বিষণ্ণতা (depression) আহে। বৰ্তমান আমেৰিকা আদি পশ্চিমৰ কিছুমান দেশত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আত্মহত্যাৰ সংক্ৰমিত প্ৰৱণতা (Contagious suicidal tendency) এটা পৰিলক্ষিত হৈছে। মনোবিজ্ঞানীসকলে ইয়াৰ বাবে এইবোৰ সমাজত মাদক দ্ৰব্যৰ বহুল প্ৰচলন, বিবাহ বিচ্ছেদৰ ব্যাপকতা আৰু বস্তুবাদী আদৰ্শৰ জোৱাৰকে জগৰীয়া কৰিব খোজে। ভাৰতবৰ্ষৰ মহানগৰবোৰতো শেহতীয়াকৈ এই প্ৰৱণতা গা কৰি উঠাটো এক উদ্বেগৰ বিষয় হৈ পৰিছে। কৈশোৰ আৰু যৌৱনৰ বয়ঃসন্ধিৰ কালছোৱাত কিছুমানে নিজৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হৈ বা নিজক প্ৰতিষ্ঠা কৰিব নোৱৰাৰ আক্ষেপতো একোটা মুহূৰ্তত আত্মহত্যাকে সমস্যা সমাধানৰ একমাত্ৰ পথ বুলি ভাবে।

ভাৰতীয় সমাজত অধিক সংখ্যক পুৰুষে নিজৰ ব্যক্তিগত কাৰণত আত্মহত্যা কৰিলেও মহিলাৰ ক্ষেত্ৰত কিছুমান সামাজিক বাধ্যবাধকতাও তাৰ বাবে জগৰীয়া। অতীজতে ভাৰতৰ কোনো কোনো ঠাইত প্ৰচলিত "সতী" প্ৰথা আইনৰ চকুততো অপৰাধ নাছিলেই সামাজিক ভাবে অনুমোদিত প্ৰথাহে আছিল। বৰ্তমান সময়তো যৌতুক–প্ৰথা আৰু ধৰ্ষিতা নাৰীৰ প্ৰতি সমাজৰ অৱমাননা তথা অৱহেলাৰ ফল স্বৰূপে বছৰি বহুতো নাৰীয়ে আত্মহত্যা কৰে। ১৯৮৬ চনৰ এটা সমীক্ষা মতে আমাৰ মুঠ জনসংখ্যাৰ পোন্ধৰ শতাংশই আত্মাহত্যাৰ চেষ্টা কৰে আৰু তাৰ ভিতৰৰে দুই শতাংশ কৃতকাৰ্য হয়। বেছিভাগ অকৃতকাৰ্য হোৱা ঘটনা মহিলাৰ দ্বাৰা সংঘটিত। ১৯৮৪ চনৰ পুলিচৰ সমীক্ষা মতে কেৱল বোম্বাই চহৰতে ২১৫ গৰাকী মহিলাই আত্মহত্যা কৰে, তাৰে ১২৭ গৰাকীয়ে গাত জুই জ্বলাই, ৩৭ গৰাকীয়ে বিহ খাই ২০ গৰাকীয়ে চিপ লৈ, ১০ গৰাকীয়ে পানীত ডুবি, ১০ গৰাকীয়ে ওখ ঘৰৰ পৰা জঁপিয়াই, ৩ গৰাকীয়ে টোপনিৰ পিল অধিক মাত্ৰাত খাই আৰু আন ৫ গৰাকীয়ে বেলেগ বেলেগ উপায়েৰে আত্মহত্যা কৰে।

এসময়ত মানুহে বিশ্বাস কৰিছিল যে আত্মহত্যাৰ প্ৰৱণতা বংশানুক্ৰমিক। কিন্তু পৰীক্ষা নিৰীক্ষা কৰি দেখা গৈছে যে এই কথা সচাঁ নহয়। দুটা যজাঁ সন্তানৰ এটাই আত্মহত্যা কৰিলে আনটোৱে এনে কাৰ্যৰ প্ৰতি প্ৰৱণতা নেদেখুৱায়।

ফ্ৰান্সৰ এমিলি ডাৰকেইন নামৰ এজন সমাজ বিজ্ঞানীয়ে ১৮৯৭ চনত আত্মহত্যাৰ ওপৰত লিখা এখন গ্ৰন্থত পোনপ্ৰথম বাৰৰ বাবে এই সমস্যাটোৰ ওপৰত সামাজিক আৰু মনস্তাত্ত্বিক ভিত্তিত দৃষ্টিপাত কৰে। তেওঁৰ মতে মানুহৰ মনৰ ওপৰত বিভিন্ন শক্তিৰ সামূহিক ক্ৰিয়াৰ ফলতহে আত্মহত্যাৰ দৰে এটা সাংঘাতিক প্ৰৱণতা সৃষ্টি হব পাৰে। দুৰ্দমনীয় দুখবেজাৰ, প্ৰিয়জনৰ বিৰহ, আত্মশ্লাঘা, আনৰ ওপৰত প্ৰতিশোধ লব নোৱৰা ক্ষোভ, লজ্জা, হতাশা বা আশাভঙ্গ, দুৰাৰোগ্য ব্যাধিৰ পীড়া আদিৰ চৰম পৰিণতি হৈছে আত্মহত্যা, ডাৰকেইনৰ মতে আত্মঘাতী হোৱা লোক সকলক তিনিটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমবিধ হ'ল সম্পূৰ্ণৰূপে ব্যক্তিকেন্দ্ৰিক লোক, যাৰ সমাজৰ প্ৰতি কোনো ধৰণৰ দায়বদ্ধতা নাই। দ্বিতীয়বিধ হৈছে যি সকলে নিজকে সমাজৰ বাবে অপৰিহাৰ্য বুলি ভাবে; আৰু তৃতীয়বিধক সমাজৰ কোনো অনুশাসনেই ঢুকি নাপায়। মনোবিজ্ঞানী ফ্ৰয়েডৰ মতে আত্মহত্যাৰ কাৰণ হৈছে কাৰোবাৰ ওপৰত প্ৰতিশোধৰ ভাব। মানুহৰ আত্মপ্ৰীতি ইমানেই প্ৰবল যে নিজক নিজে ধ্বংস কৰাৰ কথা ভবাটো সম্পূৰ্ণ সুষ্ঠ মানুহৰ বাবে সম্ভৱেই নহয়। আত্মপ্ৰীতি অতিশয় প্ৰবল হোৱা বাবে কাৰোবাৰ দ্বাৰা অৱহেলিত বা অপমানিত হোৱা যেন পালে তেওঁৰ ওপৰত প্ৰতিশোধ লোৱাৰ পণ বা উপায় হিচাপে নিজক ব্যৱহাৰ কৰে। আত্মহত্যাকাৰীসকল একপ্ৰকাৰ মানসিক ৰোগী। আলফ্ৰেড এড্‌লাৰৰ মতে সমাজৰ প্ৰতি কোনো দায়বদ্ধতা নাথাকিলে একোটা মুহূৰ্তত মানুহৰ নিজকে অকাজভাগী যেন বোধ হয় আৰু নিজৰ ওপৰতে ধিক্কাৰ জন্মি আত্মহত্যা কৰিবলৈ উদ্যত হয়। এই দুয়োজন মনোবিদৰ মতে আত্মহত্যাৰ প্ৰবৃত্তিক অপৰাধ হিচাপে গণ্য কৰাতকৈ ব্যাধি হিচাপেহে গণ্য কৰাৰ উচিত। উপযুক্ত চিকিৎসাৰ সহায়েৰে এজনৰ মনৰ পৰা আত্মঘাতী প্ৰবৃত্তি সম্পূৰ্ণৰূপ নিৰ্মূল কৰিব পৰা যায়।

অত্যন্ত অন্তৰ্মুখী ব্যক্তিত্বৰ মানুহে অহৰহ অনুভৱ কৰা নিঃসংগতাবোধৰ বাবেও কেতিয়াবা নিজকে নিঃশেষ কৰি এনে অসহনীয় নিঃসংগতাৰ পৰা উদ্ধাৰ পোৱাৰ কথা ভাবিব পাৰে। মোৰ একালৰ সহপাঠী বান্ধৱী সাহিত্য একাডেমীৰ বঁটা বিজয়িনী সুলেখিকা ডঃ মামনি ৰয়চম গোস্বামীয়ে একধিকবাৰ এনেধৰণৰ মানসিকতাত ভোগাৰ কথা তেওঁ নিজেই উল্লেখ কৰিছে। তেওঁৰ "আধালেখা দস্তাবেজত" স্পষ্টকৈ লেখিছে যে এবাৰ তেওঁ আত্মহত্যাৰ চেষ্টা কৰি বিফল হৈ চিকিৎসাধীন হব লগা হৈছিল। পিছতো বহুত দিনলৈকে প্ৰিয়জনৰ বিচ্ছেদৰ পাছত টোপনিৰ পিল সংগ্ৰহ কৰি সংৰক্ষণ কৰাটো তেওঁৰ অভ্যাসত পৰিণত হোৱাৰ কথাষাৰো উল্লেখ কৰিছে। এতিয়া সুলেখিকা হিচাপে প্ৰতিষ্ঠা লাভ কৰি সামাজিক দায়বদ্ধতা মূৰ পাতি লৈ তেওঁ নিশ্চয় নিঃসঙ্গতাবোধ আৰু আত্মঘাতী মানসিকতাৰ পৰা নিজক মুক্তি কৰিব পাৰিছে।

বেছিভাগ ক্ষেত্ৰতে কোনো এজন আত্মহত্যা কৰিলে আত্মীয়–স্বজনৰ প্ৰতিক্ৰিয়া দেখি ভাব হয় যেন এই বিষয়ে তেওঁলোকে আগতীয়াকৈ কোনো সংকেত ঘূণাক্ষৰেও নাপালে। হঠাৎ যেন বিনামেঘে বজ্ৰপাতহে পৰিল। কিন্তু কথাষাৰ সচাঁ জানো? বিশেষজ্ঞ সকলৰ মতে কোনো লোকে নিজকে একেবাৰে নিঃশেষ কৰি পেলোৱাৰ আগতে তেওঁৰ আচৰণত কিছুমান অস্বাভাৱিকতা প্ৰকাশ পায়। আৰু এনে ধৰণৰ অস্বাভাৱিকতা আচলতে আত্মহত্যাৰ আগতীয়া সংকেত। দুখৰ বিষয় বেছিভাগ ক্ষেত্ৰতে আত্মীয়–স্বজনে এইবিলাক সংকেতলৈ ভ্ৰূক্ষেপ নকৰে। আত্মহত্যা কৰাৰ বেছ কিছুদিন আগৰে পৰাই সংশ্লিষ্ট ব্যক্তিজনৰ অতি ঘনিষ্ঠ সম্পৰ্কীয় লোক যেনে পতি হলে পত্নীৰ লগত, পত্নী হ'লে পতিৰ লগত নাইবা মাক–দেউতাকৰ লগত অথবা অন্তৰংগ বন্ধুৰ লগত সম্পৰ্কৰ বান্ধোন ক্ৰমে শিথিল হৈ আহে। এনে ক্ষেত্ৰত এই সম্পৰ্ক পুনৰ্জীৱিত কৰিব পাৰিলে এই চূড়ান্ত পৰিণতিৰ পৰা এজনক উদ্ধাৰ কৰাটো অসম্ভৱ নহয়। বহুতো সময়ত ভবা হয় যে আত্মহত্যাৰ ভাবুকি সাধাৰণতে কাৰ্যকৰী কৰা নহয়। এই বিশ্বাসো ভুল। যিকোনো ধৰণৰ আত্মহত্যাৰ ভাবুকিকে আত্মীয় স্বজনে গুৰুত্ব সহকাৰে বিবেচনা কৰি উক্ত লোকজনৰ মনৰ পৰা সেই আত্মঘাতী প্ৰবৃত্তি সমূলঞ্চে নিৰ্মূল কৰিবলৈ যত্নপৰ হোৱা উচিত। সাময়িকভাবে এই প্ৰৱণতা আঁতৰ হলেও সময় সাপেক্ষে আকৌ উক্ দিব পাৰে। বহুসময়ত আত্মহত্যাৰ ভাবুকিৰ দ্বাৰা সংশ্লিষ্ট ব্যক্তিজনে তেওঁৰ প্ৰকৃত সমস্যাটো আত্মীয়–স্বজনৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰে আৰু লগতে আওপকীয়াকৈ সমস্যাটো সমাধানৰ বাবে তেওঁলোকৰ পৰা সহায় তথা পৰামৰ্শও বিচাৰে। এনে ক্ষেত্ৰত নিকট–আত্মীয়ই কেতিয়াও আওকণীয়া মনোভাব গ্ৰহণ কৰা উচিত নহয়। 'আত্মহত্যা' বিষয়টো অতীজৰে পৰাই এটা 'টেবু' অথাৎ 'বিধৰ্মী মনোভাব'ৰ পৰিচায়ক বুলি গণ্য কৰি অহা হৈছে বা 'পাপবোধৰ লগত জড়িত কৰা হৈ আহিছে। সেয়েহে আত্মহত্যা কৰিবলৈ উদ্যত হোৱা ব্যক্তি এজনৰ প্ৰতি সমাজৰ বাকী সকলে সহানুভূতিৰ মনোভাততকৈ তিৰস্কাৰ সূচক মনোভাবহে প্ৰদৰ্শন কৰা দেখা যায়। অকল ইমানেই নে? এগৰাকী ধৰ্ষিতা নাৰী বা অবৈধ প্ৰণয়ত লিপ্ত হোৱা যুৱতীৰ প্ৰতি–"এৰা ভাই, এনেকুৱা অপবাদ কলঙ্ক লৈ জীয়াই থকাতকৈ মৰি যোৱাই ভাল"–এনে ধৰণৰ শ্লেষ পূৰ্ণ বাক্যবাণ নিক্ষেপ কৰি সংশ্লিষ্টজনক আত্মহত্যাৰ পথ লবলৈ বাধ্য কৰোৱা ব্যক্তিৰো আমাৰ সমাজত অভাৱ নাই। কিন্তু তথাকথিত সমাজৰ চকুত পৰ্যবসিত বুলি গণ্য হোৱা এই ব্যক্তি সকলক সমাজৰ ঘাই সুঁতিলৈ ঘূৰাই অনাৰ দায়িত্ব জানো আমাৰ সমাজখনৰে নহয়?

লচ্ এঞ্জেলচৰ 'Suicide Prevention Centre' অত পৰীক্ষা–নিৰীক্ষা চলাই দেখা গৈছে যে এজন অন্তৰংগ বন্ধুৱে গভীৰ আন্তৰিকতা আৰু সহানুভূতিৰে আত্মহত্যা কৰিবলৈ ওলোৱা বন্ধুজনৰ সমস্যাৰ গুৰুত্ব অনুধাৱন কৰি

আত্মহত্যাৰ এটা বিকল্প পথৰ সন্ধান দিব পাৰিলে এই চূড়ান্ত অৱস্থাৰ পৰা এজনক ৰক্ষা কৰাটো অসম্ভৱ নহয়। অৱশ্যে বিষয়টো অতিশয় সংবেদনশীল হোৱা বাবে এই ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিজনে বিশেষ সতৰ্কতা অৱলম্বন কৰা উচিত। চিকিৎসক সকলেও এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। কাৰণ, আত্মহত্যা কৰিবলৈ উদ্যত হোৱা ব্যক্তিজন সম্পূৰ্ণৰূপে পাগল নহলেও সাময়িক ভাবে মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা লোক। এনেলোকৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসক জনৰ গভীৰ সহানুভূতি আৰু মননশীলতাৰ লগতে ৰোগীৰ লগত অন্তৰংগ সম্বন্ধ (Rapport) স্থাপন কৰিবপৰা ব্যক্তিত্বৰ প্ৰয়োজন।

মাজে–সময়ে এনেকুৱা একোটা আত্মহত্যাৰ বাতৰিও প্ৰকাশ পাই যিবোৰ ক্ষেত্ৰত অৱশ্যে নিকট আত্মীয়, বন্ধু-বান্ধৱ বা চিকিৎসকে কোনো সহায় আগবঢ়োৱাৰ অৱকাশ নাথাকে। আজি কিছুদিনৰ আগতে এটা বাতৰি প্ৰকাশ পাইছিল যে অসমৰে কোনোবা এখন কলেজত অধ্যক্ষজনে এজন ছাত্ৰক কিবা এটা দোষৰ বাবে সমজুৱাকৈ ককৰ্থনা কৰাত ছাত্ৰজনে নিমিষতে ছুৰি উলিয়াই বুকুত ছুৰিকাঘাত কৰি আত্মহত্যা কৰে। অন্য এটা বাতৰি মতে চিকাগোৰ এজন পোন্ধৰ বছৰীয়া ল'ৰাই মাক-দেউতাকে গা–ধুবলৈ নিদিয়াৰ প্ৰতিবাদত আত্মহত্যা কৰে। ল'ৰাজনৰ হেনো গা–গোন্ধোৱা বুলি বন্ধু–বান্ধৱে জোকাইছিল। আকৌ, সৌ সিদিনা বিশ্বনাথ চাৰিআলিৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষা ঘৰত অসৎ উপায় অৱলম্বন কৰাৰ ফল স্বৰূপে বহিষ্কৃত হৈ আত্মহত্যা কৰাৰ ঘটনা আৰু তাৰ পৰৱৰ্তী ঘটনাৱলী লৈ উদ্ভৱ হোৱা পৰিস্থিতি এতিয়াও উদ্বেগজনক হৈয়ে আছে। এনেবোৰ ক্ষেত্ৰত ক্ষন্তেকীয়া উম্মা–উত্তেজনাৰ বশৱৰ্তী হৈ নিজক নিঃশেষ কৰা সকলক উদ্ধাৰ কৰাৰ অৱশ্যে কোনো উপায় নাই। কিন্তু এনেকুৱা দৃষ্টান্ত অতি বিৰল, সাধাৰণ অৱস্থাত আত্মহত্যাকাৰীৰ আচৰণত কিছু অস্বাভাৱিকতা আগৰ পৰাই পৰিলক্ষিত হয়। আৰু এনে আচৰণ সতৰ্কতাৰে অনুধাৱণ কৰি নিকট-আত্মীয়, বন্ধু-বান্ধৱ তথা চিকিৎসকে বহুতো হতভগীয়া লোকক এই চূড়ান্ত অৱস্থাৰ পৰা উদ্ধাৰ কৰি সমাজত আত্মহত্যাৰ কিছু নিয়ন্ত্ৰণ কৰিব পাৰে। ■

# সাজপানী, শুকটি আৰু আমৰলি পৰুৱা

সত্যেন গগৈ

*"কলডিল ভজা, কঠালৰ গুটি- খাৰণিত দিয়া মাছ............ সেয়ে হ'ব সেয়ে হ'ব।"*
*(নৱকান্ত বৰুৱা)*

আঃ জিভাৰ পানী ওলোৱা অৱস্থা! ল'ৰালিৰ গাঁৱৰ দিনবোৰলৈ মনে উৰা মাৰিছে। আয়ে মাটিৰ মজিয়াত দুখৰি পীৰা পাৰি কাঁহৰ কাঁহী বাতিত আতৌ-পুতৌ কৰি বাঢ়ি দিয়া তপত ভাত- আঞ্জা, লোণ জলকীয়াৰ গোন্ধটো যেন এই মুহূৰ্তত নাকত লাগিছেহি। ঘৰৰ বাৰীতে পোৱা শাকপাত, লাও কোমোৰাৰে সাধাৰণভাবে ৰন্ধা আঞ্জাখন, কাঁহীৰ কাণত বতৰ চাই কাহুদি খাৰলি, দৰিকণা মাছ পাতত দিয়া বা শুকটি মাছৰ গুড়া অকণমানেৰে যতনাই দিয়া একাঁহী উখুৱা চাউলৰ ভাত তৃপ্তিৰে খাই দিনটোৰ কামকাজলৈ ওলাই যাওঁতে "জীৱন সঁচাকৈয়ে এক মহৎ কাব্য, সংগীত আৰু দৰ্শনতে পৰিণত হৈছিল।" সেয়েহে ডাক পুৰুষৰ অমৰ বাণী "শাকে শোকোতাই ভক্ষণ, সুপুৰুষৰ লক্ষণ"।

জীয়াই থাকিবলৈ যিদৰে খাদ্যৰ প্ৰয়োজন সেইদৰে খাবলৈকো আমি জীয়াই থাকো। সুখাদ্যৰ সন্ধানত জিভাৰ তৃপ্তিৰ বাবে অনাদি কালৰে পৰা মানুহে বিচিত্ৰ খাদ্য প্ৰণালী উদ্ভাৱন কৰি আহিছে। কাৰোবাৰ বাবে সু ৰুচিকৰ খাদ্য আন কাৰোবাৰ বাবে অখাদ্য নানান অশান্তিৰ কাৰণ হ'ব পাৰে। যাক যি খাদ্যই শুজে সেয়েই তেওঁৰ বাবে ৰুচিকৰ, পুষ্টিকৰ খাদ্য। "খাদ্যৰ প্ৰতি মানুহৰ যি প্ৰেম তাতকৈ আন কোনো প্ৰেমেই বেছি আন্তৰিক হব নোৱাৰে।" (জৰ্জ বাৰ্নাৰ্ড শ্ব)

বৃহৎ অসমীয়া সমাজখনত আহোম সম্প্ৰদায়ৰ লোক সকলৰ আচাৰ-আচৰণ, খাদ্য, সামাজিক ৰীতি-নীতি, পূজা-পাতল, বিবাহ-মৃত্যুৰ কাজকৰ্মত এক স্বকীয় বৈশিষ্ট্য আছিল। আচাৰ বিচাৰ খাদ্য, ৰীতিনীতি যুগোপযোগী কৰি লোৱা হৈছে যদিও কেতবোৰ নিজা বৈশিষ্ট্য এইসকল লোকে এতিয়াও এৰি পেলোৱা নাই। এইলানি আলোচনাত আহোমসকলৰ স্বকীয় বৈশিষ্ট্য থকা কেইবিধমান খাদ্য যেনে সাজপানী, শুকটি, আমৰলি টোপ-এড়ী বা মুগা লেটা, সৰ্বসাধাৰণৰ অপ্ৰচলিত কেইপ্ৰকাৰমানৰ মাছৰ খাদ্য হিচাপে ব্যৱহাৰ আৰু সেইবোৰ প্ৰস্তুতকৰণ সম্বন্ধে আলোচনা কৰিবলৈ লোৱা হৈছে। এইকেইবিধ খাদ্যৰ ব্যৱহাৰ আৰু প্ৰস্তুতিকৰণ প্ৰণালীত এতিয়াও আধুনিক ৰন্ধন প্ৰকৰণৰ বতাহে বোধকৰো চুবগৈ পৰা নাই।

আলোচ্য খাদ্যকেইবিধৰ ব্যৱহাৰ উজনিৰ আহোম গাওঁবোৰতে ঘাইকৈ সীমাবদ্ধ আৰু তাৰো ঠাইবিশেষে ব্যৱহাৰ আৰু প্ৰস্তুতিকৰণ পদ্ধতিও ভিন্ন হব পাৰে। আহোম সকলৰ মূল খাদ্য ভাত জলপানৰ লগতে সমানে বছৰৰ কেউমাহে প্ৰচলিত কৃষিজীৱী ৰাইজৰ জীৱনদায়িনী শক্তি পানীয় বিধ হ'ল "সাজ"। সাম্প্ৰতিক কালত সাজপানীৰ প্ৰচলন আৰ্থিক তথা অন্যান্য কাৰণ হেতু কিছুপৰিমাণে কমিছে যদিও উজনিৰ বহুতো "পকা আহোম"ৰ গাৱঁত ই পূৰ্বৰ দৰেই প্ৰচলিত হৈয়ে আছে। এনে গাওঁবোৰত বৰা চাউলৰ পৰা প্ৰস্তুত কৰা সাজপানীৰ অবিহনে উৎসৱ পাৰ্বণ, বিয়া সবাহ, সকাম-নিকামৰ কথা ভাবিবই নোৱাৰি আৰু এইবিধ পানীয় "দেৱৰ অমৃত" বুলি পৰম পৱিত্ৰভাবেৰে ব্যৱহাৰ কৰা হৈছিল আৰু এতিয়াও হয়। ১৯৬০/৬৫ চনমানলৈকে উজনিৰ আহোম গাৱঁৰ ঘৰে ঘৰে বছৰৰ প্ৰায় কেউমাহতে কম বেছি পৰিমাণে সাজ ৰখাৰ কথা মনত আছে। অৱশ্যে স্বাভাৱিক কাৰণতে মাঘবিহুৰ সময়ৰ পৰা চ'তৰ বিহুলৈ আৰু আনকি শাওণ ভাদ মাহলৈকে কৃষিজীৱী লোকসকলৰ ঘৰত ইয়াৰ ব্যৱহাৰ বেছি আছিল। অভাৱ-অনাটনৰ মুখ নেদেখা অসমীয়া মানুহে বিবিধ জুতিকৰ খাদ্যৰে মাছ-কাছ, পহুৰ মঙহেৰে ভূৰি-ভোজন কৰাৰ সৰস আৰু জীৱন্ত বৰ্ণনা এতিয়াও বহু বৃদ্ধ লোকৰ মুখে মুখে।

বিহুৱে-সংক্ৰান্তিয়েতো কথাই নাই আন সময়তো ঘৰলৈ আপোন মিতিৰ-কুটুম, উলিয়াই দিয়া জী-জোঁৱাই আহিলে ঘৰতে থকা হাঁহ একোটা বা পাৰ এহাল মাৰি সাজপানীৰে আপ্যায়িত কৰিবলৈ নাপালে গৃহস্থই মনত শান্তি নাপাইছিল। আমাৰ মনত আছে ছমাহ-বছৰেকৰ মূৰত ঘৰলৈ বিশেষকৈ বুঢ়া-বুঢ়ী বা অন্যান্য মিতিৰ-কুটুম ৰাতি থকাকৈ আহিলে ঘৰৰ বুঢ়ামেথা আৰু বুঢ়ী আইতাহঁতে জাৰকালিৰ ৰাতি হলে জুহালৰ কাষত বহি আগত একোবাতি সাজপানী লৈ ঘণ্টাৰ পিছত ঘণ্টা সামাজিক/পাৰিবাৰিক সুখ-দুখৰ মেল মাৰিছিল। আমি ল'ৰা-ছোৱালীবোৰেও সেইবোৰৰ ভাগ কিছু নিলগৰে পৰা লৈ থাকি এটা সময়ত ক'লা ঘুমটীয়া টোপনিত জীকে-জুলুকী বাইছিলোহক। এনেধৰণৰ আলোচনাত ঠাই পোৱা আন বিষয়বোৰ আছিল অঞ্চলটোৰ কোন মানুহ কেতিয়া ঢুকাল, কাৰ ছোৱালী কাৰ ঘৰলৈ উলিয়াই দিলে আৰু দূৰৈত থকা সম্বন্ধীয়া মানুহ কোন কেনেকৈ আছে ইত্যাদি। এনে আলোচনাৰ মূলতে আছিল সেই সময়ত ওচৰ চুবুৰীয়া গঞা ৰাইজৰ ইজনে সিজনৰ প্ৰতি থকা অন্তৰৰ নিৰ্ভেজাল মৰম চেনেহ আৰু সমাজৰ সৰ্বতোপ্ৰকাৰৰ মঙ্গল চিন্তা কৰা অসমীয়া চহা মনৰ সহজ-সৰল প্ৰবৃত্তি। বিষয়বস্তুৰ পৰা ফালৰি কাটিলেও কিছু প্ৰাসঙ্গিকতা থকা বুলিয়ে এইখিনি কথাৰ অৱতাৰণা কৰা হ'ল।

'সাজপানী' প্ৰস্তুতৰ বিষয়ে কোৱাৰ আগতে এইবিধ পানীয়ৰ পৰিবেশন ৰীতিৰ কথাও কৈ লোৱা উচিত হ'ব বুলি ভাবিছো। সাজপানী কেৱল বুঢ়া-বুঢ়ী বা বয়োজ্যেষ্ঠ সকলেহে পান কৰিছিল তেনে নহয়। ডেকা-গাভৰু আনকি ল'ৰা-ছোৱালীহঁতেও ইয়াক অবাধে পান কৰিব পাৰিছিল। অৱশ্যে ইয়াক মাদকদ্ৰব্য হিচাপে নহয় খাদ্যৰ এক প্ৰধান অঙ্গ ৰূপেহে কৰ্ম শক্তি বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰা হৈছিল। আধুনিক সভ্যতাৰ অবদান আমাৰ খোৱা মজিয়াবোৰত "ডাইনিং টেবুল"ৰ প্ৰৱেশৰ আগতে সচৰাচৰ মাটিৰে নিতৌ নিমজকৈ লিপা মজিয়াত কাঠৰ বৰপীৰা, ডুখৰি পীৰা পাৰি বহাৰ আসন কৰা হৈছিল। বহাৰ আসনো বয়সভেদে, সন্মানভেদে নিৰ্দ্দিষ্ট ঠাইত কৰা হৈছিল। গাৱঁৰ মেধি সাতোলা গাওঁবুঢ়া বা বৰবায়নৰ আসন সদায় নিৰ্দ্দিষ্ট আছিল। এনে বয়োজ্যেষ্ঠ সকলক সাজপানী পৰিবেশন কৰোতে ঘৰৰ মূল মহিলাগৰাকীয়েহে কৰিছিল। নিৰ্দ্দিষ্ট ক্ৰম অনুসৰি পীৰাত আলহী-অতিথিক বহুৱাই মজিয়াখন পুনৰ কাঁহৰ বা পিতলৰ লোটা ঘটি একোটাৰ পৰা পানী এচলু লৈ মোহাৰ এটা মাৰি বান বাতি বা কাঁহ-পিতলৰ সাজ পানীৰ বাতি একোটা অতিথিৰ আগে আগে ওলগ সন্মান যাচি আগবঢ়াই দিয়া হয়। সাজৰ বাতিত কেঁচা কলপাত এচিটা (এআঙুলমান) দীঘলকৈ ফালি ঢাকনি হিচাপে দিয়াৰ নিয়ম। ডেকা-ডঙুৱা সকলক অৱশ্যে এনে সা-সন্মান যাচি পৰিবেশন নকৰিলেও চলে। এনেদৰে সাজপানী পৰিবেশন কৰোতে গিৰিহঁতৰ আলহীৰ প্ৰতি থকা আন্তৰিকতা বাৰুকৈয়ে প্ৰকাশ পায়। গ্ৰহণ কৰোতাজনেও বাতিৰ পৰা কলপাত চিটা আঁতৰাই মুখত এঢোক ঢালিয়ে সাজখিনি মানসম্পন্ন হৈছেনে নাই একোটা মন্তব্য দিয়াৰ নিয়ম। যদি সাজখিনি মানসম্পন্ন সোৱাদ লগা হয় তাৰবাবে গিৰিহঁতনীক প্ৰশংসা কৰিবলৈ নাপাহৰিছিল। সাজখিনি ভাল নহ'লে বা 'টেঙা' হলে গিৰিহঁতনীয়ে উপযুক্ত ব্যাখ্যা দাঙি ধৰিছিল যেনে পিঠাগুৰি কেইটা ভাল নাছিল বা সাজ বনোৱা সময়ছোৱা গেলা ডাৱৰীয়া আছিল– ইত্যাদি। কেবাবাতি সাজপানী গলাদ্ধকৰণ কৰি চহা কৃষিজীৱী ৰাইজে জীৱনৰ সমস্ত ৰসপম ঘূৰাই পোৱা যেন পাইছিল আৰু "যোগ্য ভোগ্য বসুন্ধৰাক" সঁচা অৰ্থত উপভোগ কৰিছিল। কেতিয়াবা যে সাজপানীৰ মাত্ৰাধিক পানৰ ফলত কথাৰ চুপতা-চুপতি নচলিছিল তেনে নহয়। কিন্তু আজিৰ অৰ্থত 'মাতলামী' কৰাৰ কথা নুই কৰিব পাৰি। এই লেখকে দুজনমান সঙ্গীৰ সৈতে ১৯৬০ চনমানত এঘৰ মাটিগিৰী, ধনে-ধানে চহকী লোকৰ আত্মীয় এজনৰ মৃতকৰ মাহেকীয়া কাম সকামত এশটা সাজপানীৰ কলহ লেখিবলৈ যাওঁতে বাৰে বাৰে সংখ্যাৰ ভুল হোৱাৰ বিচিত্ৰ অভিজ্ঞতাৰ কথা এতিয়া সুঁৱৰিলে নিজৰে সাধুকথা যেনহে লাগে। সাজপানী বৰা চাউলৰ পৰা প্ৰস্তুত কৰা হয়। প্ৰস্তুত কৰাৰ আগতে প্ৰয়োজনীয় 'দৰৱ' পিঠাগুটি বনোৱা হয় কেইবিধমান বনৌষধিৰ পৰা। মনত থকা কেইবিধমান বনৌষধি হ'ল– বিহলঙনিপাত, চৈপান, পিপলী, সোমলতা আৰু বনজালুক। এইবোৰ হাবিৰ পৰা ছিঙি আনি ৰ'দত শুকোৱাই ঢেঁকীত খুন্দি চাউলৰ পিঠাগুৰিৰে সানি একোটা চেপেটা পিঠা বা লাডু কৰি টান ৰ'দত ভালকৈ শুকোৱা হয়। সেইবোৰ শুকালে ডলা বা টোমত ভৰাই ধোঁৱা চাঙত তুলি থোৱা হয়। আৰু প্ৰয়োজন মতে সাজপানী প্ৰস্তুত কৰোতে জোখ মতে ব্যৱহাৰ কৰা হয়। পিঠাৰ গুণাগুণ আৰু জোখমতে ব্যৱহাৰ কৰাৰ ওপৰত সাজপানীৰ গুণাগুণ নিৰ্ণয় হয়। বৰা চাউলখিনি পিতলৰ চৰু বা মলাত ভাপত সিজোৱা হয়। চাউল সিজিলে জুইৰ পৰা নমাই আখলৰ ওচৰতে দুখনমান পৰিষ্কাৰ আগলি আঠিয়া কলৰ পাতত ভাতখিনি মেলি ঠাণ্ডা হবলৈ দিয়া হয়। ভালকৈ ঠাণ্ডা হ'লে পূৰ্বতে প্ৰস্তুত কৰি শুকোৱাই ৰখা 'পিঠাগুটি' ভাঙি গুড়ি কৰি ভাতখিনিৰ সৈতে ভালকৈ সানি ভাতখিনি কলপাতত মেলি দিয়া হয়। মেলা ভাতখিনিৰ ওপৰত কলপাতৰ ঢাকনি দি ৰখাৰ নিয়ম। ক্ৰমান্বয়ে ভাতখিনিত ৰাসায়নিক ক্ৰিয়া আৰম্ভ হৈ 'সাজৰ ৰস' প্ৰস্তুত হবলৈ আৰম্ভ কৰে। কলপাতৰ দাঁতিলৈ হালধীয়া ৰঙৰ পানীয় বৈ আহে। সেইখিনি গিৰিহঁতনীয়ে মাটিত পৰিবলৈ নিদি সংৰক্ষণ কৰি থয়। তিনিদিনমান এনেদৰে থকাৰ পিছত ভাতখিনি পচি ৰসেৰে কলপাতখন চপচপীয়া হৈ পৰে আৰু এক সুগন্ধ ওলাবলৈ ধৰে। পদুলিসুঙা প্ৰকৃতিৰ দুই একে বহু আঁতৰৰ পৰাই সেই গন্ধ পাই সাজ অকণ খাবলৈ গিৰিহঁতনীক কাবৌ-কোকালি কৰেহি। প্ৰথমাৱস্থাৰ চপচপীয়া ৰসখিনিক "আগলিসাজ" বা 'ৰহী' বুলি কয়। ভাতখিনি প্ৰয়োজন মতে দুইতিনিটামান কলহত ভৰাই দহ পোন্ধৰ দিনলৈকে পৰিবেশন কৰিব পৰা যায়। যিমানে সাজখিনি পুৰণি হয় তাৰ চোকো বাঢ়ি যায়। কলহটো উবুৰিয়াই দিলে নিগৰি ৰস ওলোৱা বন্ধ হ'লে তাত পানী দি পুনৰ ৰস প্ৰস্তুত কৰা হয়। তিনিবাৰমান পানী দিয়া লৈকে ৰসৰ তীব্ৰতা থাকে তাৰ পিছত ভাতখিনি চেপি ৰসখিনি উলিয়াই ঘৰৰ গৰু ম'হক খাদ্য হিচাপে দিয়া হয়। গৰু ম'হে এনে ভাত চেপা বা "চেপাগুটি" খাবলৈ পালে নতা পায় আৰু কেতিয়াবা আনকি সাজ প্ৰস্তুত কৰা অৱস্থাত ঘৰৰ ভিতৰত থাকিলে ঘৰৰ দুৱাৰ ভাঙি– ঘৰ টহিলং কৰাৰো নজিৰ নথকা নহয়। সাজৰ ভাত ভৰোৱা কলহ কেইটা যিকোনো সাধাৰণ কলহ নহয়।

এনে কলহ কেবাবছৰো ধোঁৱা চাঙত তুলি সম্পূৰ্ণৰূপে শুকালেহে সাজ ভৰোৱা কামত ব্যৱহাৰ কৰা হয়।


"জীৱন বিমুখ সন্যাসী বা নীতি বাগীশ্ সকলেই যিহকে নকওক কিয় সুখাদ্য জীৱনৰ অন্তহীন আনন্দৰ উৎস। জীৱনক ভাল পাবলৈ হলে সুখাদ্যকো ভাল পাবলৈ আৰু প্ৰাণভৰি উপভোগ কৰিবলৈ শিকক।" (হোমেন বৰগোহাঞি)। একে কথাকে বোধহয় সু-স্বাদ পানীয়ৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি।

শুকান মাছ, আৰু শুকটি

অন্যান্য ভালেমান জনগোষ্ঠীৰ লোকৰ লগতে আহোম সকলৰো আন এক প্ৰিয় খাদ্য হ'ল শুকান মাছ আৰু শুকটি। শুকটি হ'ল শুকান মাছৰ গুড়া। সচৰাচৰ মাছৰ মহাৰ্ঘ্য দিনকেইটাত বা অন্যান্য সময়তো জিভাত জুতি লগাকৈ শুকান মাছৰ তৰকাৰী আঞ্জাৰ উপৰিও পাতত দিয়া শুকান মাছৰ গুড়ি সুস্বাদু খাদ্য হিচাপে ভাতৰ লগত খোৱা হয়। কুৰি পঁচিশ বছৰ আগলৈকে এতিয়াৰ দৰে জনবিস্ফোৰণ নাছিল আৰু গাওঁ-ভূঁইৰ অসংখ্য খাল-বিল নলা- ডোবা, পথাৰত মাছ কাছ উভৈনদীকৈ পোৱা গৈছিল। আনকি ৰান্ধনীয়ে দুপৰীয়াৰ সাঁজ ৰান্ধিবলৈ লোৱাৰ আগতে বা নৈ বিল পুখুৰীত গাটো তিওৱাৰ আগতে জাকৈ- জুলুকী, পল একোটাৰে আধাঘণ্টা এঘণ্টামানৰ ভিতৰতে দিনটোৰ খাদ্য হিচাপে খলখলাই থকা মোৱা পুঠি গৰৈ কাৱৈ একো খালৈ গোটাই আনি ৰুচি অনুযায়ী ভাজি, পুৰি, পাতত দি, পিতিকাত সানি তৃপ্তিৰে খাব পাৰিছিল। এতিয়া অৱশ্যে "তেহিন দিবসা গতাঃ।" ৰামো নাই অযোধ্যাও নাই। আজিৰ ল'ৰা-ছোৱালী জীয়ৰী গাভৰুৱে খালৈ-জাকৈ জুলুকী চিনিকে নোপোৱা হ'ল। এশ এবিধ মাছৰ কথা নকলোৱেইবা।

শুকান মাছৰ গুড়ি বহুদিনলৈ বেয়া নোহোৱাকৈ সংৰক্ষণ কৰি ৰাখিব পাৰি। মাছ ভৰোৱা বাঁহৰ চুঙা সাধাৰণতে ডাঠ পাব দীঘল ভলুকা বাঁহৰ পৰা প্ৰস্তুত কৰা হয়। চুঙাটো চুচিমাজি চুৰুকি মিহি কৰি জুইত শুকোৱাই ভিতৰ বাহিৰত কিছু তাপ দি পানী নোহোৱা কৰি লব লাগে। বাহঁৰ ভিতৰত থকা পানী মাৰ নিয়াই নোলোৱাকৈ শুকানমাছ ভৰালে মাছৰ গুড়ি বেছি দিনলৈ ভালে নাথাকে। খোৱাৰ অনুপযোগী হয়, ভেকুঁৰ উঠে। মাছৰ গুড়ি খাদ্য হিচাপে ব্যৱহাৰ কৰাৰো ভালেমান নিয়ম আছে। কোনোৱে পাতত দি আধাসিজা কৰি আলু কচু কাঠ আলু আদিত মিঠাতেল জলকীয়া সানি আৰু কোনো কোনোৱে নেসেকাকৈয়ে তেল লোণ সানি ভাতৰ লগত ব্যৱহাৰ কৰে। শুকান মাছৰ গুড়ি পাতত দি সানি খালে এক গন্ধওলায় আৰু এনে গন্ধই খোৱাৰ ভোক বৃদ্ধি কৰে। পাতত দিয়া নিয়ম এনে ধৰণৰ- আঠিয়া কলৰ আহল-বহল পাত এটুকুৰা কাটি জুইত লেৰেলাই শুকানমাছৰ গুড়িখিনিত অকণমান পানী সানি একোটা 'নুৰা' কৰি তাৰ ওপৰত ধান খেৰৰ মেৰদি জুইত দিলে খেৰখিনি পোৰাৰ সময়ছোৱাতে শুকানমাছ খোৱাৰ উপযোগী হৈ পৰে। খেৰ ব্যৱহাৰ নকৰি ফুটছাইতো মাছৰ নুৰাটো সুমুৱাই দি ১৫ মিনিটমান গৰম কৰিলেই খোৱাৰ উপযোগী হৈ পৰে। এনেদৰে প্ৰস্তুত কৰা শুকান মাছৰ জুতি যিয়ে এবাৰ লৈছে তেওঁ বোধকৰো জীৱনত এইবিধ খাদ্যৰ সোৱাদ পাহৰিব নোৱাৰে। অসমীয়া গঞা জীৱনৰ বিশেষকৈ আহোম সম্প্ৰদায়ৰ লোকসকলৰ এইবোৰ অতি আপোন জুতিলগা খাদ্য আৰু নিজে খোৱাৰ লগতে আলহী অতিথিকো খুৱাইছিল।

শুকানমাছৰ ব্যৱহাৰো আহোম সম্প্ৰদায়ত কম নহয়। এইবিধ মাছ প্ৰস্তুত কৰণৰ নিজা বৈশিষ্ট্য আছিল। পুখুৰী, নৈ, বিলত উভৈনদী হৈ থকা বিবিধ মাছ ধৰি আনি ধুই বাচি একোখন বৰচালনীত দি তলত ডাঙৰ বাঁহৰ বা কাঠৰ মূঢ়াৰ খৰিৰ জুইত শুকাবলৈ দিয়া হয়। জুইত তাপ যাতে এক নিৰ্দ্দিষ্ট পৰিমাণতকৈ বাঢ়িব নোৱাৰে তাৰ প্ৰতি সততে লক্ষ্য ৰখা হয়। শুকান টান কাঠ খৰি হিচাপে ব্যৱহাৰ কৰাৰ কাৰণ যাতে সোনকালে পুৰি শেষ হৈ নাযায়। শুকান মাছৰ চালনীত কেইবিধমান বনৌষধি দিয়া হয়। সেইকেইবিধ হ'ল বিহলঙনিৰ পাত, চৈ পান, পকা বা শুকান জলকীয়া। এইকেইবিধ বস্তু দি শুকান মাছৰ গুড়ি প্ৰস্তুত কৰিলে মাছৰ গুড়িৰ সোৱাদ আৰু গন্ধ অপূৰ্ব হৈ পৰে। দুদিনমান শুকোৱাৰ পিছত বেলেগ বেলেগ ব্যৱহাৰৰ বাবে বেলেগে বেলেগে ৰখাৰ প্ৰথা আছিল। সাধাৰণতে একোটা খৰাঁত শুকান মাছ ভৰাই জুইৰ ওপৰত থকা চাঙত ভালকৈ বান্ধি-কুন্ধি থোৱা হয় আৰু মন গ'লেই নমাই আনি ভাজি বা পুৰি খোৱা হয়। আহোম সকলৰ বাহিৰেও অন্যান্য ভালেমান জনগোষ্ঠীৰ লোকে তেখেতসকলৰ নিজা নিজা বৈশিষ্ট্যৰে "সাজপানী" প্ৰস্তুত কৰে আৰু সিবিলাকৰ নামো সুকীয়া সুকীয়া। তেনেদৰে শুকানমাছ বা শুকটি প্ৰস্তুত কৰাৰ আৰু ব্যৱহাৰৰ পদ্ধতিও বিভিন্ন জনগোষ্ঠীৰ বেলেগ বেলেগ। এই আলোচনাত মাথো আহোম জনগোষ্ঠীৰ লোকৰ দ্বাৰা 'সাজপানী' শুকানমাছ আৰু শুকটি' প্ৰস্তুতকৰণ আৰু ব্যৱহাৰৰ বিষয়েহে উল্লেখ কৰা হৈছে। সূ








# আচহুৱা তত্ত্বৰ অৱতাৰণা আৰু বিভ্ৰান্ত ৰাইজ

হিতেন মহন্ত

পুনৰ সেই আচহুৱা তত্ত্বৰ অৱতাৰণা। বিপথে পৰিচালিত কৰাৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ তত্ত্ব। একেটা দৰ্শন, সংস্কৃতি পৃষ্ঠপোষকতা কৰা দুজন লোকৰ ভিতৰতে এজনক ভাল আৰু এজনক বেয়াকৈ দেখুওৱাৰ তত্ত্ব। সেই একেই তত্ত্ব অসম চুক্তি সম্পাদনৰ সময়তো অৱতাৰণা কৰা হৈছিল। ৰাজীৱ গান্ধী ভাল, হিতেশ্বৰ শইকীয়া বেয়া। ৰাজীৱ গান্ধী জিন্দাবাদ, হিতেশ্বৰ শইকীয়া মুৰ্দাবাদ। এতিয়া নামটো সলনি কৰি কোৱা হৈছে শ্বাৰদ পাৱাৰ ভাল, হিতেশ্বৰ শইকীয়া বেয়া।

অসম চুক্তি সম্পাদনৰ পিছত ৰাজীৱ গান্ধী জিন্দাবাদৰ ধ্বনিৰে অসমৰ আকাশ বতাহ মুখৰিত কৰা হৈছিল। অসমৰ মাটি কঁপাই তোলা হৈছিল। প্ৰয়াত ৰাজীৱ গান্ধীক অসমীয়াৰ অস্তিত্ব ৰক্ষা পূজাৰ প্ৰধান পুৰোহিত হিচাপে গণ্য কৰা হৈছিল। কাৰণ অসম আন্দোলনৰ নেতৃবৃন্দৰ লগতে পৃষ্ঠপোষক সকলৰ মান ৰক্ষাৰ বাবে ৰাজীৱ গান্ধী আগবাঢ়ি আহিছিল। সেই আচহুৱা তত্ত্বৰ প্ৰচাৰত সেই সময়ৰ বেছি সংখ্যক বাতৰি কাকত বিশেষকৈ আন্দোলনৰ অন্ধ সমৰ্থক বাতৰি কাকতবোৰে আগভাগ লৈছিল। প্ৰচাৰ কৰা হৈছিল অসম চুক্তিৰ জৰিয়তে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা পৰিব। অসমত এজনো বিদেশী লোক নাথাকিব। অসমখন সোণৰ অসমত পৰিণত হ'ব ইত্যাদি। প্ৰয়াত ৰাজীৱ গান্ধীক সমালোচনা কৰাৰ তিলমাত্ৰও অভিপ্ৰায় ইয়াত নাই। কিন্তু পুনৰ সেই আচহুৱা তত্ত্বৰ অৱতাৰণা কৰাৰ বাবেই প্ৰয়াত প্ৰধান মন্ত্ৰীগৰাকীৰ নাম উল্লেখ কৰিব লগীয়া হৈছে।

কিন্তু সৰ্বসাধাৰণ ৰাইজক আভুৱা ভাবিবলৈ যে সেই আচহুৱা তত্ত্বৰ অৱতাৰণা কৰা হৈছিল, সেইটো প্ৰমাণ হ'বলৈ বেছি পৰ নালাগিল। অসম চুক্তি অসাৰ্থকতা প্ৰমাণ হোৱাৰ লগে লগে সেই আচহুৱা তত্ত্বও অচল হৈ পৰিল। অসম চুক্তি সম্পাদনৰ হৰ্তা কৰ্তা হিচাপে যিসকলে এদিন প্ৰয়াত ৰাজীৱ গান্ধীক ফুলৰ মালাৰে ওপচাই দিছিল, সেই সকলেই এদিন ৰাজীৱ গান্ধীৰ বিৰুদ্ধে অনাস্থা প্ৰকাশ কৰিছিল। কেৱল সেয়ে নহয়, আন্দোলনৰ নেতৃবৃন্দই চৰকাৰ গঠনৰ তিনিবছৰ পিছতেই ৰাজীৱ গান্ধীক ক্ষমতাৰ পৰা উৎখাত কৰাৰ বাবে ৰাষ্ট্ৰীয় মৰ্চাত যোগদান কৰিছিল। শত্ৰু মিত্ৰত আৰু মিত্ৰ শত্ৰুত পৰিণত হৈছিল।

সেইদৰে যিবোৰ বাতৰি কাকতত এদিন 'অসম চুক্তি' অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ মেগ্নাকাৰ্টা বুলি প্ৰচাৰ চলোৱা হৈছিল, অলপ দিনৰ ভিতৰতে সেইবোৰ বাতৰি কাকততেই অসম চুক্তিক ভুৱা বুলি আখ্যা দিয়া হৈছিল। বৰং অসম চুক্তিয়ে ৰাজ্যখনত বিদেশীলোকৰ অস্তিত্ব গজগজীয়া কৰা বুলিহে পিছত প্ৰচাৰ চলোৱা হ'ল। অসম আন্দোলন আৰু অসম চুক্তিক কেন্দ্ৰ কৰি ৰাইজৰ মাজত অৱতাৰণা কৰা অজস্ৰ ৰঙীন স্বপ্নই অৱশেষত অগপৰ নেতৃবৃন্দৰ বিপদ মাতি আনিছিল। যিসকলে এদিন প্ৰফুল্ল মহন্তইঁতক দেৱতাৰ শাৰীত থিয় কৰাইছিল, সেই সকলেই অলপ দিনৰ ভিতৰতে মহন্তইঁতক অসমৰ এক নম্বৰ বিশ্বাসঘাতক বুলি অভিহিত কৰে। বাতৰি কাকত কেইখনৰ পূৰ্বৰ প্ৰচাৰত যদিহে মহন্তইঁতে উজান নিদিলেহেঁতেন, তেনেহ'লে মহন্তইঁতে হয়তো আজিৰ দৰে জুপুকা মাৰিব নালাগিলহেঁতেন।

পুনৰ সেই আচহুৱা তত্ত্বৰ অৱতাৰণা কৰি অসমৰ ৰাইজক বিভ্ৰান্তিৰ পথলৈ ঠেলি দিয়াৰ বাবে চেষ্টা চলোৱা যেন অনুমান হয়। স্বাধীনোত্তৰ কালত কংগ্ৰেছ দলৰ অপশাসন বাবেই অসমৰ ৰাইজে দুৰ্দশা ভুগিব লগা হৈছে বুলি যিসকলে স্বীকাৰ কৰে, সেই সকলেই কংগ্ৰেছ দলৰ এজন ভাল আৰু এজন বেয়া বুলি তত্ত্ব আৱিষ্কাৰ কৰে। কংগ্ৰেছ দলৰ অপশাসনৰ, ভুলনীতিৰ বাবেই যে আজি কেৱল অসম নহয়, সমগ্ৰ দেশৰ জনসাধাৰণে দুৰ্দশা ভুগিব লগা হৈছে, সেই বিষয়ে আমাৰ দ্বিমত নাই। কংগ্ৰেছৰ ভুল নীতিয়েই যে উত্তৰপূৰ্বাঞ্চলৰ অনগ্ৰসৰতাৰ মূল কাৰণ সেই বিষয়েও আমাৰ দ্বিমত নাই। একেখন দেশৰে অংগ হোৱা সত্ত্বেও কেন্দ্ৰ যে অসমৰ পৰা এতিয়াও বহু দূৰত সেই বিষয়েও আমাৰ দ্বিমত নাই। অসমত যে কেন্দ্ৰৰ শোষণ চলি আছে সেই বিষয়েও আমাৰ দ্বিমত নাই। কিন্তু একেটা দলৰে নীতি, দৰ্শন আৰু অনুশাসন মানি চলা এজন ব্যক্তি অসমৰ ৰাইজৰ বাবে ভাল আৰু এজন ব্যক্তি অসমৰ ৰাইজৰ বাবে বেয়া এই তত্ত্ব মানি লোৱাতহে আমাৰ আপত্তি আছে।

ইয়াৰ কাৰণো নথকা নহয়। এতিয়া শ্বাৰদ পাৱাৰক অসমৰ ৰাইজৰ প্ৰতি কিছু দৰদী আৰু সহানুভূতিশীল বুলি এটা ধাৰণা সৃষ্টি কৰাৰ বাবে চেষ্টা চলোৱা হৈছে। কিন্তু যেতিয়া সেই শ্বাৰদ পাৱাৰৰ সৈন্যবাহিনীয়ে আল্ফা ধৰাৰ নামত অসমৰ নিৰীহ ৰাইজক মৰিয়ালে, টঙনিয়ালে সেই সময়ত শ্বাৰদ পাৱাৰে এবাৰৰ বাবে হ'লেও সেনাবাহিনীলোকৰ অমানৱীয় কাৰ্যৰ বাবে আনুষ্ঠানিকভাৱে দুখ প্ৰকাশ কৰিলেনে? অসমৰ ৰাইজৰ প্ৰতি শ্বাৰদ পাৱাৰৰ যদিহে



OKDISCD

ইমানেই দৰদ, তেনেহ'লে এই মুহূৰ্তত ৰাজ্যখনৰ পৰা সেনাবাহিনী প্ৰত্যাহাৰ নকৰে কিয় ? কেন্দ্ৰীয় নেতৃবৃন্দই যদিহে অসমৰ পৰা সামৰিক বাহিনী ঘূৰাই নিবলৈ বিচাৰে, তেনেহ'লে হিতেশ্বৰ শইকীয়াই সেই সামৰিক বাহিনী ধৰি ৰাখিব পাৰিবনে ? মানি লোৱা হ'ল যে ব্যক্তি হিচাপে শ্বাৰদ পাৱাৰ মানুহজন ভাল। কিন্তু কংগ্ৰেছ দলত থাকি দলীয় নীতি, দৰ্শনৰ বাহিৰত গৈ তেওঁ অসমৰ ৰাইজৰ মঙ্গলৰ হকে বিশেষ কিবা কৰিব পাৰিব বুলি মানি ল'ব নোৱাৰি। এটা দলৰ চৰকাৰৰ নীতি যদি ভাল হয় তেতিয়াহে প্ৰকৃততে ৰাইজৰ মঙ্গল হ'ব। সামগ্ৰিকভাবে কোনো এটা শাসনাধিস্থ ৰাজনৈতিক দলৰ চৰকাৰৰ নীতি যদি জনস্বাৰ্থ বিৰোধী হয়, দলটোৰ কিছুসংখ্যক লোক ভাল হ'লেও, সেইটোৰ দ্বাৰা ৰাইজৰ বিশেষ উপকাৰ সাধন নহয়। শাসনাধিস্থ দল এটাৰ নীতি, কাৰ্যপন্থাহে ৰাইজৰ বাবে মুখ্য আৰু ব্যক্তি হৈছে গৌণ।

স্বাধীনোত্তৰ কালত কংগ্ৰেছ দলে গ্ৰহণ কৰা নীতিৰ ফলতেই উন্নয়নৰ দিশত দেশৰ ৰাজ্যবোৰৰ মাজত অসমতা সৃষ্টি হৈছে। দেশৰ বহু অঞ্চল এতিয়াও অৱহেলিত। শাসন ক্ষমতাত থকা ৰাজনৈতিক দলে সেই নীতিৰ পৰিবৰ্তন কৰিলেহে অসমতা, বঞ্চনাৰ ওৰ পৰিব। কিন্তু নীতিৰ পৰিবৰ্তন যদি নহয়, শাসক দলৰ কোনোবা ব্যক্তি ভাল হ'লেও অসমতা, বঞ্চনাৰ ওৰ নপৰে। তেনেস্থলত এজনক ভাল আৰু এজনক বেয়াকৈ সজোৱাৰ অৰ্থ আছেনে ?

আমি দাবী কৰিব লাগে যে কেৱল অসম নহয় সমগ্ৰ উত্তৰপূৰ্বাঞ্চলৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ নীতি সলনি হওক। সমগ্ৰ উত্তৰপূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থা, বৈদ্যুতিকৰণ আৰু অসমৰ বাননিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰই বিশেষ অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰক। কাৰণ যোগাযোগ ব্যৱস্থা, বৈদ্যুতিকৰণৰ উন্নতি সাধন নহ'লে কৃষি উন্নয়ন, ঔদ্যোগীকৰণৰ কথা ভবাটো অবান্তৰ। সেইদৰে কৃষি উন্নয়ন, ঔদ্যোগীকৰণ অবিহনে অসমৰ অৰ্থনীতিৰ উন্নতি সাধন নহয়। অৰ্থাৎ অসমতা, বঞ্চনাৰ কেতিয়াও ওৰ নপৰে। এই ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ পৰিবৰ্তন অতি প্ৰয়োজনীয়। হিতেশ্বৰ শইকীয়া ক্ষমতাত থকা বা নথকাটো গৌণ বিষয়হে, মুখ্য নহয়। সু

# সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদী শক্তি সমূহৰ উৎপত্তিঃ

## ইয়াৰ পৰিণাম আৰু সমাধানৰ উপায়

যোগানন্দ গগৈ

ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৪৫ বছৰৰ পাছত আজি চাৰিওফালে সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদী শক্তিসমূহে গা কৰি উঠিছে। এই শক্তিসমূহ আজি কিয় গা কৰি উঠিছে ? ইয়াৰ পৰিণাম কি ? আৰু ইয়াৰ সমাধান কেনেদৰে কৰা যায় তাক আজি গভীৰভাৱে চিন্তা কৰাৰ সময় আহিছে।

উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত কিন্তু সশস্ত্ৰ সংগ্ৰামৰ জন্ম আজিৰ নহয়। যোৱা পঞ্চাশৰ দশকতে নগালেও, মিজোৰাম, অসম আৰু ত্ৰিপুৰাত সশস্ত্ৰ সংগ্ৰামৰ আখৰা হৈ গৈছে। কিন্তু ইয়াৰ পৰিণামৰ ফালে আমি আজি লক্ষ্য কৰা নাই। নগা বিদ্ৰোহী ফিজোৱে মৰাৰ আগমুহূৰ্তত ভাৰতীয় সংবিধানৰ প্ৰতি আস্থা প্ৰকাশ কৰি সংবিধানৰ গণ্ডীৰ ভিতৰতে ৰাজ্য সমূহৰ সমস্যা সমাধান সম্ভৱ বুলি মত প্ৰকাশ কৰি গৈছে। মিজোৰামৰ বিদ্ৰোহী নেতা লালডেঙ্গাই সুদীৰ্ঘ ২০ বছৰ জুৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যুঁজ কৰিও হঠাতে ভাৰতীয় সংবিধানৰ প্ৰতি আস্থা প্ৰকাশ কৰি মিজোৰামৰ মুখ্যমন্ত্ৰীৰ আসন শুৱনি কৰিলে। ঠিক সেই দৰে ত্ৰিপুৰাৰ বিদ্ৰোহী নেতা বিজয় ৰাংখালেও ৰাজকীয় খিতাপ গ্ৰহণ কৰি জীৱন নিৰ্বাহ কৰি আছে। আমাৰ অসমত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত যি সশস্ত্ৰ সংগ্ৰাম পঞ্চাশৰ দশকত হৈছিল তাৰ পৰিণাম কিন্তু এই ৰাজ্য সমূহৰ লগত একেনহয়। এইবোৰ উদাহৰণৰ পৰা আমি আজি শিক্ষা লোৱা উচিত নহয়নে ?

সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদে গা কৰি উঠাৰ প্ৰধান কাৰণ হ'ল ৰাজ্যসমূহৰ অসমান বিকাশ। কেন্দ্ৰীয় চৰকাৰৰ হাতত অধিক ক্ষমতা হস্তগত হৈ থকাৰ কাৰণেই ৰাজ্য সমূহৰ বিকাশ সমান নহয়। গতিকেই আজি কিছুমান যুৱকে ভাবে যে ৰাজ্যসমূহ কেন্দ্ৰৰ পৰা মুক্ত হলেই তেওঁলোকৰ ৰাজ্যৰ জনসাধাৰণৰ দুখ দুৰ্দশা নাইকিয়া হব। কিন্তু ইয়াৰ পৰিণাম যে কি ভয়াবহ হব তাক তেওঁলোকে ভালদৰে বিবেচনা কৰি চোৱা নাই। আমাৰ বুদ্ধিজীৱীসকলেও (কেইজনমানৰ বাদে) এই বিষয়ৰ প্ৰতি বিশেষ মূৰ ঘমোৱা দেখা নাযায়।

আমাৰ দেশীয় শাসক গোষ্ঠীবোৰে গণতান্ত্ৰিক আন্দোলনবোৰৰ প্ৰতি বিশেষ গুৰুত্ব নিদিয়াটোও সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদী শক্তিসমূহে গা কৰি উঠাৰ অন্য এটা কাৰণ। গণতান্ত্ৰিক আন্দোলনসমূহক চৰকাৰে যিকোনো উপায়ে ভাঙিবহে বিচাৰে। বহুক্ষেত্ৰত দেখা যায় ভাৰতবৰ্ষত গণতান্ত্ৰিক ভাবে চৰকাৰৰ নীতিৰ বিৰোধিতা কৰিলে তাক ভালদৰে বিবেচনা কৰা নহয়। ফলত গণতান্ত্ৰিক আন্দোলনসমূহৰ প্ৰতি জনসাধাৰণৰ আস্থা নাইকিয়া হয় আৰু অৱশেষত গৈ সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদে গা কৰি উঠে। উদাহৰণ স্বৰূপে অসম আন্দোলনৰ কথা উল্লেখ কৰিব নোৱাৰিনে ?

কোনো এটা আন্দোলন কৃতকাৰ্য হবলৈ হলে জনসাধাৰণৰ সমৰ্থন এটা অপৰিহাৰ্য পূৰ্বচৰ্ত। জনসাধাৰণৰ সমৰ্থন বিনে কোনো এটা আন্দোলন সফল হব নোৱাৰে। গণতান্ত্ৰিক আন্দোলনসমূহৰ প্ৰতি জনসাধাৰণে পিঠি দিবলৈ লোৱাৰ কাৰণেও আজি সন্ত্ৰাসবাদী সংগঠনসমূহে গা কৰি উঠিব পাৰিছে। সন্ত্ৰাসবাদী সংগঠনসমূহৰ হাতত ইতিমধ্যে ধৰা পৰা বিদেশী অস্ত্ৰ-শস্ত্ৰবোৰে এনে ইঙ্গিত দিয়ে যে এই সংগঠনবোৰৰ পিছত ভাৰত-বিদ্বেষী ৰাষ্ট্ৰৰ নিশ্চয় সমৰ্থন আছে। এনে অস্ত্ৰ-শস্ত্ৰ দেখুৱাই সন্ত্ৰাসবাদী শক্তি সমূহে প্ৰচুৰ পৰিমাণে অৰ্থ সংগ্ৰহ কৰি নাটকীয় চমক সৃষ্টি কৰিব পৰা ক্ষমতা অৰ্জন কৰে। কিন্তু গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি সমৰ্থন দেখুৱাই জনসাধাৰণে পাঁচটা টকাও দিবলৈ টান পায়।

সন্ত্ৰাসবাদী সংগঠনসমূহৰ প্ৰতি চৰকাৰে সময়তে ব্যৱস্থা নোলোৱা বাবেও এই সংগঠনসমূহে গা কৰি উঠে। চৰকাৰে এনে শক্তিসমূহৰ পৰা হব পৰা বিপদৰ কথা জানিলেও দেখা যায় যে দলীয় ৰাজনীতিৰ স্বাৰ্থত চৰম ব্যৱস্থা লোৱাৰ পৰা চৰকাৰ বিৰত থাকে। উদাহৰণ স্বৰূপে অঃ গঃ পঃ চৰকাৰৰ কথা উল্লেখ কৰিব পাৰি। এই চৰকাৰে আল্‌ফা সংগঠনৰ ক্ষেত্ৰত আৰম্ভণিতে যথোচিত ব্যৱস্থা লোৱাহেঁতেন আজিৰ এই অৱস্থা নহলহেঁতেন। এতিয়া কংগ্ৰেছ (ই) চৰকাৰেও আল্‌ফা সমস্যা সমাধানৰ ক্ষেত্ৰত হেঁাহকা পিছলা কৰি আছে বুলি অভিযোগ উঠিছে। দেশৰ তথা জনসাধাৰণৰ মঙ্গলৰ কাৰণে বিশেষ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সময়ত একেটা দলৰ ভিতৰতে মত পাৰ্থক্য হোৱাটো বিশেষ চিন্তাৰ বিষয়। অন্যহাতে সন্ত্ৰাসবাদী সংগঠনৰ নেতৃত্বক অৱশেষত গৈ চৰকাৰে পুৰস্কৃত হে কৰে। ইয়াৰ ফলত সন্ত্ৰাসবাদী শক্তিসমূহৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ বাঢ়িব নে কমিব ?

সন্ত্ৰাসবাদ তথা বিচ্ছিন্নতাবাদৰ পৰিণাম কি ? ইয়াৰ উত্তৰ বিচাৰিবলৈ গলে আমি পাম যে অযথা শক্তি আৰু অৰ্থ ব্যয়ৰ বাদে অন্য একো নহয়। কাৰণ আজি এমুঠিমান যুৱকহে নেলাগে, অসমৰ সমূহ জনসাধাৰণে হাতত অস্ত্ৰ তুলি ললেও ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰক লৰাব পৰা শক্তি নাই। এই সত্যটো আজি অসমৰ কিছুমান আল্‌ফা সদস্যই পলমকৈ হলেও উপলব্ধি কৰিছে। ভাৰতবৰ্ষৰ সেনাবাহিনী আজি পৃথিৱীৰ ভিতৰতে তৃতীয় বৃহত্তম সেনাবাহিনী হিচাপে পৰিগণিত হৈছে। এনে এটা শক্তিৰ আগত কেইটামান হাতবোমা আৰু মেচিনগানলৈ যুদ্ধ কৰাটো সম্ভৱ নে ? কেইজনমান যুৱকে হাতত অস্ত্ৰ লৈ এটা কামেই কৰিব পাৰে। সেইটো হ'ল তেওঁলোকৰ বিৰোধিতা কৰা সকলক সাময়িক ভাবে বশ মনাই ৰখা, ইয়াৰ বাদে অন্য একো নহয়।

এই মুহূৰ্তত যদি অসমক স্বাধীন বুলি ঘোষণা কৰিও দিয়া হয় ইয়াৰ পৰিণাম কি হ'ব ? বহিঃ শত্ৰুৰ পৰা অসমক ৰক্ষা কৰিব পৰা অসমৰ হাতত এনে কি পাশুপাত অস্ত্ৰ আছে ? আধুনিক পৃথিৱীৰ তাৰকা যুদ্ধৰ দিনত ভাৰতৰ কথাতো বাদেই, অতি চহকী দেশ সমূহেও আমেৰিকাক পৰাস্ত কৰিব পৰা নাই। এনে স্থলত অসমৰ জনসাধাৰণে কি সাহসত স্বাধীন হোৱাৰ সপোন দেখে আমি ভাবি নাপাওঁ।

এই মুহূৰ্তত যদি অসমক স্বাধীন বুলি ঘোষণা কৰিও দিয়া হয় ইয়াৰ পৰিণাম কি হ'ব ? বহিঃ শত্ৰুৰ পৰা অসমক ৰক্ষা কৰিব পৰা অসমৰ হাতত এনে কি পাশুপাত অস্ত্ৰ আছে ? আধুনিক পৃথিৱীৰ তাৰকা যুদ্ধৰ দিনত ভাৰতৰ কথাতো বাদেই, অতি চহকী দেশ সমূহেও আমেৰিকাক পৰাস্ত কৰিব পৰা নাই। এনে স্থলত অসমৰ জনসাধাৰণে কি সাহসত স্বাধীন হোৱাৰ সপোন দেখে আমি ভাবি নাপাওঁ।

এতিয়া আহক সন্ত্ৰাসবাদী সমস্যা সমূহৰ সমাধান বিচাৰো। আমি এতিয়ালৈকে দেখি আহিছো সন্ত্ৰাসবাদী শক্তিসমূহে
এতিয়া আহক সন্ত্ৰাসবাদী সমস্যা সমূহৰ সমাধান বিচাৰো। আমি এতিয়ালৈকে দেখি আহিছো সন্ত্ৰাসবাদী শক্তিসমূহে অৱশেষত গৈ চৰকাৰৰ লগত আলোচনাত বহিছে। আলোচনাৰ অন্তত চুক্তি হৈছে আৰু সেই চুক্তি অনুসৰি কোনোবা চৰকাৰৰ মুৰব্বী হৈছে নহয় কোনোবাই শাসক গোষ্ঠীত যোগ দিছে। কিছুমানে ৰাজহুৱা নিকায়সমূহৰ মুৰব্বী হৈছে। কিন্তু আনহাতে ৰাইজৰ সমস্যাসমূহ সমস্যা হৈয়ে আছে। কমা নাই বৰং বাঢ়িছেহে। গতিকে মুঠ কথা ৰাইজৰ সমস্যাসমূহ সমাধান হলেহে সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ ওৰ পৰিব। জনসাধাৰণৰ সমস্যাসমূহ সমাধান কৰিব বিচাৰিলে অসমৰ সমস্যাক বিহাৰৰ সমস্যাৰ পৰা বেলেগ কৰি চালে নহব। তেনেকৈ বিহাৰবাসীৰ সমস্যাক উৰিষ্যাবাসীৰ পৰা বেলেগ কৰি চালে নহব। মুঠতে জনসাধাৰণৰ সমস্যাৰ ক্ষেত্ৰত ৰাজ্যৰ কোনো সীমা নাই। নহলেনো সেইবোৰ ৰাজ্যৰ পৰা হাজাৰে হাজাৰে মানুহ আমাৰ অসমলৈ কিয় আহিব ? আগতেই উল্লেখ কৰি অহা হৈছে যে দেশীয় চৰকাৰ হোৱাৰে পৰা ৰাইজৰ গণতান্ত্ৰিক আন্দোলন সমূহৰ প্ৰতি চৰকাৰে গুৰুত্ব নিদিয়াৰ বাবেও সন্ত্ৰাসবাদী শক্তিসমূহে গা কৰি উঠিবলৈ সুবিধা পায়। গতিকে আমি চৰকাৰক এই দিশৰ প্ৰতিও সজাগ কৰিব লাগিব যাতে গণতান্ত্ৰিক ভাবে ৰাইজৰ অভাৱ অভিযোগ সমূহ চৰকাৰৰ ওচৰত দাঙি ধৰাৰ অধিকাৰ খৰ্ব কৰা নহয় আৰু এনে গণতান্ত্ৰিক ভাবে গঢ়ি উঠা আন্দোলনসমূহৰ প্ৰতি চৰকাৰে অধিক মনোযোগ দিয়ে। তেতিয়াহে গণতান্ত্ৰিক আন্দোলনসমূহৰ প্ৰতি জনসাধাৰণৰ আস্থা বাঢ়িব আৰু সেই অনুপাতে সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদী আন্দোলনৰ প্ৰতি আস্থা কমিব। সু

# কেইজনমান যুৱকৰ স'তে এটা নিশাৰ আলাপ

দেৱব্ৰত বৰগোহাঞি

আজিৰ পৰা এমাহ আগৰ কথা। অপ্ৰত্যাশিতভাবে মোৰ কলেজীয়া জীৱনৰ দুগৰাকী বন্ধুক গুৱাহাটীৰ পল্টন বজাৰত লগ পালো। মোক দেখি দূৰৈৰ পৰা বন্ধু দুজনে হাত দাঙি মৃদু হাঁহিৰে আগবাঢ়ি আহিল। দুয়োটাই সিহঁতৰ হাত দুখন কৰমৰ্দন কৰাৰ উদ্দেশ্যে মোলৈ আগবঢ়াই দিলে.............! মোৰ মনত পৰিল ১৯৮৫ চনত যোৰহাটৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছষ্টেণ্ডত কলেজীয়া জীৱনৰ অন্তত বিদায় লোৱা সেই করুণ মুহূৰ্তটোলৈ। তেতিয়াও সিহঁতে এনেদৰেই হাত দুখন আগবঢ়াই দিছিল। '৮৫ৰ সেই নিমজ হাত দুখনৰ বিপৰীতে সেইদিনা দুখন ৰূঢ় কঠিন হাতৰ পৰশ অনুভৱ কৰিছিলো। মোৰ আগৰ অনুমান তেতিয়া হলে অশুদ্ধ নাছিল!

গুৱাহাটীলৈ? মোৰ প্ৰশ্নৰ উত্তৰত বিদ্যুতে ক'লে 'আগতে দুৰাতিমান থাকিবৰ বাবে সস্তীয়া হোটেল এখন বিচাৰি লওঁ আহ। পিছত কথা পাতিম।' মই অট'ৰিক্সা চালক এজনক মাতিলো। দুয়োটাৰে মুখত প্ৰশ্নবোধক চিহ্ন। সিহঁতৰ চুট্‌কেছ দুটা অট'ত তুলি কলো, 'বল, আজি মোৰ ভাড়া ঘৰতে কটাবি।' আপত্তি কৰি লাভ নহ'ব বুলি জানিয়েই নেকি সিহঁত বাধ্য ছাত্ৰৰ দৰে অট'ৰিক্সাত বহি পৰিল। অলপদূৰ যোৱাৰ পিছত হাঁহি মাৰি সুধিলো, 'ঐ সস্তীয়া হোটেল! মই হলে বুজিব নোৱাৰিলো। তহঁতৰ কিবা টকাৰ মাক মৰিছেনে? তহঁতক প্ৰথমতে দেখি ভাবিছিলো হোটেল কুবেৰ, বেলিভিউ, নন্দন আদিত উঠিছহি।' অলপপৰ দুয়োটাই মৌন হয় ৰ'ল। 'ইয়াৰ আগৰ সেই বেঁকাকৈ কথা কোৱা স্বভাৱটো নগ'ল আৰু।' নৱই খন্তেক পিছতে হাঁহি মাৰি লাহেকৈ ক'লে। দহ মিনিটমানৰ পিছতে গান্ধী বস্তিত থকা মোৰ ভাড়া ঘৰটোৰ কাষত অট'খন ৰ'লহি।

গা-পা ধুই ভাত এগালমান খাই দুয়োটা বিছনাত পৰিল। নিশালৈ কথা পাতিম বুলি কৈ দুয়ো শুই পৰিল। অন্য কাম নথকাত মই 'সূত্ৰধাৰ'ৰ অফিচলৈ বুলি ৰাওনা হলো। সন্ধ্যাপৰত ঘৰলৈ উভতি দেখো যোৰহাটৰ মোৰ অন্য দুজন বন্ধু ত্ৰৈলোক্য আৰু ৰমেন আহি মোৰ ঘৰত উপস্থিত। ভাত-চাত খাই আজৰি হওঁতে নিশা এঘাৰমান বাজিল। বিদ্যুত, নৱ আৰু ত্ৰৈলোক্যই বিছনাত ভালদৰে বহি ললে। মই আৰু ৰমেনে চকী দুখন অধিকাৰ কৰিলো।

> তহঁতৰ সংগঠনটোক ধ্বংসৰ বাটলৈ আগবঢ়াই দিছিল চহৰৰ সুবিধাবাদী মধ্যবিত্ত সকলে। সকলোবোৰ জানিও এই সুবিধাবাদী জাকটোৱে আল্‌ফাক অন্ধভাবে সমৰ্থন কৰিছিল। দুখনমান কাকতেও তহঁতৰ সংগঠনটোক ধ্বংসৰ বাটলৈ ক'ব নোৱৰাকৈয়ে ঠেলি দিছিল। দোষ-ত্ৰুটিবোৰৰ সমালোচনা কৰাৰ সলনি এওঁলোকে নীৰৱতাহে অবলম্বন কৰিছিল। গাঁৱৰ মানুহক অস্ত্ৰ-হিচাপে এওঁলোকে অসম আন্দোলনটোত ব্যৱহাৰ কৰিছিল আৰু তাৰ পুনৰাবৃত্তি আল্‌ফাত ঘটিল।

'অসমত শান্তি হ'ব বুলি তহঁতে ভাবনে?' প্ৰসঙ্গটো ময়েই টানি আনিলো। অৱশ্যে মোৰ প্ৰশ্নটো শেষ হবলৈ নাপালেই, ত্ৰৈলোক্যই খঙেৰে ক'লে, 'হুঁঃ শান্তি! শান্তি লাগে তহঁতক। মোৰ মতে অসমলৈ কোনোদিনেই শান্তিৰ বাতাবৰণ ঘূৰি নাহে। আহিলে সেয়া ক্ষণস্থায়ীহে হ'ব। আকৌ জ্বলিব অসম। অসম নহয় ভাৰতবৰ্ষই দপদপকৰে জ্বলি উঠিব।'

'ইয়াক জোকাই লৈছ কেলেই। বেচেৰাই কো-অপাৰেটিভ ইন্সপেক্টৰৰ চাকৰিটোৰ বাবে গুৱাহাটীলৈ তাঁত বাতি কৰোতেই দিন গৈছে। আজিৰ স'তে ইয়াৰ এয়া সপ্তমবাৰত ভৰি দিছেহি। প্ৰথম তিনিবাৰত দালাল বিচাৰোতেই গ'ল। শেহত যেনিবা দালাল এটাৰ নেগুৰডাল বিচাৰি পালে। তাৰ পিছত এয়া দৌৰি আছে। দৌৰি আছে। পঁচিশ হাজাৰ লাগে বোলে। এইবাৰ সাত হাজাৰমান পকেটত লৈ আহিছে। কিজানিবা কিবা হয়েই!' ৰমেনে নাকটো অদ্ভুত ধৰণে কোঁচাই ক'লে।

'তই মনে মনে থাকিলিনে। বিদ্যুত তোৰ হাতত AK-47 ডাল আছে নেকি? দেচোন সোপাকে হজম কৰি থৈ আহোগৈ।'

'AK-47 কেতিয়াবা দেখি পাইছানে?' ত্ৰৈলোক্যৰ জুই কুৰাত ঘিউ অলপ দিয়াৰ মানসেৰে সুধিলো।

'এইবোৰ বাদ দেচোন। আমাৰ কলেজীয়া জীৱনৰ পাতনি মেলি চাওঁ আহ। বহুত দিন পাহৰি আছো আমাৰ সেই অতীতৰ কথাবোৰ।' আমাৰ বাৰেভচহু কথাবোৰৰ মোখনি মাৰি বিদ্যুতে কলে।

'নৱ, তই আত্ম সমৰ্পণ কৰাৰ কথা গম পাওঁ। মাথো গম নাপাওঁ তই কেতিয়া কাচিনলৈ গৈছিলি? কিয় গৈছিলি আদিবোৰহে। জে বি কলেজত থাকোতে তোৰ মুখত শুনা দুটামান শব্দ আজিও মোৰ মনত আছে। তেতিয়া আমি সেইবোৰ পাত্তা দিয়া নাছিলো। বাৰু কচোন, তহঁত দুটাই মানুহ হত্যা কৰি পাইছনে?.........' 'ৰবি। তই যি সোপা প্ৰশ্ন কৰিছ আমি উত্তৰ দিওঁনো কেনেকৈ।' নৱই পুনৰ ক'লে, 'মই জানিছিলোৱেই আজি তোৰ প্ৰশ্নবাণৰ সমুখত আমি তিষ্ঠি থাকিব নোৱাৰিম। দুপৰীয়া তোৰ এনেবোৰ প্ৰশ্নৰ পৰা হাত সাৰিবৰ বাবে বিছনাত পৰি টোপনি যোৱাৰ ভাও ধৰিছিলো। তই ভবাৰ দৰে আমি কিন্তু সংগঠনৰ উচ্চ পৰ্যায়ৰ বিষয়ববীয়া নহয়। আমি একোটাহত ৰবটতহে পৰিণত হৈছিলো। একো নোৱাৰিলেও কিবা এটা কৰিম বুলি মনত এটা বদ্ধমূল আদৰ্শ আগত ৰাখিহে আমি সংগঠনত ভৰ্তি হৈছিলো। কিন্তু নোৱাৰিলো। আমি একোৱেই কৰিব নোৱাৰিলো। সংগঠনৰ উচ্চ পৰ্যায়ত ক'ত কি হৈছিল তাক আমি ঘুণাক্ষৰেও গ'ম পোৱা নাছিলো। হত্যাকাণ্ডবোৰে আমাৰ মনত তেতিয়াও দুখ দিছিল। আজিও দিছে। হয়তো ভৱিষ্যতলৈও দিব।'

'শ-শ তিৰোতাৰ শিৰৰ সেন্দুৰ মছি এতিয়া অনুতপ্ত হলে পাপৰ পৰা ৰেহাই পাম বুলি ভাবিছ নেকি? মই ভাবি নাপাওঁ কেইজনমান দুৰ্নীতিপৰায়ণ মানুহক হত্যা কৰি কেনেদৰে অসম সংযুক্ত মুক্তি বাহিনীয়ে অসমক দুৰ্নীতিৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ বিচাৰিছিল। তহঁত জড়িত থকা সংগঠনটোৱে প্ৰকৃত দুৰ্নীতিপৰায়ণ বিষয়াক জানো শাস্তি দিবলৈ সক্ষম হৈছিল। চহৰত আজীৱন দুখীয়া মানুহৰ তেজ শোষণ কৰি জীয়াই থকা বিয়াগোম চৰকাৰী বিষয়া সকলক জানো তহঁতে বধিব পাৰিছিলি? সৌ যে তিনিমহলীয়া ঘৰটো দেখিছ তেখেতে কি কাম কৰে জান। সামান্য এটা চাকৰি। পশু চিকিৎসালয়ৰ। দৰমহা মাহে পঁচিশ শ টকাতকৈ বেছি কোনো পধ্যেই নহয়। কালি ইয়াত অতিৰিক্ত মুখ্য অভিযন্তা এজনৰ ঘৰত বিয়া হৈছিল। পেণ্ডেলটোতেই সত্তৰ চল্লিশ হাজাৰমান পৰিছে। একেবাৰে ৰাজকীয় বিয়া.........! ক'ত টকা পাইছে। তহঁতৰ সংগঠনেও জানে, মই জানো, ত্ৰৈলোক্য-ৰমেনেও জানে আৰু আমাৰ সমাজৰ সৰহ ভাগ মানুহেই জানে। গাঁৱৰ কংগ্ৰেছ (ই) দলৰ নদাই-ভদাইগালে দুৰ্নীতি কৰিলে খুব বেছি পাঁচ বছৰ বা দহবছৰৰ বাবেহে কৰিব। গোটেই জীৱন নহয়। কিন্তু! চহৰৰ এই সুবিধাবাদী উচ্চ মধ্যবিত্ত, মধ্যবিত্ত মানুহবোৰে মৃত্যুৰ আগমুহূৰ্তলৈকে দুৰ্নীতিয়েই কৰি থাকে। এই ইতৰ পশুবোৰক তহঁতৰ সংগঠনে নেদেখিলে।'

'নেদেখিলে নহয়। দেখিছিল। কিন্তু এওঁলোকে ভয় কৰিলে চহৰত নিজৰ

> জীৱনটোক পৰিপূৰ্ণ ভাবে উপভোগ কৰা এই বুদ্ধিজীৱী আৰু ৰাজনৈতিক দলৰ বিয়াগোম নেতাবোৰে জানো বুজি পায় সমাজৰ হতাশাগ্ৰস্ত নিবনুৱা সকলৰ কথা। এমুঠি খাদ্য আৰু এখন বস্ত্ৰৰ বাবে হাহাকাৰ কৰি ফুৰা এই যুৱক চামক বৰ বৰ উপদেশ দিয়াৰ বাহিৰে অন্য কিবা দিয়াৰ শকতি এই চাম ৰাজনীতিবিদ-বুদ্ধিজীৱীৰ আছে জানো। যিটো জীৱনৰ ওপৰত ন্যূনতম উপলব্ধিও যাৰ নাথাকে, তেওঁলোকে তাৰ কিবা বিধান আগবঢ়াব পাৰিব বুলি কাৰোবাৰ ধাৰণা হয়নে?

জীৱনবোৰ বিপন্ন হৈ পৰে বুলি। সেয়ে সহজতে পৰা কামবোৰ গাঁৱতেই সহজে সম্পন্ন কৰিলে।' ব্যঙ্গাত্মক সুৰেৰে কথাষাৰ কৈ ৰমেনে বিদ্যুৎ আৰু নৱলৈ চাই ৰ'ল। দুয়োটাই নিৰ্বিকাৰ ভাবে আমাৰ কথাবোৰ শুনি আছে। পাঁচমিনিটমান কাৰো মুখত মাত এষাৰ নাছিল। নীৰৱতা ভঙ্গ কৰি বিদ্যুতে কলে, 'ত্ৰৈলোক্য, তোৰ চাকৰিটোৰ বাবে ঘোচ দিবলৈ আজি কিমান টকা আনিছ।'

'তোক কৈলে মই কিমান আনিছো। দিবি নেকি অলপ।' ত্ৰৈলোক্যৰ পোনপটীয়া উত্তৰ।

'ইমান গৰম নহবিচোন সুধিছোহে। মই ধৰি লৈছো এইবাৰ যেনে তেনে তই চাকৰিটো পালি। চাকৰিটো পোৱাৰ অলপ দিনৰ পিছতে তোৰ গত লাগিব। কেইবছৰমান চাকৰি কৰাৰ পাছত মা-দেউতায়ে তোৰ বিয়াৰ প্ৰস্তাব দিব। এগৰাকী সুন্দৰী বা আদৰ্শৱতী পত্নীৰ পৰিচৰ্যাৰ মাজেৰে তোৰ জীৱন ছন্দোবদ্ধ গতিৰে আগবাঢ়িব। অন্য অৰ্থত সমাজত তোৰ অন্তৰ্ভুক্তি মানি লোৱা হ'ল।'

'তাকেইতো ভাবি দিন কটাইছো বিদ্যুত। তই ভবাৰ দৰে সোনকালে হ'লেই ৰক্ষা।' ত্ৰৈলোক্যৰ ওঁঠত মিচিকিয়া হাঁহি।

'হাবিৰ মাজত থাকোতে আমি বহুতো তোৰ নিচিনা ল'ৰা লগ পাইছিলো। মই এইটো ডাঠি ক'ব পাৰো যে সংযুক্ত মুক্তি বাহিনীত ভৰ্তি হোৱা শতকৰা ৮০ ভাগ ল'ৰাই জীৱনৰ আশা ভঙ্গৰ বেদনাতেই এনে এটা বিপদ সংকুল জীৱনলৈ ধাৱিত হৈছিল। শিক্ষা সমাপ্ত কৰাৰ পিছত বিভিন্ন অফিচে অফিচে ইন্টাৰভিউ দি দি ভাগৰি পৰিছিল। দীৰ্ঘদিন নিবনুৱা হৈ থকাৰ জ্বালা-যন্ত্ৰণাৰ বিষয়ে তহঁতক সন্তৱ নকলেও বুজি পাবি। মাক-দেউতাক-ভনীয়েকহঁতৰ আগত সদায় একেখন মুখ দেখুৱাই প্ৰত্যেকৰে আমনি লাগিছিল। এখোজ বাটলৈ ওলাই যাবলৈ হলে মনে মনে মা-ৰ ওচৰ চাপিব লাগে। সমাজৰ অবজ্ঞা আছেই। মানুহ এঘৰলৈ গলে আমাক অন্য বাদ দে তামোল এখনকে দিবৰ ইচ্ছা নকৰে। বহুতে উপলুঙা কৰি কয়, 'এই বেকাৰ মখাই সমাজখন অধঃপাতে নিয়ালে। মস্ত কেইটা কৰবাৰ।' এনেদৰে লাঞ্ছনা-গঞ্জনা পোৱাৰ পিছত কাৰ বাৰু এনে এখন সমাজত থাকিবৰ মন যাব! নৱকে চাচোন। তাৰ শিক্ষাওতো কম নাছিল। দেৱই সুধিছিল নহয়, 'তহঁতৰ টকাৰ মাক মৰিছে নেকি?' যা আজিও চাঁগৈ নৱৰ ঘৰখন। জুপুৰি ঘৰটোত চকী এখন আছে নেকি? আলহী গলে তাৰ বিছনাখনতে বহিবলৈ দিয়ে। আচ্ছা আমাৰ এই কথাবোৰ কোনোবাই শুনিছে





OKDISCD

নেকি ? চাচোন বাহিৰৰ ফালে ।'

'গুৱাহাটী বুজিছ ! এইখন গুৱাহাটী ! সেইবোৰ চিন্তা কৰিব নালাগে ।' ত্ৰৈলোক্যই মাত লগালে ।

'অসমৰ মানুহে আমাৰ সংগঠনটোক আজি-কালি বৰ বেয়া দৃষ্টিৰে চাই নেকি ?' নৱই ক্ষীণ স্বৰেৰে কথাষাৰ সুধিলে । 'আচলতে আমি অসমৰ বাবে কিবা এটা কৰিবলৈ বৰ চেষ্টা কৰিছিলো । বিশেষকৈ আমাৰ দৰে হতাশাগ্ৰস্ত নিবনুৱা চামটোৰ বাবে । আমাৰ নতুন পুৰুষৰ বাবে । যিখন সমাজে আমাৰ যুৱক সমাজৰ মনৰ ক্ষোভক কোনো দিনেই বুজিবলৈ যত্ন নকৰিলে, আমাৰ কাৰণে চিন্তা নকৰিলে আৰু আমাৰ কাৰণে একোৱেই নকৰিলে । তাৰ বিপৰীতে আমাক সমাজৰ পৰা বহিষ্কাৰ কৰা হ'ল । তেনে এখন পঙ্গু সমাজক আমি চিৰদিনৰ বাবে ধ্বংস কৰি দিয়াৰ পৰিকল্পনা কৰিছিলো । লাঞ্ছনা-গঞ্জনাৰ মাজত জীয়াই থকাতকৈ মৃত্যুৱেই জানো শ্ৰেয় নহয় । 'স্বাধীন অসম' আমাৰ বাবে সপোন আছিল । অৱশ্যে আমাৰ যাত্ৰাপথত অলপ ভুল হৈ গ'ল । আমাৰ সংগঠনৰ উচ্চ নেতৃত্বত থকা সকলে কোনোবা বিদেশৰ বা স্বদেশৰ ৰাজনীতিৰ পাল্লাত পৰা যেন গম পালো । কথাষাৰ মোৰ নিজৰহে । আমাক যেন কোনোবা বাহিৰা শক্তিয়ে অনবৰতে নিৰ্দেশ দিব ধৰিছে । এনেবোৰ ধাৰণাই মোৰ মন ভৰি পৰিল । সংগঠনে কৰা নৃশংস হত্যাকাণ্ডবোৰত ফুটি উঠিছিল ব্যক্তিগত শত্ৰুতাৰ কিছুমান দিশ । সমাজখনক উদ্ধাৰ কৰাৰ মানসেৰে হত্যাকাণ্ডবোৰ সংঘটিত হোৱা নাছিল । তাক মই অকপটে স্বীকাৰ কৰো ।'

'তইঁতৰ সংগঠনটোক ধ্বংসৰ বাটলৈ আগবঢ়াই দিছিল চহৰৰ সুবিধাবাদী মধ্যবিত্ত সকলে । সকলোবোৰ জানিও এই সুবিধাবাদী জাকটোৱে আল্‌ফাক অন্ধভাবে সমৰ্থন কৰিছিল । দুখনমান কাকতেও তইঁতৰ সংগঠনটোক ধ্বংসৰ বাটলৈ ক'ব নোৱৰাকৈয়ে ঠেলি দিছিল । দোষ-ক্ৰটিবোৰৰ সমালোচনা কৰাৰ সলনি এওঁলোকে নীৰৱতাহে অবলম্বন কৰিছিল । গাঁৱৰ মানুহক অস্ত্ৰ-হিচাপে এওঁলোকে অসম আন্দোলনটোত ব্যৱহাৰ কৰিছিল আৰু তাৰ পুনৰাবৃত্তি আল্‌ফাত ঘটিল । এনেদৰে আৰু কিমান দিন......... ।' ৰমেনে চিঞৰিয়াছ হৈ কথাবোৰ ক'লে ।

ঘড়ী চাই দেখিলো তিনি বাজি সাত মিনিট গৈছে । আমাৰ শুৱা আৰু নহ'ল । পোহৰ নোহোৱালৈকে বিভিন্ন কথা-বতৰা পাতিয়েই কটালো । আমাৰ পাছৰ আলোচনাত ঘাইকৈ অসমৰ ৰাজনৈতিক পৰিস্থিতিয়ে ঠাই পালে ।

অসমৰ যুৱক চামৰ সমস্যাৰ সমাধানৰ পথ তেওঁলোকেহে দিব পাৰিব । আনে নোৱাৰে । বিয়াগোম ৰাজনীতিবিদ আৰু বুদ্ধিজীৱীৰ সলনি পাৰিলে চৰকাৰে তেনে সভা-সমিতিবোৰলৈ অসমৰ বিভিন্ন ঠাইৰ যুৱকসকলক আমন্ত্ৰণ জনাওক । আৰু আন্তৰিকতাৰে বুজিবলৈ যত্ন কৰক তেওঁলোকৰ মনৰ কথাবোৰ ! তেতিয়াহে কিবা এটা হোৱাৰ সম্ভাৱনা আছে । নহলে সকলো গালো বালো খোলাকটিৰ তালৰ বাহিৰে আন একো নহয় ।

### চৰকাৰ, বুদ্ধিজীৱী আৰু ৰাজনৈতিক দলৰ মেল-মিটিংঃ

কিবা জানো প্ৰয়োজন আছে এইবোৰৰ ! আমাৰ আলোচনাত এই বিষয়টোৱেও ঠাই পাইছিল । আল্‌ফা, বড়ো আদি সমস্যাৰ বিষয়ে আজি-কালি চৰকাৰে এনেধৰণৰ বৃহৎ বৃহৎ মেল-মিটিং আহ্বান কৰা দেখা যায় । কিবা লাভ হয়নে এইবোৰৰ পৰা । জীৱনটোক পৰিপূৰ্ণ ভাবে উপভোগ কৰা এই বুদ্ধিজীৱী আৰু ৰাজনৈতিক দলৰ বিয়াগোম নেতাবোৰে জানো বুজি পায় সমাজৰ হতাশাগ্ৰস্ত নিবনুৱা সকলৰ কথা । এমুঠি খাদ্য আৰু এখন বস্ত্ৰৰ বাবে হাহাকাৰ কৰি ফুৰা এই যুৱক চামক বৰ বৰ উপদেশ দিয়াৰ বাহিৰে অন্য কিবা দিয়াৰ শকতি এই চাম ৰাজনীতিবিদ-বুদ্ধিজীৱীৰ আছে জানো । যিটো জীৱনৰ ওপৰত ন্যূনতম উপলব্ধিও যাৰ নাথাকে, তেওঁলোকে তাৰ কিবা বিধান আগবঢ়াব পাৰিব বুলি কাৰোবাৰ ধাৰণা হয়নে ?

অসমৰ যুৱক চামৰ সমস্যাৰ সমাধানৰ পথ তেওঁলোকেহে দিব পাৰিব । আনে নোৱাৰে । বিয়াগোম ৰাজনীতিবিদ আৰু বুদ্ধিজীৱীৰ সলনি পাৰিলে চৰকাৰে তেনে সভা-সমিতিবোৰলৈ অসমৰ বিভিন্ন ঠাইৰ যুৱকসকলক আমন্ত্ৰণ জনাওক । আৰু আন্তৰিকতাৰে বুজিবলৈ যত্ন কৰক তেওঁলোকৰ মনৰ কথাবোৰ । তেতিয়াহে কিবা এটা হোৱাৰ সম্ভাৱনা আছে । নহলে সকলো গালো বালো খোলাকটিৰ তালৰ বাহিৰে আন একো নহয় ।

### সংস্থাপনত পলম নকৰিবঃ

সমাজৰ মাজলৈ উভতি অহা অসম সংযুক্ত মুক্তি বাহিনীৰ সদস্য সকলক পলম নকৰি উপযুক্ত স্থানত সংস্থাপিত কৰাৰ এয়াই হয়তো শেষ সুযোগ । সমাজৰ মাজলৈ উভতি অহা এই চামটোৱে সমাজত মিলি যাবলৈ বিচাৰিছে মাত্ৰ এটি অবলম্বন । সমাজখনত থাকি নিজৰ জীৱনটোক উপভোগ কৰিবলৈ আশা কৰাটো একো অপৰাধ হ'ব নোৱাৰে । এওঁলোকে সমাজৰ উচ্চস্তৰত থকা ব্যক্তি সকলৰ দৰে আড়ম্বৰপূৰ্ণ জীৱন আমাৰ পৰা দাবী কৰা নাই । দাবী কৰিছে মাত্ৰ জীয়াই থকাৰ অধিকাৰ । সমাজৰ মূল সুঁতিলৈ ওলাই অহা অসম সংযুক্ত মুক্তি বাহিনীৰ বহু সদস্যই মন্ত্ৰী-বিধায়কক গুৱাহাটীলৈ লগ কৰিবলৈ বাৰে বাৰে আহিও বিফল হোৱাৰ উদাহৰণ এই প্ৰতিবেদকে প্ৰত্যক্ষ কৰিছে । যিটো মুঠেই শুভ লক্ষণ হোৱা নাই । এনেদৰে সময়বোৰ পাৰ হৈ গৈ থাকিলে 'অসমৰ আগন্তুক সময়বোৰ' দুঃসময়ত পৰিণত হোৱাৰ সম্ভাৱনাই অধিক । ■





# মানিকবাবু সত্যজিৎ ৰায়


আবু নাছাৰ চাঈদ আহমদ

*[বিশ্ববিখ্যাত চিত্ৰ পৰিচালক আকিৰা কুৰ'শ্বাৱাই এবাৰ কৈছিল ঃ "সত্যজিৎ ৰায়ৰ কথাছবি নোচোৱাকৈ কোনো সৃষ্টিপ্ৰেমী দৰ্শকে নিজৰ কলাপ্ৰেমী ৰুচিৰ পূৰ্ণ-তৃপ্তি পাব নোৱাৰে"—এজন বিশ্ব-বিশ্ৰুত পৰিচালকে সমতুল্য আন এজন পৰিচালকৰ প্ৰতি দিয়া এক সৰল অথচ অতি তাৎপৰ্যপূৰ্ণ মন্তব্য । কুৰ'শ্বাৱাই আৰু কৈছিল ঃ "সত্যজিৎ ৰায়ৰ সকলো কথাছবিৰ বৈশিষ্ট্য মানৱ জাতিৰ প্ৰতি তেওঁৰ নীৰৱ অথচ গভীৰ ভালপোৱা, উপলব্ধি আৰু নিৰীক্ষণে মোক অতিকৈ মোহিত কৰিছে । ৰায় এজন অভিনৱ আৰু মাননীয় ব্যক্তি । মই ভাবো কথাছবি জগতৰ তেওঁ এজন 'বিশাল' ব্যক্তি" । এই শতিকাৰ অতিকৈ বৰেণ্য মানিক বাবু সত্যজিৎ ৰায় আমাৰ মাজত নাই । কিন্তু তেওঁৰ জীৱন আৰু সৃষ্টি গৱেষণা আৰু ইতিহাসৰ বিষয়বস্তুহে পৰিল । আৰু সেইবাবে তেওঁৰ নাথাকিলেও তেওঁ এৰিথৈ যোৱা অমূল্য সম্পদে অনাদি কাললৈ সকলো কলা-প্ৰেমী মানুহৰ অন্তৰত সৃষ্টিসুলভ কল্পনাৰ অমিয়া আনন্দ দি থাকিব । অতিকৈ সংবেদনশীল আৰু তীক্ষ্ণধী স্ৰষ্টা মানিকবাবুৰ বিশাল কৰ্মক্ষেত্ৰৰ একোটা সৰু সৰু বিষয়ৰ ওপৰত একোখন বৃহৎ গ্ৰন্থ লিখাৰ সম্বল গোটাব পাৰি । সেয়েহে তেওঁৰ জীৱনী লিখাটো সহজ কাম নহয় । তেওঁৰ প্ৰতি আমাৰ সশ্ৰদ্ধ নিবেদন এই লেখাত তেওঁৰ জীৱন আৰু সৃষ্টিৰ কিছুকথা আলোকপাত কৰাৰ চেষ্টা কৰা হৈছে । তাকে কৰিবলৈ যাওঁতে Marie setonৰ* ***Satyajit Ray: Portrait of a Director***, *Robin Wood,ৰ* ***The Apu Trilogy***, *Andrew Robinson,ৰ* ***Satyajit Ray: The Inner Eye*** *প্ৰমুখে গ্ৰন্থ, দেশ, আনন্দলোক প্ৰমুখে সত্যজিৎ ৰায়ৰ 'ভাৰত প্ৰকাশিত বিশেষ সংখ্যাৰ সহায় লোৱা হৈছে ।]*

(১)

## কৃতিবান উপৰিপুৰুষ

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পোনতে ভাৰতৰ পশ্চিম অঞ্চলৰ চুৰাটত পদাৰ্পণ কৰিছিল যদিও কোম্পানীৰ লগতে অহা ইউৰোপৰ সভ্যতা-সংস্কৃতিয়ে বংগদেশতহে প্ৰথমতে প্ৰসাৰ সাধন কৰিলে । ইয়াতেই ইউৰোপৰ নবন্যাসৰ প্ৰভাব প্ৰথমতে পৰিবলৈ ধৰিলে । এই নবন্যাসৰ জোৱাৰৰ লগত ওতঃ-প্ৰোতভাবে জড়িত বংগদেশৰ এটা সম্ভ্ৰান্ত পৰিয়ালতে সত্যজিৎ ৰায়ৰ জন্ম হৈছিল । সেইবাবে, সত্যজিৎ ৰায়ক বংগৰ নবন্যাস যুগৰ শেষৰজন মহান সাধক বুলিও কোৱা হয় ।



উপেন্দ্ৰকিশোৰ ৰায়,

তেওঁৰ পূৰ্ব পুৰুষৰ অসীম গৰিমাৰ কথা বাংলাদেশত সৰ্বজন বিদিত কাৰণেই "পথেৰ পাঁচালি" কথাছবিখনৰ যোগেদি বিশ্ববিখ্যাত হোৱাত পিছত বহুতেই কৈছিল ঃ "উপেন্দ্ৰ কিশোৰৰ নাতি আৰু সুকুমাৰৰ পুত্ৰ মানিকে এনে গৌৰৱ নানিলে আন কোনে আনিব ?" জীৱনৰ প্ৰথম সাফল্যৰ পিছত অভিনন্দন জনাওঁতে তেওঁক উপেন্দ্ৰকিশোৰৰ নাতি আৰু সুকুমাৰৰ পুত্ৰ বুলিহে পৰিচয় কৰি দিছিল । এনেদৰে পৰিচয় কৰি দিয়াৰ সবল যুক্তিও আছিল । এই পৰিয়ালটোৰ জ্ঞানী আৰু গুণী উপৰি পুৰুষৰ সকলোবোৰ উৎকৃষ্ট গুণ আহি সত্যজিতৰ ব্যক্তিত্বও থূপ খাইছিলহি ।

ৰায় পৰিয়ালৰ প্ৰথমজন জ্ঞাত পূৰ্ব পুৰুষৰ নাম আছিল ৰামসুন্দৰ দেউ । যোলশ শতিকাৰ মাজ ভাগত এইজন মানুহে ডেকা বয়সতে পশ্চিম বংগত থকা নিজৰ ঘৰ-বাৰী এৰি পূব বংগলৈ গুচি যায় । চেৰপুৰ নামৰ ঠাইত তেওঁ এজন জমিদাৰৰ সৈতে পৰিচিত হয় । তেওঁৰ ঘৰতে ৰাম সুন্দৰে চেৰপুৰৰ ওচৰৰে যশোদলৰ শাসন কৰ্তাকি লগ পায় । ৰামসুন্দৰৰ বুদ্ধি আৰু সুন্দৰ আচৰণত মুগ্ধ হৈ যশোদলৰ শাসনকৰ্তাই নিজৰ ঘৰলৈ তেওঁক মাতি নি তাতে থিতাপি দি জোঁৱাই কৰি ল'লে । এওঁৰ বংশাৱলীয়ে ধন-সম্পত্তি অৰ্জাৰ লগতে বিদ্যাও অৰ্জন কৰিছিল আৰু সেইবাবে তেওঁলোকক সেই সময়ৰ বংগদেশৰ প্ৰতাপী বুলিয়ে সকলোৱে গণ্য কৰিছিল । চৰকাৰী ৰাজহ তোলাত তেওঁলোকে সুখ্যাতি অৰ্জন কৰাৰ কাৰণে তেওঁলোকক "মজুমদাৰ" উপাধি দিছিল । পিছত তেওঁলোকৰ প্ৰতিপত্তি স্বীকাৰ কৰি সৰ্বসাধাৰণ মানুহে তেওঁলোকক "ৰজা" বুলি সম্বোধন কৰিছিল । কোনো এটা যুগত তেওঁলোকৰ উপাধি "ৰায়"লৈ পৰিবৰ্তন হয় । এওঁলোকৰ শেষৰজনৰ নাম আছিল কৃষ্ণজীৱন ।

অষ্টাদশ শতিকাত কৃষ্ণজীৱনৰ পৰিয়ালটোৰ দুটা ভাগ হয়। এটা ঠালৰ আদি পুৰুষজনৰ নাম আছিল ব্ৰজৰাম মজুমদাৰ। তেওঁৰ পুত্ৰ ৰমাকান্ত অতিকৈ নামজ্বলা সংগীতজ্ঞ আৰু গায়ক আছিল। কেইবাটাও ভাষাৰ পণ্ডিত ৰমাকান্ত দেখাত ওখ-পাখ বিশাল আকৃতিৰ সবল আৰু সাহসী লোক আছিল। একে বহাতে এপাচি ভাত আৰু এটা কঠাল খাই শেষ কৰিব পৰা ৰমাকান্তৰ বিষয়ে এনেধৰণৰ শৌৰ্য-বীৰ্যৰ বহুতো গল্প শুনা গৈছিল। ছফুট চাৰি ইঞ্চি ওখ সত্যজিতে বোধকৰো ৰমাকান্তৰ দৈহিক আকাৰৰ কিছুখিনি পাইছিল। ৰমাকান্তৰ তিনিজন পুত্ৰ আছিল। ডাঙৰজন আছিল কবি; আৰু সকলো কথাৰ উত্তৰ কবিতাৰে দিয়াত পকৈত আছিল। সৰুজন আছিল পাৰ্চীভাষাৰ বিদগ্ধ পণ্ডিত। মাজুজন পুত্ৰ লোকনাথ সংস্কৃত, আৰবী আৰু পাৰ্চীভাষাৰ ডাঙৰ পণ্ডিত আছিল আৰু তিনিটা ভাষা তেওঁ সুন্দৰকৈ কব পাৰিছিল। তান্ত্ৰিক যোগৰ সাধক লোকনাথ বাকী দুজন ককাই ভাইতকৈ অলপ বেলেগ ধৰণৰ আছিল। তেওঁ অলপ নীৰৱতা ভালপোৱা আৰু সংসাৰৰ প্ৰতি মনকাণ নোহোৱা ধৰণৰ আছিল। ডেকা কালতে অনবৰতে কিতাপ-পত্ৰলৈ নিজানে-নিৰলে বহি থকা তান্ত্ৰিক লোকনাথৰ সংসাৰৰ প্ৰতি বিৰাগভাব দেখি আৰু অনবৰতে চিন্তামগ্নহৈ বহি থক দেখি পিতাক ৰমাকান্ত বৰকৈ চিন্তিত হ'ল। এদিন খঙত তেওঁ লোকনাথৰ সকলোবোৰ কিতাপ-পত্ৰ বান্ধিলৈ নৈত পেলাই দিলে। তেওঁ ভাবিলে- কিতাপ-পত্ৰ নাপায় লোকনাথে সংসাৰৰ পিনে মনোযোগ দিব। কিন্তু তাৰ ফল ওলোটা হ'ল। দেউতাকৰ এই চৰম কাৰ্যত লোকনাথ ইমান ভাগি পৰিল যে তেওঁ খোৱা-বোৱা এৰি বিছনাত পৰিল আৰু তৃতীয় দিনা তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। অতিকৈ সংবেদনশীল লোকনাথৰ অকাল আৰু অভাবনীয় বিয়োগৰ কাহিনীয়ে কিশোৰ মানিকক অভিভূত কৰিছিল।

ডেকা বয়সতে মৃত্যুবৰণ কৰা লোকনাথৰ একমাত্ৰ সন্তান কালিনাথৰ জন্ম হৈছিল ১৮৩০ চনত। দেউতাকৰ দৰে তেওঁ সংস্কৃত, আৰবী আৰু পাৰ্চী ভাষাৰ বিখ্যাত পণ্ডিত আছিল। ধৰ্ম সম্পৰ্কে তেওঁৰ বিচাৰ-বুদ্ধি আছিল অতি উচ্চ খাপৰ আৰু সেই কাৰণে হিন্দু আৰু মুছলমান লোকৰ মনত ধৰ্ম সম্পৰ্কে কিবা খু-দুৱনি লাগিলে কালিনাথৰ ওচৰলৈ আহি খৰচি মাৰি লৈছিল। বিভিন্ন ধৰ্ম গ্ৰন্থৰ সাৰ কথা তেওঁ বিশদভাবে ফঁহিয়াই দেখুৱাব পাৰিছিল। বিদ্বান কালিনাথ কিন্তু দেউতাকৰ দৰে বিৰহী নাছিল। পাণ্ডিত্যৰ কাৰণে তেওঁক সাধাৰণতে "মুন্সি" কালিনাথ ৰায় বুলিও মাতিছিল। সেই সময়ত অৰ্থাৎ উনবিংশ শতিকাত জ্ঞানী-গুণী লোকক "মুন্সি" বুলি সন্মানেৰে সম্বোধন কৰাৰ নিয়ম আছিল।



*সুকুমাৰ ৰায়*

বংগদেশত এক বিশাল সম্ভাব্যৰ সন্ধিক্ষণত কালিনাথৰ জন্ম হৈছিল। সেয়া আছিল নবন্যাস যুগৰ আৰম্ভণি। আগতে কোৱা হৈছে যে বৃটিছসকলে কঢ়িয়াই অনা ইউৰোপৰ সভ্যতাৰ প্ৰথম প্ৰভাব বংগতেই পৰিছিল। তিনিটা বিশিষ্ট সভ্যতা-সংস্কৃতিয়ে বংগদেশৰ মাটিত সংমিশ্ৰণ হ'বলৈ ললে উনবিংশ শতিকাৰ আৰম্ভণিতে। হিন্দু সভ্যতা-সংস্কৃতি আৰু পৰম্পৰাৰ লগতে ইতিমধ্যে মুছলমান সভ্যতা-সংস্কৃতিৰ আন্তঃক্ৰিয়া বংগদেশত হৈ গৈছিল। ইয়াৰ পিছত যেতিয়া বৃটিছসকল আহি হুগলীৰ পাৰত বহি প্ৰথমতে কোম্পানীৰ প্ৰশাসনৰ সদৰ কাৰ্যালয় আৰু পিছত বৃটিছ সাম্ৰাজ্যৰ ৰাজধানী পাতিলে তেতিয়া তৃতীয় বিধ সভ্যতাৰ সংমিশ্ৰণ হ'বলৈ ধৰিলে। ইয়াৰ পৰাই আৰম্ভ হয় বংগৰ নবন্যাস যুগৰ। পশ্চিমীয়া নবন্যাসৰ প্ৰতি বংগৰ শিক্ষিত সমাজে অনুমোদনসূচক সঁহাৰি জনোৱাত আগেয়ে কল্পনা কৰিব নোৱৰা এক নতুন যুগৰ সূচনা হ'বলৈ ধৰিলে। এক নতুন ভদ্ৰলোকৰ শ্ৰেণীৰ জন্ম হ'ল। নিজকে ইংৰাজী ভাষা আৰু সাহিত্যৰ লগত পৰিচিত বুলি গৰ্বৰে ক'ব পৰা লোকৰ সৃষ্টি হ'ল। এই মনোভাবে গেলা গপৰ নেতিবাচক ৰূপ নললে। বৰং সৃজনশীল, সংবেদনশীল, মানৱপ্ৰেমী আৰু মননশীল এচাম লোকৰ আৱিৰ্ভাৱ হোৱাতহে সহায় কৰিলে।

এই চাম লোকৰ ভিতৰত সবাতকৈ প্ৰতিভাবান আছিল ব্ৰাহ্মসকল, যিসকলে নিৰাকাৰ ভগৱানক আৰাধনা কৰাতহে বিশ্বাস কৰিছিল। মূৰ্তি পূজাৰ বিৰোধিতা কৰা এইসকল নিচেই সংখ্যালঘু মানুহে জাত-পাতত বিশ্বাস নকৰিছিল আৰু সতী যোৱাৰ নিচিনা ভয়ঙ্কৰ আৰু অমানৱীয় প্ৰথাৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। এওঁলোক আছিল ৱিদ্যা আৰু সত্যৰ অন্বেষী মানৱতাবাদী সংস্কাৰক। এওঁলোকৰ ভিতৰত ভোটাতৰাহৈ জিলিকি থকা ব্যক্তিজনেই হ'ল ৰাজা ৰামমোহন ৰায়। বিদগ্ধ পণ্ডিত, ভাষাবিদ, সংস্কাৰক আৰু উনবিংশ শতিকাৰ ভাৰতৰ শ্ৰেষ্ঠতম পুৰুষ ৰাজা ৰামমোহনৰ ১৮৮৩ চনত মৃত্যু হোৱাত ব্ৰাহ্ম সমাজৰ সংস্কাৰমুখী আৰু সাহিত্যানুৰাগী অভিযানৰ দায়িত্ব ললে ৰবীন্দ্ৰনাথ ঠাকুৰৰ পিতাক মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে। ৰাজা ৰামমোহনৰ মৃত্যুৰ তিনিবছৰৰ আগতে কালিনাথৰ জন্ম হৈছিল। তেওঁৰ পৰিয়ালত যিহেতু সাহিত্য চৰ্চা আৰু বিদ্যাৰ অন্বেষণ চিৰ বিদ্যমান, সেই গতিকে ব্ৰাহ্ম সমাজৰ কাম-কাজত তেওঁৰ পৰিয়ালো সোমাই পৰিল। বংগত সমাজ সংস্কাৰৰ আলোড়ন তুলিবলৈ সংকল্পবদ্ধ ব্ৰাহ্ম সমাজৰ সৰু পৰিয়ালৰ অন্যতম সদস্য হিচাপে চিনাকি দিয়া কালিনাথৰ ঘৰখন এনেদৰেই ঠাকুৰ পৰিয়ালৰ লগত ঘনিষ্ঠ হৈ পৰে।

কালিনাথৰ আন এটা নাম আছিল মুন্সি শ্যামসুন্দৰ। তেওঁৰ পাঁচজন পুত্ৰ আৰু এজনী ছোৱালী আছিল। দ্বিতীয়জন পুত্ৰ কামদাৰঞ্জনৰ জন্ম হৈছিল ১৮৬৩ চনত। এইখিনিতে কোৱা ভাল হ'ব যে এইজন কামদাৰঞ্জন পিছত উপেন্দ্ৰকিশোৰ ৰায় বুলি বিখ্যাত হৈ পৰিছিল। আগতে উল্লেখ কৰা হৈছে যে সত্যজিতৰ পৰিয়ালৰ আদি পুৰুষ কৃষ্ণজীৱনৰ পৰিয়াল দুটা ঠালত ভাগ হয়। তাৰে এটা ঠালত পুৰুষানুক্ৰমে ব্ৰজৰাম, ৰমাকান্ত, লোকনাথ আৰু কালিনাথৰ জন্ম হৈছিল। গতিকে এই ঠালটোৰ বিষয়ে সকলোৱে জানিছিল। আনটো ঠাল অখ্যাতহৈ আছিল। এই অখ্যাত ঠালটোৰ তৃতীয় পুৰুষত (অৰ্থাৎ কালিনাথৰ সমসাময়িক) হৰিকিশোৰৰ জন্ম হয়। হৰিকিশোৰৰ সন্তান নাছিল। সেইকাৰণে তেওঁ কালিনাথৰ দ্বিতীয় পুত্ৰ কামদাৰঞ্জনক পাঁচ বছৰ বয়সতে কালিনাথৰ ঘৰৰ পৰা নি নিজৰ পুত্ৰৰ দৰে তুলি লয়। আৰু নিজৰ নামৰ লগত মিলাকৈ এই ল'ৰাজনক উপেন্দ্ৰকিশোৰ নাম দি ললে।

উপেন্দ্ৰকিশোৰৰ জন্ম ব্ৰাহ্ম সমাজৰ অন্যতম সদস্য কালিনাথৰ ঘৰত। গতিকে, তেওঁ পূজা-পাতল আদি হিন্দু ধৰ্মৰ কামবোৰ হৰিকিশোৰৰ ঘৰলৈ অহাৰ আগতে দেখা নাছিল। হৰিকিশোৰ মৈমনসিং জিলাৰ জমিদাৰ আছিল তেওঁৰ ঘৰত নিতৌ পূজা-পাতল চলিছিল। নিজে অতি ধাৰ্মিক আছিল আৰু ব্ৰাহ্ম সমাজৰ সংস্কাৰ ধৰ্মী আহ্বানক বিৰোধিতা কৰিছিল। নিজ ধৰ্মক ব্ৰাহ্ম সংস্কাৰৰ পৰা বচাবৰ কাৰণে তেওঁ মৈমনসিং জিলাত সংগঠনো পাতিছিল। তেওঁৰ তোলনীয়া পুত্ৰ উপেন্দ্ৰকিশোৰক ব্ৰাহ্ম সমাজৰ প্ৰভাবৰ পৰা বচাই ৰাখিবলৈ বাৰুকৈ যত্ন লৈছিল। ব্ৰাহ্ম সমাজৰ কোনো ল'ৰাৰ লগত মিলা-মিছা কৰি উপেন্দ্ৰকিশোৰ যাতে নষ্ট হ'ব নোৱাৰে তাৰ প্ৰতিও চকু ৰাখিছিল। সত্যজিৎ ৰায়ে "দেবী" কথাছবিখনত হৰিকিশোৰৰ জমিদাৰী ঘৰত চলা পূজা-পাতল কৰা ছবি খনকে দাঙি দেখুৱাইছে। কথাছবিখনৰ পটভূমি হৰিকিশোৰৰ সময়ৰ আছিল।

উপেন্দ্ৰকিশোৰৰ চৰিত্ৰত লোকনাথৰ ভালেমান গুণ পৰিলক্ষিত হৈছিল। সৰুৰে পৰা ভাষাজ্ঞান সম্পৰ্কে তেওঁ সচেতন আছিল। সংগীত আৰু ছবি অঁকাত প্ৰতিভা দেখুৱাব পাৰিছিল। সৰুতে পঢ়াশালি পৰিদৰ্শন কৰিবলৈ অহা গভৰ্নৰ চাহাবৰ ছবি এখন সুন্দৰকৈ আঁকি তেওঁ পুৰস্কাৰ পাইছিল। সত্যজিতে উপেন্দ্ৰকিশোৰৰ শৈশৱ কালৰে কিছু কথা "অপৰাজিত" কথাছবিত ফুটাই তুলিছে। এই ছাবিখনত শিশু অপুৱে কবিতা সুন্দৰকৈ আবৃত্তি কৰি বিদ্যালয় পৰিদৰ্শকক চমক লগাব পৰা দৃশ্য এটাত উপেন্দ্ৰকিশোৰৰ শৈশৱ কালৰ ঘটনাটো পুনৰাভিনয় কৰা হৈছে। উপেন্দ্ৰকিশোৰ পঢ়াত মেধাবী আছিল আৰু সেয়ে চৰকাৰী জলপানিলৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়িবলৈ সুবিধা পাইছিল। সংগীত, ছবি অঁকা আৰু নাটক ৰচনাত তেওঁ প্ৰতিভা দেখুৱাই প্ৰেচিডেন্সি কলেজত বিশেষ নাম ৰাখি গৈছিল।

হৰিকিশোৰৰ ইতিমধ্যে পুত্ৰ সন্তান হোৱাত উপেন্দ্ৰকিশোৰে মৈমনসিং এৰি কলিকতাত থিতাপি লবলৈ ঠিক কৰিলে। হৰিকিশোৰে নিজৰ পুত্ৰৰ নাম নৰেন্দ্ৰকিশোৰ ৰাখিলে। উপেন্দ্ৰকিশোৰক তেওঁ সম্পত্তিৰ একাংশ দিলে যদিও তেওঁৰ তোলনীয়া পুত্ৰই মৈমনসিং জিলাত থাকিবলৈ ইচ্ছা নকৰিলে। কলিকতাত নিগাজিকৈ থকাৰ উপেন্দ্ৰকিশোৰৰ দুটা বিশেষ কাৰণ আছিল। প্ৰথমতে, কলিকতাত পঢ়ি থকাৰ সময়ত তেওঁ বংগৰ নবন্যাস যুগৰ কেন্দ্ৰভূমি কলিকতাত কলা-সংস্কৃতিৰ প্ৰচুৰ সম্ভাৱনা দেখা পাইছিল আৰু সেই কাৰণে তেওঁ ইয়াৰ পৰা বিচ্ছিন্ন হব বিচৰা নাছিল। দ্বিতীয়তে, ব্ৰাহ্ম সমাজৰ প্ৰতি আকৃষ্টহৈ তেওঁ সংস্কাৰমুখী কামবোৰৰ লগত জড়িতহৈ কলিকতাত নিজৰ সুকীয়া আসন বিচাৰি পালে। এই সময়ছোৱাতে তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ সান্নিধ্যলৈ আহে। পিছত তেওঁ বংগৰ নবন্যাস যুগৰ অন্যতম বাৰ্তাবাহক হিচাপে সুপৰিচিত হৈ পৰে।


১৮৮৪ চনত উপেন্দ্ৰকিশোৰে কলা বিষয়ত, প্ৰেচিডেন্সি কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে আৰু তাৰ পিছতে তেওঁ দ্বাৰকানাথ গাংগুলীৰ কন্যা বিধুমুখীক বিয়া কৰায়। দ্বাৰকানাথ গাংগুলী বংগৰ এজন খ্যাতনামা ব্যক্তি আছিল। ১৮৪৪ চনত তেওঁ পূৰ্ববংগত জন্ম গ্ৰহণ কৰে। ১৬ বছৰ বয়সতে তেওঁ হিন্দু ধৰ্মৰ প্ৰচলিত কঢ়া নীতি-নিয়মৰ বিৰুদ্ধাচৰণ কৰি ঘৰৰ পৰা ওলাই আহে। মহিলাৰ প্ৰতি চলি থকা সামাজিক অন্যায়ৰ প্ৰতি তীব্ৰ বিৰোধিতা কৰি তেওঁ যথেষ্ট সংখ্যক প্ৰবন্ধ লিখিছিল। ব্ৰাহ্ম সমাজৰ প্ৰতি আকৃষ্ট হৈ তেওঁ এই সমাজৰ সক্ৰিয় সদস্য হৈ পৰে। Indian Association নামৰ সংস্থাটোৰ তেওঁ সহকাৰী সম্পাদক পদত থাকোতে অসমলৈ আহি ইয়াৰ চাহ বনুৱাসকলৰ শোচনীয় অৱস্থা অধ্যয়ন কৰি কেইবাটাও প্ৰবন্ধ লিখে আৰু সেইবিলাক "বেঙ্গলী" আৰু "সঞ্জীৱনী" নামৰ পত্ৰিকা দুখনত প্ৰকাশ পায়। এই প্ৰবন্ধখিনিৰ সংকলন পিছত ১৯৭২ চনত "Slavery in British Dominion" নামৰ গ্ৰন্থ আকাৰত প্ৰকাশ পায়। দ্বাৰকানাথে দুগৰাকী বিয়া কৰাইছিল। প্ৰথম গৰাকী পত্নীৰ সন্তান বিধুমুখীকে উপেন্দ্ৰকিশোৰে বিয়া কৰাইছিল। বিধুমুখীৰ মাকৰ মৃত্যুৰ পিছত দ্বাৰকানাথে জীয়েকৰ বয়সৰ স্কুলত পঢ়ি থকা ছোৱালী কাদম্বিনীক বিয়া কৰায়। অতিকৈ মেধাবী এই ছোৱালীজনীক দ্বাৰকানাথে বিয়াৰ পিছতো পঢ়িবলৈ সুবিধা দিছিল। ফলত কাদম্বিনীয়ে ১৮৮২ চনত বি, এ, পাছ কৰি ভাৰতৰ দ্বিতীয় গৰাকী মহিলা স্নাতক হোৱাৰ খ্যাতি লাভ কৰিছিল। উল্লেখযোগ্য যে মাত্ৰ তিনিবছৰৰ আগতে অৰ্থাৎ ১৮৭৯ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম গৰাকী বৃটিছ মহিলাই স্নাতক ডিগ্ৰী লাভ কৰিছিল। এডিনবাৰ্গত শিক্ষা লাভ কৰা কাদম্বিনী ভাৰতৰ প্ৰথম গৰাকী মহিলা চিকিৎসক আছিল। তেওঁৰ হাততে ১৯২১ চনৰ ২ মে'ৰ দিনা সত্যজিতৰ জন্ম হৈছিল।

দ্বাৰকানাথ গাংগুলী অতি বহল মনৰ আছিল; আৰু স্ত্ৰীশিক্ষাৰ বৰেণ্য পৃষ্ঠপোষক আছিল কাৰণেই তেওঁৰ দ্বিতীয়া পত্নী কাদম্বিনীয়ে উচ্চ শিক্ষা লোৱাৰ সুবিধা পাইছিল। উপেন্দ্ৰকিশোৰৰ পত্নী বিধুমুখী মাহীমাক কাদম্বিনীৰ সমবয়সীয়া আছিল যদিও তেওঁ উচ্চ শিক্ষা নাপালে। সৰুতে বিয়া দিয়াৰ কাৰণে আৰু ছটা ল'ৰা-ছোৱালীৰ মাতৃ হোৱাৰ কাৰণে ঘৰ সংসাৰ চলাওঁতে জীৱনটো পাৰ কৰি দিলে। তেওঁৰে দ্বিতীয় সন্তান সুকুমাৰ (সত্যজিতৰ দেউতাক) ১৮৮৭ চনত জন্ম হয়। তৃতীয় সন্তান পুণ্যলতা অৰ্থাৎ সত্যজিতৰ পেহীয়েকে শৈশৱ কালৰ কথাবোৰ আত্মজীৱনী "ছেলেবেলাৰ দিনগুলী"ত প্ৰকাশ পাইছে। তাতে সুকুমাৰৰ শৈশৱৰ দিনবোৰৰ পৰিষ্কাৰ আভাস পোৱা যায়। ১৯৫৭ চনত প্ৰকাশ পোৱা এই কিতাপখনৰ ছবিবোৰ সত্যজিতে অঁকা। সৰুতে পিতৃহাৰা হোৱা সত্যজিতে পেহীয়েকৰ মুখতে দেউতাকৰ প্ৰতিভাৰ কথা শুনিবলৈ পাইছিল।

*ক্ৰমশঃ*

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন : চম্পক বৰুৱা

লাহৰী আৰু কামিনীয়ে মাকৰ লগত খাবলৈ বহিব, তাৰ পিছত তিনিও কাঁহী-বাতি ধুই চৰু সামৰি শুবলৈ যাব। সেইনিশা পাটীত পৰাৰ লগে লগে মেধিৰ নাকে ঘোৰ ঘোৰাবলৈ ধৰিলে। গোটেই পৰিয়ালটো শুই নিঃপালি দিলে।

পিছদিনা পুৱাই শ্ৰীমন্ত আৰু মধু শইকীয়াই চাইকেলখন উলিয়াই লৈ গাটো ধুই চাহ-পানী খাই দোকানলৈ বুলি ৰাওনা হ'ল। পুৰণি অভ্যাসৰ বাবে শহুৰেকে গাড়ীৰ গাৰোৱান হাঁহিৰামক লৈ দা-কোৰেৰে বাৰীখন চিজিল কৰিবলৈ লাগিল। আহোতে ঘৰৰ পৰা গোলনেমু, কাজী নেমু, জলকীয়া আদিৰ পুলি ভালেমান লৈ আহিছে। সেইবোৰ ৰুবলৈ আৰম্ভ কৰিলে।

চাহটোপাত সোহা মাৰোতে শইকীয়াই সেউতীক ক'লে। "পিতাই দুদিনলৈ আহিছে, অকণমান জিৰণি ল'বলৈ ক'বাচোন। ওচৰ-চুবুৰীয়া মানুহে মোক হাঁহিব, শহুৰেকৰ হতুৱাই কাম কৰাই লৈছে বুলি।"

জোঁৱায়েকক প্ৰবোধ দি শাহুৱেকে ক'লে "এইজনা মানুহে কৰ্মৰ বাহিৰে একো নুবুজে। আগতে হকা-বধা কৰিছিলো যদিও আজি-কালি একো নকওঁ। মোৰ জীয়ৰীয়ে তেওঁক কি বাধা দিব। মোক কয় 'ঢেঁকী স্বৰ্গলে গ'লেও ধান বানিব লাগে। ওপজাৰ সময়ত বোলে তেওঁৰ কপালত লিখা আছিল কৰ্ম কৰিব লাগিব বুলি। কৰ্ম সিদিনা বন্ধ হ'ব যিদিনা তেওঁ চকু মুদিব। এনেকুৱা এটা ডাঙৰ কথা কোৱাৰ পিছত মইনো তেওঁক হকা বাধা কৰোঁ কেনেকৈ ?

জোঁৱায়েকে আত্মপ্ৰসাদৰ সৈতে চাহখিনি খাই শ্ৰীমন্তক ইংগিত দিলে "এতিয়া আমাৰ গা কৰিবৰ হ'ল।"

শ্ৰীমন্তই ক'লে "ইমানদূৰ বাট তোমাৰ চাইকেলৰ কেৰিয়াৰত বহি যাবলৈ মোৰ বেয়া লাগে। মই পিতাইক কৈ পিতাইৰ চাইকেলখন ইয়াতে ৰাখিলো।" দুয়ো দুখন চাইকেলেৰে আগবাঢ়ে।

সেউতীয়ে গিৰিয়েকক দুপৰীয়া ঘৰতে ভাত সাজ খাবলৈ ক'লে "পিতায়ে অকলে ভাত খাবলৈ বেয়া পায়। বেলা দুপৰ হওঁতে আহিলে হ'ব।"

"বজাৰৰ পৰা কিবা আনিব লাগিলে কাগজ এখনত লিখি থ'বা। মই দুপৰীয়া আহোতে লৈ যাম। এতিয়া চক্ বজাৰত একো নাপাম। পিছতহে লাহে লাহে বজাৰ বহে।"

"আপুনি বজাৰ কৰি আহোঁতে নিশা দোভাগ হ'বগৈ। তেতিয়ানো সেই বস্তু কি ৰান্ধিম।"

"কথাটো মই মনকৰা নাই বুলি ভাবিছা নেকি ? দাং বৰলাৰ ভাত খাইছিলো যদিও এই কেইদিনতে কিছু শিকিলো। মই আগতে ভাবি থৈছো বজাৰ বহিলে বগামনৰ হাতত বস্তুখিনি কিনি চাইকেলখনেৰে মোনাটো দি পঠিয়াম। কালি, সিহঁতক কৈ আহিছিলো। কলামনে তাক লগত লৈ ঘৰটো দেখুৱাই যাবহি। বগামন ডাঙৰ ল'ৰা, চাইকেল চলাবও জানে, গতিকে তোমাৰ একো অসুবিধা নহয়।"

"সিহঁত আহিছে নেকি" বুলি সাউতকৈ সেউতীয়ে চ'ৰাঘৰৰ মাজেৰে গৈ দুয়োকো ভিতৰলৈ লৈ আহি ভেকাহি মাৰি ক'লে, "তোমালোক আলহী হ'লা কেতিয়াৰ পৰা ?" সিহঁতক পিৰালিত বহুৱাই চাহ-জলপান দিলে। অকণমান সময় দেৰি হ'লেও সেউতীৰ এনেকুৱা কথাবোৰে মধুৰ মনত অপাৰ আনন্দ জগায়। এইবাৰ শ্ৰীমন্তই কলামনক শইকীয়াৰ চাইকেলৰ কেৰিয়াৰত বহুৱাই দি বগামনক নিজৰ পিছফালে তুলি ল'লে। কলামন সৰু ল'ৰা ভনী-জোঁৱায়েকে কষ্ট নাপাব। হাজাৰ হ'লেও বয়সৰ কথা এটা আছে নহয়। বাটত আহোতে দুইজনে নানা কথা পাতিলে। শইকীয়াৰ ঘৈণীয়েকে তেওঁক দুপৰীয়া ভাত খাবলৈ আহিবলৈ কোৱাৰ কথা ক'লে।

"ককাই আপোনাৰ ভাতকেইটা তেতিয়াহ'লে আজি বগামনকে সিজাবলৈ দিব।"

বগামনে তপৰাই মাত লগালে "কালি বজাৰত দেখিছিলো সৰু মাছ ওলাইছে।"

"ভাজি খাবলৈ ভাল পাব," শ্ৰীমন্তই সঁহাৰি জনালে।

"তোক ঠাকুৰীয়াই ৰান্ধিবলৈ শিকালে।" ইয়াৰ আগলৈকে মধু শইকীয়াক বগামনে খাটাংকৈ একো সম্বোধন কৰা নাছিল।

"ভিনিহিৰ বাবেও কেইটামান মাছ চৰুতে ভাজি থ'ম।"

শইকীয়াৰ চাইকেলখন ওচৰে ওচৰে গৈ আছিল। মনে মনে ভাবিলে ল'ৰাটো মৰমিয়াল। বিশ্বাসী যেনো লাগিছে। আগলৈ তাৰ কিবা এটা দিহা কৰিব লাগিব। ঘৰত শাহুৱেক-শহুৰেক দুয়ো আছে বাবে শইকীয়াই নিশ্চিন্তমনে দোকানলৈ আগবাঢ়িল।

আগৰ দিনাতকৈ সেইদিনাৰ বিক্ৰী সৰহ হ'বলৈ আৰম্ভ কৰিলে। দোকানৰ আগত নিলগৰ পৰা অহা কেবাজোৰা গ্ৰাহক আহি ৰৈ আছিল। চোলাটোৰ ভিতৰ জেপৰ পৰা চাবিকোছা উলিয়াই শইকীয়াই এটা এটাকৈ তলাবোৰ খুলিলে। কাম কৰা ল'ৰা দুটাক লৈ শইকীয়াই গ্ৰাহকৰ তদাৰক কৰিবলৈ ধৰিলে। শ্ৰীমন্তই আগদিনাই কৰি থোৱা লিষ্টখন অনুসৰি জেপত পইছা লৈ পাইকাৰী দোকানৰ পৰা বস্তু আনিবলৈ আৰু কাগজ, বহী, কিতাপ আদি আনিবলৈ বুলি চাইকেলত উঠি বজাৰলৈ বুলি ধাপলি মেলিলে। আগদিনাই শ্ৰীমন্তই পাইকাৰী দোকানৰ ভু লৈছিল। দোকানৰ ছাপ মৰা কাগজৰ লিষ্টখন লৈ যোৱা বাবে শ্ৰীমন্তক পাইকাৰীয়ে বস্তু দিবলৈ আপত্তি নকৰিব বুলি আশ্বাস দিছিল। তাতে লিষ্টৰ তলত শইকীয়াৰ চহীও আছিল। শ্ৰীমন্তই উভতি আহি দোকান পাওঁতে বেলা দুপৰ হৈছিল। বিক্ৰীও অলপ সেৰেঙা হ'বলৈ ধৰিলে। বস্তু বাহানিবোৰ দুয়ো চিজিল কৰি থ'লে। কাগজ, পেঞ্চিল, বহীৰ হিচাপ বেলেগে ৰাখিলে। তেতিয়া নতুনকৈ 'ব্লে কবাৰ্ড' বুলি কলম ওলাইছিল। কলম মানে ফাওণ্টেইন্ পেন। তাৰো কেইবা তৰহৰ বেলেগ বেলেগ দামৰ বেলেগ বেলেগ বৰণৰ কেইডজনমান সেই কলমো আনিছিল। বিক্ৰী হ'ব বুলি। ওপৰ শ্ৰেণীৰ ল'ৰাই ফাওণ্টেইন পেনেৰে লিখে। তলৰ শ্ৰেণীৰ ল'ৰাই দোৱাত, চিয়াঁহী আৰু কলম লৈ স্কুললৈ গৈছিল। সেইবোৰ চিয়াঁহীত জুবুৰীয়াই লিখা কলমৰ নিব্‌বিলাক বেলেগ বেলেগ ধৰণৰ আছিল।

বস্তুবোৰ সম্পূৰ্ণকৈ চিজিল কৰি থোৱাৰ আগতে শ্ৰীমন্তই শইকীয়াক ক'লে, 'মধু তুমি ঘৰলৈ যোৱাগৈ, যিখিনি পাৰো মই এতিয়া ঠিক কৰিম। বাকীবোৰ নিশাহে কৰিব পাৰিম। পিতাই খাবলৈ ৰৈ থাকিব।'

কথাষাৰ শুনাৰ লগে লগে শইকীয়াই সম্বিত ঘূৰাই পাই ঘৰলৈ বুলি চাইকেলত জাঁপমাৰি উঠিল। ঘৰ আহি পাই দেখিলে চ'ৰাঘৰত শহুৰেক বহি আছে । এটা অপৰাধী ভাব মুখত লৈ শহুৰেকক ক'লে "দুখন দোকান হ'ল। কামৰ লেঠাও বাঢ়িল। আপোনাৰ বহুত পলম হ'ল চাগে।"

"নহয় বোপা, মই এইমাত্ৰ বাৰীৰ পৰা আহি হাত-মুখ ধুই বহিছোহে। তুমি হাত-মুখ ধোৱাগৈ।"

ততাতৈয়াকৈ ভিতৰলৈ সোমাই চোলাটো খুলি থৈ হাত-মুখ ধুই শইকীয়াই সেউতীক ভাত বাঢ়িবলৈ ক'লে। শহুৰেক-জোঁৱায়েক দুয়ো ওচৰা-ওচৰিকৈ বহি ভাত খাই থাকোতে কোনোবা এটা সময়ত শহুৰেক কাকতিয়ে জোঁৱায়েকক জনালে "কাইলৈ নিচেই পুৱাতে মই ঘৰলৈ যাম বুলি ভাবিছো। ভালেমান কামৰ লেঠা। ককাইদেউৰ ডাঙৰ বোৱাৰীজনীক ঘৰ চমজাই দি আহিছো। আজিকালিৰ ছোৱালীবোৰ আগৰ মাইকী মানুহৰ নিচিনা নহয়। ল'ৰা-ছোৱালী কেইটাই ভালকৈ দুমুঠি খাবলৈ পাইছেনে নাই নাজানো। শ্ৰীমন্তৰ মাক কেইদিনমান থাকক। মই দুই এদিনতে গাভিনী গাই এজনী পিয়ন চৰা চেঁউৰী এটাৰে সৈতে দি পঠাম। তোমাৰ গৃহস্থীৰ বাবে গাখীৰৰ দৰকাৰ হ'ব। কাম কৰা ল'ৰা এটাও লগতে পঠিয়াব লাগিব। তুমি ইয়াৰ ভিতৰতে হাজিৰা মানুহ লগাই গোহালিটো সজাবা। মই ঠাইডোখৰ সেউতীক দেখুৱাই দিছো। গৰু তুলিব লাগিলে গোহালিত ৰ'দ পৰিব লাগিব। য'তে ত'তে গোহালি সাজিলে গৰু নুঠে। পোৱালিবোৰ পিয়ন চৰাৰ আগতে মৰে। আগতে পঠিওৱা গৰুজনী আৰু পোৱালিটোৰ চেহেৰা ধৰা নাই। সেই চালিখনৰ তলত গৰু উঠিব নোৱাৰে। গোহালিটো ভালকৈ কৰাবা। মই খেৰো পঠিয়াম।" তাৰপিছত ৰান্ধনী ঘৰৰ দুৱাৰমুখত ৰৈ থকা সেউতীলৈ চাই ক'লে, "মনবৰক পঠাই দিম বুলি ভাবিছো। সি কাম মানুহ, নিজৰ মনেৰে চিজিলকৈ কামবোৰ কৰিব জানে। তহঁতক সৰুৰ পৰাই পাইছে বাবে মৰমো কৰে। তাক মাহেকে-পষেকে ঘৰলৈ যাবলৈ মুকলি কৰি দিবি। ঘৰত খৰি-খেৰ, চাউল-পাত দি থৈ আহিব লাগিব। বুঢ়ীমাক জনী আছে। ককায়েকহঁত বেলেগ হোৱাৰ পিছৰ পৰা তাৰ মনটো সলনি হ'ল। মই তাৰ ঘৰৰ খবৰ-বাতৰি লৈ থাকিম।"

কথাবোৰ মগ্ন হৈ শইকীয়াই শুনিলে। প্ৰখৰ ৰ'দত মূৰৰ ওপৰত এটা ছাতিৰ ছাঁ পোৱা যেন লাগিল। ভাত খাই উঠিয়েই মধু শইকীয়াই দোকানলৈ যাবলৈ ওলাল। সেউতীয়ে বজাৰৰ পৰা কি বি আনিব লাগিব ফুচফুচাই ক'লে। চাইকেলত উঠি দোকানমুৱা হওঁতে শইকীয়াৰ মনতো অপাৰ আনন্দৰে উপচি পৰিল। এইখন ঘৰ এনেকৈয়ে গঢ় ল'ব বুলি তেওঁ কোনোদিনে কল্পনা কৰা নাছিল সকলো গোঁসাইৰ ইচ্ছা। মাজতে এবাৰ নিজৰ এৰি অহা ঘৰখনৰ কথ মনত পৰি মনটো সেমেকি যায়।

পুৰণি দিনৰ কথাবোৰ তেওঁ ক'বলৈকো ভাল নাপায়, মনত পেলাবলৈকো ভাল নাপায়। দোকানৰ সমুখত আহি দেখিলে আকৌ ব্যস্ততা আৰম্ভ হৈছে। শইকীয়াই চাইকেলৰ পৰা নমাৰ লগে লগে বগামনে চাইকেলখন ভিতৰলৈ লৈ গ'ল। চাৰিমান বজাত চ'ক বজাৰ বহিলত শ্ৰীমন্তক দোকানখন গতাই দি ঘৈণীয়েকে কোৱামতে ইপদ-সিপদকৈ বস্তুৰ টোপোলা এটা কৰি দোকান ওলালেহি। মাছ-পুঠি কেইটা বেলেগে লৈছিল। সেই গোটেইখিনি চাইকেলৰ কেৰিয়াৰত বান্ধি দি বগামনক ক'লে। "ঘৰত দি থৈ সোনকালে আহিবি।"





সূত্ৰধাৰ ▫ ১৬-৩১ জুলাই, ১৯৯২

ইফালে কাকতিয়নীয়ে ভাতকেইটা খোৱা শেষ কৰি মুহুদিখন মুখত লৈ জীয়েক সেউতীক লৈ চুবুৰীৰ মানুহ কেইঘৰলৈ গাওঁ ফুৰিবলৈ গ'ল। পোন-পহিলাতে হাজৰিকাৰ ঘৰলৈ গ'ল। চা-চিনাকি হ'ল। ঘৰুৱা কথা-বতৰা পাতিলে আৰু লগতে বেকত কৰিলে সেইদিনা ছোৱালীজনীক তেখেতে আহি আশ্বাস দিয়া কাৰণে বৰ আনন্দ পাইছে বুলি। আৰু কেইবাঘৰো মানুহ আছিল সেইখিনিতে তাৰে তিনিঘৰ মানত মাতবোল দি ঘৰমুৱা হওঁতে সাজ লাগিছিল। শোৱনি কোঠাৰ পিছপিনে এখন সৰু চালিৰে বেৰ দি তাতে সেউতীয়ে গোঁসাইৰ থাপনা এখন পাতিছিল। হাত-ভৰি ধুই থাপনাত সেউতীয়ে চাকি-বন্তি লগালে। সেৱা কৰিবৰ সময়ত পকামুৰাৰ ঘৰখনৰ এটি এটিকৈ সকলোৰে কাৰণে কাকুতি জনালে। এজন এজনকৈ প্ৰত্যেকৰে কথা ভাবি গোঁসাইক ক'লে, তেওঁলোক সকলোৰে যেন কল্যাণ কৰে। সকলোকে যেন ভালে ৰাখে। দেউতাক-মাকৰ কাৰণেও প্ৰাৰ্থনা কৰিলে। সেইখিনি কৰোতে তাইৰ চকু চলচলীয়া হৈ উঠিছিল। শেষত শইকীয়াৰ কাৰণে ক'বলৈ গৈ এটা তৃপ্তিৰ আনন্দেৰে তাইৰ মুখমণ্ডল উদ্ভাসিত হৈ উঠিল। এনেকুৱা এজন ভোলানাথ পুৰুষৰ হাতত তাইক গতাই দিয়া বাবে সহস্ৰ কৃতজ্ঞতাৰে থাপনাখনৰ আগত আত্মসমৰ্পণ কৰিলে। সেৱা কৰি উঠি মনে মনে ভাবিলে, কেইদিনমান গ'লে গিৰিয়েকক ঘন পণ্ডিতৰ ওচৰলৈ পঠিয়াই দিব বুলি। মাইকী মানুহেও বোলে শিৱ পূজা কৰিব পাৰে। সোমবাৰে ব্ৰত কৰি গিৰিয়েকৰ কুশলৰ বাবে নিশা সদাশিৱৰ ওচৰত নৈবেদ্য উছৰ্গা কৰিব। পণ্ডিতৰ পৰা নিয়মখিনি লিখাই অনাব বুলি ভাবিলে। নিশা হোৱাৰ পিছত শ্ৰীমন্তই শইকীয়াক ক'লে,"ওচৰৰ দোকানৰ পৰা বগামনৰ হতুৱাই আঠুৱা আৰু বিছনা-চাদৰ এখন অনাইছো। নিশা বগামনৰ হাতেৰে ভাত মুঠি খাই মই ইয়াতে কাতি হ'ম। ইমানবোৰ টকা-পইছা হাতত লৈ ঘৰলৈ নিশাখন যোৱাটো উচিত নহ'ব। মই ভবাটোহে কৈছো। ৰজামৈদাম পাৰ হোৱাৰ পিছত সেইছোৱা বাট খেনোৱে কোৱাত শুনিছিলো ভাল নহয় বুলি। বৌটিক ক'বা মই দুপৰীয়া চাউল মুঠি তাতেই ধৰিম।"

শ্ৰীমন্তৰ কথাত যুক্তি, দায়িত্বসম্পন্নতা আৰু দৃঢ়তা দেখি আনন্দ পালে। তথাপিও কথাটো কেনেবা কেনেবা যেন লাগিল।

"ককাইদেউ, আপোনাক এনেকৈ এৰি থৈ গ'লে ভনীয়েকে জানোচা মোৰ ওপৰত অসন্তোষ কৰে। আপুনি ঘৰলৈ যাওকগৈ। মই ইয়াতে থাকিম। আগতে বৰলা ভাত খাওঁতে এনেকৈ বহুনিশা দোকানত কটাইছিলো, মোৰ অভ্যাস আছে।"

"অভ্যাস তোমাৰ নহয়, মোৰো আছে। সেউতীয়ে তোমাৰ ওপৰত অসন্তোষ কৰিলে সেই অসন্তোষ ফুটুকাৰ ফেন, ভাঙোতে বেছি পৰ নালাগিব ; কিন্তু ককায়েকৰ ওপৰত অসন্তোষ কৰিলে কেনেকুৱা হ'ব ভাবি চোৱাচোন। দেৰি নকৰিবা, পিতাইৰ ফুট গধূলিতে ভাত খোৱাৰ অভ্যাস; ঘৰত থাকিলে এতিয়ামানে শুই নিঃপালি দিলেহেঁতেন।"

মধু শইকীয়াই এইবাৰ যাবলৈ সাজু হ'ল। আবেলি কোনোবা এটা সময়ত বজাৰৰ পৰা ভাল ধুতি এখন, গেঞ্জী আৰু পাঞ্জাৱী চোলা এটা শহুৰেকলৈ বুলি কিনি আনিছিল। খুলশালীয়েক কেইটাৰ কাৰণে লুজেন, কেবাবিধো বেলেগ বেলেগ ধৰণৰ বিস্কুট আনি চাইকেলৰ মোনাটোত সুমুৱাই ল'লে। বগামন চতুৰ ল'ৰা। চাইকেলৰ লেম্পটো আগতেই জ্বলাই থৈছে।

ঘৰত জপনা মেলি ভিতৰ সোমাই বাহিৰৰ চ'ৰাঘৰত চাইকেলখন আওজাই থৈ টোপোলাটো সেউতীৰ হাতত দিলে। কাপোৰৰ টোপোলাটো খোলাৰ সময়ত শাহুৱেক সেউতীৰ ওচৰত থিয় হৈ আছে। আচৰিত হৈ শাহুৱেকে সুধিলে।

"এইবোৰ চুৰীয়া, চোলা, বনিয়ন কাৰ কাৰণে আনিলা ?"

একো নামাতি মূৰটো খজুৱাই শইকীয়াই সেমেনা-সেমেনিকৈ থাকিলে। এবাৰ ফুচফুচাই সেউতীক সুধিলে "পিতায়ে বেয়া পাব নেকি, মই এনেকৈ বস্তু দিলে ?"

কথা শাহুৱেকৰ কাণত পৰাৰ লগে লগে কাপোৰখিনি থাপ মাৰি লৈ শাহুৱেকে ক'লে, "বেয়া পাব কেলেই বোপা, তুমি জানো আমাৰ পো নোহোৱা ? বুঢ়া বয়সত তোমালোকেই কিজানি চাব লাগে।"

কাকতি সিফালৰ কোঠাত বহি আছিল। কাকতিয়নীয়ে কাপোৰখিনি লৈ গৈ গিৰিয়েকৰ হাতত দি আটায়ে শুনাকৈ ক'লে, "জোঁৱায়েকক আপুনি আহুদি কৰিলে যেন পাইছো। এইবোৰ আপোনালৈ কাপোৰ আনিছে।"

কাপোৰ কেইটা হাতত লৈ এটা অপূৰ্ব্ব আত্মপ্ৰসাদেৰে কাকতিৰ মন পৰিপূৰ্ণ হৈ উঠিল। কাকতিয়নীয়ে জোঁৱায়েকৰ ওচৰলৈ আহি ক'লেহি,– "এই মানুহজনে আজি কিমান সন্তোষ পাইছে মইহে বুজিম। কেতিয়াও কোনেও খুদকণ এধানো দিয়া নাছিল।" কথাকেইটা কওঁতে শাহুৱেকৰ আনন্দত আপ্লুত হৈ চকুকেইটা চলচলীয়া হৈ উঠিছিল। আগৰ নিচিনা জোঁৱায়েকৰ ওচৰত একাঠি ওৰণি নলৈছিল। এতিয়াও কিন্তু ওৰণিখন যথেষ্ট দীঘল আছিল। মধু শইকীয়াই তেওঁৰ মুখৰ অভিব্যক্তিবোৰ দেখিবলৈ নাপালে। হঠাৎ কথাটো মনত পৰি সেউতীয়ে সুধিলে–"ককাইদেউ কেতিয়া আহিব ?"

সেউতীৰ প্ৰশ্নটোৰ উত্তৰ দিবলৈ নৌপাওঁতেই শাহুৱেকে মজিয়াত ভাত বাঢ়ি দি দুয়ো শহুৰেক-জোঁৱায়েকক মাতি লৈ গ'ল। বুজনিৰ সুৰত ক'লে, "ককাইদেৱে পইছা হাতত লৈ নিশা ঘৰলৈ উভতিবলৈ নিবিচাৰে। আজি কাম-কাজবোৰ চিজিল কৰিবলৈ আছিল। কাইলৈ পুৱা সোনকালে বোলে দোকান খুলিব।"

শহুৰেকে ভাতৰ গৰাহ মুখত ভৰাই আনন্দ মনেৰে ক'লে, "খেতিত তাৰ কোনোদিনে মন নবহিল। কাৰবাৰত ভালকৈ মন বহিছে। তোমালোক দুয়োটাই ককাই-ভাইৰ নিচিনা হৈ থাকিলে মোৰ আৰু ভাৰস্তত একো চিন্তা নাইকিয়া হ'ব।"

সেইদিনা নিশা পাটীত পৰোতে সেউতীয়ে গিৰিয়েকৰ ওচৰ চাপি সুধিলে,–"আপুনি ইমান ভাল কেনেকৈ হ'ল।"

"সেইটোৰ উত্তৰ তুমিহে দিব পাৰিবা।"

"কেলেই ?"

"কোনোবা সপোনপুৰৰ পৰা সপোন কুঁৱৰীয়ে আহি শিল হৈ থকা মানুহটোক সোণৰ কাঠিৰ পৰশত জগাই তুলিলে। তাকে আজি এই কেইদিন মই ভাবিছো। পৃথিৱীত ইমান মৰম, ইমান ভালপোৱা আছে বুলি মই নাজানিছিলো। বলোককাই, নবৌ, বান্ধহঁত এতিয়া আই-পিতাই এই গোটেইবোৰ মোৰ কোনোবা জনমৰ চিনাকি যেন আছিল। কেতিয়াবা পানীৰ মিঠৈৰ দৰে ভাঙি নগ'লেই হয়। তোমাৰ গাটো ভালে ৰাখিব লাগিব। হাস্পাতালত লেডী ডাক্তৰণী এগৰাকী আহিছে। বজাৰত কোৱা শুনিছিলো চিকিৎসা বৰ ভাল বুলি। তেওঁৰ ওচৰলৈ তোমাক লৈ যাওঁ বুলি ভাবিছো।"

কথাবোৰ শুনি সেউতীয়ে তন্ময় হৈ ৰৈ থাকি ক'লে, "আপুনি কথা ক'লে শুনি থাকিবৰ মন যায়। ধেৎ, মই হ'লে কোনো লেডী ডাক্তৰৰ ওচৰলৈ নাযাওঁ দেই। মাইকী মানুহৰ এইবোৰ অৱস্থা সদায় ঘৰতে চাফা হয়।"

কিবা কিবি ভাবি থাকোতে দুয়োটাৰ চকুৰ পাহিবোৰ গধুৰ হৈ আহে। দুয়ো টোপনিত লালকাল দিয়ে।

ৰাতিপুৱাই লৰালৰিকৈ উঠি শহুৰেকে গা-মূৰ তিয়াই ঘৰলৈ যাবলৈ ওলাল। জোঁৱায়েকক ক'লে–"বোপা, তুমিও ওলোৱা। আহিবৰ সময়ত তিনিআলিৰ হাতখোলাৰ হৰ দোকানীয়ে টকা দুশ দি পঠিয়াইছিল। এইখন ফৰ্মাইচ। উভতি যাওঁতে গাড়ীখনত বস্তুখিনি লৈ যাব পাৰিলে বৰ উপকাৰ হ'ব বুলি দঢ়াই দঢ়াই কৈছিল। সেইবোৰ ঠাইলৈ যোৰহাটৰ চ'ক বজাৰৰ পৰা বস্তু-বাহানি লৈ যাবলৈ ভালেমান আয়োজনৰ দৰকাৰ হয়। অহুকাণে-পহুকাণে আজি গাড়ীখনেৰে উভতি আহিম বুলি শুনি পোহৰ নৌ হওঁতেই পইছাকেইটাৰে সৈতে ঘৰ ওলাইছিল। মানুহটো ভাল। সেউতীৰ বিয়াত ভালেমান বস্তু উঠনাত দিছিল। গতিকে এইফেৰা কাম কৰি দিয়াত মই আপত্তি কৰা নাছিলো।"

"হব, সেইটোনো কি কথা, ততাতৈয়াকৈ চাহপানী খাই মধু শইকীয়া যাবলৈ ওলাল। হাঁহিৰামে যাবৰ পৰত সেউতীক মাত দিয়াৰ সময়ত তাইৰ চকুপানী ওলাইছিল। সেউতীয়ে কৈছিল "ককাই, তই মাজে মাজে আহি থাকিবি। কেতিয়াবা নবৌহঁতকো লৈ আহিবি। চহৰখন চাবলৈ আনিলে ভাল পাব।"

"নাহিমনো কেলৈ আই, আহিমতো আকৌ। তই লতা লগাই ল'লি যেতিয়া। তোৰ ঘৰ আৰু সিখন ঘৰ আমাৰ কাৰণে এখন হ'ল। পিতাইৰ আশ্ৰয়ত আছো, কোনোদিনে একোৰে অভাৱ তেখেতে ৰখা নাই।"

গাড়ীত বহি সিফালৰ পৰা কাকতিয়ে ৰিঙিয়াই ক'লে "হেৰ' হাঁহিৰাম তইনো এতিয়া এইখন কি বিয়নি মেল পাতিছ। তাইৰ ঘৰলৈ আকৌ নাহিবি জানো ?"

"গৈছো পিতাই" বুলি দৌৰ মাৰি বলধহাল যুঁৱলিত লগাই হেচোক এটা দিয়াৰ লগে লগে সিহঁতে ঢাপলি মেলিলে।

কাকতিয়ে পিছপিনৰ পৰা কথাৰে লেকাম টানি ক'লে, "গৰুহাল ইমান নদৌৰাবি, ভালেমান দূৰ বাট। বাটত যাওঁতে চ'ক বজাৰৰ পৰা হৰ দোকানীৰ বাবে মাল ল'ব লাগিব।"

আপোনমনে আগবাঢ়ি যাওঁতে কোনোবা এট সময়ত মধু শইকীয়াই চাইকেল চলাই আগবাঢ়ি আহিল আৰু গাড়ীখন চেৰাই দোকানমুৱা হ'ল। 'পিতাই মই গৈ আছো, আপোনালোক আহি থাকক।'

শইকীয়াৰ দোকানৰ আগত গাড়ীখন আহি থমকি ৰ'ল।শহুৰেকক ভিতৰত নি বহুৱাই বগামনক কলে, পিতাইক চাহ এগিলাচ ভালকৈ কৰি খুৱাবি। গাড়ীখন লৈ কেঞ্চা পট্টিৰ বজাৰত পাইকাৰী দোকানৰ আগত মধু শইকীয়াই ৰখালে। এই দোকানবোৰ আগৰ চিনাকি। ফৰমাইচ অনুসৰি বস্তুবোৰ যোগাৰ কৰোতে বেছি পৰ নেলাগিল। বস্তুখিনি গাড়ীত দি দামবোৰ চিজিল কৰি লিখি নিজৰ জেপৰ পৰাই তেতিয়া পইছাখিনি দিলে। দোকানলৈ উভতি আহি শহুৰেকৰ হাতত হিচাপটো দি হৰ দোকানীয়ে দিয়া টকা দুশ কেচ বাকচত থৈ ওভোতাই পাব লগা পইছাকেইটা হিচাপেৰে সৈতে বেলেগ লেফাফা এটাত ভৰাই শহুৰেকৰ পিনলৈ আগবঢ়ালে। চাহ-পানী খোৱা শেষ হৈছিল। যাবলৈ ওলাওঁতে দেখিলে বগামনে বিস্কুত দুখনেৰে হাঁহিৰামকো চাহ-পানী এগিলাচ খুৱাইছিল। কিছু বেলিৰ পিছত পৰম আনন্দেৰে কাকতি ঘৰমুৱা হ'ল। ব্যস্ততাৰ মাজত শ্ৰীমন্তই দেউতাকৰ লগত কথা পাতিব নোৱাৰিলে। সেইটোৱে কাকতিক আনন্দ দিলে। ল'ৰাৰ কাৰবাৰত মন বহিছে, এইখন দোকান দুয়োটাই মিলি আৰু ডাঙৰ কৰিব পাৰিব। জীয়েকৰ ঘৰৰ ভেটি পকা হব, চালৰ ওপৰত টিং উঠিব। আৰু নেলাগে বহুত হ'ব গোঁসাই, মনে মনে ভগৱন্ত পুৰুষলৈ মূৰ দোঁৱাই গৈ থাকোতে কোনোবা এটা সময়ত কাকতিৰ টেকপনি আহিছিল। ঘৰ পোৱাৰ আগতে তিনিআলিৰ হৰ দোকানীৰ তাত বস্তুখিনি নমাই দি হিচাপৰ কাগজখন হাতত দিলে বাকী পইছাকেইটাৰে সৈতে। হিচাপৰ কাগজখন চাই হৰ দোকানীয়ে ক'লে "ককাইদেউ, মই ভালকৈ লিখিব পঢ়িব নাজানো। আপুনি ইমানবোৰ বস্তু আনিছে, পইছাও বাকী ৰ'ল দেখোন !"

কাম কৰা ল'ৰাটোৰ সৈতে ধৰাধৰিকৈ আটা, চেনী, আলু, মা-মচলা আদিৰ বস্তা আৰু মোনাবোৰ নমাই দোকানৰ চাঙত তুলিবলৈ ধৰিলে। হাঁহিৰামে এইবাৰ আকৌ ঘৰমুৱা হৈ সৰু বাটটোৰে আগবাঢ়িলে। গৰুৰ লেকাম ধৰিও বেগ কমাব নোৱাৰিলে। চকুৰ পচাৰতে আহি ঘৰৰ আগ চোতাল পালে। তেতিয়া বেলি ভাটিমুৱা হৈছিল। ল'ৰা-ছোৱালীকেইটাই গৰুৰ ডিঙিত টিলিঙাৰ শব্দ শুনি বাহিৰ চোতাললৈ দৌৰি আহি পিতাকক সুধিলে,"বোটি নাহিল নেকি পিতাই ?"

সিহঁতক বুজাই ক'লে, মাক দুদিনমান জীয়েকৰ ঘৰতে থাকিব বুলি। ভিনিহিয়েকে দি পঠোৱা লুজেনৰ টোপোলাটো আৰু বিস্কুতৰ টিনকেইটাৰ ভিতৰত এটা টিন সিহঁতৰ হাতত তুলি দি ক'লে, "মই সিদিনা কি শিকাইছিলো মনত আছেনে ? বাতি খালে আটি যায়, লুকাই খালে ঢুকাই যায়। ককাইদেউৰ ল'ৰা-ছোৱালীকেইটাৰে বাতি খাবি আৰু নবৌৱেৰহঁতকো অকণমাণ দিবি। সিহঁতো ছোৱালী মানুহহে।"

আটাইকেইটাই গিৰগিৰকৈ হাঁহিলে, "নবৌহঁত ছোৱালী মানুহ বোলে। পিতায়ে যে কি কয়।"

বিস্কুত হাতত পাই মাক নহা কথাটো তল পৰিল। বাকী বিস্কুতৰ টিনকেইটা কাকতিয়ে সুমুৱাই থলে। কোনোবা আলহী আহিলে দিব বুলি।

দোকানৰ বিক্ৰী বাৰ্ত্তা বাঢ়িবলৈ ধৰিলে। নিশা দোকানত শ্ৰীমন্তই থাকিবলৈ ল'লে। দুপৰীয়া অৱশ্যে ঘৰলৈ গৈ ভাত মুঠি খাই আহে। মধু শইকীয়াই দোকানতে বগামনে ৰন্ধা ভাতকে খায়। তাৰ হাতখন ভাল। জুতি লগাকৈ ৰান্ধিব জানে। আগতে সময় পালে ভদ্ৰ ঘোষৰ দোকানত সি ৰন্ধা-বঢ়া চাই ভাল পাইছিল। সেইকাৰণে বঙলুৱা ধৰণে মা-মছলা সৰহকৈ দি মুখত লগাকৈ ৰান্ধিছিল। তাৰ ৰন্ধা আঞ্জাখন ভাল হোৱা বুলি ক'লে আনন্দত তাৰ বুকুখন ওফন্দি উঠিছিল। প্ৰশংসাৰ দুই এষাৰ শব্দ শুনিব বুলি ভাত বাঢ়ি দি সি ওচৰতে ৰৈ থাকে। কেতিয়াবা তাক আঞ্জা খাবলৈ সোৱাদ হৈছে বুলি ক'বলৈ পলম হ'লে উৎকণ্ঠা দমাই ৰাখিব নোৱাৰি সুধিছিল " ভিনিহিয়ে আজি ৰন্ধাবোৰ বেয়া পালে নেকি ? "

কথাটো টং কৰিব পাৰি শইকীয়াই কয়–" আজি আন দিনাতকৈ ৰন্ধাবোৰ বেছি সোৱাদ হৈছে।"

বঙলুৱা ৰন্ধা শিকাৰ কাৰণে পোন-পহিলাতে বগামনে আঞ্জাত জ্বল সৰহকৈ দিছিল। শ্ৰীমন্তই মুঠেই জ্বলা খাব নোৱাৰে। জলকীয়া দিয়া আঞ্জা মুখত দিয়াৰ লগে লগে সেহাই সেহাই মুখৰ লেলাৱতি উলিয়াই তৎ নাপায়। কেতিয়াবা নিমখ তেল ভাত খাবলগীয়া হয়। তাৰ কষ্ট দেখি মাজে মাজে ভাল নাপালেও আজিকালি বগামনে আঞ্জাত জ্বলা দিবলৈ এৰিলে। দোকানৰ বিক্ৰী সৰহ হোৱাৰ লগে লগে মধু শইকীয়াই দোকানখন পিছফালে বঢ়োৱাৰ কথাও চিন্তা কৰিলে। ভাবিলে অহাবছৰলৈ ঘৰৰ মালিকক কৈ পিছফালে আৰু এটা ঘৰ সাজিব বুলি। বৰ্তমানৰ বাবে গুদাম হিচাপে ব্যৱহাৰ কৰিবলৈ পিছফালে ভাত ৰন্ধা, খোৱা, থকা চালিখনকে অলপ বহল কৰি

ল'লে। আবেলি গতানুগতিক ভাৱে বলো মেধি, বাপুকণ নেওগ, ধৰণী বৰা তিনিও দোকানত লগ হয়হি। তেওঁলোক অহাৰ লগে লগে বগামনে চাহ্‌পানী আনি দিয়ে। কেতিয়াবা লগতে তপতে তপতে কণীও ভাজি দিয়ে। তেওঁলোকে শইকীয়াৰ ঘৰৰ বাতৰি লয়। কোনোবা এদিন ঘৰৰ মানুহক লগত লৈ খবৰ-বাতৰি লৈ যাব বুলি আশ্বাস দিয়ে। বাট ভালেমান হয়। তেতিয়াৰ দিনত যান-বাহনৰ তেনে সুবিধা নাছিল– ঘৰৰ মানুহবোৰ লগ হ'বলৈ। সেইবাবে আলচা কথা সিদ্ধি নহয়।

শহুৰেকে কৈ যোৱাৰ দৰে ওচৰৰ মানুহ এজনক ঠিকা হিচাপে গোহালিটো সাজিবলৈ দিলে। গোহালি সজা হওঁ নহওঁতেই পকামুৰাৰ ঘৰৰ পৰা কাকতিৰ গাড়ী আহি পালে। গাড়ীৰ লগত গাভিনী গৰুজনী আৰু পিয়ন চৰা চেঁউৰীজনীৰ বাহিৰেও গাড়ীত এগাড়ী ধান, খেৰ, দুই বস্তা মাহ গৰুক খুওৱাৰ বাবে আহিল।

ঘৰৰ বাবে ভালেমান লাও, বেঙেনা, পাচলি- কাকতিয়ে পঠিয়াই দিছিল। হাঁহিৰামৰ মুখত গম পালে সেইদিনা পুৱা আহিবলৈ ওলাওঁতে লেচুবাৰী হাটত বেচিবলৈ নিয়া খীৰতী গাইজনী পাই কাকতিয়ে দৰালে। সাত টকা বাৰ অনাত দৰ চিঙিল। মনবৰে গৰুকেইটা বান্ধি লৈ খোজকাঢ়ি বাট বুলিলে, হাঁহিৰামে গাড়ীখন, গৰুহালক কষ্ট নিদিয়াকৈ সৰ্ব্বাই বন্ধাৰ শইকীয়াৰ ঘৰৰ আগচোতাল পালেহি। গোহালিটো মনবৰৰ বৰ পছন্দ খালে। সি সেউতীক সুধিলে, "আই ঐ এই ঠাইখিনি নিশ্চয় পিতায়ে ঠিক কৰি থৈ যোৱা, গোহালিৰ কাৰণে বৰ বঢ়িয়া হ'ব।" চৰিয়া এটাত গোবৰ মাটি লৈ গোহালিৰ ভেটিতো মচি গৰু বান্ধিবৰ খুটি কেইটামান পুতিলে, তাৰপিছত মাটিৰ চাকি এটা সেউতীৰ পৰা খুজি লৈ শলিতা দি তেল ঢালি জ্বলাই বতাহত নুনুমাবৰ কাৰণে কলগছৰ পটুৱাৰে সৈতে আগুৰি পূব মুৱাকৈ থ'লে। তাৰপিছত সেউতীক মাতি ক'লে, "এই কলপাতখনতে বুটমাহ আৰু মাটিমাহ কেইটামান দি তই আঠু ল'। মই গৰু কেইজনী আনি বান্ধো। ইহঁত লখিমী। ইহঁতৰ গাত গোসানী আছে। ভক্তি ৰাখিলেহে গৰুৱে গৃহস্থক শুজে।"

গৰু কেইজনী 'বন্ধা হ'লত মনবৰে আৰু হাঁহিৰামে মিলি খেৰখিনিৰ পুঁজি এটা সাজি গোহালিৰ ওচৰতে ৰাখিলে। ঘৰৰ পৰা অহা পাচলিৰ দ'মটো দেখি সেউতীয়ে মাকক চিঞৰি মাতিলে, "বৌটি, চাহিচোন পিতাইৰ কাণ্ড, ইমানবোৰ পাচলিৰে মই কাকনো ভোজ ৰান্ধি খুৱাম।'

মাকে হাঁহি এটা মাৰি ৰান্ধনী ঘৰৰ পিনে আকৌ উভতি গ'ল। কেৰাহীত কিবা এটা বহাই থৈ আহিছিল। " দেউতাৰক তই নিচিনিলি। বোপাৰ বন্ধু কেইজনৰ ঘৰলৈ বিলাবলৈ দিছে। আজি দুপৰীয়া শ্ৰীমন্তৰ হাতত দোকানলৈ দি পঠিয়াবি। লগতে কোমল চাউলৰ টোপোলা এটাও দিবি। মই আহোতে প্ৰায় দুইদোন কোমল চাউল লৈ আহিছিলো। তেওঁলোক তিনিজনলৈ বিলাবৰ কাৰণে।"

টোপোলা এটাত একেলগে লাউ, বেঙেনা পাচলিখিনি অনুমান কৰি সেউতীয়ে বান্ধিলে। ককায়েকে ভাত খাবলৈ আহি উভতি যাওঁতে ডাঙৰ টোপোলাটোৰ এভাগ নিলে। পিছদিনা এভাগ শইকীয়াই নিলে।

হাঁহিৰাম আৰু মনবৰক ইফালে সিফালে ঘূৰি ফুৰা দেখি ভেকাহি মাৰি সেউতীয়ে ক'লে, "তঁহতে এতিয়া কামকে কৰিবিনে ডিঙিটো এবাৰ পানী এঢোক খাই তিয়াই ল'বি ? বৌটিয়ে কেতিয়াবাই চাহ বাকিলে। এনেকৈ পিছত বন কৰি দেউতাৰ আগত মোৰ বদনাম গাবি নহয়।" মনবৰ আৰু হাঁহিৰাম দুইটাই হাত-ভৰি ধুই গামোছাখন কান্ধত লৈ পিৰালিত বহিলে।

মনবৰে ক'লে. "ভাৰন্তই জানে জীয়ৰী ছোৱালীক বাপেকৰ ঘৰলৈ ভগৱন্ত পুৰুষে আলহী হৈ থাকিবলৈহে পঠায়। যিদিনাই ৰাইজ মাতি বামুণৰ হতুৱাই বিয়া পাতি সম্বন্ধ ছিঙি দিয়ে সেই দিনাই সকলো শেষ। সঁচকৈয়ে ক'চোন বাৰু তোৰ জানো আমালৈ কেতিয়াবা মনত পৰে। আমি তোৰ কথা জোঁৱাই বোপাৰ কথা এবাৰ নহয় এবাৰ দিনটোত উলিয়াওঁ । তহঁতে চাগৈ দিনটোত কেইবাৰ চৰ্চৰণী খাৱ ঠিক নাই।"

চাহৰ গিলাচ দুটা আৰু জলপানৰ বাতি দুটা ওচৰত নমাই থৈ কৃত্ৰিম খঙেৰে সেউতীয়ে ক'লে, " হৈছে হৈছে। লেৰেলা সাদৰ চেলাব নেলাগে। দেউতাই আপদ খণ্ডালে। তহঁতৰো চকুৰ হুল এদাল আঁতৰিল। এইখন ৰাজ্যত মই খাইছোৱে নে শুইছো, কোনোবাই এবাৰ পাক এটা মাৰি চাই যাব নোৱাৰিলেহেঁতেননে ? কোনেনো তহঁতৰ হাত-ভৰি পঘাৰে বান্ধি থৈছিল ?"

"আমি হোজা গাঁৱলীয়া। তই আই দুদিনতে চহৰৰ কথাৰ পেচ শিকি ল'লি। হেমন্তই সেইবাৰ আহি ঘৰলৈ উভতি যাওঁতে তাক পেৰি পেৰি সুধিছিলো, এই আপচু কেইটাৰ কথা কিবা কয়নে আমাৰ জীয়ৰীয়ে ? সি দেখোন উত্তৰ দিছিল, তহঁতৰ কথা ক'বলৈ যাব কেলেই ? তাই এতিয়া চহৰৰ চিং পখিলা হৈছে। চহৰৰ দুটামান ইংৰাজী কথা কৈ ডেম বিলাতী বুলি কৈ দিলে তহঁতে ভূকে নাপাবি তাই কিবা কৈছে নে নাই কোৱা।"

সেউতীও কথা এৰি দিয়া ভকত নহয়।, "আজি কিনো বাৰ ঐ ককাই।"

"মঙ্গলবাৰ। বাৰৰ কথা তই কেলেই উলিয়ালি।"

"তই বুঢ়া হ'লি, আজিকালি কথা পাহৰ'। তাহানি মোৰ কড়ি এটা লুকাই থৈ এইবোৰ নজনাৰ ভাও জুৰি আছিলি। পিছত সুৰই কৈ দিলত তোৰ হাঁচতিত কড়িকেইটা পাওঁতে মই তোৰ পিঠিত বাঘ ঢকা এটা দিছিলো। মিছা কথা কোৱা নাছিলি জানো সেইদিনা ? সৰুৰে পৰা মঙ্গলবাৰে তই মিছা কথা কৱ' বুলি ক'লি। সেইদিনা তই মিছা ক'লে ঠেং চুটি নহয় বোলে তোৰ। আজিও মঙ্গলবাৰ। সেইকাৰণে তই মিছা কথা কৈছ।"

চাহত সোহাটো মাৰিয়ে হেঃ হেঃ কৈ হাঁহি মনবৰে ক'লে, "তহঁত সৰু থাকোতে কুতৰি কুতৰি সাধু কথা মোৰ পৰা উলিয়াইছিলি। মই অগিয়ানী মানুহ। তহঁতক সাধু কথা কম ক'ৰ পৰা। সাজি সাজি কথা কওঁতে বহুতো মিছা কথা কোৱা যেন হৈছিল চাগৈ। পিছে সঁচাকৈ ক'চোন আমালৈ তোৰ মনত পৰেনে ?"

সেউতীৰ এইবাৰ খং উঠে, উচাৎ মাৰি তাই ভিতৰলৈ সোমাই যাবলৈ ওলায়। "তহঁতৰ কথাবোৰ মই কেনেকৈ মনত ৰাখিছো, সুৰৰ ভিনিহিয়েকক তহঁতৰ কথা কওঁতে কওঁতে মোৰ মুখ শুকাই যায়। নহ'লেনো ইয়াত অকলে কৰিম কি ? এতিয়াহে বৌটি আহিছে। তইয়ো আহিছ মই মৰিবলৈ ওলাইছো বুলি। সুৰৰ ভিনিহিয়েকে বেছি কথা নকয়। এদিন কেৱল কৈছিল, তোমাক ঘৰলৈকে পঠিয়াই দিম। মনবৰ, হাঁহিৰাম, আই, পিতাই, বৰদেউতা, নবৌহঁতক লৈ তুমি তাতে ভালে থাকিবা। তই আকৌ এতিয়া এইবোৰ কথা পেঘেনিয়াবলৈ আহিছ, সঁচাকৈ ক'চোন মোৰ গা অসুখ বুলি শুনি মই মৰিম বুলি শুনি খবি দিওঁ বুলি আহিছ'নে নাই ?"

মনবৰে কয়, "আই অ' গোসানী তই এইবোৰ কি কথা মুখত আনিছ ? মোৰ চুলিৰ সমান তোৰ আয়ুস হওক।"

"তোৰ চুলিৰ মাননে হাঁহিৰাম ককাইৰ চুলিৰ মান আয়ুস হওক ?"



হাঁহিৰামৰ মূৰটো তেনেই তপা। মূৰত সদায় গামোছা মাৰি থাকে। এবাৰ টান সন্নিপাত জ্বৰ হওঁতে চুলিবোৰ গ'ল। নতুনকৈ নাহিল। আটাইকেইটাই খিলখিলকৈ হাঁহিলে। সেউতীয়ে আকৌ বাহিৰলৈ ওলাই আহি তাঁতখনৰ ওচৰতে চেৰেকীৰ পৰা উঘাটোত সূতা ল'বলৈ আৰম্ভ কৰিলে। আগদিনা মাকে কৈছিল তাঁত সূতাবোৰ সৰহদিন পৰি থাকিলে বৰমোহে। মাকে বোলে কাপোৰখন দুই এদিনতে উলিয়াই দিব। সেউতীক মহুৰা কেইটা ফুৰাই দিবলৈ কৈছিল। সেউতীৰ গাত লেঠা হোৱাৰ কথা কাকতিৰ মুখত মনবৰহঁতে গম পাইছে। তাইক আকৌ জোকাবৰ মন গ'ল, ক'লে– "মই আকৌ পিঠিত তেল-টেঙা ভালকৈ ঘঁহি আহিছো। কেতিয়াকৈনো পোনাকণে পিঠিত কিল ভুকু দিব পৰা হয়।"


তাৰ কথাৰ বেঁকা অৰ্থটোত সেউতীৰ লাজো লাগে, খঙো উঠে। মনবৰ কা, তই মুখখন বন্ধ কৰিবিনে নকৰ ? এই তাঁতৰ শলি গোটেই কিডাল তোৰ পিঠিত যাব ?

মাকে তেনেতে ভিতৰৰ পৰা ওলাই আহি মনবৰক কয় "তইনো এইৰ লগত কি চুপতিখন কৰিছ ? চুবুৰীৰ মানুহে শুনিলে হৰি হৰি বুলিব।"

সিহঁতে কথাপাতি থাকোতে কান্ধত লোহাৰ নলী কেইডালমান লৈ নতুন দমকল এটাৰে সৈতে মানুহ কেইজনমান জপনা মেলি সোমাই আহিল। লগতে কলামনো আহিছিল। "আইদেউ, দেউতাই পঠিয়াই দিছে, দমকল বহুৱাব লাগিব বোলে। কোনখিনিত বা বহুৱাব ?"

সেউতীয়ে কথাটো বুজি ঠাই এডোখৰ দেখুৱাই দিলে। মধু শইকীয়াই তাতে দমকলটো বহুৱাৰ স্থিৰ কৰিছিল। সুৰ সৰু ছোৱালী, লাচনি-পাচনি কৰিবলৈ অনা ছোৱালীজনীও তাইৰ কাণসমনীয়া। তাতে এতিয়া আকৌ নতুন কথা এটাৰো সম্ভাৱনা হ'ল। খোলা কেঁচা কুৱাটো ৰাখিব নোৱাৰি। দমকলটো বহুৱাওতে, ভাল পানী ওলাওঁতে দুদিন লাগিল।

গাৱঁৰ ঘৰৰ পৰা ভালেমান পুলি আনিছিল। সেইবোৰ বাৰীত চিজিলকৈ লগাবৰ বাবে মনবৰে কঁকালত টঙালি বান্ধি 'বাৰীত সোমাল। কোনোবা এটা পাকত কাকতিয়নীক আহি কৈ গ'লহি, "পিতায়ে কৈ পঠাইছে; আজি আইকণৰ শৰীৰটো বাৰু নোহোৱালৈ ঘৰলৈ নগ'লেও চলিব। গাড়ীখনো ইয়াতে ৰাখিবলৈ কৈছে।" ঘৰত পৰি থকা পুৰণি ডাঙৰ কেৰাহী এখনো মনবৰে লৈ আহিছিল। গোহালিৰ ওচৰতে চৌকা কাটি গৰুৰ দানা বহালে। হঠাৎ সেউতীৰ মনত পৰিল কলপাতত গুৰ লৈ গৰুকেইজনীক খুৱালেহি। মনবৰহঁতক কাকতিয়নীয়ে ভাত খাবলৈ মাতোতে শ্ৰীমন্ত নহাকৈ নেখাওঁ বুলি ক'লে। শ্ৰীমন্ত আহিলত তিনিটাই ওচৰা-ওচৰিকৈ মজিয়াত বহি ভাত খালে। কাকতিৰ ঘৰত মনবৰ, হাঁহিৰাম দৰমহা লোৱা চাকৰ নহয়। সিহঁতৰ ঘৰকেইখন কাকতিয়ে চায়। কিছুদিন গ'লে দুয়োটাকে কেইপুৰামানকৈ মাটি বেলেগে পট্টা কৰি দিব বুলি থিৰাং কৰি থৈছিল। হেজাৰ হ'লেও সৰুৰে পৰা সেইখন ঘৰতে সিহঁত দুয়ো বুঢ়া হ'ল। কাকতিয়ে সিহঁতৰ বিয়া পাতি দিছিল ঘৰত কাম কৰা ছোৱালী একোজনীৰ সৈতে। দৰমহাৰ হিচাপ নাই। যেতিয়াই যিটো লাগে নিয়ে। সম্পৰ্কবোৰ তেতিয়া বেলেগ আছিল। মানুহে দৰমহাৰ টকাৰে নুজুখিছিল। মৰমেৰে জুখিছিল। তেওঁলোকে তেওঁলোকৰ ছাঁতে থকা গোহালিৰ গৰু, ছাগলীকেইটা, হাঁহ-পাৰকেইটাও উচিতভাবে পালন নকৰিলে অধৰম হ'ব বুলি ভাবিছিল। সকলোকে এডাল ৰচিৰে বান্ধি ৰখা মৰমৰ সেই ডোলডাল আজি আৰু নাই। কালৰ সোঁতে উটুৱাই লৈ গ'ল। আজি সেইকাৰণে ধনী মানুহো



দুখীয়া, দুখীয়াবোৰ আওদুখীয়া টোকোনা হ'ল।

দিনবোৰ ক্ষিপ্ৰগতিত পাৰ হৈ যাবলৈ ধৰিলে। পোন্ধৰ দিনমানৰ মূৰত ঠাকুৰীয়াৰ চিঠি আহিল। চিঠিত ঘৰৰ নানা বেমেজালিৰ কথা লিখিছিল। দেউতাকৰ পক্ষাঘাত হৈ একাঙ্গী হৈছিল। এতিয়াও ভালকৈ মাতবোল দিব কৰা নাই জ্ঞান আহিছে যদিও কোনোবা ডাঙৰ কবিৰাজে চিকিৎসা কৰিছে। কবিৰাজে এতিয়াও বিছনাৰ পৰা নামিবলৈ দিয়া নাই। সেইকালত এইবোৰ বেমাৰত ডাক্তৰী-চিকিৎসা নাছিল আৰু ডাক্তৰো নাছিল। ডাক্তৰ বিচাৰিব লাগিলে বহুত নিলগৰ সদৰ জাগালৈ যাবলগীয়া হৈছিল। অহা-যোৱা ব্যৱস্থা বাৰু নহয় কাৰণে ইমান নিলগলৈ ডাক্তৰেও আহিবলৈ নিবিচাৰিছিল। দেউতাকৰ শৰীৰ অকণমান বাৰু হ'লে যোৰহাটলৈ আহি শইকীয়াক দেখা কৰিব। লগতে যাবৰ সময়ত শইকীয়াই দিয়া টকা দুশৰ পৰা যে কিমান উপকাৰ হ'ল সেইটো বখানি বখানি লিখিলে। (ক্ৰমশঃ)

# প্ৰদূষণ ঃ প্ৰাকৃতিক নে ৰাজনৈতিক ?


গীতিমল্লিকা শইকীয়া

১৯৪৩-ৰ বঙ্গ দুৰ্ভিক্ষতকৈও বহুগুণে ভয়াবহ আফ্ৰিকা মহাদেশৰ বৃহদাঞ্চলৰ দুৰ্ভিক্ষৰ বাতৰিয়ে যিসকলক অকণমান হলেও উদ্বিগ্ন কৰিছে, দিনে দিনে বাঢ়ি অহা মৰুভূমি আয়তনত যিসকল শঙ্কিত হৈছে, পৃথিৱী ব্যাপি অতিবৃষ্টি, অনাবৃষ্টি, অকালবন্যা, এচিদ ৰেইন, অভুতপূৰ্ব গ্ৰীষ্ম আৰু শীতে সৃষ্টি কৰা প্ৰলয়ৰ অভিজ্ঞতা যিসকলৰ হৈছে বা এইবোৰে অদুৰ ভৱিষ্যতে মানৱ জাতিৰ কি বিপদ আনিব তাক যিসকলে উপলব্ধি কৰিব পাৰিছে, সেই সকলোৱেই আশাৰে, বহুত আশাৰে বসুন্ধৰা বৈঠক–Earth Summit লৈকে বাট চাই আছিল।

উত্তৰ-দক্ষিণ, উন্নত-অনুন্নত, প্ৰাচ্য-প্ৰতীচ্য সকলোতে, আনকি মানুহৰ আধুনিক অতি বেগী যোগাযোগ ব্যৱস্থাইও কোনোমতেই ঢুকি নোপোৱা দুৰ্গম অঞ্চললৈকো প্ৰকৃতিয়েই নিজেই এই বাতৰি নিছে–'প্ৰকৃতি ক্ষুব্ধ।' মানৱ জাতিৰ একমাত্ৰ আশ্ৰয়স্থল এই বসুন্ধৰাক ৰক্ষা কৰাৰ বাবে সেয়ে তৎপৰতা। তৎপৰতা আজিৰ নহয়, যোৱা প্ৰায় কুৰিবছৰ ধৰি প্ৰকৃতি ৰক্ষাৰ বাবে মানুহৰ প্ৰচেষ্টা আৰম্ভ হৈছে। মানুহৰ অতিপাত ভোগ-প্ৰৱণতাত প্ৰকৃতি যে ক্ষুব্ধ সেই কথাও মানুহে বুজি পাইছে। জ্ঞানীজনে কৈয়ে গৈছিল–বসুন্ধৰাই সকলোৰে বাবে পাত্ৰ পূৰ্ণ কৰিয়ে ৰাখিছে, প্ৰয়োজনীয়খিনি লোৱা, কিন্তু লোভ নকৰিবা। ভোগত মতলীয়া মানৱ জাতিয়ে সেইকথালৈ কাণ নিদিলে। মানুহৰ অত্যধিক ভোগ-প্ৰৱণতাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ফলতেই পৃথিৱী পৃষ্ঠৰ উত্তাপ ক্ৰমান্বয়ে বাঢ়ি আছে, আৰু হয়তো অতিপাত উত্তাপৰ ফলত অহা শতিকাৰ ভিতৰতে তুষাৰাঞ্চলৰ তুষাৰ গলি সমুদ্ৰ পৃষ্ঠা ওপৰলৈ উঠি আহিব আৰু বৰ্তমানৰ বহুদেশ আৰু অঞ্চল সাগৰৰ বুকুত জাহ যাব। পৃথিৱীৰ উপৰিভাগৰ উত্তাপ বৃদ্ধিৰ ফলত বায়ুমণ্ডলৰ সমতা ৰক্ষাৰ বাবেই প্ৰয়োজনীয় উদ্ভিদ আৰু প্ৰাণী জগতৰ বিভিন্ন প্ৰজাতি নিঃশেষ হৈ যাব। দুৰ্ভিক্ষ ব্যাধিয়ে মানৱ জাতিৰ আয়ুস টুটাব। পৃথিৱী নামৰ গ্ৰহটিত মানুহ নামৰ প্ৰজাতিটোৰ অস্তিত্ব লোপ পাব।

মানৱ জাতি সুস্থভাৱে জীয়াই থাকিবলৈ হ'লে সুস্থ পৰিবেশৰ প্ৰয়োজন, নিকা আশ্ৰয়স্থলৰ প্ৰয়োজন, পৰিষ্কাৰ পৃথিৱীখনৰ প্ৰয়োজন। সেয়ে ১৯৭২ চনত ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন সন্মিলন (UNCED) অনুষ্ঠিত হোৱাৰে পৰা পৃথিৱী ব্যাপি পৰিবেশ ৰক্ষাৰ বাবে প্ৰচেষ্টা আৰু কাৰ্যসূচী আৰম্ভ হৈছে। পৰিবেশ বিনষ্ট কৰিব পৰা উপাদান সমূহক নিয়ন্ত্ৰিত কৰি ৰাখিবৰ বাবে এই আন্তৰ্জাতিক সংস্থাটোৱে বিভিন্ন নীতি উদ্ভাৱন কৰিছে। পৰিবেশ সুস্থ ৰাখিবলৈ উত্তৰ-দক্ষিণ, উন্নত-উন্নয়নশীল সকলো ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন আঁচনিৰ নীতি-নিৰ্দ্দেশসমূহ মানি চলিব লাগিব।

কিন্তু ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন



ৰিঅ' ডি জেনেৰিওত অনুষ্ঠিত হোৱা 'আৰ্থ চামিট'ত সমবেত বিভিন্ন দেশৰ মুৰব্বীসকল। পেৰাগুৱেৰ এণ্ড্ৰেছ ৰড্ৰিগ, টুৰ্কিমেনৰ কণাস্ত ভেলেটিয়ান, পি. ভি. নৰসিংহা ৰাও, জাৰ্মানীৰ হেলমুট কহল, আমেৰিকাৰ পি. জে. লেটাৰমেন, মাডাগাস্কাৰৰ ৰাত্ৰা নামাভি, লুক্সেমবুৰ্গৰ জেকক চানটাৰ আৰু মালটাৰ ফেনেক আদামি।



আঁচনিৰ (UNEP) মুৰব্বী মুস্তাফা কে, টোলবাৰ মতেই আজিৰ পৃথিবীৰ পৰিবেশ কুৰিবছৰৰ আগতকৈও অধিক অপৰিছন্ন। তেওঁৰ মতে বিশ্বৰ প্ৰায় এশ কোটি মানুহে উশাহ-নিশাহত বিশুদ্ধ বায়ুকণ লবলৈ পোৱা নাই। ক্ৰমবৰ্দ্ধমান হাৰত মানুহ অপুষ্টি আৰু দুৰাৰোগ্য কেন্সাৰৰ বলি হ'ব লগা হৈছে আৰু জনসংখ্যাও বাধাহীনভাবে বাঢ়িয়ে আছে। এই সময়ছোৱাত উন্নত দেশবোৰতকৈ উন্নয়নশীল দেশসমূহৰ পৰিবেশ বেছি বেয়া হবলৈ ধৰিছে।

সেয়ে UNCEDৰ কুৰিবছৰীয়া জন্মোৎসৱৰ আয়োজন–Earth Summit–বসুন্ধৰা বৈঠক। দক্ষিণ আমেৰিকা মহাদেশৰ, বিশ্বৰ আটাইতকৈ ধৰুৱা দেশ ব্ৰাজিলৰ আটলান্টিক মহাসাগৰৰ পাৰৰ চহৰ ৰিও ডি জেনেইৰোত এইবছৰ জুনমাহৰ তিনি তাৰিখৰ পৰা চৈধ্য তাৰিখলৈকে এই উৎসৱ উদ্‌যাপিত হ'ল। বিশ্বত এতিয়ালৈকে হোৱা এইখনেই বৃহত্তম বৈঠক য'ত এশ সত্তৰখন দেশৰ মুৰব্বীসকলে আহি একেলগে গোট খাইছিলহি। বিভিন্ন দেশৰ প্ৰায় চল্লিশ হাজাৰ প্ৰতিনিধিয়ে আহি বিশ্ব পৰিবেশ নিকা কৰাৰ উপায় বিচাৰি আলোচনাত মিলিত হৈছিলহি। এনে অভূতপূৰ্ব মিলন-উৎসৱ আৰ্থ-চামিটৰ মূল উদ্দেশ্য পৰিবেশ বিনষ্ট নকৰাকৈ মানৱ জাতিৰ উন্নয়ন সাধন কৰা। সমগ্ৰ পৰিবেশ–সাগৰ-মহাসাগৰ, হাবি-বন, মাটি-পানী, বিপন্ন উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি সমূহ সংৰক্ষণ আৰু বিষাক্ত গেছসমূহ আঁতৰ কৰি পৰিবেশ নিকা কৰাৰ উপৰিও এই বৈঠকৰ কাৰ্যসূচীয়ে দৰিদ্ৰতা দূৰীকৰণ, জনসংখ্যা নিয়ন্ত্ৰণ, বিশ্ব অৰ্থনীতিৰ পুনৰ্গঠন আদি বিষয়বোৰো আলোচনাৰ বাবে সামৰি লৈছিল। এই বৈঠকতে পৰিবেশ নিকা কৰাৰ বাবে দৰিদ্ৰ উন্নয়নশীল দেশবোৰক উন্নত উদ্যোগ প্ৰধান দেশবোৰে ধন আৰু উন্নত প্ৰযুক্তিৰে সহায় কৰাৰ কাৰ্যকৰী উপায় উদ্ভাৱন হ'ব বুলিও আশা কৰা হৈছিল। কিন্তু দেখা গ'ল প্ৰাকৃতিক প্ৰদূষণতকৈ ৰাজনৈতিক প্ৰদূষণ কম বিপদজনক নহয়। বহু প্ৰতীক্ষিত এই বৈঠকৰ সুফল নফলিল।

এই শীৰ্ষ সন্মিলনৰ উদ্দেশ্য সফল কৰি তুলিবলৈ উদ্যোক্তাসকলে পূৰ্বৰে পৰা নানা প্ৰচেষ্টা চলাই আছিল, পৰিবেশ দূষণৰ অন্যতম প্ৰধান কাৰক হিচাপে ক্লোৰোফ্লোৰো কাৰ্বন (CFCs) নামৰ গেছটো চিনাক্ত কৰাৰ পিছত আৰু ইয়াৰ বৃদ্ধিয়ে অ'জোন স্তৰত ফাঁক সৃষ্টি কৰা বুলি ঠাৱৰ কৰাৰ পিছত ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন আঁচনিয়ে এনে ক্ষতিকাৰক গেছসমূহৰ নিয়ন্ত্ৰণৰ কাৰণে ১৯৮২ চনত আলোচনা আৰম্ভ কৰে। ১৯৮৫ চনত ভিয়েনা সন্মিলনত ৪৩ খন দেশ CFCs আৰু অন্যান্য ক্ষতিকাৰক উপাদানবোৰ নিয়ন্ত্ৰণৰ লক্ষ্য স্থিৰ কৰিবৰ বাবে চুক্তিবদ্ধ হ'ল। ভিয়েনা চুক্তি কাৰ্যকৰী কৰিবৰ বাবে ১৯৮৭ চনত আকৌ ৪৫ খন দেশে মণ্ট্ৰিলত

> ◆
>
> হয়তো অতিপাত উত্তাপৰ ফলত অহা শতিকাৰ ভিতৰতে তুষাৰাঞ্চলৰ তুষাৰ গলি সমুদ্ৰ পৃষ্ঠা ওপৰলৈ উঠি আহিব আৰু বৰ্তমানৰ বহুদেশ আৰু অঞ্চল সাগৰৰ বুকুত জাহ যাব। পৃথিৱীৰ উপৰিভাগৰ উত্তাপ বৃদ্ধিৰ ফলত বায়ুমণ্ডলৰ সমতা ৰক্ষাৰ বাবেই প্ৰয়োজনীয় উদ্ভিদ আৰু প্ৰাণী জগতৰ বিভিন্ন প্ৰজাতি নিঃশেষ হৈ যাব। দুৰ্ভিক্ষ, ব্যাধিয়ে মানৱ জাতিৰ আয়ুস টুটাব। পৃথিৱী নামৰ গ্ৰহটিত মানুহ নামৰ প্ৰজাতিটোৰ অস্তিত্ব লোপ পাব।
>
> ◆

সন্মিলিত হৈ পৰ্যায়ক্ৰমে CFCs গেছৰ ব্যৱহাৰ হ্ৰাস কৰা আৰু তাৰ বিকল্প উপাদানৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ বাবে চুক্তি কৰিলে। কিন্তু CFCs ব্যৱহাৰ হ্ৰাস কৰা আৰু বিকল্প গেছৰ ব্যৱস্থা গ্ৰহণ কৰা বিষয়টোৱে প্ৰদূষণ ৰোধ কৰাত দেশসমূহ একমতত উপনীত হোৱাত বাধাৰ সৃষ্টি কৰিলে। সেয়ে আকৌ ১৯৯০ চনত অ'জোন স্তৰত ক্ষতি ৰোধ কৰাৰ বাবে সন্মিলন অনুষ্ঠিত হ'ল লণ্ডনত। এই লণ্ডন সন্মিলনত ২৪০ নিযুত ডলাৰৰ অ'জোন ফাণ্ড গঠিত হ'ল আৰু ক্ষতিকাৰক গেছ উত্তৱ হ'ব নোৱৰা উন্নত প্ৰযুক্তি ব্যৱহাৰত উন্নয়নশীল দেশবোৰক সহায় কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল।

কিন্তু পৃথিৱীৰ পৰিবেশ নিকা কৰা, অ'জোন স্তৰত ক্ষতি হ্ৰাস কৰা, মানৱ জাতিক সম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰা–এই বিষয়বোৰ যে আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ লগত সাঙোৰ খাই আছে !! ৰাজনীতি বাদ দি যে পৰিবেশ নীতিৰ কথা আজি ভাবিব নোৱাৰি। সেয়ে ৰিও ডি জেনেইৰোৰ শীৰ্ষ সন্মিলন–আৰ্থ চামিটলৈকে বাট চাব লগা হ'ল।

## 'Polluters should Pay'

তিনিজুনৰ দিনা ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন সন্মিলন বসুন্ধৰা বৈঠক মুকলি কৰি ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধান ব'ট্ৰাছ ঘালিয়ে ঘোষণা কৰিলে 'Polluters should pay' নীতি। পৰিবেশ দূষণকাৰীসকলে পৰিবেশ পৰিষ্কাৰ কৰাৰ ব্যয় বহণ কৰিব লাগিব। বিভিন্ন অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে অ'জোন স্তৰৰ ক্ষতি সাধন কৰা প্ৰধান গেছ CFCs অধিকাংশ উৎপন্ন হয় উদ্যোগ প্ৰধান ধনী দেশবোৰত। কেৱল আমেৰিকাতে এই গেছৰ শতকৰা আঠাইশ ভাগ সৃষ্টি হয়। পশ্চিম ইউৰোপৰ দেশবোৰত সৃষ্টি হয় শতকৰা ত্ৰিশভাগ, এচিয়াৰ উদ্যোগ প্ৰধান দেশবোৰত শতকৰা বাৰ ভাগ, পূব ইউৰোপৰ দেশবোৰত শতকৰা চৈধ্য ভাগ। সমগ্ৰ উন্নয়নশীল দেশবোৰে মুঠ CFCsৰ শতকৰা মাত্ৰ দুভাগহে সৃষ্টি কৰে। পৃথিৱীৰ মাত্ৰ আঠত্ৰিশখনমান দেশেহে CFCs সৃষ্টি কৰে। কিন্তু অ'জোন স্তৰ ক্ষতিগ্ৰস্ত কৰি সমগ্ৰ বিশ্ব পৰিবেশত অনিষ্ট সৃষ্টি কৰিব পৰা এই গেছৰ ক্ষমতা ভয়লগা ধৰণৰ। বায়ুমণ্ডলত প্ৰায় এশবছৰ ধৰি এই গেছ সক্ৰিয় হৈ থাকে। প্ৰধানকৈ ৰিফ্ৰিজেৰেটৰ, এয়াৰকণ্ডিছনাৰ আদিত ব্যৱহাৰ কৰিবলৈ এই গেছৰ প্ৰচলন হয়। ১৯৩০ৰ দশকত ৰেফ্ৰিজেৰেটৰ উদ্যোগত ব্যৱহাৰৰ বাবে এই গেছৰ উদ্ভৱন কৰা হৈছিল। ৰাষ্ট্ৰসংঘৰ অধ্যয়ন অনুসৰি দ্ৰুত উদ্যোগীকৰণৰ ফলত বায়ু প্ৰদূষণ অস্বভাৱিক ভাবে বাঢ়িছে। মহানগৰবোৰত ন শ নিযুত মানুহ চালফাৰ-ডাই-অক্সাইড পূৰ্ণ দূষিত বায়ুৰ দ্বাৰা আক্ৰান্ত হৈছে। দুহেজাৰ চনৰ ভিতৰত অ'জোন স্তৰ শতকৰা দহভাগ পাতল হোৱাৰ

আশঙ্কা আছে, ইয়াৰ ফলত মানুহৰ ছালত হোৱা কেন্সাৰ বেমাৰ শতকৰা ছাব্বিশ ভাগ বৃদ্ধি পোৱাৰ ভয় আছে

পৰিবেশ পৰিষ্কাৰ কৰা আৰু ভৱিষ্যতে উন্নত প্ৰযুক্তি ব্যৱহাৰৰ যোগেদি বায়ু দূষণ হ্ৰাস কৰিবলৈ হ'লে বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হ'ব। ৰাষ্ট্ৰসংঘৰ হিচাপ অনুসৰি বছৰি ছশ বিলিয়ন ডলাৰ হলেহে বিশ্ব পৰিবেশ পৰিষ্কাৰ কৰা সম্ভৱ। তাৰে এশ পঁচিশ বিলিয়ন ডলাৰ উদ্যোগ প্ৰধান দেশবোৰে প্ৰতিবছৰে উন্নয়নশীল দেশবোৰলৈ সাহায্য হিচাপে আগবঢ়োৱা প্ৰস্তাৱ দাঙি ধৰা হৈছিল। শীৰ্ষ সন্মিলনৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিছিল উন্নয়নৰ লগতে সুস্থ পৰিবেশ নিশ্চিত কৰিব পৰা কৰ্মসূচীৰ (Agenda 21) সফল ৰূপায়ণৰ ওপৰত। কিন্তু বিশ্ব পৰিবেশ দূষণৰ বাবে প্ৰধানকৈ দায়ী ধনী উদ্যোগ প্ৰধান দেশবোৰে এই খৰচৰ বোজা লবলৈ অমান্তি হোৱাৰ বাবেই আৰ্থ-চামিটে পৃথিৱীৰ পৰিবেশ নিকা কৰাৰ পৰিবৰ্তে উন্নত আৰু উন্নয়নশীল, উত্তৰ আৰু দক্ষিণ, ধনী আৰু দুখীয়া দেশবোৰৰ মাজৰ মতপাৰ্থক্য বৃদ্ধিহে কৰিলে। বিশ্ববেংকৰ সভাপতি লিৱিছ টি প্ৰিছটনে দাবী কৰিছিল যে উদ্যোগ প্ৰধান দেশবোৰেই যিহেতু প্ৰদূষণৰ বাবে প্ৰধানকৈ দায়ী গতিকে জ্ঞান-বুদ্ধি-প্ৰযুক্তি আৰু প্ৰয়োজনীয় পুঁজিৰে তেওঁলোকে পৰিবেশ পৰিষ্কাৰ কৰাৰ দায়িত্বও বহণ কৰা উচিত। কিন্তু আমেৰিকাকে আদি কৰি আন ধনীদেশবোৰে এই দায়িত্ব লবলৈ অস্বীকাৰ কৰাত বহু আকাংক্ষিত পুঁজি গঠনৰ বিষয়টো অমীমাংসিত হৈয়ে ৰ'ল।

## অতি ভোগৰ পৰিণতি

পৃথিৱীৰ কলুষিত পৰিবেশ ধনী দেশবোৰৰ অতীত কৰ্মকাণ্ডৰ ফল বুলি বসুন্ধৰা বৈঠকতে উন্নয়নশীল দেশবোৰে উপৰ্যুপৰি অভিযোগ তুলিছিল। পৃথিৱীৰ দুই গোলাৰ্দ্ধ—উত্তৰ আৰু দক্ষিণৰ মানুহৰ জীৱন ধাৰণৰ মানৰ ক্ষেত্ৰত থকা বৈষম্য ১৯৬০ চনৰ পৰা প্ৰায় দুগুণ বাঢ়িছে বুলি ১৯৯২ চনৰ ৰাষ্ট্ৰসংঘৰ উন্নয়ন আঁচনিৰ প্ৰতিবেদন পৰাই বুজিব পাৰি। উত্তৰৰ ধনীদেশবোৰত পৃথিৱীৰ মুঠ জনসংখ্যাৰ শতকৰা মাত্ৰ ষোল ভাগহে আছে আৰু তেওঁলোকে পৃথিৱীৰ মুঠ খাদ্য সামগ্ৰীৰ শতকৰা ষাঠি ভাগ আৰু শক্তি সম্পদৰ শতকৰা সত্তৰ ভাগ ভোগ কৰিছে। উত্তৰৰ শতকৰা ওঠৰ ভাগ অতি সম্পদশালী মানুহৰ উপাৰ্জ্জন দক্ষিণৰ শতকৰা ওঠৰভাগ অতি দৰিদ্ৰ মানুহৰ উপাৰ্জ্জন ডেৰশ গুণ। বিশ্বৰ প্ৰায় এই এশ কোটি মানুহে ডেৰশ গুণ সম্পদ বেছিকৈ ভোগ কৰি থকা কথাৰ পৰা চৰম বৈষম্যৰ কথাকে বুজিব পাৰি। এই পৰিসংখ্যাবোৰৰ পৰা এই কথাও বুজিব পাৰি যে ধনবানসকলেই পৃথিৱীৰ অধিক সম্পদ ভোগ কৰি আহিছে। ধনী দেশবোৰত ভোগ প্ৰৱণতাও খুব বাঢ়িছে। সেয়ে হয়তো ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান গৰাকীয়ে কৈছে

> এই পৃথিৱীতেই তৃতীয় বিশ্বৰ প্ৰায় ৬৩০ নিযুত দাল-দৰিদ্ৰই সুস্থভাবে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় খাদ্য খাবলৈ নাপায় আৰু ৩,৪০০ নিযুত মধ্যবিত্তই উদ্ভিদ প্ৰোটিনৰ যোগেদি প্ৰোটিনৰ প্ৰয়োজনীয়তা আহৰণ কৰে।

"The earth was simultaneously suffering from underdevelopment and overdevelopment".

ৱাছিংটনৰ World Watch Instituteৰ এটা সমীক্ষা মতে পৰিবেশ অনিষ্টকাৰী মুঠ গ্ৰীণহাউছ গেছ সমূহৰ আধাতকৈও বেছি পৰিমাণ সৃষ্টি হয় পৃথিৱীৰ মুঠ জনসংখ্যাৰ সৰ্বোচ্চ সম্পদৰ অধিকাৰী শতকৰা পাঁচজন লোকৰ স্বাৰ্থত। আকৌ অ'জোন স্তৰ অনিষ্ট কৰা ক্লোৰোফ্লোৰোকাৰ্বনৰ শতকৰা নব্বৈ ভাগো এওঁলোকৰ স্বাৰ্থতে সৃষ্টি হয়। উদ্যোগ প্ৰধান দেশৰ এজন নাগৰিকে উন্নয়নশীল দেশৰ এজন নাগৰিকতকৈ পোন্ধৰ গুণ বেছি কাগজ, দহগুণ বেছি তীখা আৰু বাৰ গুণ বেছি ইন্ধন ব্যৱহাৰ কৰে। এই অত্যধিক ভোগবিলাস আৰু অপচয়ৰ চূড়ান্ত নিদৰ্শন হ'ল—আমেৰিকা যুক্তৰাষ্ট্ৰ। গড় হিচাপে এজন আমেৰিকাৰ নাগৰিকে বছৰত প্ৰায় ছয় হেজাৰ মাইল নিজৰ গাড়ীত ঘূৰে। আৰু শতকৰা নব্বৈভাগ নতুন আমেৰিকান গাড়ীয়েই শীততাপ নিয়ন্ত্ৰিত। এই বিলাসে অনায়াসে পৃথিৱীৰ বায়ুমণ্ডল দূষিত কৰি গ্লেবেল ৱাৰ্মিং সৃষ্টি কৰিছে।

এই পৃথিৱীতেই তৃতীয় বিশ্বৰ প্ৰায় ৬৩০ নিযুত দাল-দৰিদ্ৰই সুস্থভাবে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় খাদ্য খাবলৈ নাপায় আৰু ৩,৪০০ নিযুত মধ্যবিত্তই উদ্ভিদ প্ৰোটিনৰ যোগেদি প্ৰোটিনৰ প্ৰয়োজনীয়তা আহৰণ কৰে। আনফালে আমেৰিকাবাসীয়ে তেওঁলোকৰ প্ৰোটিনৰ চাহিদা পূৰণ কৰিছে প্ৰাণীজ প্ৰোটিনৰ পৰা। প্ৰতি পাউণ্ড আমেৰিকান গোমাংসৰ বাবে পাঁচ পাউণ্ড শস্য আৰু পাঁচ লিটাৰ গেছোলিনৰ সমান ইন্ধনৰ প্ৰয়োজন হয়। অৰ্থাৎ একচতুৰ্থাংশ বিশ্ববাসীয়ে পৃথিৱীৰ মুঠ উৎপাদিত শস্যৰ আধাভাগ পৰোক্ষভাবে ভোগ কৰে—কাৰণ তেওঁলোকৰ প্ৰোটিনৰ বাবে প্ৰয়োজনীয় প্ৰাণীৰ খাদ্যৰ বাবেই এই বৃহৎ পৰিমাণৰ শস্যৰ প্ৰয়োজন হয়। তদুপৰি বিভিন্ন খাদ্য সামগ্ৰী প্ৰছেচিং আৰু পেকেজিঙৰ বাবেও আৰু বহুত সম্পদৰ প্ৰয়োজন হয়। উদাহৰণ স্বৰূপে কমলা টেঙা উৎপাদনৰ বাবে প্ৰয়োজনীয় ইন্ধনতকৈ ভোক্তাক শীতল কমলাৰস যোগান ধৰিবৰ বাবে তাতকৈ চাৰিগুণ ইন্ধনৰ প্ৰয়োজন হয়। আলু উৎপাদন কৰিবলৈ যি পৰিমাণৰ ইন্ধন ব্যয় হয়, হৰেক ৰকমৰ পেকেটৰ আলুভজা (Potato Chips) প্ৰস্তুত কৰিবলৈ তাতকৈ চাৰিগুণ ইন্ধন ব্যয় হয়।

তৃতীয় বিশ্বৰ সাধাৰণ নাগৰিকৰ পেটেভাতে খোৱা জীৱিকাৰ মানৰ পৰা বিচাৰ কৰিলে অবিশ্বাস্য যেন লাগিলেও আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাধাৰণ নাগৰিকৰ ভোগ্য দ্ৰব্যৰ পৰিমাণৰ এই পৰিসংখ্যা ৱাছিংটনৰ World Watch Instituteৰ অধ্যয়নৰেই ফল।

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ কণ্ঠত এক আকুল আহ্বান শুনা গৈছে। অতি যুক্তিসঙ্গতভাবেই তেওঁ বসুন্ধৰা বৈঠকত কৈছে যে সহস্ৰজনৰ দৰিদ্ৰতাৰ বিনিময়ত যাতে এমুঠিমানৰ ঐশ্বৰ্য আহৰণ নহয় সেইকথা আমি নিশ্চিত কৰিব লাগিব।

কিউবাৰ বিপ্লৱী ৰাষ্ট্ৰনায়ক ফিডেল কেষ্ট্ৰোৰ মতে পৰিবেশ বিনষ্ট কৰাৰ বাবে ভোগবাদী দেশসমূহেই দায়ী। তেওঁ আঙুলিয়াই দিছে যে সৌ সিদিনালৈকে উন্নয়নশীল দেশবোৰ আজিৰ উন্নত দেশবোৰৰ অধীনতে উপনিবেশ হৈয়ে আছিল আৰু এতিয়া এই দেশবোৰ উন্নত দেশবোৰৰ অন্যায় বিশ্ব অৰ্থনৈতিক ব্যৱস্থাৰ বলি হ'ব লগা হৈছে।

উন্নয়নশীল দেশবোৰ উন্নত দেশবোৰৰ ওচৰত ধৰুৱা আৰু উন্নত দেশবোৰ বিশ্বৰ পৰিবেশ আৰু প্ৰকৃতিৰ ওচৰত ধৰুৱা। উন্নত দেশবোৰে পৰিবেশ ঋণ পৰিশোধ কৰক। তৃতীয় বিশ্বৰ দেশবোৰে তাকেই উচিত ভাবে দাবী কৰিছে। কিন্তু যিবোৰ উন্নত দেশে সৌ সিদিনালৈকে তেওঁলোকৰ উপনিবেশবোৰৰ প্ৰাকৃতিক সম্পদ নানাভাবে ধ্বংস কৰি ভোগবিলাসৰ জীৱন যাপন কৰিছিল, সেই দেশবোৰেই এতিয়া বসুন্ধৰা বৈঠকত পৰিবেশ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সিদ্ধান্তত উপনীত হোৱাত বিধি পথালি দিছে।

## বায়ও ডাইভাৰচিটি

কেৱল মানুহ নামৰ প্ৰাণীটোৰ বাবেই পৃথিৱীখন নহয়। নানা প্ৰজাতিৰ গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকতি, কীট-পতঙ্গ সকলো প্ৰকৃতিৰ শৃংখলত বান্ধ খাই আছে। পৰিবেশৰ সমতা ৰক্ষাৰ কাৰণে প্ৰত্যেকটোৰে পৃথিৱীত প্ৰয়োজন আছে। কিন্তু নিজ স্বাৰ্থ পূৰণৰ বাবে মানুহে কৰা প্ৰকৃতি ধ্বংস কাৰ্যৰ ফলত গছ-গছনি, জীৱ-জন্তুৰ বিভিন্ন প্ৰজাতি নিঃশেষ হৈছে আৰু কিছুমানৰ অস্তিত্বৰ আশঙ্কাই দেখা দিছে। প্ৰকৃতি আৰু পৰিবেশ সুস্থ ৰাখিবলৈ আৰু মানুহৰ নানা চাহিদা পূৰণ কৰিবলৈ উদ্ভিদ আৰু জীৱজন্তুৰ বিভিন্ন প্ৰজাতিৰ বিচিত্ৰতা (Biodiversity) ৰক্ষা কৰিবই লাগিব।

ভাবিলে আচৰিত হ'ব লাগে যে পৃথিৱীত আঠ নিযুততকৈও অধিক সংখ্যক জীৱজন্তু আৰু উদ্ভিদ প্ৰজাতি আছে। সকলোবোৰ প্ৰাণী আৰু উদ্ভিদৰ বিভিন্ন প্ৰজাতিৰ বিচিত্ৰতা (biodiversity) ৰক্ষা কৰাটো পৰিৱেশ ৰক্ষা আৰু মানৱ জাতিৰ উন্নয়নৰ কাৰণে অত্যন্ত প্ৰয়োজন হৈ পৰিছে। ভাৰতকে ধৰি দক্ষিণ-পূব এচিয়াৰ দেশসমূহ, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহ পৃথিৱীৰ বায়'ও ডাইভাৰচিটিৰ অন্তহীন আকৰ। এই দেশবোৰৰ ভিতৰতো ভাৰতৰ ঐশ্বৰ্য আৰু চমকলগা। শিল্প বিপ্লৱে সৃষ্টি কৰা প্ৰযুক্তি-প্ৰধান অৰ্থনৈতিক উন্নয়নৰ ফলত উদ্ভিদ আৰু প্ৰাণীজগতৰ অস্তিত্ব বিপন্ন হবলৈ ধৰিছে। প্ৰতিদিনে এশৰ পৰা তিনিশ প্ৰজাতি, প্ৰধানকৈ উদ্ভিদ প্ৰজাতি লুপ্ত হৈ আছে। অহা বিশ-ত্ৰিশ বছৰৰ ভিতৰত বাকী থকা প্ৰজাতি সমূহৰ চাৰিভাগৰ এভাগ বিলুপ্ত হ'ব বুলিয়ে বিজ্ঞানীসকলে আশঙ্কা কৰিছে। মানুহৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় খাদ্য, বস্ত্ৰ, ঔষধ, আশ্ৰয়স্থলৰ সা-সঁজুলি এই সকলোবোৰতে বিচিত্ৰ উদ্ভিদ আৰু প্ৰাণীজগতৰ অতুলনীয় অবদানৰ কথা মানুহে উপলব্ধি কৰাৰ লগে লগে বায়ও ডাইভাৰচিটিৰ সুৰক্ষাৰ গুৰুত্বও বাঢ়িছে। মানুহে হাড়ে হাড়ে উপলব্ধি কৰিছে প্ৰাকৃতিক কেঁচামালৰ অবিহনে ঔদ্যাগিক উৎপাদনে আমাৰ ভোগ্য সামগ্ৰীৰ চাহিদা পূৰণ কৰিব নোৱাৰে।

উদ্ভিদ আৰু প্ৰাণীজগতৰ বিচিত্ৰতা ৰক্ষা কৰিবলৈ উন্নত প্ৰযুক্তি আৰু গৱেষণা লব্ধ জ্ঞানৰ প্ৰয়োজন। উন্নত প্ৰযুক্তিৰ গৰাকী ধনী উদ্যোগ প্ৰধান দেশবোৰ যেনেকৈ বায়ও ডাইভাৰচিটিত দুখীয়া, তেনেকৈ বায়ও ডাইভাচিটিত অতি চহকী উন্নয়নশীল দেশবোৰ প্ৰযুক্তি বিজ্ঞানত একেবাৰে পিছপৰা। এই দুয়ো শ্ৰেণীৰ ৰাষ্ট্ৰৰ মাজত স্বাৰ্থৰ সংঘাত অনিবাৰ্য। বায়ও ডাইভাৰচিটিত সমৃদ্ধ দেশবোৰত যিহেতু এই সম্পদসমূহ ৰক্ষাৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তিজ্ঞান আৰু ধনৰ অভাৱ, গতিকে এই দেশবোৰে উন্নত দেশৰ গৱেষণালব্ধ ফল আৰু প্ৰযুক্তি সহায় লবলৈ বিচাৰে। কিন্তু অতি উন্নত প্ৰযুক্তিৰ গৰাকী আমেৰিকাই তেওঁলোকৰ প্ৰযুক্তি আৰু বিদ্যা-বুদ্ধিৰ ভাগ চৰ্তহীন ভাবে আনক দিবলৈ প্ৰস্তুত নহয়। আমেৰিকা আদি উন্নত দেশবোৰৰ মতে উদ্ভিজ আৰু প্ৰাণীজ প্ৰজাতিৰ বিচিত্ৰতা মানৱ জাতিয়ে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা সম্পদ আৰু সেয়ে এইবোৰ সকলোৱে আহৰণ কৰিব পৰাকৈ মুক্ত হ'ব লাগে। আনফালে এই সম্পদসমূহৰ বিষয়ে আয়ত্ত কৰা সকলো ধৰণৰ কৌশলী আৰু কাৰিকৰীজ্ঞান GATTৰ(General Agreement on Tariffs and Trade) বাণিজ্য সম্পৰ্কীয় বৌদ্ধিক সম্পদ বিশেষ সুৰক্ষা আইনৰ (Trade Related Intellectual Property Rights) দ্বাৰা সুৰক্ষিত হ'ব লাগে বুলি তেওঁলোকে দাবী কৰিছে।

গতিকে বসুন্ধৰা বৈঠকত উন্নয়নশীল দেশবোৰে তেওঁলোকৰ বিচিত্ৰ প্ৰাকৃতিক সম্পদসমূহ সুৰক্ষাৰ ক্ষেত্ৰত উন্নত দেশবোৰৰ পৰা বিশেষ সহায়ৰ আশ্বাস নাপালে।

গম্ভীৰ উদ্বেগৰ বিষয় এয়ে যে যোৱা দুটা দশকত উন্নত দেশবোৰৰ পৰিবেশ প্ৰদূষণ কিছু কমিল; কিন্তু উন্নয়নশীল দেশবোৰৰ অৱস্থা আগতকৈও বেয়াহে হ'ল। অনিয়ন্ত্ৰিত জনসংখ্যাই এইবোৰ দেশৰ সমস্যা আৰু জটিল কৰি তুলিছে। অহা কুৰি বছৰত বিশ্বৰ জনসংখ্যা আৰু ১.৭ শতকোটি বাঢ়িব বুলি আশঙ্কা কৰিছে। তাৰে শতকৰা নব্বৈটা শিশু উন্নয়নশীল দেশবোৰতে জন্ম হ'ব। ইতিমধ্যেই এই দেশবোৰত প্ৰায় ১.১ শতকোটি মানুহ দাৰিদ্ৰ্যৰ মাজতেই জীয়াই আছে, তেনে অৱস্থাত জনসংখ্যা আৰু বাঢ়িলে সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিব।

## উপনিবেশিকতাবাদৰ আধুনিকতম ৰূপ

বিওত অনুষ্ঠিত বসুন্ধৰা বৈঠকো আনবোৰ বৈঠকৰ দৰে আন্তৰ্জাতিক ৰাজনৈতিক শক্তিৰ ভাৰসাম্য ৰক্ষাৰ এক বিশেষ জাকজমকতাপূৰ্ণ অনুষ্ঠানহে আছিল। বহুতৰ মতে পিছপৰা দেশসমূহক উন্নত দেশবোৰে আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি নানা প্ৰকাৰে বহতীয়া কৰিব খোজাৰ যি ব্যৱস্থা ইতিমধ্যে চলি আছে, বসুন্ধৰা বৈঠক তাৰেই সম্প্ৰসাৰণ। সেইবাবে এওঁলোকে এই বৈঠকক 'Green Version of the GATT' বুলি অভিহিত কৰিছে।

ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধানে আগবঢ়োৱা Polluters to pay পৰামৰ্শ সম্পূৰ্ণভাবে মানি লৈ পৰিবেশ নিকা কৰাৰ বাবে প্ৰয়োজন হোৱা ধনবিত দিয়াত আমেৰিকাৰ আপত্তি। আপত্তি বায়ও ডাইভাৰচিটি সংৰক্ষণ প্ৰস্তাৱতো। কিন্তু তৃতীয় বিশ্বৰ অৰণ্য সমূহ ৰক্ষাৰ বাবে Tropical Forestry Action Planৰ যোগেদি এই দেশবোৰৰ অৰণ্যত ধন আৰু প্ৰযুক্তি লৈ প্ৰৱেশ কৰিবলৈ আমেৰিকাৰ আগ্ৰহৰ সীমা নাই। সহায়ৰ হাত আগবঢ়াই বসুন্ধৰা শ্যামলা কৰাৰ নামত উত্তৰে দক্ষিণত উপনিবেশবাদৰ পুনৰ পাতনি মেলিব খোজা নাইতো? ■

# ৰবীন্দ্ৰ কাব্যত মঙ্গলবোধ

নলিনীধৰ ভট্টাচাৰ্য

ৰবীন্দ্ৰনাথ বহু আলোচিত কবি, বহুকাললৈ তেওঁৰ দান আৰু সাধনাৰ কথা মানুহে সুঁৱৰিব, তেওঁৰ স্মৃতি পাহৰণি ৰাক্ষসীয়ে কেতিয়াও গিলিব নোৱাৰে। কোনো মৃত্যুৱে ম্লান কৰিব নোৱাৰে তেওঁ থৈ যোৱা সৎ সংস্কৃতিৰ ঐতিহ্য। সত্যজিৎ ৰায়ৰ ভাষাত, সেই ঐতিহ্য কোনো জুয়ে পুৰিব নোৱাৰে। আজি বৰ্তমান বিকাৰ-গ্ৰস্ত ; ৰবীন্দ্ৰনাথেও সেই বিকাৰৰ ভয়ংকৰ ৰূপ দেখি গৈছে। আজি তাৰ ৰূপ আৰু ব্যাপক আৰু ভয়ানক। বৰ্তমানে অতীতক প্ৰকাশ কৰে আৰু ভৱিষ্যতৰ বাবে কাতৰভাবে প্ৰতীক্ষা কৰে। আজিৰ ভাৰতবৰ্ষত বৰ্তমান অতীত লৈয়ে ব্যস্ত ; ভৱিষ্যত-বিমুখ। ৰবীন্দ্ৰ প্ৰতিভাৰ মাজত ভবিষ্যতৰ দিকদৰ্শন সম্ভৱ হৈছিল। এটা সংস্কৃতিবান আৰু সচল পাৰিবাৰিক পৰিবেশ, ইউৰোপীয় নব-জাগৰণৰ প্ৰভাৱ, ভাৰতীয় ঐতিহ্য আৰু গ্ৰাম্য-সৃষ্টিৰ লগত আন্তৰিক সম্পৰ্ক-এইবোৰৰ সমন্বয়েই তেওঁৰ প্ৰতিভাৰ উৎস। তৃণমূলৰ পৰা প্ৰাণ-ৰস আহৰণ কৰা বাবেই তেওঁৰ সৃষ্টি ক্ষমতা আছিল মহৎ, বলিষ্ঠ আৰু সুদীৰ্ঘ। তেওঁ বিশাল মহীৰুহৰ দৰে, মাটিৰ পৰা ক্ৰমে আকাশলৈ ডাল-পাত মেলি নিজকে বিস্তাৰ কৰিছিল ; তেওঁ নিজেই আছিল ইতিহাসৰ উজ্জ্বল অধ্যায় ; আছিল আলোক স্তম্ভ স্বৰূপ, সেইজন মহাকবিয়ে দেশকেই নহয় সমগ্ৰ বিশ্বকেই পোহৰাই তুলিছিল - উদাৰ অনুভূতি, মননশীলতা আৰু মানৱ ধৰ্মৰ তত্ত্বেৰে। তেওঁৰ সংবেদনা আছিল সচল, ঘাত প্ৰতিঘাত আৰু অভিজ্ঞতাই তেওঁক দিছিল এটি চলমান মানসিকতা। প্ৰকৃতিৰ লগত তেওঁৰ যি আত্মীয়তা, তাত তেওঁ এটা নান্দনিক দূৰত্ব ৰক্ষা কৰিছিল, কিন্তু মানুহ আছিল নিচেই কাষতে, গতিকে মানুহ সম্বন্ধে তেওঁ নিৰাসক্ত হ'ব পৰা নাছিল। এটা সময়ত ভক্তিক আশ্ৰয় কৰিছিল যদিও, তেওঁ ক্ৰমান্বয়ে বাস্তৱৰ দুখ-দৈন্য সম্বন্ধে সজাগ হৈছিল। শান্তি-নিকেতনত দিয়া এটা ভাষণত তেওঁ কৈছিল ঃ

"মানুষ আমাদেৰ এত অত্যন্ত কাছে যে তাৰ সমস্ত ছোটকে আম্‌ৰা বড় কৰে দেখি ; আমৰা মানব-সংসাৰেৰ ভিতৰে আছি ব'লেই তাৰ বাষ্প ৰাশিৰ ভয়ংকৰ ঘাত-সংঘাত সৰ্বদাই বড় কৰে প্ৰত্যক্ষ কৰেছি। আধি-ব্যাধি দুৰ্ভিক্ষ-দাৰিদ্ৰ্য হানাহানি, কাটাকাটিৰ মন্থন কেবল চাৰিদিকে চলছে - সংসাৰেৰ সমস্ত বেদনা আমাদেৰ অত্যন্ত কাছে আসে বাজে। যেখানে সামঞ্জস্য বিদীৰ্ণ হচ্ছে, সেইখানে আমাদেৰ দৃষ্টি পড়ে ; কিন্তু সেই সমস্তকেই আত্মসাৎ কৰে নিয়ে যেখানে অনন্ত সামঞ্জস্য বিৰাজ কৰছে সেখানে সহজে আমাৰ দৃষ্টি যায় না।" (উদ্ধৃতি ঃ আধুনিকতা ও ৰবীন্দ্ৰনাথ আবু সয়ীদ আইয়ুব)

অনন্ত সামঞ্জস্যৰ অৰ্থ মিলন। তাতেই সৌন্দৰ্য। ইয়াৰ বাবে দূৰলৈ আমি চাব জানিব লাগিব। ৰবীন্দ্ৰনাথে অনুভৱ কৰিছিল, দুখ-অপমান থাকিব পাৰে ; কাৰণ মানুহ মুক্ত নহয়, সজাৰ চৰাইৰ দৰে তেওঁ বন্দী। ভূমিত থাকি ভূমা স্পৰ্শ কৰিবলৈ হ'লে মানুহে হৃদয় আৰু দৃষ্টি প্ৰসাৰিত কৰিবই লাগিব ঃ

হৃদয়বন্ধু, শুন গো বন্ধু মোৰ
তোমাৰ চৰণে নাহি তো লৌহডোৰ।
সকল মেঘেৰ উৰ্ধে যাও গো উড়িয়া
সেথা ঢালো তান বিমল শূন্য জুড়িয়া
'নেভে নি, নেভে নি প্ৰভাতেৰ ৰবি'
কহো আমাদেৰ ডাকি
মুদিয়া নয়ান শুনি সেই গান আমৰা
খাচাৰ পাখি।'

দুখক ডাঙৰ নকৰি য'ত শুভ, অথবা সামঞ্জস্য আছে তাতহে আমাৰ চকু পৰা উচিত। দুখ, অপমান, পাপ, অমঙ্গল য'ত আছে তাৰ প্ৰতি ঘৃণা আৰু ক্ৰোধ হোৱাটো স্বাভাৱিক, কিন্তু সেইবুলি সেই ঘৃণা আৰু ক্ৰোধক জাগতিক কৰাটো অৰ্থাৎ জগতত বিয়পাই দিয়াটো অনুচিত। তেনে কৰিলে মানুহৰ কৰ্মশক্তি আৰু জীৱনী শক্তিও হ্ৰাস পাব। ৰবীন্দ্ৰনাথে সেইটো কৰা নাছিল ; কুৎসিতৰ প্ৰতি আসক্ত হোৱা আৰু বিশ্বৰ প্ৰতি উদ্ধত অবিশ্বাস আৰু কুৎসাৰ দৃষ্টি লোৱাটো আকস্মিক পৰিবৰ্তনজনিত ব্যক্তিগত চিত্তবিকাৰহে। আধুনিক কবি সকলৰ বহুতেই এনে চিত্তবিকাৰত ভুগিছিল আৰু অমঙ্গলবিলাসত বুৰ গৈছিল। ৰবীন্দ্ৰনাথৰ মতে এইটো নৈৰ্ব্যক্তিক দৃষ্টি নহয়,- ইয়াত আমাৰ আলংকাৰিক সকলে উল্লেখ কৰা নান্দনিক ঔচিত্য'ও নাই। সাহিত্যৰ মহত্ব সাহিত্যিক বিচাৰেৰে নিষ্পত্তি কৰিব নোৱাৰি, যদিও সেই ৰচনা সাহিত্য হৈছে নে নাই হোৱা সেইটো সাহিত্যৰ ভিতৰুৱা কথা। সাহিত্যই যদি সমগ্ৰ বিশ্বজগতৰ প্ৰতি অবিশ্বাস আৰু বিতৃষ্ণাৰ ভাবৰ ওপৰত গুৰুত্ব দিয়ে, তেন্তে তাত ফুটি উঠে ঘৃণা আৰু প্ৰত্যাখ্যানৰ মনোভাব ; সাহিত্যত যদি এনে ঘটে, তেন্তে সি জীৱনকো পঙ্গু কৰাৰ আশংকা থাকে। তেতিয়া সাহিত্যৰো ক্ষতি হয়, কিয়নো, সি মহৎ মূল্যবোধৰ প্ৰেৰণা দিব নোৱাৰে। যদি সেয়ে হয়, এই অসামঞ্জস্যৰ মাজত মানুহ কি লৈ জীয়াই থাকিব ? ৰবীন্দ্ৰনাথে এটা সময়ত অৱশ্যে ভগৱানৰ সৃষ্টিত সৰ্বত্ৰ মঙ্গলকে দেখা পাইছিল-

তোমাৰ অসীমে প্ৰাণময় লয়ে যতদূৰ
আমি যাই-
কোথাও দুঃখ কোথাও মৃত্যু, কোথাও
বিচ্ছেদ নাই।

এই ধৰণৰ অনুভূতিতে তেওঁ অৱশ্যে খোপনি পোতা নাই ; পৰিণত বয়সত তেওঁৰ উপলব্ধিয়ে সুকীয়া ৰূপ লৈছে। গীতাঞ্জলি পৰ্বত তেওঁ ভাবিছিল যে পূৰ্ণৰ প্ৰকাশ এদিন হ'বই, কিন্তু ক্ৰমে এই বিশ্বাস শিথিল হৈ আহিল। 'নবজাতক'ত তাৰ আভাস পোৱা যায়। পূৰ্ণতাৰ আস্বাদ যেন অলভ্য,- খুব সহজ নহয় তাৰ বিকাশ ; কিন্তু জন্তুৰ আদিমতাৰ লগত এতিয়াও নাড়ীৰ যোগ ছিন্ন কৰিব নোৱৰা মানুহৰ মাজত হঠাৎ একোজন সুস্থ বিবেকবান মানুহৰ আৱিৰ্ভাৱ হ'য় কিয় ? ৰবীন্দ্ৰনাথৰ বাবে এনে ঘটনা বিস্ময়জনক ঃ তেওঁ লিখিছে ঃ

কোন্ আলোতে প্ৰাণেৰ প্ৰদীপ
জ্বালিয়ে তুমি ধৰায় আস
সাধক ওগো, প্ৰেমিক ওগো
পাগল ওগো, ধৰায় আস।
এই অকুল সংসাৰে
দুঃখ-আঘাত তোমাৰ প্ৰাণে বীণা-
ঝংকাৰে

কেৱল মহাপুৰুষ সকলেই যে পশুশক্তিৰ বিৰুদ্ধে প্ৰাণৰ প্ৰদীপ জ্বলাইছিল এনে নহয়, পৃথিৱীত এনে বহুত সাধাৰণ মানুহ আছে যি অকুণ্ঠচিত্তে অন্যায় আৰু বৰ্বৰতাৰ বিৰুদ্ধে নিজৰ প্ৰাণ আহুতি দিছে। হিটলাৰী দানৱীয়তাৰ বিৰুদ্ধে সাধাৰণ মানুহৰ প্ৰতিবাদী কণ্ঠ যিদৰে বাজি উঠিছিল, ঠিক সেইদৰে তেওঁবিলাকৰ আত্মত্যাগৰো চৰম নিদৰ্শন দেখা গৈছিল। জীৱনত এয়ে সুন্দৰ, এয়ে মহৎ। সাহিত্যত তাৰ ব্যঞ্জনা থাকিব লাগিব, কেৱল অশুভৰ আঘাতকে সৰ্বস্ব বুলি ধৰিব নোৱাৰি। ৰবীন্দ্ৰনাথৰ অমঙ্গল চেতনাৰ প্ৰকৃতে বেলেগ,- তাত অমঙ্গল আছে, কিন্তু তাকেই ডাঙৰ কৈ তেওঁ দেখুওৱা নাই - তাৰ ঠাইত তেওঁ দেখুৱাইছে শুভবোধ বা মঙ্গল-চেতনাৰ প্ৰাধান্য। পৃথিৱীৰ বীভৎস ৰূপ ৰবীন্দ্ৰনাথে চিনি পাইছিল ; তেওঁ কৈছে ঃ

দৈন্য সেথা, ব্যাধি সেথা, সেথাও
কুশ্ৰীতা
সেথায় ৰমণী দস্যুভীতা-
সেথায় উত্তৰী ফেলি পৰি বৰ্ম
সেথায় নিৰ্মম কৰ্ম।

ইয়াত ৰবীন্দ্ৰনাথ যে দুখ দৈন্য বা অমঙ্গলৰ প্ৰতি সচেতন সেই কথা আমি জানিব পাৰো, কিন্তু, মানুহ যে সদায় স্বাৰ্থ, পৰশ্ৰীকাতৰতা আৰু হিংসাতে নিমজ্জিত হৈ থাকিব এই ধাৰণা তেওঁ পোষণ নকৰে। ৰবীন্দ্ৰনাথৰ শেষ বয়সৰ শ্ৰেষ্ঠ কবিতা শিশুতীৰ্থত মানুহৰ দুৰ্বলতাবোৰ যেনেকৈ নাটকীয়ভাবে দেখুৱাইছে, তেনেকৈ দেখুৱাইছে মানুহৰ ওপৰত অগাধ বিশ্বাস। কবিতাটোত বৰ্বৰ যুগৰ নগ্ন হিংস্ৰতাৰ পৰা ভৱিষ্যতৰ পূৰ্ণমানৱৰ জন্মলৈকে মানুহৰ ইতিহাস বৰ্ণিত হৈছে। মানুহ হয়তো বহুতো দূৰ যাব লাগিব - স্বপ্নৰ সেই ভৱিষ্যতলৈ - য'ত বিদ্বেষ-অন্ধ, হিংসা-উন্মত্ত মানুহ আৰু নেথাকিব,- জন্ম হ'ব পূৰ্ণ মানৱৰ। মানুহৰ এই আদিম তামসিকতাৰ মাজতো ৰবীন্দ্ৰনাথে বতাহত যুতিফুলৰ মৃদু গোন্ধ পাইছে। তেওঁ মানুহৰ ওপৰত বিশ্বাস হেৰুওৱা নাই - তেওঁ বাট চাই আছে সেই অনাগত দিনবোৰলৈ যেতিয়া মানুহে তাৰ পশুস্বভাৱক জয় কৰিব পাৰিব। তেতিয়াই জন্ম হ'ব, মহাপুৰুষ নহয়, ঘৰে ঘৰে পূৰ্ণ মনুষ্যত্বৰ অধিকাৰী মানুহ ঃ

মা বসে আছেন তৃণশয্যায়, কোলে
তাৰ শিশু
উষাৰ কোলে যেন শুকতাৰা।
দ্বাৰপ্ৰান্তে প্ৰতীক্ষাপৰায়ণ সূৰ্যৰশ্মি শিশুৰ
মাথায় এসে পড়ল
কবি দিলে আপন বীণায় তাৰে
ঝংকাৰ, গান উঠিল আকাশে ;
জয় হোক মানুষেৰ, ঐ নবজাতকেৰ,
ঐ চিৰজীবিতেৰ।

এই মাতৃ কোন ? বঙ্গৰ বিখ্যাত লেখক শশীভূষণ দাসগুপ্তৰ মতে ; এই গৰাকী মাতৃ বসুন্ধৰা। গোটেই সৃষ্টিয়ে আগ্ৰহেৰে বাট চাই আছে কেতিয়া নো মাতৃ বসুন্ধৰাই তেওঁৰ তৃণশয্যাত মানৱশিশুক কোলাত লৈ বহিব, সেই মানৱশিশুৰ মাজত ঘনীভূত হ'ব সৃষ্টিৰ সকলো অৰ্থ। কিন্তু এই মানৱশিশু এতিয়াও জন্ম লোৱা নাই ঃ সেই পূৰ্ণ পুৰুষ, আগন্তুক, তেওঁৰ ৰথ চলিছে, কিন্তু এতিয়াও আহি পোৱা নাই।

এই পূৰ্ণ মানৱ এদিন বসুন্ধৰাৰ কোলাত সূৰ্যৰশ্মিৰ স্পৰ্শত উজ্জ্বল হৈ উঠিব - ৰবীন্দ্ৰনাথৰ এই স্বপ্নৰ মাজতে আমি ভৱিষ্যতৰ দিক্ দৰ্শনৰ ইঙ্গিত পাওঁ। তেওঁৰ মাজত অনুৰাগ আৰু নিৰ্বেদ, ৰক্তমাংসৰ মানুহ আৰু আত্মিক শক্তিৰ দ্বন্দ্ব দেখো, এই দ্বন্দ্বত তেওঁৰ মানসিক উত্তৰণো ঘটিছে। তেওঁৰ পূৰ্ণ মানৱ, তেওঁৰ ভগৱৎ আদৰ্শৰে প্ৰতিৰূপ। তেওঁ স্বৰ্গৰ পৰা ঘূৰি আহিছে পৃথিৱীলৈ, - কোনো কোনো দুখৰ মুহূৰ্তত তেওঁ ঈশ্বৰ-বিদ্ৰোহৰ কবিতাও লিখিছে ঃ

নাই তুমি, ভগবান্, নাই দয়া, নাই
প্ৰাণ
জড়েৰ বিলাস

অৱশ্যে, এইটোও ৰবীন্দ্ৰনাথৰ শেষ কথা নহয়, কিন্তু জগতত শুভ আৰু অশুভৰ দ্বন্দ্ব সম্পৰ্কে তেওঁ সজাগ আৰু শেষ পৰ্বলৈকে এই লক্ষণ তেওঁৰ কবিতাত প্ৰকট। ভক্তিপৰ্বত এনে দ্বন্দ্ব নাই। কোনো সময়ত মৃত্যু শোকত জৰ্জৰিত হৈ তেওঁ প্ৰশ্ন কৰিছে, জগতজোৰা দুখৰ জানো শেষ আছে ? ইয়াৰ উত্তৰো তেওঁ কেতিয়াবা পোৱা নাই। এইবোৰ তেওঁৰ কবিতাৰ ঘাই বৈশিষ্ট্য নহয়। জীৱনৰ শুভ আৰু মঙ্গলবোধ সম্বন্ধে তেওঁ শেষত নিঃসংশয় হৈছে। মূলতঃ মানুহ আৰু পৃথিৱীৰ বন্দনা তেওঁৰ কবিতাৰ ঘাই কথা। 'এ দ্যুলোক মধুময় ঐ পৃথিবীৰ ধুলি'- এইটো তেওঁৰেই উক্তি। গীতাঞ্জলিৰ বন্দৰৰ কাল শেষ হ'ল,- তাৰ ঠাইত আহিল মানুহৰ ওপৰত অগাধ বিশ্বাস। ৰাতিৰ তপস্যা কেতিয়াও অথলে নেযায় ঃ

ৰাত্ৰিৰ তপস্যা সে কি আনিবে না
দিন ?
নিদাৰুণ দুঃখৰাতে, মৃত্যু ঘাতে
মানুষ চূৰ্ণিল যবে নিজ মৰ্ত্য সীমা
তখন দিব না দেখা দেবতাৰ অমৰ
মহিমা।

ইয়াত দেৱতাৰ অৰ্থ মনুষ্যত্বৰ চৰম বিকাশ। মানুহে নিজেই এই মনুষ্যত্বৰ অধিকাৰী হ'ব লাগিব। ৰবীন্দ্ৰনাথৰ ধৰ্মীয় অনুভূতিও শাস্ত্ৰমলিন, স্থবিৰ নহয়, সি সচল আৰু সজীৱ। সেইবাবেই তেওঁ, সময়ৰ প্ৰভাৱ, জীৱনৰ দুখ, অমঙ্গল-চেতনা আৰু নানা দ্বন্দ্ব পাৰ হৈ তেওঁ ঘোষণা কৰিছিল-ভুবন সুন্দৰ, মানুহৰ মাজতে সত্তাৰ স্থিতি ঃ

মৰিতে চাহিনা আমি সুন্দৰ ভুবনে
মানবেৰ মাঝে আমি বাচিবাৰে চায়।

ৰবীন্দ্ৰনাথৰ পিছত আমি কি দেখিছো ? সভ্যতা আৰু সংস্কৃতিৰ পূৰ্বতকৈও ভীষণ-সংকট। ৰাষ্ট্ৰ নিৰ্মম, সৰ্বত্ৰ মানৱীয় প্ৰমূল্য শূন্য ; এইবোৰ কলাবিৰোধিতাৰ লক্ষণ। কলা সামান্য বস্তু নহয়, সি দাঙি ধৰা মূল্যবোধে জীৱন গঢ়ে। মানুহে কলাক পাহৰি গ'লেও, কলাই মানুহক কাহানিও পাহৰা নাই। কলাৰ বুকুত আছে মানুহৰ সৃষ্টি আৰু কৰ্মৰ ইতিহাস। তাহানি কাৰ্ল মাৰ্ক্সে Human Essence প্ৰসঙ্গত কৈছিল 'মানুহৰ

মাজত প্ৰয়োজনৰ অতিৰিক্ত কিবা এটা আছে বুলিয়েই সি মানুহ। সকলো মানুহৰে এটা মূল্যবোধ থাকে, সি চৰাইৰ মাতৰ দৰেই সুন্দৰ। সেই মূল্যবোধ আজি আমি হেৰুৱাইছো।' কলা-চৰ্চাকো মাৰ্জ্জে ইঙ্গিত কৰিব পাৰে। খেলা ধূলা, সঙ্গীত চৰ্চা, ৰাজনীতি কৰা এইবোৰ কিবা এটাৰ ভিতৰতে পৰে। এইবোৰ মূল্যবোধহীন বস্তু নহয়। আমাৰ জীৱনলৈ আমি মানৱীয় মূল্যবোধ ঘূৰাই আনিব লাগে – এই কথাকে ৰবীন্দ্ৰনাথে আমাক সোঁৱৰাই দি গৈছে। তেওঁ স্বীকাৰ কৰিছে ভুবন সুন্দৰ হ'লেও ইয়াত ভয়ানকো শক্তিমান। জগতত এইটোৱেই কঠিনতম সত্য। মানুহে এই সত্য স্বীকাৰ কৰিলে কোনেও তেওঁক প্ৰৱঞ্চনা কৰিব নোৱাৰে,- কাৰণ, এই সত্যৰ উপলব্ধিয়ে তেওঁক নিজৰ অন্তৰ ধুই নিকা কৰিবলৈ প্ৰেৰণা দিব। মানুহেই সৃষ্টি কৰা বিভীষিকাই এটা অৰ্থত ৰবীন্দ্ৰনাথৰ ভয়ানক আত্ম-বিশ্লেষণ হ'লে জগতখনক মানুহে মূল্যযুক্ত কৰিব পাৰিব আৰু সেইটো তেওঁৰ দায়িত্বও ঃ

প্ৰতিক্ষণে অন্তহীন মূল্য দিল তাৰে
মানবেৰ দুৰ্জয় চেতনা
দেহ দুঃখ হোমানলে
যে অৰ্ঘ্যেৰ দিল সে আহুতি
জ্যোতিষ্কেৰ তপস্যায়
তাৰ কি তুলনা কোথা আছে'

'মানুহৰ দুৰ্জয় চেতনা' অতুলনীয়, ৰবীন্দ্ৰনাথে ইয়াত মানুহৰ মৰ্যাদাবোধৰ কথাই ভাবিছে। মানুহে আজি তাকো হেৰুৱাইছে। সাম্প্ৰতিক কালত মানুহৰ সমুখত দেখা দিছে এটা ভয়ানক প্ৰশ্ন- সভ্যতা-সংস্কৃতি থাকিব নে ধ্বংস হ'ব ? আধুনিক বিজ্ঞানৰ আৱিষ্কাৰ মাৰণাস্ত্ৰসমূহ বুমাৰেং হৈ মানুহৰ ধ্বংসতে ব্যৱহৃত হৈছে। প্ৰযুক্তিবিদ্যাই মানুহক তাৎক্ষণিক সুখভোগৰ ধনগুলৈ খেদিবলৈ উদগনি দিছে। এনেকৈ ধাবমান হোৱা মানুহ হৃদয়হীন। এনেকৈ থাকিলে মানুহ Animal Form তহে ওলাবগৈ। ভয়ানক স্বাৰ্থপৰতাই আজি মানুহক গ্ৰাস কৰি পেলাইছে। এনে অৱস্থাত, পৃথিৱীত যিখিনি শুভ আছে তাক সমানে সকলোকে বিলাই দিয়াৰ কথা আজি কোনে কব ? ৰবীন্দ্ৰনাথেই এদিন বৰ আন্তৰিকতাৰে আমাক মানুহ হবলৈ কৈ গৈছে। সেইবাবে মহাকবিলৈ জয়ন্তী পূণ্য লগ্নত মোৰ সশ্ৰদ্ধ নমস্কাৰ জনাইছো।

## গ্ৰন্থজগত

**নলিনীধৰ ভট্টাচাৰ্য**

# ৰত্নেশ্বৰ মেধিৰ গল্প 'অকাব্যিক'

ৰত্নেশ্বৰ মেধিয়ে গল্প লিখি আছে ; এই বছৰ 'অকাব্যিক' নামেৰে এখন গল্পৰ পুথি তেওঁ প্ৰকাশ কৰিছে। পুথিখনত সৰ্বমুঠ নটা গল্প আছে। এই গল্পবোৰ সাম্প্ৰতিক অসমৰ ঘটনাৱলীৰ সংকেতময় চিত্ৰ বুলিব পাৰি। যোৱা দশকটোত অসমৰ বুকুৱেদি ধুমুহা পাৰ হৈ গৈছে। ইয়াত সন্ত্ৰাস চলিছে। চৰকাৰী আৰু বেচৰকাৰী দুয়োবিধ সন্ত্ৰাস ; নাৰীৰ অপমান হৈছে, নিৰ্বিচাৰ হত্যাই জন জীৱন আতংকিত কৰি তুলিছে। শোষণ, যন্ত্ৰণা অব্যাহত। এই বাস্তৱ জীৱনেই তেওঁৰ গল্পৰ উপাদান হৈছে। নকলেও হ'ব, ঘটনাৰ যি ভয়ংকৰ ৰূপে অসমৰ মুখ মলিন কৰি তুলিছে, তাক কোনো সংস্কৃতিবান সংবেদনশীল মানুহে স্বীকাৰ কৰিব নোৱাৰে। গল্পবোৰত মেধিৰ উৎকণ্ঠা, আৰু সচেতনতা উজ্জ্বল হৈ আছে।

বিন্দুত সিন্ধুৰ আভাস দিয়াই গল্পৰ কাম ; এটা মুহূৰ্তৰ জিলিঙনিতে স্পষ্ট হৈ উঠে লেখকৰ জীৱন-বীক্ষা। ভাৰতীয় ঐতিহ্যত কাহিনী কথনৰ এটা বিশেষ বৈশিষ্ট্য আছে। কাহিনী কোৱাৰ কৌশলতে গল্পৰ নান্দনিক তাৎপৰ্য নিৰ্ভৰ কৰে। গল্প বাস্তৱৰ বিৱৰণ নহয়, ইয়াত লেখকৰ সৃষ্টি ক্ষম শক্তিৰ আভাস থাকে, আৰু সি নিজেই এটা নতুন বাস্তৱৰ চিত্ৰ হৈ পৰে। এই চিত্ৰৰ ভেটি হয় প্ৰকৃত জীৱনবোধ। মেধিৰ গল্পত এই জীৱনবোধ অন্তৰঙ্গভাবে আছে বুলিয়েই ক'ব লাগিব। সংকলন খনৰ আটাইতকৈ ভাল গল্প বোধহয় "যুগে যুগে যীশু", এই গল্পত অমৰৰ চৰিত্ৰত সেই জীৱনবোধ নিহিত হৈ আছে। লেখকৰ বৰ্ণনাৰ কুশলতাৰ গুণত গল্পটো সৌন্দৰ্যমণ্ডিত হৈছে অমৰৰ অৰ্থবহ মৃত্যুত। সন্ত্ৰাসবাদে তাৰ প্ৰকৃত বৈপ্লৱিক গুণ হেৰুৱাই পথভ্ৰষ্ট হোৱাৰ সময়ত অমৰে সাহসেৰে প্ৰতিবাদ কৰিছে আৰু এই প্ৰতিবাদৰ ফলস্বৰূপেই সি কৰুণ মৃত্যুৰ সমুখীন হৈছে। এই বিষাদ ঘন মুহূৰ্তত অমৰৰ মানৱীয় উপলব্ধি আমাৰ ভৱিষ্যতৰ বৈপ্লৱিক কাৰ্যৰ গুণগত দিশৰ আলোকস্তম্ভ স্বৰূপ। পৃথিৱীত যেনেকৈ ঘৃণা বিদ্বেষ আছে ঠিক তেনেকৈ মানৱ প্ৰেমো আছে ; কিন্তু এই প্ৰেমৰ প্ৰতিষ্ঠাৰ বাবে লাগে আত্মত্যাগ। 'যীশুৰ উপমা এই প্ৰসঙ্গতে ৰজিতা খাইছে। 'ঋত্বিক' আন এটা ভাল গল্প, ইয়াৰো মূল প্ৰসঙ্গ সন্ত্ৰাসবাদ। ইয়াত দেখুওৱা হৈছে আমাৰ দেশৰ যুৱকসকলে সন্ত্ৰাসবাদৰ পথ গ্ৰহণ কৰাৰ যথেষ্ট সামাজিক আৰু অৰ্থনৈতিক কাৰণ আছে ; কিন্তু প্ৰকৃত বৈপ্লৱিক পন্থা অনুসৰণ নকৰিলে এহাতে নষ্ট হ'ব অমূল্য জীৱন, আনহাতে ব্যৰ্থ হ'ব বিপ্লৱ, স্থগিত হ'ব স্বপ্ন। গল্পটোত খুড়াৰ চৰিত্ৰ লেখকৰে প্ৰতিভূ। খুড়াকেই গৌতমক উপদেশ দিছে, কিন্তু গৌতম আঁকোৰগোজ। অৱশেষত চৰকাৰী সন্ত্ৰাসবাদে তাৰ মৃত্যু আনিছে। লেখকৰ সংযত দৃষ্টি ভঙ্গীৰ আভাসে গল্পটোৰ নান্দনিক দিশ উজ্জ্বল কৰি তুলিছে। সৰু সৰু খাটিখোৱা মানুহক কিছুমান ধনী মানুহে কিদৰে, অমানৱীয়ভাবে শোষণ কৰে তাৰ উদাহৰণ আছে। 'বাৰুদৰ গোন্ধ' নামৰ গল্পত ; মমতৰ আপোন মাটি তাত সি কৰা খেতি-বাতি যেতিয়া ন-চহকী ৰতি ঠিকাদাৰে হস্তগত কৰিব খোজে সি তেতিয়া ক্ৰোধত আত্মহাৰা হয়। সেই ক্ৰোধেই শোষণৰ বিৰুদ্ধে সামূহিক প্ৰতিবাদৰ ৰূপ লৈছে। মমতৰ ক্ৰোধ স্বাভাৱিক, কিন্তু সমূহীয়া প্ৰতিবাদী কণ্ঠৰ ছবিখনে পতিয়ন নিয়াব পৰা নাই। আচল কথা হ'ল শ্ৰেণী-শত্ৰু নিৰ্ণয় সহজ কথা নহয়, মানুহৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ভূমিকাৰ শুদ্ধ আৰু বস্তুনিষ্ঠ বিশ্লেষণৰ পিছতহে শ্ৰেণী শত্ৰু নিৰ্ণয় কৰা সম্ভৱ। পৰিবেশত লোভ নিৰ্লজ্জ হৈ উঠে ; ইংৰাজ কবি অ'ভেনৰ 'Greed showing shamelessly her naked money'– এই কথাষাৰ অৰ্থব্যঞ্জক। গতিকে বহু ভবা-চিন্তাৰ পিছতহে শ্ৰেণী-শত্ৰু নিৰ্ণয় কৰা উচিত। অৱশ্যে মমতৰ ক্ৰোধক আমি প্ৰশংসা কৰিব লাগিব– কাৰণ সি মানৱীয় মূল্যবোধৰ বাহক।

'কাল-অকাল'নামৰ গল্পত, আজিকালি আমাৰ চহৰে-নগৰে হোৱা ডকাইতি আৰু আনুষঙ্গিক পাপকৰ্মৰ এটি নাটকীয় বিৱৰণ আছে। সময় এতিয়া দুঃসময় মানুহ প্ৰচণ্ডভাবে পাশৱিক হৈ উঠিছে। এটি পৰিয়ালৰ, বিশেষকৈ পৰিয়ালৰ মাতৃ গৰাকীৰ অপমান ডকাইতিৰ নিশাৰ চৰম দুৰ্ঘটনা, – লেখকে এই দুৰ্ঘটনাৰ কাৰুণ্যৰ ছবিতে সন্তুষ্ট থকা নাই, মাতৃগৰাকীয়ে তেওঁৰ ধৰ্ষণকাৰীক কিদৰে চৰম শাস্তি বিহিছিল তাৰো বৰ্ণনা দিছে। মাতৃগৰাকীৰ এই সাহস প্ৰশংসনীয় হ'লেও, বাস্তৱ-বোধহয় তেনেকুৱা নহয়। হ'লেও তেনে ঘটনা আমাৰ সমাজত ব্যতিক্ৰম। লেখকে মাতৃ গৰাকীৰ বলাৎকাৰ কৰাৰ দৃশ্যতে গল্পৰ সামৰণি মৰা হ'লে পাঠকে চিন্তা কৰিবলৈ সুযোগ পালেহেঁতেন। সি যি কি নহওক গল্পটোৰ প্ৰসঙ্গ চিন্তনীয় আৰু অসমৰ বৰ্তমান ভয়াবহ পৰিস্থিতিৰ চিত্ৰ হিচাপে তাৰ মূল্যও আছে। পৰ্ণগ্ৰাফি নামৰ গল্পত নাৰী-ধৰ্ষণৰ বিৱৰণ আছে। মানুহ যে ক্ৰমাৎ পশু হৈ গৈছে– এই কথা গল্পটোত ব্যঞ্জিত হৈছে, আৰু পাশৱিকতাৰ বিৰোধিতা কৰা মানুহজনক গ্ৰেপ্তাৰ কৰা দৃশ্যটোৱে চৰকাৰী বা আমোলাতান্ত্ৰিক শাসনৰ শূন্যগৰ্ভতাৰ ইঙ্গিত দিছে। গল্পটো সুখপাঠ্য যদিও, ধৰ্ষণৰ ছবি অধিক সূক্ষ্মভাবে প্ৰকাশ কৰাৰ থল আছিল।

আমাৰ মধ্যবিত্ত ঘৰবোৰত নৈতিকতাহীনতা আৰু স্খলনৰ ঘটনা সদায় আছে। তিনি কন্যাৰ মাক এগৰাকীৰ পুত্ৰ সন্তানৰ আকাংক্ষা ইমান বেছি হ'ল যে তেওঁ অবৈধ প্ৰেমত জড়িত হৈ পৰিল আৰু অন্তঃসত্ত্বা হ'ল। ইয়াৰ ফলত স্বামীৰ মানসিক যন্ত্ৰণা চৰম পৰ্যায় পাইছেগৈ। তেওঁ কিংকৰ্তব্যবিমূঢ় হৈ কান্দি পেলাইছে। থুলমূলকৈ এনে এক পৰিস্থিতিকে 'নৈ' গল্পত দাঙি ধৰা হৈছে। গল্পটোৰ আধাৰ ফ্ৰয়েডীয় চিন্তা নহয়– মেধি বাস্তৱ-সচেতন লোক, তেওঁ মানুহজনীৰ এই কাৰ্যক উচ্ছৃংখল পৰিবেশৰ ফল বুলিয়েই ভাবিছে। গল্পটোত স্বামীজনেই তৃতীয় পুৰুষত নিজৰ কথাকে কৈ হিয়াৰ বেদনা নায়কৰ (লেখক নিজেই) আগত প্ৰকাশ কৰিছে। গল্পটোৰ নাম 'নৈ' কিয় দিয়া হ'ল সেইটো স্পষ্ট হোৱা নাই। গোপন প্ৰেমক নৈৰ লগত ৰিজোৱা হৈছে সঁচা, কিন্তু নদী নাৰীৰ প্ৰতীক,– উভয়েই সৃষ্টি ক্ষমতাৰ অধিকাৰী। এই ধাৰণাত এটা পৱিত্ৰ ভাব আছে। 'প্ৰাত্যাহিক' গল্পটো ভিন্ন কৌশলত লিখা হ'লেও, সাংবাদিকতাধৰ্মী যেন অনুভৱ হৈছে। 'ফৰকাল বতৰ' বৰ শীঘ্ৰে ইয়াত সম্ভৱ হৈ পৰাটোও আমাৰ মনঃপূত হোৱা নাই, যদিও ধনক দেৱতা পতা ব্যৱস্থা এটাৰ যি বৰ্ণনা লেখকে বোলছবিৰ আঙ্গিকত দাঙি ধৰিছে সি সত্য। আৰ্টত সত্য থাকে, কিন্তু সেই সত্য হুবহু নহয়।

সংকলনখনত আৰু দুটা গল্প আছে। 'সি' আৰু 'অকাব্যিক'। এই দুটা গল্পত নিৰ্দ্দিষ্ট কাহিনী নাই, ই কথাচিত্ৰৰ দৰে। 'সি' গল্পত এটা সংগ্ৰামী কিশোৰৰ কথা কোৱা হৈছে,– তাৰ কণ্ঠস্বৰ প্ৰতিবাদী, অন্যায়কাৰীহঁতে তাক নিৰ্মমভাবে হত্যা কৰিছে। লেখকে ইয়াত প্ৰতিবাদী কণ্ঠস্বৰ যে অবিনাশী, তাৰ প্ৰেৰণাত অন্যায়ৰ বিৰুদ্ধে যে সংগ্ৰাম যুগে যুগে চলি থাকিব- এই কথাকে ক'ব খুজিছে। ইয়াৰ ভাষাও ব্যঞ্জনাধৰ্মী ঃ

"কিন্তু প্ৰতিবাদী ৰক্ত অবিনশ্বৰ। তাৰ বালিত বিলীন হোৱা প্ৰতিটো ৰক্তকণাৰ পৰা সময়ত জন্ম হ'ল একোটা দহিকতৰা চৰাই। কিন্তু মৃত্যুৰ বিনিময়ত অৰ্জিত অভিজ্ঞতা সূৰ্যৰ দৰে উজ্জ্বল, ৰ'দৰ দৰে অক্ষয়, আৰু সময়ৰ দৰে ক্ষমাহীন। সেইকাৰণে সেই চৰাইবোৰে প্ৰতিঘৰ কৃষকৰ চোতালত এপৰ নিশাৰ পৰা (এই সময়তে তাক হত্যা কৰা হৈছিল) জঁপিয়াই জঁপিয়াই মাতে "চহকি উঠ ! চহকি উঠ।"..........

উঠ মানে বোধহয় উচ্ছন্ন হ। অন্যায় উৎপীড়নৰ অন্ধকাৰ এদিন শেষ হ'ব– সংগ্ৰামৰ ঘোঁৰা ছুটি মেলিছে...... অবিৰত। লেখকে ইয়াত অশুভৰ মাজত শুভবোধৰ ইঙ্গিত দিবলৈ যত্ন কৰিছে।

'অকাব্যিক' শেষ গল্প। ইয়াকো কথা চিত্ৰ বা স্কেচ্ছ বুলিব পাৰি ইয়াত এহাতে ডেমগৰ্গণ আৰু আনহাতে কংকাল ; ডেমগৰ্গণ নৰকৰ দেৱতা, কংকাল হ'ল সাধাৰণ মানুহ; মাতৃৰ গৰ্ভত উভয়ৰে জন্ম ; উভয়ৰ মাজৰ সম্পৰ্ক ঘৃণাৰ; কংকালৰ যি অৱশিষ্ট থাকে তেওঁবিলাকে প্ৰতিবাদ জনায়; ডেমগৰ্গণৰ কবৰ খন্দা সন্তানৰ কামনা কৰে। সন্তানে বিপ্লৱৰ নামত সন্ত্ৰাসৰ অন্ধকাৰ নমাই আনে। সহোদৰৰ ছিন্ন মূৰ আনি মাতৃৰ হাতত দি কয় ঃ এয়া শত্ৰুৰ মূৰ। মাতৃ বিষণ্ণ হৈ পৰে। কোনোবাই যেন চিঞৰি উঠে– চেতনাময় প্ৰভাতৰ বাবে অপেক্ষা কৰা। ইয়াত মাৰ্ক্সৰ্মীয় শ্ৰেণী সংগ্ৰাম আৰু সন্ত্ৰাসবাদী আতংকৰ চিত্ৰ আছে।

দুয়োটাকে আমি কথা-চিত্ৰ বুলি কব খুজিছো– প্ৰকৃত গল্পৰ শাৰীত এই দুটাক থ'ব নোৱাৰি। এই ধৰণৰ পৰীক্ষা অৱশ্যে প্ৰশংসনীয়। এনেবোৰ 'স্কেচ্ছ' সাৰ্থকতৰ কৰি তোলাত মেধিয়ে যত্ন ল'ব বুলি আশা কৰিছো।

মেধিৰ জীৱনবোধ বাস্তৱ চেতনাৰ কলা সুলভ প্ৰকাশৰ মাজত স্পষ্ট হৈছে। যুগে যুগে যীশুত তাৰ স্বাক্ষৰ আছে। তাৰ আবেদনো সুদূৰ প্ৰসাৰী হ'ব বুলি ভাবিছো। তেনেধৰণৰ গল্প আমাক আৰু প্ৰয়োজন, কিয়নো আমাৰ দেশত সামন্তযুগীয় ধ্যান-ধাৰণাও আছে আৰু পুঁজিবাদী ব্যৱস্থাৰ কদৰ্যতাও আছে। প্ৰথমটো Absoluteআৰু দ্বিতীয়টোৰ গতি প্ৰকৃতি ক্ৰমাৎ অমানৱীয় হৈ আহিছে। এনে পৰস্পৰ বিৰোধী ব্যৱস্থাৰ মাজত বিচূৰ্ণ হৈছে মনুষ্যত্ব। সেয়ে কলাকাৰৰ দায়িত্ব এতিয়া বেছি। ইচ্ছাক সংযত অথচ মানৱীয় ভাবে গতিশীল কৰাৰ প্ৰবণতা এটা সৃষ্টি কৰাৰ বাবেই আজিৰ শিল্পীয়ে তুলিকা ল'ব লাগিব। মেধিয়ে সেই দায়িত্ব পালন কৰিব পাৰিব বুলিয়েই আমাৰ বিশ্বাস।

পুথিখনৰ বেটুপাত আটকধুনীয়া। ছপা-বন্ধাও ভাল। দুই এটা বৰ্ণাশুদ্ধি চকুত পৰিছে যদিও সেইবোৰে ৰচনাৰ পুষ্টি হৰণ কৰিব পৰা নাই। আমি পুথিখনৰ বহুল প্ৰচাৰ কামনা কৰিছো।

অকাব্যিক ঃ
**ৰত্নেশ্বৰ মেধি**
প্ৰকাশক ঃ পবিত্ৰ গ্ৰন্থালয়
নলবাৰী- ৭৮১৩৩৫

# এজন তৰুণ কবিৰ কবিতা

সাম্প্ৰতিক কালত আধুনিক পৰ্যায়ৰ পিছৰ কালছোৱাত তৰুণ কবিসকলৰ বেছি ভাগেই ক্ষুব্ধ যেন দেখা গৈছে। ইয়াৰ কাৰণো আছে। আনহাতে দেখা গৈছে, এই কবি সকলৰ অধিকাংশ অধ্যয়ন বিমুখ ; অভিজ্ঞতাক গভীৰ কৰাত অনীহা, বহুসময়ত অৰ্ধ-সত্যৰ আশ্ৰয় গ্ৰহণ-আদি লক্ষণৰ দ্বাৰাও তেওঁবিলাক আক্ৰান্ত হৈছে। তদুপৰি নগৰ বা গাঁৱৰ জীৱনৰ বাস্তৱ জ্ঞানো বহুতৰে নাই। তেওঁবিলাকৰ অধিকাংশই কথাবোৰ কল্পনা কৰি লয়। এইবোৰ প্ৰৱণতাই কবিতাৰ সত্যক সুন্দৰ কৰি তুলিব নোৱাৰে। সেইদেখি কবিতা যে অনুভূতি আৰু মেধাৰ সমন্বয়ত উজ্জ্বল হৈ উঠা জীৱনৰে সংবাদ এই কথা আমি মনত ৰাখিব লাগিব, তেহে কবিতা সংহত ৰূপত তাৰ আপোন ঐশ্বৰ্যৰে মণ্ডিত হ'ব।

হেমন্ত ৰাজবংশীৰ অনুভৱৰ আন্তৰিকতা যে নাই এনে নহয়, কিন্তু তেওঁৰ প্ৰকাশভঙ্গীত সেই অনুভৱ সদায় সৌন্দৰ্যমণ্ডিত হৈছে বুলিব নোৱাৰি। কিছুমান পংক্তিত আন্তৰিকতা থকা সত্ত্বেও প্ৰকাশৰ গাম্ভীৰ্য কম। কেতিয়াবা শব্দৰ প্ৰয়োগো যথোপযুক্ত হোৱা নাই।

(ক) দুৰ্যোগৰ বিহ্বলাত মোৰ স্বদেশ
(খ) ভ্ৰাতৃদাহৰ ভাকাল মৰিশালিত
(গ) ময়ো বুজো/ বুকুৰ বিহ/ আদিম যন্ত্ৰণা
(ঘ) দৈনন্দিক চিকিৎসালয়ৰ হিচাপ বহীত ভেজাল প্ৰজন্মৰ মিছিল

আৰু উদাহৰণ নিদিওঁ। উল্লিখিত পংক্তিবোৰত বিহ্বলা শব্দৰ প্ৰয়োগ ভাল হোৱা নাই। শব্দটোৰ বানান ভুল হৈছে আৰু তাৰ অনুষঙ্গও খাপ খোৱা নাই। ভাকাল মৰিশালিৰ অৰ্থ অস্পষ্ট। বুকুৰ বিহৰ ঠাইত বুকুৰ বিষ হোৱা হ'লে অৰ্থবহ হ'লহেঁতেন। দৈনন্দিক শব্দৰ অৰ্থ কি ? এনেধৰণৰ আঁসোৱাহে ৰসিক পাঠকক বিৰক্তি দিব পাৰে সেইদৰে প্ৰসঙ্গৰ ক্ষেত্ৰতো, তেওঁ সহস্ৰ তেজাল ঘোঁৰাৰ/ যুদ্ধ বিজয়ৰ অকৃত্ৰিম উল্লাস অনুভৱ কৰিছে যদিও বাস্তৱত প্ৰকৃততে তাৰ কোনো আভাস নাই। ই এক অৰ্ধ-সত্যহে। বহুত সময়ত তেওঁৰ ৰচনা দৈনিক কাকতৰ সংবাদত পৰিণত হৈছে ঃ

বাসস্থানৰ নামত নৰক
স্বাধীনতাৰ নামত বন্দুক
শান্তিৰ . নামত সাম্প্ৰদায়িকতাৰ দাবানল.........

এইবোৰ যান্ত্ৰিক প্ৰকাশ; কবিতাৰ গাঁথনি ব্যঞ্জনাপূৰ্ণ শব্দেৰেহে তৈয়াৰ হয়। হেমন্তই অৱশ্যে এনে ব্যঞ্জনাৰ সৃষ্টি কৰিবলৈ চেষ্টা নকৰাকৈ থকা নাই; তলৰ স্তৱকবোৰত তাৰ চিন আছে ঃ

(ক) কোনে কলে পৃথিৱী সধবা বুলি
চিৰকুমাৰী মোৰ নৃত্যৰতা পৃথিৱী...
(খ) তইতো বাঁহীৰ সুৰতহে বলিয়া
বাঁহীৰ সুৰত
দুয়ো একে ওঁঠে বজাম দে
সমস্বৰে
সঁচা জীৱনৰ গানটো...
(গ) সময়ৰ বানে কাঢ়ি নিয়া
জোনাকৰ মিঠা গানটো
ক'ত পোৱা হ'ব ?
ক'ত ?

এইবোৰত এখন সংবেদনশীল অন্তৰৰ অনুভৱ আছে। এনেধৰণৰ অনুভৱৰ প্ৰকাশ এইবেলি 'বহাগ', প্ৰেম, ক'ত হেৰাল ক'ত ? আদি কবিতাতো পোৱা যায়। হেমন্তই বাঁহীত ফু দিছে মাত্ৰ, অ'ত ত'ত সুৰৰ বা ধ্বনিৰ বিজুতি ঘটাটো একো আচৰিত নহয়, তেওঁৰ হাতত সুদীৰ্ঘ সময় আছে– ক্ৰুছবিদ্ধ সময়ক আৰু আন্তৰিকভাবে, আৰু গভীৰভাবে বুজিবলৈ তেওঁৰ সময় লাগিব; এদিন তেওঁ সঁচা সঁচিকৈয়ে সিদ্ধি লাভ কৰিব– এই আশা কৰাৰ অধিকাৰ আমাৰ আছে। সেইদিনলৈকে আমি বাট চাই থাকিম।

পুথিখনিৰ বেটুপাত, আৰু ছপা-বন্ধা আশানুৰূপ হৈছে। পাঠক সমাজে যদি আদৰি লয় তেন্তে কবি নিশ্চয় উপকৃত হ'ব।

ক্ৰুছবিদ্ধ সময় ঃ হেমন্ত ৰাজবংশী
প্ৰকাশক ঃ চাৰু প্ৰকাশন
বেলতলা, লক্ষ্মী মন্দিৰ
গুৱাহাটী– ২৮


পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন
আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)






নগেন শইকীয়া

# মিত-ভাষ-সম্পৰ্কে টোকা

*("মিত-ভাষ" কি–এই প্ৰশ্নটো মোৰো, যদিও নামটো ময়ে দিছো। মোৰ এই লেখাখিনিক পৰিচয় কৰি দিবলৈ ইয়াতকৈ বেলেগ এটা শব্দ মই বিচাৰি পোৱা নাই। 'মিত-ভাষ' প্ৰথাসিদ্ধ কবিতা নহয়, দাৰ্শনিক চিন্তা নহয় বা গল্পৰ তাত্ত্বিক সেটিও নহয় ; কিন্তু ইয়াত কবিতাৰ বীজো থাকিব পাৰে, গল্পৰ বীজো থাকিব পাৰে, বিশেষ দৃষ্টি-ভংগীৰ পৰিচয়ো ই কঢ়িয়াই আনিব পাৰে। কবি নীলমণি ফুকনে চকু ফুৰাই চাই কৈছিল, "ই নতুন বস্তু। কোনোটোহত টুকুৰা তীব্ৰভাবে ভাবনা-আনন্দ-বেদনা, সঞ্চাৰী"–ইত্যাদি। কিন্তু কবিতা নোহোৱা, গল্প নোহোৱা, দাৰ্শনিক চিন্তা নোহোৱা এই লেখাখিনিক কি বুলিম ? "মিত-ভাষ" ?–যাক ইংৰাজীত ক'ব পাৰি "Short Expression" ? অসমীয়া আৰু ইংৰাজীৰ এই দুটা নামেৰেই পৰিচয় কৰাই দিব খুজিছো–অনুভৱৰ এই তৰংগমালাক। -লেখক)*



"এক"

মই যেতিয়া গছপুলিটো ৰুইছিলো আশা কৰিছিলো সি মোৰ সুখৰ আৰু দুখৰ দিনৰ লগ হ'ব। সি যেতিয়া বাঢ়ি আহিছিল কোমল কুঁহিৰে ভৰি পৰিছিল তাৰ শৰীৰ। আশা কৰি আছিলো তাত ফুল হ'ব আৰু ফল হ'ব। ...... সি বাঢ়ি আহিল আৰু মোৰ ভিতৰখন জুৰি পেলালে। সি বাঢ়ি আহিল আৰু তাৰ শিপাৰে মোৰ বুকুখন ফালি পেলালে। সি বাঢ়ি আহিল আৰু মোৰ সকলো শুহি পেলালে। মই এতিয়া কেৱল হুমুনিয়াহ এটা হৈ শুই আছো। বতাহ লাগিলেই তাৰ শব্দ হয়।

"দুই"

কাঁইটত ওলমি আছে মোৰ হৃদয়। টোপা টোপকৈ তাৰ তেজ ক্ষৰিত হৈছে আৰু তলত ডোঙা বান্ধিছে। মই তাতে গা ধুই আছো। লুণীয়া তেজ। মোৰ হৃদয়ৰ পৰাই ক্ষৰিত হোৱা তেজ।

"তিনি"

মোৰ এই চোলাটো দুখৰ সূতাৰে বোৱা। বিভিন্ন ৰঙৰ দুখ ঃ ধোঁৱা বৰণীয়া, কজলা, নীলা ...... । তাৰ পৰাই সূতলাহিৰে সূতা উলিয়াই লৈ মোৰ জোখাৰে চোলাটো বৈ উলিওৱা। ইয়েই মোৰ একমাত্ৰ আৱৰণ। বাহিৰৰ পৰা নেদেখি চোলাটোৰ ভিতৰত কি ঢাক খাই আছে। দুখ-কেৱল দুখ আৰু দুখ।

"চাৰি"

সমগ্ৰ জীৱন জুৰি বিচাৰি আছো–ক'ত আছে-জিৰণিৰ ঠাই। ক'ত আছে ? চকুৰ মণিত ? আঙুলিৰ স্পৰ্শত ? কণ্ঠস্বৰত ? মইযে ক'তো অকমান ছায়া দেখা নাই–এচাপৰা ডাৱৰ নাই, এখিলা পাত নাই, এডাল ঘাঁহ নাই। মই কি নিৰন্তৰ কেৱল অনুসন্ধানেই কৰিম, কেতিয়াও নাপাম ? মোকতো বেছি একো নালাগে–অকমান ছাঁ হ'লেই যথেষ্ট যাতে মই খন্তেক জিৰণি লব পাৰো।

"পাঁচ"

বিষাদে আহি–যেন মোৰ চাৰিওফালৰ আন্ধাৰবোৰ সী পেলালেহি আৰু মোৰ ওপৰত জাপি দিলে। আন্ধাৰৰ মাজত দেখিলো পাৰ হৈ যোৱা দিনৰ আনন্দ আৰু বেদনাৰ ছবিবোৰ। আনন্দৰ ছবিবোৰো এতিয়া দুখৰ কাৰণ। কাৰণ, সিহঁতক মই আৰু ঘূৰাই নাপাওঁ যদিও মই সিহঁতক নাপালেও সদৃশ ছবি কিছুমান ঘূৰাই পাবলৈ বিচাৰো। সেই বাবেইতো অপেক্ষাৰ উদ্বিগ্নতা আৰু উত্তেজনাই আন্ধাৰ আৰু ডাঠ কৰি তোলে।

"ছয়"

তেওঁ কোন আছিল মই নাজানো। ক'ত দেখিছিলো সেই কথাও পাহৰিলো। কিন্তু তেওঁৰ মুখখনৰ ছবিখন মই কঢ়িয়াই লৈ ফুৰিছো। কাৰণ, তাৰ মাজত ফুটি উঠিছিল তেওঁৰ হৃদয়ৰ প্ৰতিচ্ছবি। কোমল। আহিনৰ দৰে কোমল শান্ত ৰূপ–বৃন্তচ্যুতা শেৱালিৰ দুখৰ ছায়াৰে সেমেকি থকা চকু। মই বহুবাৰ যত্ন কৰিছো এই ছবিখন আঁকি থবৰ বাবে। পৰা নাই। কাৰণ, তাৰ কোনো প্ৰতিৰূপ নাই। এনেকৈয়ে মানুহে একোখন আঁকিব নোৱৰা ছবি কঢ়িয়াই লৈ ফুৰে।

"সাত"

নুখুলিবা–এই বাকচটো নুখুলিবা। তাত দুখ ভৰাই থোৱা আছে। বিভিন্ন সময়ৰ দুখ। বাহিৰৰ চাকচিক্য দেখি ভাবিছা–ইয়াত মূল্যবান অলংকাৰ আৰু সুদৃশ্য সাজপাৰ আছে। নাই। কেৱল দুখ। থাকক এনেকৈয়ে বন্ধ হৈ থাকক।

"আঠ"

এক ভয়ানক অস্থিৰতাৰ মাজত মই কালাতিপাত কৰিছো। মই প্ৰতি মুহূৰ্ততে অনুভৱ কৰিছো মই মোৰ বাঞ্ছিত আৰু সঞ্চিত সকলো সম্পদ হেৰুৱাবলৈ আগবাঢ়ি গৈ আছো। সেইবাবেইতো সেই সম্পদখিনিৰ প্ৰতি বাঢ়ি আহিছে তীব্ৰ মোহ। কিন্তু সৰি পৰিবলৈ ক্ষণ গণি থকা পকা পাতটোক ডালটোৱেতো ধৰি ৰাখিব নোৱাৰে। হায়, সঁচাকৈয়ে নোৱাৰে।



## লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ

# আতিথেয়তা

শব্দটো শুনিবলৈ কেনেবা লাগে। কথা পাতোতে ইয়াৰ ব্যৱহাৰো বৰ কম। লিখোতে মাজে সময়ে ব্যৱহাৰ কৰা হয়। হেমকোষৰ মতে আতিথেয় মানে অতিথি শুশ্ৰূষা কৰি ভাল পোৱা। তাৰে বিশেষ্য হ'ল আতিথেয়তা।

অতিথি মানে আলহী। পুৰণি কালত অতিথিক ভগৱান জ্ঞান কৰিবলৈ উপদেশ দিয়া হৈছিল। সেইবোৰ পুৰণি কালৰ পুৰণি কথা। আজিকালিৰ জীৱনৰ লগত খাপ নেখায়।

অতিথি বা আলহী আহিলে মানুহে আগতে বেয়া নেপাইছিল। বহুত ক্ষেত্ৰত ভালেই পাইছিল। আজিকালি অৱশ্যে কথাটো অলপ বেলেগ হৈ উঠিছে। অতিথিক আজিকালি কেইটামান প্ৰধান ভাগত ভগাব পাৰি। যেনে-

(ক) এনেই ফুৰিবলৈ অহা - দিলে চাহ খোৱা অতিথি।

(খ) চাহ জলপান খাবলৈ পাম বুলি আশা কৰি অহা অতিথি।

(গ) ভাত খাবলৈ নমতাকৈ অহা অতিথি।

(ঘ) ৰাতিটো থাকিম বুলি অহা অতিথি।

(ঙ) কিবা অন্য কামত আহি কেইদিনমান থাকিবলৈ অহা অতিথি।

(চ) অতিথি মানে "অকল অতিথি"। কোনো অসুবিধা নকৰা অতিথি।

তাহানি পাঠশালা স্কুলৰ প্ৰথমমানত মাষ্টৰে আমাক কিছুমান বাঘৰ নাম লিখিবলৈ দিলে। গোটেই জাকে চিলটত লিখিবলৈ আৰম্ভ কৰিলো। যেনে নাহৰফুটুকী, ঢেকীয়াপতীয়া,কুকুৰনেচীয়া ইত্যাদি। হঠাতে নাম আৰু মনলৈ নহা হ'ল। মই শ্ৰেণীৰ প্ৰথম ল'ৰা। কেৰাহিকৈ চাই দেখো দুই এটাই লিখিয়েই আছে। মোৰ তালিকাখন তেনেই চুটি যেন লাগিল। শেষত মই আৰু এবিধৰ নাম লিখিছিলো। সেইটো হ'ল কেৱল "বাঘ" মানে অৰ্ডিনেৰী বাঘ। অন্য বিশেষ বাঘ নহয়। মাষ্টৰে পঢ়ি চাই খুব হাঁহিলে। ওপৰত উল্লেখ কৰা শেষৰ বিধ তেনেধৰণৰে অতিথি।

আজকালিৰ আলহীক আকৌ অন্য কেইটামান ভাগত ভগাব পাৰি যেনে-

(ক) অকলে অহা আলহী,

(খ) প্ৰায়ে আহি থকা আলহী,

(গ) সস্ত্ৰীক আৰু কেতিয়াবা ল'ৰা-ছোৱালী লৈ অহা আলহী।

শেষৰ দুবিধ আহিলেই বিপদ। অন্য এটা ভাগ হ'ল-

(ক) ওচৰৰ আলহী,

(খ) দুৰণিবটীয়া আলহী,

দুৰণিবটীয়া আলহী কেইদিনমান থাকিম বুলিয়েই আহে।

আলহীৰ আৰু এটা সাধাৰণ ভাগ হ'ল- (ক) ভাল নলগা আলহী, (খ) আহিলেই খং উঠা আলহী, (গ) আহিলে ভাল লগা আলহী। দুৰ্ভাগ্যবশতঃ শেষৰ বিধ আলহী আজিকালি বৰ কম।

অতিথি শুশ্ৰূষা কৰা বা সৎকাৰ কৰা আমাৰ শিক্ষা আৰু সংস্কৃতিৰ এক অপৰিহাৰ্য অঙ্গ। এতিয়াও আন ঠাই বা অন্যজাতিৰ তুলনাত অসমীয়া মানুহে অতিথিক তুলনা ক্ৰমে ভাল পায় আৰু মৰম কৰে। কিন্তু দিন কাল এনেকুৱা, বস্তু-বাহানিৰ যি দাম, জীৱনৰ চাৰিওফালে যি অসুবিধা তাত অতিথি সৎকাৰ বাদ দিয়ক এনেই ভালকৈ মাত এষাৰ দিয়াই টান। অসুবিধাবোৰ মানে নানা ধৰণৰ দৈনন্দিন জীৱনৰ অসুবিধাবোৰ আকৌ দেখা দিয়ে আলহী আহিলেহে। যেনে– ঘৰত কাম কৰা ল'ৰা-ছোৱালী ঘৰলৈ দুদিনমানৰ বাবে গৈ ঘূৰি নহা, বিজুলী সৰবৰাহৰ বিজুতি, ইত্যাদি। আটাইতকৈ মাৰাত্মক কথা হ'ল কেনেবাকৈ পানীৰ অসুবিধা যদি হয়। পানীৰ কল বেয়া হোৱা বা যেইকোনো কাৰণে পানীৰ যোগানৰ ব্যাঘাত ঘটা।

বাকী সংসাৰৰ হাই উৰুমি বা বেমেজালিবোৰতো আছেই। কোনোবা ওলাই গ'ল এতিয়ালৈকে কিয় অহা নাই। এইবোৰ আজিকালিৰ নতুন সমস্যা।

কিছুমানক পাৰি। কিন্তু সকলো আলহীক নিজৰ সকলো কথা কব নোৱাৰি। নিজৰ ভিতৰুৱা যিমানে গণ্ডগোলেই নাথাকক আলহীৰ আগত এক কৃত্ৰিম হাঁহিমুখ ৰখা বা দেখুওৱা অতি কষ্টসাধ্য আৰু দুঃখময়।

কিন্তু আৰু এক ধৰণৰ অতিথি বা আলহী আছে যি নিমন্ত্ৰিত। তেওঁ ৰাজনীতিজ্ঞ, উচ্চ চৰকাৰী কৰ্মচাৰী যিয়েই নহওক যাৰপৰা কিবা পাব পাৰি বা বিচৰা হৈছে। তেওঁলোক অৱশ্যে অনবৰতে আহি নাথাকে। আৰু এক ধৰণৰ আলহী হ'ল নিমন্ত্ৰিত বন্ধু বান্ধৱ যাৰ ঘৰত কেতিয়াবা নিজেও খাই থকা হয়। এই দুটা শ্ৰেণী আলহীয়ে বৰ আমনি নিদিয়ে বৰঞ্চ মানুহে ভালেই পায় যদিও শাৰীৰিক আৰু আৰ্থিক কষ্ট হয়।

তথাপিও আজিকালিৰ দিনত নিয়মীয়া ভাবে আলহী ঘৰত ৰখা আৰু আলপৈচান ধৰা মানুহৰ সামৰ্থ্যৰ বাহিৰত।

অৰুণাচলৰ নাহৰলগনত দুই এজন বন্ধু লগ পাইছিলো। তেওঁলোকৰ তালৈও দূৰ গাৱঁৰ পৰা প্ৰায়ে মানুহ আহি থাকে। ইয়াৰ বাবে তেওঁলোকে সেই আলহীৰ বাবে সম্পূৰ্ণ "আদি" চাংঘৰ তেনেই গাৱঁৰ ঘৰৰ দৰে সাজি থৈছে। বুঢ়া-বুঢ়ী ডেকা জীয়ৰী ল'ৰা-ছোৱালী যিয়েই নাহক লাগে তাতে থাকে। অন্যান্য সকলো সুবিধা তাতে কৰি থৈছে। ঘৰবোৰো দেখিবলৈ ধুনীয়া। চাংঘৰতে জুইও ধৰিব পাৰি। আপঙৰ যোগাৰতো আছেই। আলহী অহা সময়ত কিছুমান অসুবিধা সৰু ডাঙৰ সকলো ঠাইতে হয় যেনে ঘৰত আলহীক চাহৰ লগত খাবলৈ একো বস্তু নথকা, হঠাতে কেৰাচিন তেল শেষ, দেওবাৰে ৰাতিপুৱা গেছ শেষ, কেনেবাকৈ গোটেই গাখীৰখিনি কিবা কাৰণত ফাটি যোৱা, ওচৰৰ দোকান কেইখনো বন্ধ থকা ইত্যাদি। এইবোৰ বেমেজালিৰ কোনো সমাধান নাই। থাকিবলৈ অহা আলহীক লৈহে বেছি বিপদ তাতে যদি ল'ৰা-ছোৱালী লৈ হঠাতে ৰাতি ন দহ বজাত ওলাইহি একো খবৰখাতি নিদিয়াকৈ। সেইখিনি সময়ত হাঁহি এটা মাৰি "অ' আহক ইমান দিনৰ মূৰত আহিলে– ইমানদিন দেখাসাক্ষাতেই নাই– নাই নাই একো অসুবিধাই নাই" ইত্যাদি কথাকৈ আলহীক ঘৰৰ ভিতৰলৈ মাতি অনাৰ নিচিনা কষ্টকৰ কাম পৃথিৱীত খুবেই কম। খবৰটো পাই আৰু কথা বতৰাবোৰ শুনি ভিতৰত বিশেষকৈ ৰান্ধনী ঘৰত দুই এগৰাকীয়ে মুখ ওফোন্দালেই! সেইটোৰ মুখামুখি হোৱাটোও কম টান কাম নহয়।

থকা অতিথিক শোৱাৰ বন্দবস্ত কৰি দিয়াও টান। মজিয়াতে খেৰ পাৰি দিলে গাৱঁত এতিয়াও বহুতে থাকিব। কিন্তু নগৰ চহৰত সেইটো অসম্ভৱ। স্বৰ্গীয় হেম বৰুৱা ডাঙৰীয়া আৰু তেখেতৰ পত্নী এবাৰ স্বৰ্গীয় চন্দ্ৰফুকন ডাঙৰীয়াৰ কুঠৰীৰ ঘৰলৈ গৈছিল। তেওঁলোক পুৰণি আৰু খুব ভাল বন্ধু আছিল। ফুকন ডাঙৰীয়াই এখেতসকলক এটা কোঠাৰ মজিয়াত ধানখেৰ পাৰি বিছনা কৰি দিছিল। তেওঁলোক তিনিওজনে আনন্দ মনেৰে এই বিছনাখন পৰাত ব্যস্ত। এনেতে ফুকনৰ স্ত্ৰী সৰুবাইদেউ আহি ওলালহি। তেওঁ খুব কম কথা কয়। তেওঁ সুধিলে "আজি কণী পাৰিম বুলি ভাবিছে নেকি" ? বৰুৱা বৰুৱানী ফুকন তিনিওৱে হো হো কৈ হাঁহি উঠিল। খেৰ পাৰি শুবলৈ কিন্তু আচলতে ভাল খেৰৰ ওপৰত পাটী এটা পাৰি ল'ব লাগে। জাৰৰ দিনৰ আলহীক লৈহে বৰ বিপদ। গাতলোৱা কাপোৰ আঠুৱা ইত্যাদি সকলোৰে যোগান ধৰা টান। ঘৰৰ মাইকী মানুহ গৰাকীৰ চুলি আধা পকেই। একো নমতাকৈ দাঁত কামুৰি থাকোতেও দাঁতৰ গুৰি ঢিলা হয় যেন পাওঁ। ৱাদ্ প্ৰেচাৰৰ কথা নুলিয়াওঁ ইয়াত!

তথাপিও আলহী কম বেছি পৰিমাণে সকলোৰে ঘৰলৈ আহিয়েই থাকে আৰু ভৱিষ্যতলৈও আহিব। হয়তো কমিব পাৰে বিশেষকৈ ৰাতি থকা আলহী।

মানুহ এক বৰ ৰহস্যময় প্ৰাণী। ইমান অসুবিধা সত্ত্বেও এনেকিছুমান মানুহ আছে যি এতিয়াও প্ৰায়ে আলহী মাতি আনি খুৱায়। এনে মানুহ সৌভাগ্য ক্ৰমে সংখ্যাত তেনেই কম। কিন্তু তেওঁলোকে মানুহক খুৱাই ভাল পায়। ঘৰত তেওঁৰ প্ৰায়েই খোৱা আলহী ইফালে ঘৰৰ ভিতৰফালে যিয়েই নহওক। লাগিলে নিজেই ৰান্ধিবাঢ়ি খুৱাব।

আলহী বা বন্ধু বান্ধৱক মৰম কৰাটোও এটা বিশেষ গুণ। মানুহৰ ঘৰত ফুৰিবলৈ যোৱাটো মোৰ বৰ প্ৰিয় বস্তু নহয়। মই গলেও খুব ৰাতি পুৱাই যাওঁ যিটো কোনেও ভাল নাপায়। অৱশ্যে চাহ একাপ খায়েই গুচি আহো। সন্ধিয়া ফুৰিবলৈ যোৱা মোৰ অভ্যাস নাই। কিন্তু ভদ্ৰলোকে সন্ধিয়াই ফুৰে। এসময়ৰ ছাত্ৰ আৰু এতিয়াৰ বন্ধু ডাঃ মিলন বৰুৱাৰ তালৈ মই মাজে সময়ে ৰাতিপুৱা ৬ মান বজাতে যাওঁ। তাত প্ৰায়ে চাহ খাবলৈ জোৰ কৰে। এটা জলকীয়া দিয়া অমলেট, দুখন টোষ্ট আৰু একাপ চাহ। টোষ্টত মাখন নাই। বহুতদিনৰ মূৰত সিদিনা অলপতে তেওঁলোকৰ ঘৰ ওলালোগৈ। আগৰ দৰে চাহ খাবলৈ জোৰ কৰিলে। তেওঁলোকৰ সহায়কাৰী মাৰিয়াই খুব বেগাই বস্তুখিনি দিলেহি। বৰুৱা আৰু তেওঁৰ স্ত্ৰী মোহিনীয়ে কলে মাখন দিয়া নাই কিয় ? মাৰিয়াই উত্তৰ ভিতৰৰ পৰাই দিলে। "চাৰে মাখন নেখাই নহয়।" ইমানখিনিও তাইৰ মনত আছে। হয়তো তেওঁৰ ঘৰলৈ আলহী খুব কম আহে নাইবা মাখন নোখোৱা আলহী অকল ময়েই। এইবোৰ খুটিনাতিও মানে আলহী সম্পৰ্কে মানুহে মনত ৰাখে। বহুতে আলহী অহাটো বেয়াও নেপায়। এইটো বিশেষকৈ অৱস্থাপন্ন বয়সস্থ বা বয়সস্থা অকলশৰীয়া মানুহৰ ক্ষেত্ৰত। তেখেতসকলৰ বহুতৰ ঘৰত ফুৰিবলৈ অহা আলহী ভালেমান আৰু চাহজলপানৰো যথেষ্ট আয়োজন হয়।

বন্ধু ডাঃ জিয়ায়ুৰ ৰহমানৰ ঘৰত গৈ এদিন ৰাতিপুৱা ওলালোগৈ। তেওঁ ঠিক শুই উঠিছে। আঠে বেঠে বহিবলৈ দি কাম কৰা ল'ৰাটোক চিঞৰি কলে "হেৰৌ ভাল চাহ দুকাপ লৈ আন সোনকালে।" তাৰ পাছতে আকৌ চিঞৰিলে "১ নম্বৰ দেই ১ নম্বৰ।"মই সুধিলো " এক নম্বৰ মানে দুই নম্বৰো আছে নেকি ?" "নিশ্চয় আছে, সকলো আলহীক ১নম্বৰী চাহ খুৱাব নোৱাৰি নহয়। যি জুই ছাই দাম। গতিকে বেছি ভাগকে দুইনম্বৰী দিওঁ " কৈ নিজেই হাঁহিলে। "কেইবাজনো একেলগে আলহী আহিলে সদায় মুলা, কোমোৰা ,অমিতা আদি চলাই দিওঁ। দুদিন মানৰ পিছতে যায়গৈ। কি কৰিম ? উপায় নাই"– আকৌ হাঁহিলে। দেখিছো বুদ্ধিবোৰ বৰ বেয়া নহয় এই টানৰ দিনত।

লাটু নামৰ মোৰ সম্পৰ্কীয় এক ভাগিন আছে। সি আলহী হৈ আহিলে বিপদ। টেবুলত খোৱা উলিয়াই দিলে কাৰো মুখলৈ নাচাই সকলো ভাল বস্তু নিজে লৈ লয়। অন্য কেইজনে লাগিলে লঘোনে থাকক।

আলহী হিচাপে কিন্তু মোৰ কিছুমান ঘৰত ভাল অভিজ্ঞতা আছে, যেনে ডাঃ শৈলেন বৰগোঁহাইৰ ঘৰত ৰাতিপুৱা গ'লে গোঁহাইৰ স্ত্ৰী লাভাই সদায় দিয়ে এখন শুকান ৰুটি আৰু লগতে কণী বিলাহী ভজা আৰু কেঁচা জলকীয়া, কেতিয়াবা তেওঁ এক্সট্ৰা মানে অতিৰিক্ত ৰুটি নাথাকিলেও দৌৰাদৌৰিকৈ খোৱা যোগাৰ কৰি দিয়ে। এইবোৰ ক্ষেত্ৰত মোৰ ভতিজা বোৱাৰী সুবৰ্ণৰ কথা উল্লেখ নকৰাকৈ নোৱাৰি। অকল সেয়েই নহয় সকলো আলহীকে সুবৰ্ণই বৰ মৰম কৰে মোৰ এগৰাকী নগাৱঁত বৌ আছিল। তেখেত কেতিয়াবাই ঢুকালে। তেওঁতো আলহী বুলিলেই স্বৰ্গ ঢুকি পোৱাদি পায়। আলহীক খুৱাই বৰ আনন্দ পাইছিল। সেইধৰণৰে আৰু এগৰাকী আলহী ভালপোৱা মানুহ হ'ল মোৰ ছাত্ৰী মালিগাৱঁৰ ডাঃ অনুৰাধা গোস্বামীৰ মাক।


নিজে নিমন্ত্ৰণ কৰি অনা আ[illegible] নাইবা অতি নিকটতম বন্ধু বা আত্মীয়ৰ বাহিৰে বাকী অতিথি বা আলহীখিনিক মই প্ৰায় একে চকুৰে চাওঁ। তেওঁলোক বৰ ৰহস্যময়। তেওঁলোকলৈ মোৰ মৰম আছে। দুই এজনলৈ পুতৌ। কিন্তু মজাৰ কথা তেওঁলোকক ভালেই পায় বা বেয়াই পায় তেওঁলোক নোহোৱা হৈ নাযায়। এই পৃথিৱী যিমানদিন আছে আলহীও সিমান দিনেই থাকিব কেতিয়াবা ম্ৰক বেছি বা অলপ সালসলনি হ'ব পাৰে। কিন্তু অতিথি আৰু আমাৰ আতিথেয়তা সদায়েই থাকিব। ■

# ফিনিচিং টাচ্

ৰসানন্দ অভাজন

আজি এইখন গাঁৱলৈ মন্ত্ৰী আহিব। ৰাজ্যিক পৰ্যায়ৰ কিবা এটা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। মন্ত্ৰীৰ আগমনৰ প্ৰভাৱ সংশ্লিষ্ট বিভাগীয় কৰ্ম-কৰ্তা আৰু তেনে ব্যক্তিৰ বাহিৰে গাঁৱৰ জনসাধাৰণৰ ওপৰত আজিকালি নপৰে যদিও এঘৰ মানুহৰ দৈনন্দিন জীৱনত ৰাতিপুৱাৰে পৰা উখল-মাখল লাগি গৈছে।

মন্ত্ৰীৰ আপোন পেহীয়েকৰ ঘৰ। সৰুতে মাক মৰোতে ককায়েকৰ একমাত্ৰ সন্তান কেঁচুৱাটোক বুকুত বান্ধি ডাঙৰ দীঘল কৰিছিল এই পেহীয়েকেই। মেট্ৰিক পাছ কৰাৰ পিছত অৱশ্যে বাপেকে ল'ৰাটোক নি কলেজত পঢ়ুৱাই ডাঙৰ মানুহ কৰিলে সঁচা; কিন্তু দেউতাকে আকৌ বিয়া কৰাই অনা মাহীমাকৰ কৰ্কথনাত অতীষ্ঠ হৈ সি পিছলৈ বাহিৰে বাহিৰেই কটাবলৈ ধৰিলে। তাৰ মাজতো সি অৱশ্যে কেতিয়াবা মাজে সময়ে আহি দুই এৰাতি থাকি পেহীয়েকৰ খা-খবৰ লৈ তাৰ আজন্ম কৃতজ্ঞতা প্ৰকাশ নকৰাকৈ থকা নাই। পেহা কেইবছৰমানৰ আগতে ঢুকাইছে। পেহীৰ তিনিটা ল'ৰা। ডাঙৰটো হলিৰাম। ওচৰৰ স্কুল এখনৰ মাষ্টৰ। মাজুটো খগেন। নগৰৰ কোনোবা এটা অফিচত কাম কৰে। গধূলি ঘৰ সোমায়হি। সিহঁতৰ বিয়াও হৈ গৈছে। আনকি পেহীৰ দুটা নাতিও হৈছে। পেহী সহজ-সৰল, হোজা মানুহ যদিও ঘৰ-গৃহস্থালি চলোৱাৰ ক্ষেত্ৰত বেছ হুচিয়াৰ। গৰু-ছাগলী, বাৰীৰ তামোল-পাণ, শাক-পাচলিৰে পেহীৰ সংসাৰ একপ্ৰকাৰ নদন-বদন বুলিয়ে ক'ব পাৰি। পেহীৰ ঘৰ-দুৱাৰ, চোতাল,



ভঁৰাল, বাৰী দেখিলে ইয়াত যে বহুতদিনৰ পৰা লক্ষ্মীয়ে বসতি কৰি আছে তাক সহজে বুজিব পাৰি। বোৱাৰী দুজনীও বেছ কামিলা, ঘৰ ধৰা ছোৱালী।

আগফালৰ ডাঙৰ চ'ৰা ঘৰটো ৰাতিপুৱাই মাজু বোৱাৰীয়ে ভালকৈ সাৰি-মচি তাৰ টেবুলকেইখনৰ ওপৰত কন্যা কালতে এমব্ৰইডাৰী কৰা টেবুল ক্লথ পাৰি চকিৰ কুচনবোৰত ফুল তোলা ক'ভাৰ লগাই দিছে। শাহুৱেকৰ নিৰ্দেশ মতে ডাঙৰ বোৱাৰীয়েকে মন্ত্ৰী ককাইদেউ আৰু লগত আহিবলগীয়া চৰকাৰী মানুহবোৰক কি জলপান খুৱাব তাকে লৈ ব্যস্ত হৈ পৰিছে। মন্ত্ৰীয়ে ঘৰৰ এঠালেতীয়া দৈৰে বাৰীৰ গছত পকা মালভোগ কলৰ সৈতে কোমল চাউলৰ গজ্‌গজীয়া জলপান খাবলৈ টাউনত ক'ত পায় চাগে? খুৱাওঁ বুলিলে পেহীয়ে কিন্তু আজি পঞ্চাশজনকো খুৱাই দিব পাৰে। ইপিনে বুঢ়ীৰ পেটমোচা সৰুটো ল'ৰা বাবুলো তাৰ অনিচ্ছা সত্ত্বেও মাকহঁতৰ লগতে ব্যস্ত হ'ব লগাত পৰিছে। মন্ত্ৰী আহি গাওঁ সোমোৱাৰ লগে লগে সি যাতে তৎক্ষণাত ঘৰত খবৰ দিয়েহি তাৰবাবে ভাত খুৱায়ে তাক পেহীয়ে উলিয়াই পঠিয়াইছে।

অৱশেষত মন্ত্ৰী আহিল। প্ৰগ্ৰেম মতে তেওঁ অহাৰ কথা আছিল ডেৰ বজাত; কিন্তু আহিল চাৰিবজাত। পুলিচৰ গাড়ীৰে সৈতে চাৰি পাঁচখন গাড়ী। কাৰ্যসূচী মতে আধাৰশিলা স্থাপন কৰি থোৱা ফলকখনৰ আঁৰ কাপোৰখন মন্ত্ৰীয়ে গুচাই দিয়াৰ পিছত সমবেতসকলৰ হাতচাপৰি আৰু কেইগৰাকীমান মহিলাৰ উৰুলীৰ পিছত দু-আষাৰমান কথাৰে তেওঁ এটা চমু ভাষণ দিলে। তেতিয়া পাঁচ বাজি গৈছে।

ইয়াৰ পিছত মন্ত্ৰী তেওঁৰ বিভাগীয় বিষয়া আৰু পৰিষদৰ সৈতে এটা খদমদমীয়া পৰিবেশ সৃষ্টি কৰি পেহীৰ ঘৰৰ চোতালত পদাৰ্পণ কৰিলেগৈ। চুবুৰীৰ প্ৰতিটো পদূলিতে গোট খোৱা মাইকী-মতা, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ীৰ কৌতূহলী দৃষ্টিৰ মাজেদি সোঁৱে-বাওঁৱে পৰিবেষ্টিত হৈ পেহীৰ ওচৰলৈ প্ৰায় লৰ মাৰি যোৱাদি গৈ মন্ত্ৰীয়ে পেহীৰ ভৰি দুখন চুবলৈ 'উদৰ কষ্টেৰে' অলপ হাওঁলিবলৈ চেষ্টা কৰোতে বুঢ়ীয়ে আদবাটতে ধৰি তামোল পকতিয়াই থকা সোলা মুখেৰে ভতিজা-মন্ত্ৰীৰ নিমজ গালত বেঙা মেলি চপক্‌কৈ চুমা এটা খাই আবেগ-বিহ্বল স্বৰত 'ভোটোক্ পেহীয়েৰলৈ তোৰ আজিহে মনত পৰিল নহয়? তই এতিয়া--- কৈ আৰু বেছি কথা ক'ব নোৱাৰিলে। মাত থোকাথুকি হৈ গ'ল। ভালেই হ'ল। থোকাথুকি নোহোৱা হ'লে মন্ত্ৰীৰ সৰু কালৰ ঘৰত মতা নাম যে ভোটোক আছিল সকলোৱে আজি জানি গ'লহেতেঁন।

ইয়াৰ পিছত চ'ৰা ঘৰত কুশল-মঙ্গল, সোধ-পোছ কৰাৰ অন্তত জলপান। ডাঙৰ আৰু মাজু বোৱাৰীয়ে ডাঙৰ পাণধোৱাত সুন্দৰকৈ সজাই অনা একো একোটা বানবাটিত কোমল চাউল, থমা দৈ, মালভোগ কল, গুৰৰ জলপান মন্ত্ৰী সমন্বিতে সকলোৰে আগত আথে বেথে দি মুৰ দোঁৱাই খাবলৈ অনুৰোধ জনালে। আজিৰ দিনৰ এনে আপুৰুগীয়া জলপান, সকলোৱে পৰম তৃপ্তিৰে খালে। ওপৰতে কথা কওঁ কওঁকৈ থকা বিষয়া এজনে এক গুলিত দুই চিকাৰ কৰি কৈয়ে পেলালে– 'চাৰ, আপোনাৰ পেহীৰ ঘৰৰ এই জলপান চিৰদিন থাকিব চাৰ। আপোনাৰ যহতেই চাৰ আমাৰো আজি কপাল ফুলিল।---

সৰ্বসাধাৰণতে মন্ত্ৰীয়ে মৰা হেঁ হেঁ হেঁ হাঁহি এটা মাৰি প্ৰসঙ্গ সলনি কৰি মন্ত্ৰীয়ে বেছ আন্তৰিকতাৰে সুধিলে–'পেহী আপোনাৰ আৰু এটা ল'ৰা নাই জানো? কি নাম আছিল জানো তাৰ?'

পেহীয়ে ক'লে– 'অ' তই তাক পাহৰা নাই? একেবাৰে সৰুটো বাবুল। দুবছৰ হ'ল পাছ-চাছ্ কৰি এতিয়া ঘৰতে আছে। এতিয়ালৈকে একো এটা হোৱা নাই। অলপতে মাষ্টৰৰ পৰীক্ষা দি আহিছে। তইয়ে কিবা এটা পাৰিলে---। অই বাবুল, আহচোন ককায়েৰৰ ওচৰলৈ। লাজ কৰিবলৈনো কি হ'ল?

ককাই মন্ত্ৰীয়ে তালৈ কেইচেকেণ্ডমান চাই এটা কৰ্তৃত্ব মিহলি মৰমৰ স্বৰত ক'লে– 'তই পোন্ধৰ দিনমানৰ পিছত মোৰ ওচৰলৈ আহিবিচোন, ইণ্টাৰভিউ কেনে হ'ল মাষ্টৰ পোষ্টৰ কাৰণে?'

বি এছ চি পাছ কৰি চাকৰিৰ কাৰণে চাৰিওপিনে দৰ্খাস্ত দি অৱশেষত অলপতে মাষ্টৰ কামৰ বাবে দিয়া ইণ্টাৰভিউত ভাল কৰাৰ পিছতো চাকৰি পোৱাটো খাটাং কৰিবলৈ একঠা মাটি বেচি পোৱা দহহেজাৰ টকা আগধন দি এতিয়া সদায় ডাকঘৰৰ পিয়নলৈ আশাৰে বাট চাই থকা বাবুলৰ কাণত কথাবোৰ আধা সোমাল আৰু আধা নোসোমাল। তাৰ মাজতেই তাৰ হুটা আৰু কৰ্কশ মাতটো কোমল কৰিবলৈ চেষ্টা কৰি সি খৰা উত্তৰ এটা দিলে–'ভালেই হৈছে।'

"ঠিক আছে, মোক লগ ধৰিবিগৈ', বুলি মন্ত্ৰী বেছি কথালৈ নগৈ মনে মনে থাকিল আৰু বোধকৰো মনতে ভাবিলে 'ই নিশ্চয় তলে তলে আল্‌ফা।"

ইতিমধ্যে ডাঙৰ বোৱাৰীয়ে তামোল-পাণ কাটিলে আৰু ৰাতিপুৱাই টেঙেচি টেঙাৰে ঘঁহি চিক্‌চিকীয়া কৰি থোৱা ডাঙৰ বটাটোত সজাই মুৰটো দোঁৱাই বৰজনাৰ পিনে আহিল। তেনেতে শাহুৱেকে তেপেচৈকে মাত দিলে–'হেৰৌ, লগতে চূণ আৰু চাদাৰ টেমা দুটাও দে। হেৰ' আঁকৰীজনী। পাণবোৰৰ পানীবোৰ মচি নিদিলি দেখোন। চাওঁ মোক দে।'

এইবুলি পেহীয়ে বোৱাৰীয়েকৰ হাতৰ পৰা বটাটো লৈ সকলোৱে শুনাকৈ ক'লে– 'হাজাৰ জা-জলপান নিদিয়ক আগৰ অসমীয়া মানুহৰ এই তামোলখনেই আচল বুইছ। ভাৱ-ভক্তিৰে তামোলখন দিব লাগে। এইখনতেই আলহী তুষ্ট, আলহী ৰুষ্ট।---

কথাখিনি কৈ নিজেই তৃপ্তি লভি পৰম্পৰা ভাৱে পাণ মচাৰ কৌটিকলীয়া অসমীয়া ৰীতি অনুসৰি প্ৰতিখিলা পাণ পৰম যতনেৰে পেহীয়ে তেওঁৰ শুধ বগা নিকা পাটৰ মেখেলাখনত ঢাক খাই থকা টিকাকিটাত মচি মচি বটাত সজাই মন্ত্ৰী ভতিজা আৰু অতিথিসকলৰ পিনে আগবঢ়াই দিলে। টিকাত ফিনিচিং টাচ্ দি সভক্তিৰে যচা তামোল-পাণৰ অন্তৰ্নিহিত ৰহস্যৰ কথা আজিলৈকে নিশ্চয় কোনো অসমীয়াই ভবা নাই। কিন্তু এইটোও সঁচা যে দুৰ্ঘোৰ তামুলী আৰু তামোলপ্ৰেমীয়ে তামোলৰ বটা অহা দেখিলে অৱচেতন মনেৰে তেনে এটা ফিনিচিং টাচৰ কথা নভবাকৈ নেথাকে।

সেই ফক্‌ফকাই থকা কথকী বিষয়াজনে আনন্দৰ উলাহত নোকোৱাকৈ থাকিব নোৱাৰিলে–'উস্! এনে সেলেঙী লগোৱা তামোল মই জীৱনত খাই পোৱা নাই চাৰ। পাণখিনি বৰ ভাল।----চাৰ, এই বটাৰখিনিও আপুনি ৰাস্তাত খাবৰ কাৰণে লৈ লওঁনে চাৰ?

মন্ত্ৰী যাবলৈ থিয় হৈ এটা ব্যক্তিত্বমধুৰ হাঁহিৰে ক'লে– 'বৰা, আপুনি মানুহ কম নহয় দেই। --- মোক নেলাগে আপুনিয়ে লৈ লওঁক।'

পেহীয়ে এটা আত্মপ্ৰসাদৰ হাঁহিৰে অফিচাৰজনলৈ বটাটো আগবঢ়াই দিলে। দিয়াৰ আগতে পাণকিখনত ফিনিচিং টাচ্ দিবলৈ অৱশ্যে তেওঁ এইবাৰো নেপাহৰিলে।

# মোৰ শিৱ আৰু বিষ্ণু দৰ্শন

ৰিপুঞ্জয় গগৈ

(১)

শিৰোনামাত কৃপাবৰী ঢং প্ৰকট হোৱাত আমাৰ পাঠকে এয়া কাল্পনিক ৰচনাৰ পাতনি বুলি ভবাৰ সন্দেহেই সৰহ। বাস্তৱিকতে কিন্তু আমাৰ ক্ষেত্ৰ অধ্যয়নৰ (field study) সঁচা অভিজ্ঞতা দুটাহে পাঠকক অৱগত কৰাৰ প্ৰয়াসেৰে এই নিবন্ধৰ পাতনি মেলিছো।

প্ৰিয় পাঠক, আপুনি বিশ্বাস কৰকেই বা নকৰক অৱতাৰ-খ্যাত ভাৰতবৰ্ষত সময়ে সময়ে ঈশ্বৰৰ বিভিন্ন অৱতাৰৰ খবৰ আপুনি শুনিবলৈ পাব। হিন্দু শাস্ত্ৰত কলি যুগৰ শেষত কল্কি অৱতাৰ হৈ ম্লেছক কাটি মাৰি বুন্দামাৰ কৰাৰ কথা উল্লেখ কৰিলেও কল্কি অৱতাৰলৈ অপেক্ষা নকৰি ঈশ্বৰ বিভিন্ন ৰূপত আৱিৰ্ভাৱ যে ঘটিবই লাগিছে তাৰ কিছু খা-খবৰ লোৱা ব্যক্তি মাত্ৰেই জানে। এই অৱতাৰৰ উদ্দেশ্য আৰু তাৰ অন্তৰ্ধানৰ ৰহস্য আমাৰ সকলোৰে বাবে সমানে বোধগম্য নহলেও ঈশ্বৰে তেওঁৰ স্ব-স্ব বিচৰণ ক্ষেত্ৰত আপোন মহিমা প্ৰচাৰ কৰি তেওঁলোকৰ (অৱতাৰ) অনুগামী সকলৰ ভক্তি অৰ্ঘ্য লাভ কৰিবলৈ সমৰ্থ যে হৈছে তাক অৱতাৰ নিন্দুক সকলেও স্বীকাৰ কৰিব লাগিব। তাক অৱতাৰ নিন্দুক সকলেও স্বীকাৰ কৰিব লাগিব। অৱতাৰী পুৰুষ ভগৱান ৰাজনীশ যেতিয়া সুদীৰ্ঘ দিন প্ৰাণঘাতকী ডায়বেটিছ ৰোগত ভুগি মৃত্যু হোৱা খবৰ কাকত, টিভিত প্ৰকাশ পাইছিল তেতিয়া অৱতাৰ অবিশ্বাসী কোনো যুক্তিবাদীয়ে কৌতুক অনুভৱেৰে 'হায় ঈশ্বৰৰ ডায়বেটিছত মৃত্যু!' বুলি ৰসিকতা কৰিলেও অৱতাৰ বিশ্বাসী সকলৰ হাততো তাৰ প্ৰত্যুত্তৰৰ অভাৱ ঘটা নাছিল। ইয়াত তেওঁলোকৰ আত্ম প্ৰত্যয়দীপ্ত মন্তব্য আছিল– 'ভগৱান কৃষ্ণও দেখোন অৱতাৰ হৈও ব্যাধৰ শৰৰ আঘাতত মৃত্যু হৈছিল।' আজি দুটা দশকৰ আগতে আমাৰ দেশ ভাৰতবৰ্ষত আৱিৰ্ভাৱ হোৱা ভগৱান ছাইবাবা কোনোবা জুনিয়ৰ পি, চি সৰকাৰ নামৰ যাদুকৰৰ সন্মুখত ঈশ্বৰৰ অলৌকিকতা প্ৰদৰ্শনত ব্যৰ্থ হৈ আদালতৰ হামলাত সোমাই তেওঁৰ সহস্ৰাধিক ভক্ত অনুগামীক অঠাই সাগৰত ডুবুৱাৰ লগেলগে পুনঃ দেশখনত ঈশ্বৰৰ আৱিৰ্ভাৱ অনিবাৰ্য হোৱাত ৰাজনীশ, ছাইবাবা আদি অৱতাৰী পুৰুষৰ পাছত বিশাল দেশখনৰ চুকে-কোণে কম সময়ৰ ব্যৱধানতে অনেক ঈশ্বৰ বিভিন্ন ৰূপত আৱিৰ্ভাৱ ঘটি আছে। চিকাৰী হ'লেও জিম কৰবেট নামৰ মানুহ এজনে আমাৰ দেশখনৰ সম্পৰ্কত মন্তব্য দিছিল যে, 'এইখনেই ভাৰতবৰ্ষ, য'ত কোনোবা এজন ব্যক্তিয়ে হাতত এডাল ত্ৰিশূল কপালত এডাল ৰেখা টানি সমস্ত দেশ কোনো এটা প্ৰশ্নৰ মুখামুখি নোহোৱাকৈয়ে ঘূৰি ফুৰিব পাৰে।' কৰবেটৰ মন্তব্যৰ বিপৰীতে গৈ দেশখনত দুই এজন পি, চি, সৰকাৰ, ডঃ আব্ৰাহাম কভুৰ আদি ব্যক্তি অৱতাৰ অলৌকিকতা বিৰোধী কাৰ্যকলাপৰে সক্ৰিয় হলেও কৰবেটৰ মন্তব্যৰ যথাৰ্থতা সিংহভাগ অক্ষুণ্ণ থকাত দেশখনত বিভিন্ন অৱতাৰ অলৌকিকতা আদি নিতৌ প্ৰদৰ্শিত হব লাগিছে। এই বিষয়ে এইবাৰ জ্ঞানপীঠ বঁটা বিজয়ী সুভাষ মুখোপাধ্যায়ে তেওঁৰ বিখ্যাত কবিতা এটাত লেখা– 'ফুল ফুটুক বা নুফুটুক/আজ বসন্ত' কথাৰ দৰে, কব পাৰি – 'যুক্তিবাদীয়ে বিশ্বাস কৰক বা নকৰক আমাৰ অলৌকিকতা অৱতাৰ আজিও অনিৰুদ্ধ!'



চ.

(২)

## শিৱৰ সান্নিধ্যত এদিন ঃ

মই ব্যক্তিগতভাৱে কোনো দেৱ-দেৱতা, ঈশ্বৰ অৱতাৰ আদিত বিশ্বাসী নহলেও মোৰ জীৱনৰ শিক্ষা গুৰুবুলি মান্য কৰা সকলৰ পৰা মই কিছু সংশয়বাদী, কিছু অজ্ঞেয়বাদী হবলৈ শিকিছো। যুক্তি তথ্যৰে প্ৰমাণ নকৰা কোনো কথা যিদৰে বিশ্বাস নকৰো সেইদৰে কোনো কথা পূৰ্ব অভিজ্ঞতা ধাৰণাৰে (Pre conception) উৰ্দ্ধত তাচ্ছিল্যৰে হঠাৎ উৰুৱাই দিয়াৰ পৰা বিৰত থাকো। শিৱ-বিষ্ণুৰ স্থিতি আৱিৰ্ভাৱৰ প্ৰতি দৃঢ়ভাৱে অবিশ্বাস কৰিলেও কৰবাত শিৱ-বিষ্ণুৰ আবিৰ্ভাৱ হৈ কিবা অলৌকিক মহিমা প্ৰকাশ কৰা কথা শুনিলে তাৰ প্ৰমাণৰ অৰ্থে যথাস্থানলৈ যোৱাত কোনো গোড়ামিয়ে (Dogmatism)বাধা নিদিয়ে। অলৌকিক বাবা সাধক অৱতাৰী পুৰুষ সম্পৰ্কে মোৰ প্ৰথম অভিজ্ঞতা ঘটে আজি বাৰ বছৰৰ আগতে অ[illegible] শ্ৰেণীত পঢ়ি থাকোতে। মনত পৰে মই পঢ়া শিৱসাগৰ চৰকাৰী বিদ্যালয়ৰ ওচৰতে এজন অৱতাৰী বাবাই অসংখ্য ভক্ত সমাবেশত গাঁত খান্দি মাটিৰ তলত সোমই আছিল। আমাৰ ক্লাছৰ জিৰণিৰ সময়ছোৱাত নিয়মিতভাৱে 'বাবাস্থান দৰ্শন কৰাতো এটা সুখকৰ অভ্যাসত পৰিণত হৈছিল। পিছে এদিন আমাৰ স্কুলৰ দশম-দ্বাদশ শ্ৰেণীৰ উদণ্ড ছাত্ৰ এজাকে আমাক লৈ হৈ হাল্লা কৰি উলংগ অৱতাৰী বাবা জনক গাঁতৰ পৰা টানি উলিয়াই অনাত অৱতাৰী বাবাই উলংগ হৈ থানা ৰোডেৰে দৌৰি দিখৌত জঁপিয়াই পৰিলগৈ! ইয়াৰ পাছত অৱতাৰী বাবাই কৰবাত পুনঃ অৱতাৰ ললেগৈনে দিখৌত ডুবি সাধাৰণ নদাই ভদাইৰ দৰে মৰি থাকিল নাইবা দেশৰ বিশাল জনপদত সোমাই তুচ্ছ প্ৰাত্যহিকতাত হেৰাই গ'ল তাৰ খবৰ অদ্যৱধি মই আৰু আমাৰ স্কুলৰ ল'ৰাবোৰে পোৱা নাই! দিখৌত জঁপিয়াই দিয়া উলংগ অৱতাৰী পুৰুষজনৰ পাছত যোৰহাটত থকা কালত শ্ৰীশ্ৰী বিশ্বনাথ কালীমন্দিৰৰ অৱতাৰী কালীৰ বৰপুত্ৰ জনৰ প্ৰত্যক্ষ সান্নিধ্যলৈ আহো। এই বাবা অৱতাৰী পুৰুষজন বহুতো আবিঐ গাভৰুৰ দৰা পোৱা, বহু পুত্ৰহীনাৰ পুত্ৰ লাভ কৰা, নিবনুৱাৰ চাকৰি মিলাৰ কাৰণ-তাৰণ বুলি কোনো অন্ধ-অনুগামীৰ প্ৰচাৰ পালেও আমাৰ সূক্ষ্ম ক্ষেত্ৰ অধ্যয়নত সেয়া চতুৰ বণিয়াৰ আধ্যাত্মিক বেপাৰ বুলি প্ৰমাণিত হোৱাৰ বাহিৰে অৱতাৰী পুৰুষৰ কোনো মহিমা নেদেখিলো। হোমেন বৰগোহাঞিৰ সম্পাদিত জনক্ৰান্তিত ১৯৮৬ চনত আমিও ইয়াৰ বিস্তৃত প্ৰতিবেদন প্ৰকাশ কৰাত এতিয়া এই কালী লম্ভা বাবাৰ অৱতাৰৰ বিশেষ তাৎপৰ্য উল্লেখ কৰাৰ পৰা বিৰত থাকিলো। এই দুই অৱতাৰৰ সান্নিধ্যৰ পাছত কাকতে-পত্ৰে দেশখনত ভিনভিন অৱতাৰৰ কথা শুনিলেও দীৰ্ঘদিনৰ পাছত আজি এমাহৰ ভিতৰতে ২৪ মে আৰু ৬ জুনত ক্ৰমে শিৱ আৰু বিষ্ণুৰ অৱতাৰ ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ আমাৰ সৌভাগ্য হয়। আমাৰ পাঠকক মোৰ লগতে শিৱ আৰু বিষ্ণুৰ ওচৰলৈ নিয়াৰ চেষ্টা কৰিম।

ক্ষমা কৰিব, পাঠকক বিষ্ণুৰ ওচৰলৈ নিয়াত মই যিমান উৎসাহী শিৱৰ ওচৰলৈ নিয়াত বিশেষ কেতবোৰ কাৰণত সিমান উৎসাহী হব পৰা নাই। (স্থানান্তৰত পাঠকে কাৰণটো নিজে বুজিব)। শিৱ স্থিত দিয়া ব্যক্তি মোৰ এগৰাকী প্ৰিয় গাভৰু হোৱাত পাঠকক তেওঁৰ ঠিকনা নিদিওঁ। পাঠকে মাথোন ইয়াকে অনুমান কৰিলেই হব যে তেওঁ উজনি অসমৰ কোনোবা এখন নগৰৰ হব। ভোলানাথ শিৱৰ আৱিৰ্ভাৱৰ সম্পৰ্কে ভাৱৰীয়া পকীয়া কথা কলেও যে শিৱই কাৰো অপকাৰ-



চ.

অনিষ্ট নকৰে এই বিশ্বাস আৰু সাহসতেই কথাবোৰ এনেদৰে লিখিছো। শিৱৰ উদাৰ- অসূয়া প্ৰতিশোধহীন চৰিত্ৰ সম্পৰ্কে আজি এবছৰৰ পূৰ্বে মোৰ প্ৰত্যক্ষ অভিজ্ঞতা হৈছে। যোৰহাটত থকা মোৰ ভাৰাঘৰৰ বান্ধৱীস্থানীয় মালিকনীয়ে শিৱ সেৱা কৰি থাকোতে এদিন মোৰ কক্ষ সংগী আৰু মই মালিকনীৰ শিৱ উপাসনাক উপহাস কৰি ক'লো,– 'বাইদেউ, আপোনালোকে শিৱ উপাসনা কৰি শিৱক তাচ্ছিল্য কৰি পাপহে আৰ্জিছে।' আমাৰ মন্তব্যত অবাক ক্ৰোধে বাইদেউৱে তাৰ ব্যাখ্যা বিচৰাত কওঁ,– 'চাওঁক শিৱৰ প্ৰধান গুণ হৈছে উদাৰ, আপুনি নাঙঠ হৈ জগতত বৰ দিয়া ত্যাগী। অথচ শিৱ ভক্তবোৰ ত্যাগী নহয়। যাক সেৱা ভক্তি কৰা হয় তেওঁৰ গুণবোৰ ভক্তই নিশ্চয় অনুকৰণ কৰিব লাগিব। যদি শিৱৰ ত্যাগৰ বিপৰীতে ভক্তবোৰ স্বাৰ্থপৰ ব্যক্তি কেন্দ্ৰিক হয় তেতিয়া সেই ভক্ত, শিৱৰ ওচৰত অপৰাধী হবলৈ বাধ্য। আৰু ত্যাগী উদাৰ নোহোৱাকৈয়ে শিৱক উপাসনা কৰাতো পাপ অৰ্জনৰ কৰ্ম ভিন্ন একো নহয়। আপুনিয়ে বা কিমান ত্যাগী? আকৌ শিৱভক্ত গাভৰু ছোৱালীবোৰে কেতিয়াও শিৱৰ দৰে ত্যাগী স্বামী কামনাৰে শিৱ উপাসনা নকৰে। এইবোৰ কাৰণতে কওঁ আপুনি আৰু .................... ? আমাৰ যুক্তিপূৰ্ণ কথাত বাইদেৱে কোনো যুক্তিপূৰ্ণ প্ৰত্যুত্তৰ বিচাৰি নাপাই অতি উত্তেজিত হৈ তেওঁৰ শিৱ দেৱতাৰ ওচৰত সেৱা জনাই শিৱৰ নামত আমাক ৰাতিটোৰ ভিতৰতে ঘটাকৈ অভিশাপ দুটা দিলে। অভিশাপ কেইটা আমাৰ,– মোতকৈ জ্যেষ্ঠ আৰু কনিষ্ঠ পাঠক সকলক সমুখত লৈ ইয়াক অৱতাৰণা কৰিবলৈ লাজে ধৰাত পাঠকক অনুমানলৈ এৰি দিলো। পাঠকক এই কথা এতিয়া জনাবই নালাগে যে শিৱৰ নামত দিয়া অভিশাপৰ নিশাৰ পাছত পুৱা আমি দুয়ো অক্ষত অৱস্থাত সুস্থ শৰীৰে বিছনাৰ পৰা উঠি বাইদেউৰ শিৱ উপাসনাৰ অৰ্থহীনতা ঘোষণা কৰো।

শিৱৰ পৰা হোৱা এই অভিজ্ঞতাৰ পাছত সিদিনা ২৪ মে'ৰ/৯২ ৰ দুদিনৰ পূৰ্বে ইতিমধ্যে শিৱ আৱিৰ্ভাৱৰ প্ৰচাৰ পোৱা শিৱভক্ত সমাবেশিত স্থানলৈ গৈ শিৱলম্ভা মোৰ চিনাকি ছোৱালীজনীক শিৱৰ অস্তিত্ব সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ পাছত এদিন পুৱা মাতি পঠোৱাত ২৪ মে পুৱা মোৰ দুজন বন্ধুৰ সৈতে শিৱ স্থিত দিয়া ছোৱালীজনীৰ ঘৰ ওলাওঁগৈ। সেৱা সৎকাৰ নকৰাকৈয়ে ভক্তৰ মাজত আমি যেতিয়া বহি পৰিলো তাৰ কিছু সময়ৰ পাছতেই শিৱলম্ভা ছোৱালীজনীয়ে মেলা সুন্দৰ চুলি কোচাৰে সৈতে অবিৰত মূৰটো ঘূৰোৱাবলৈ ধৰিলে। ইয়াৰ মাজতে শিৱ স্থিত দিয়া ছোৱালীজনীয়ে আমাৰ তিনিওৰে মাজৰ গালত দাড়ি থকা জনক বাহিৰলৈ যাবলৈ কলে। বন্ধুজন বাহিৰলৈ যোৱাত ছোৱালীজনীৰ গাৰ পৰা শিৱ আঁতৰি গ'ল! ভিতৰৰ পৰা ছোৱালী জনীৰ মাকে ল'ৰাজনে গা নোধোৱাকৈয়ে অহাৰ কথা কয়! অলপ পৰৰ পাছত বন্ধুজনক পুনঃ ভিতৰলৈ মাতি অনাত (ছোৱালীজনীয়ে) ছোৱালীজনীৰ গাত আকৌ শিৱই ভৰ কৰিলে। লগে লগে তেওঁ পুনঃ মূৰ ঘূৰোৱাবলৈ ধৰে। বন্ধুক পুনঃ শিৱ স্থানৰ পৰা উলিয়াই পঠোৱা হ'ল।

আনজন বন্ধুৰ সৈতে মই অতি সাত্বিক-তাত্বিক (!) ভক্ত হৈ বহি ৰ'লো কিছুপৰ। শিৱই সহ্য নকৰি বাহিৰ কৰি দিয়া বন্ধুজনৰ সম্পৰ্কত ছোৱালীজনীয়ে গা নোধোৱাৰ ওপৰিও বেয়া ভাব লৈ থকা আৰু শিৱ ভক্তিহীনতাৰ কথা কয়। উপাসনাৰ অন্তত যেতিয়া ছোৱালীজনীয়ে

মোক, "ৰিপুঞ্জয়দা, শিৱৰ স্থিতিক প্ৰত্যক্ষ কৰা হলনে ?" বুলি সুধিলে তেতিয়া মোৰ আকাশৰ পৰা মাটিত সৰি পৰা পাল। দুদিনৰ পূৰ্বে ছোৱালীজনীয়ে তেওঁৰ বিভিন্ন শিৱমূৰ্তি সন্ধান পোৱা, মন্দিৰলৈ যোৱা আদি কথা লেখা ডায়েৰীখন পঢ়িবলৈ দিছিল, সেইখন পঢ়ি তাত বিশেষ মন্তব্য দিয়া নাছিলো। কিন্তু ২৪ মে'ৰ অভিজ্ঞতাই মোৰ মন্তব্যক হেঁচা মাৰি ৰাখিব নোৱাৰিলে। গা-নুধুৱাকৈ শিৱস্থানলৈ যোৱা বহিষ্কৃত বন্ধুজনৰ দৰে মোৰ দ্বিতীয়জন বন্ধুৱেও গা ধোৱা নাছিল। অথচ শিৱ সেই বিষয়ত পক্ষপাতিত্বৰ দোষেৰে অজ্ঞ। আকৌ এই কথাতকৈ কোটি গুণে আমোদজনক ঘটনাটো হৈছে, যি শিৱ অবিশ্বাসৰ অপৰাধত দাঢ়ি থকা বন্ধুজনক কোঠাৰ পৰা বহিষ্কাৰ কৰিছিল আমাৰ বাকী দুজনৰ অপৰাধ বহিষ্কৃত বন্ধুজনতকৈ সহস্ৰগুণে বেছি। বহিষ্কৃত বন্ধুজনৰ সামান্য হলেও ঈশ্বৰ, শিৱ আদিৰ প্ৰতি বিশ্বাস আছে। কিন্তু আমাৰ বাকী দুজন বন্ধু কট্টৰ নাস্তিক। শিৱ-ঈশ্বৰত এক তিলাৰ্দ্ধও বিশ্বাস ভক্তি নাই আমাৰ। প্ৰতিক্ষণ ইয়াৰ বিৰুদ্ধে সৰব আমাৰ উক্তি-যুক্তি। বহিষ্কৃত বন্ধুজনৰ এই কথা লৈ আক্ষেপৰ অন্ত নাই– "চূড়ান্ত নাস্তিক দুটাক শিৱই বহুৱাই থলে অথচ কিছু মনাটোৰ প্ৰতি এই অবিচাৰ !" এই তথাকথিত অবিচাৰ অথচ শিৱৰ বিধানৰ কাৰণ ব্যাখ্যা নকৰিলে শিৱৰ প্ৰতিয়ে অবিচাৰ কৰা হ'ব। সেয়ে আমাৰ বোধগম্য কাৰণটো কিছু, পাঠকক জনাব বিচাৰিছো। শিৱই গ্ৰহণ কৰা আমাৰ দুজন বন্ধুৰ সৈতে ছোৱালী জনীৰ পূৰ্বৰ পৰিচয় আছিল। বহিষ্কৃত জন অচিনাকি হোৱাত আৰু কিছু ভক্ত হোৱাত লাজে ভয়ে তললৈ মূৰ কৰি আছিল। কিন্তু আমি দুটাই শিৱ আৱিষ্কাৰৰ নিচাৰ ওপৰিও চকলেট পাৰি দিয়া বগা মেখেলা-চাদৰ পৰিহিতা পুষ্টাংগী অষ্টাদশী তন্বী গাভৰুজনীৰ সৌন্দৰ্য উপভোগত ব্যস্ত থকাত শিৱই আমাক তেওঁৰ ভক্ত বুলি ভুল কৰাটো স্বাভাৱিক। আজি দুবছৰৰ পূৰ্বে কলিকতীয়া কাকতত কালী গোসানীৰ ছবি এখনৰ লগতে গোসানীজনীৰ মুখাৰ তলত লুকাই থকা ল'ৰা এটাৰ ছবি দেখিবলৈ পাইছিলো। কলিকতাৰ যুক্তিবাদী অলৌকিকতা বিৰোধী সংগঠন এটাই কালীৰ মুখাৰ তলত ব্যৱসায়ী ল'ৰাটো আৱিষ্কাৰ কৰাৰ দৰে আমাৰ সমুখত থকা সুন্দৰী গাভৰু জনীৰ কাপোৰৰ তলত দ্বিতীয় ব্যক্তি লুকাই নথকাৰ নিশ্চিত বিশ্বাসৰ বাবে ছোৱালীজনীৰ সৌন্দৰ্য উপভোগত আমি কোনো বাধা অনুভৱ কৰা নাছিলো। ছোৱালীজনীৰ প্ৰতি যিহেতু মোৰ আন্তৰিকতা আৰু সহানুভূতিৰ অভাৱ নাছিল সেয়ে তেওঁক শান্তভাবে শিৱ আৱিৰ্ভাৱৰ শুভ উদ্দেশ্যৰ কথা সোধো। মোৰ কথাত তেওঁ অসমৰ এজন প্ৰখ্যাত গীতিকাৰ তেওঁৰ পৰিবাৰৰ সৈতে শিৱস্থানলৈ আহিলত কিদৰে গীতিকাৰজনৰ গাত পাক থকা ঘটনা আৱিষ্কাৰ কৰি গাত শিৱই ভৰ দিয়ে সেই কথা কয়। কিন্তু 'পাক' নাথাকে কাৰ গাত ? পুৱাতে ডেকা ল'ৰাই স্বাভাৱিকতে গা নোধোৱাৰ দৰে মানুহৰ গাত 'পাক' থাকেই স্বাভাৱিকতে। গতিকে এই কথা কোৱাত কি অলৌকিক শক্তিৰ প্ৰেৰণা আছে ? তাতে আকৌ তেনেধৰণৰ 'পাক' আৱিষ্কাৰ কৰি মানুহৰ গৃহ কন্দল সৃষ্টি কৰাৰ সম্ভাৱনাহে সৰহ। শিৱ স্থিত দিয়াৰ কিছুদিনৰ পূৰ্বে ছোৱালীজনীৰ বসন্ত ওলাই ৰোগৰ আতিশয্যত স্বাভাৱিকতে কিছু অপ্ৰকৃতিস্থ হৈছিল। ছোৱালীজনীৰ শিৱ স্থিতি সেই লজ্জাজনক অপ্ৰকৃতিস্থতাক বৈধতা বা স্বাভাৱিকতা প্ৰদান কৰা চেষ্টাও আজি পঁচিশ বছৰৰ পৰা শিৱ উপাসনা কৰা পৰিয়ালটোৰ নেপথ্য প্ৰেৰণা বুলি ক'লে অত্যুক্তি কৰা নহ'ব সম্ভৱ। শিৱ স্থিত দিয়া ছোৱালীজনীক বৰ্তমান অপ্ৰকৃতিস্থ অৱস্থাটোৰ ওপৰিও এটা দীঘলীয়া সুন্দৰ ভৱিষ্যতৰ কথা সোঁৱৰাই তথাকথিত শিৱ অভক্তৰ অনুপস্থিতিত মূৰ ঘূৰোৱাই নিজৰ দেহা অনিষ্ট কৰাৰ পৰা বিৰত থাকি এটা স্বাভাৱিক জীৱন যাপন কৰিবলৈ আন্তৰিক অনুৰোধ জনাওঁ। সুখৰকথা ছোৱালীজনীয়ে মোৰ কথাত মনোযোগ দিয়ে। স্বাৰ্থপৰ, নিৰ্বোধ ভক্ত আৰু ছোৱালীজনীৰ ভৱিষ্যত চিন্তা নকৰা মাক দেউতাকে সেই নিৰ্দোষ মৰম লগা ছোৱালীজনীক এই বেহাৰ পৰা মুক্তি দিবলৈ শুভ বুদ্ধি উদয় হব বুলি আশা ৰাখি শিৱ কাহিনী ইমানতে সামৰিলো।

## শিৱদৰ্শন ঃ পুচ্ছ খণ্ড

উক্ত বাৰ্ণত স্থানত শিৱৰ সেই অজ্ঞেয় আৱিৰ্ভাৱৰ সময়তে সেইস্থানৰ তেনেই ওচৰতে অবৈধভাবে আন এজনী ছোৱালীৰ মাৰফৎ শিৱৰ আৱিৰ্ভাৱ ঘটে। এই শিৱৰ আৱিৰ্ভাৱৰ উদ্দেশ্য এটাই শিৱলগা ছোৱালীজনীক কিছুদিনৰ পূৰ্বে এক ট্ৰেজিক অৱস্থাত পেলাই আন এজনী ছোৱালীক বিয়াপতা ল'ৰাজনক উক্ত ছোৱালীজনীক গতাই দিয়া !!

## (৩)

## বিষ্ণুৰ সান্নিধ্যত আন এটা দিন ঃ

সকলো অৱতাৰ অলৌকিকতাৰ বিৰোধী মোৰ দেউতাৰ মুখত বিদ্ৰূপৰ ভঙ্গীত শিৱসাগৰৰ চাৰিঙত ৰামৰ আৱিৰ্ভাৱৰ কথা শুনিছিলো তেনেই সৰুকালতে। পাছত সূত্ৰধাৰত আজি দুই বছৰৰ পূৰ্বে ৰাম কিদৰে আৱিৰ্ভাৱ ঘটি পাছত এদিন পলায়ন কৰিলে তাৰ বিতং বিৱৰণ পঢ়িবলৈ পাইছিলো। এইবোৰ পঢ়ি-শুনি ক'ৰবাত পুনঃ বিষ্ণু আৱিৰ্ভাৱৰ কথা শুনিলে তাক ভণ্ডৰ-ভাওকী বুলি উৰুৱাই দিয়াই স্বাভাৱিক। জনমভূমিৰ শিল্পী তথা মোৰ কক্ষ সংগীয়ে মোৰ মুখত বিষ্ণুৰ কথা শুনি তিৰ্যক তাচ্ছিল্যৰে সেইবোৰৰ ওচৰলৈ যোৱা বলিয়ালিটো কৰিবলৈ পূৰ্ব অভিজ্ঞতাৰ পৰা পোনচাটেই অস্বীকাৰ কৰিলে। মই পিছে অজ্ঞেয়বাদী আৰু এইবোৰ বিষয়ত কৌতূহলী হোৱাত বিষ্ণুৰ ওচৰলৈ অকলেই যাবলৈ ওলালো। শিৱদৰ্শনৰ এটা সপ্তাহৰ পাছতেই আমাৰ শিৱসাগৰৰ ঘৰত সম্পৰ্কীয় নবৌ এগৰাকীৰ পৰা যোৰহাট নগৰৰ পৰা চৌধ্য কিঃ মিঃৰ দূৰৈত টিয়ক বাদুলি পুখুৰীত বিষ্ণু অৱতাৰৰ কথা গম পাওঁ। আজি ৭।৮ বছৰে নিঃসন্তান হৈ থকা নবৌ গৰাকী বিষ্ণুৰ ওচৰলৈ গৈছিল। নবৌৰ মুখত বিষ্ণুৰ নানা অলৌকিক ক্ষমতাৰ কথা শুনিলো। ছোৱালী এজনীক চুই দিলত ভৰি বিষ বহুখিনি ভাল হ'ল। এজনী মানুহে গা নোধোৱাকৈয়ে গৰু খীৰাই আনি গাখীৰ বিষ্ণুক দিয়াত বিষ্ণুৱে সেই গাখীৰ খালে। পাছদিনা গৰুজনী তেজমুতি মৰিব বুলি কোৱাত মানুহজনী বিষ্ণুৰ [illegible]িত দীঘল দি পৰিল------- ইত্যাদি।

৬ জুনত একালৰ মোৰ কক্ষসংগী এতিয়া মুদৈজান নিবাসী অধ্যাপক অনিল শইকীয়া দাদাৰ ঘৰৰ পৰা চাইকেল এখন লৈ বাদুলি পুখুৰীৰ মাজেদি এ, টি, ৰোডৰ পৰা দক্ষিণফালে বিষ্ণু দৰ্শনৰ বাবে ২।৩ কিলোমিটাৰ মান বাট যাওঁ। চাইকেলখন বেয়া বুলি দাদাৰ ঘৰত কোৱা সত্ত্বেও বিষ্ণু দৰ্শনৰ পৱিত্ৰ উদ্দেশ্যত যোৱাত আচৰিতভাবে (অলৌকিকভাবে) চাইকেলখনে কতো অসুবিধাৰ সৃষ্টি নকৰিলে ! সকলো অৱতাৰৰ শুভ উদ্দেশ্য বিচাৰি ফুৰাৰ বাবে এই বিষ্ণু আৱিৰ্ভাৱৰ শুভ উদ্দেশ্য বিচৰাত যাত্ৰা পথৰ মুখতে আমি শুভ উদ্দেশ্য বিচাৰি পালো। পীৰা কটা গোঁহাই গাঁৱত বিষ্ণুৰ আৱিৰ্ভাৱে বাদুলি পুখুৰী তিনিআলিত থকা অটোচালক সকলক বিষ্ণুভক্তৰ পৰা প্ৰতি যাত্ৰাত ২৫ টকাকৈ বেছ টকা উপাৰ্জনৰ সুবিধা দিছে। বিষ্ণুভক্তৰ লানি নিচিগা জনপথে মোক বিষ্ণুস্থান বিচাৰি ফুৰিবলগীয়া অৱস্থাত নেপেলালে। পিছে মই অজ্ঞেয়বাদী আৰু অতি কৌতূহলী হোৱাত বিষ্ণুস্থানৰ বাটতে নামি স্থানীয় মানুহ বোৰক বিষ্ণুৰ প্ৰভাৱ আৰু অলৌকিকতা আদি সুধিবলৈ ধৰাত সৰহ সংখ্যকে জনালে যে ইয়ালৈ দূৰ-দূৰণিৰ বহু মানুহ প্ৰতি শনি আৰু দেওবাৰে আহি আছে আজি বাৰ বছৰে। (সম্ভৱ এই বিষ্ণু প্ৰচাৰ বিমুখ হোৱাৰ বাবে বহু কাকত-পত্ৰৰ লগত নিয়মীয়া সম্পৰ্ক সত্ত্বেও মই আজি এসপ্তাহৰ আগেয়েহে এই বিষ্ণুৰ খবৰ পাইছো) কিন্তু বাৰীৰ ঘাঁহ গোহালিৰ গৰুৰে ৰাহি নহাৰ দৰে স্থানীয় মানুহৰ বিষ্ণুৰ সৈতে বিশেষ সম্পৰ্ক নাই ! এইবোৰ স্থানীয় জ্ঞাতি-হিংসুকৰ খিয়লীয়া কথা ভাবি বিষ্ণুৰ নিজৰ স্থানলৈ গলো। পদুলিমুখত অসংখ্য অটো, চাইকেল দেখি সোমাই গলো। প্ৰথমে চকুত পৰিল চোতালভৰ্তি এক ৰভা বিষ্ণু-ভক্ত ! ৰভা তলত সোমাই দেখিলো ঘৰৰ বহল বাৰান্দাত সিংহাসনত সমাহিত বিষ্ণু ! কিন্তু ই কি বিষ্ণু দেখোন মাইকী ! নাই ; ঈশ্বৰৰ মতা মাইকী নাথাকে। সমালোচাত্মক দৃষ্টি পৰিহাৰ কৰিলো। সিংহাসনত সমাহিত নাৰীৰূপী বিষ্ণুৰ পিন্ধনত গাঢ় সেউজীয়া চাদৰ-মেখেলা। ডিঙিত অসংখ্য মণিমুক্তা যুক্ত কেশসজ্জা ! দুইখন হাতৰ তলুৱা আৰু আঙুলিত যুক্ত কৰি পিন্ধিআছে দুধাৰ মণি। হাতৰ আঙুলিত গ্ৰহ নক্ষত্ৰ আঙঠি (বিষ্ণু হলেও গ্ৰহ নক্ষত্ৰ বৰ শক্তিশালী !) কঁকালত এখন তৰোৱাল। চাদৰৰ আঁচলত ছটা চেফ্‌টিপিন্। কপালত পথালি ডাঠ ৰেঘা। সিংহাসনৰ পাছফালে এটা জোনৰ প্ৰতীক। সমুখৰ টেবুলত বিষ্ণুৰ ছবি। তাৰ ওপৰত ভাওনাত ব্যৱহাৰ কৰা এটা বাঁহ আৰু কাপোৰৰ গদা। লগত এখন সুদৰ্শন চক্ৰ। সময়ে সময়ে বিষ্ণুৱে গদা আৰু চক্ৰ ব্যৱহাৰ কৰে। বিষ্ণুৱে ভৰি দুখন টেবুলৰ ষ্টেণ্ডত তুলি থৈছে। ভৰিৰ নখত আলটা। সেয়া বিষ্ণুৰ সৌন্দৰ্য চৰ্চা ! বিষ্ণুৰ গোটেই ছবিখনত ভক্তৰ ভক্তি উদ্ৰেক কৰা ভয়াল ৰূপৰ ওপৰিও নান্দনিক ঐশ্বৰ্যকো উলাই কৰিব নোৱাৰি। বিষ্ণুৰ সমুখত বিষ্ণুমন্দিৰ। তালৈ চাই চাই বিষ্ণুৱে কথা কয়। স্বাভাৱিকতে যিকোনো ভক্ত বিষ্ণুৰ ভৰিত লাং খাই পৰাৰ "ভয়ংকৰ সুন্দৰ" দৃশ্য ! বিভিন্ন দুৰ্যোগৰ দুৰ্ভোগত কক্‌বকাই তাৰ পৰিত্ৰাণ বিচাৰি দৌৰি অহা অনেক বিষ্ণুভকতে লিংগ, বয়স নিৰ্বিশেষে বিষ্ণুৰ ভৰিত সাষ্টাংগে প্ৰণিপাত জনাই বিষ্ণুৰ ওচৰত কাবৌ-কোকালি কৰিছে। সৰ্বজান্তা সৰ্বনিয়ন্তা বিষ্ণুৱে তেওঁৰ সন্তানৰ (ভক্তৰ) নিৰ্বোধ কাৰ্য আৰু নিশ্চিত কৰ্মফল দিব্য চক্ষুৰে প্ৰদৰ্শন কৰি মুখত এটা উপহাস সনা ৰহস্যময় হাঁহি লৈ সমান্যভাবে ওঁঠ আৰু ভ্ৰূ কুঞ্চিত কৰি ভক্তসকলক নানা ককৰ্থনা- গৰিহণাৰে কেতবোৰ বিধান দিছে। দৃশ্যটো দেখি মোৰ কিয় জানো ভলটেয়াৰলৈ খুউব মনত পৰিছিল। মৃত্যুশয্যাত পৰি থাকোতে ভলটেয়াৰে তেওঁৰ ওচৰলৈ স্বীকাৰোক্তি বিচাৰি অহা যাজকক, যাজকে পোৱা ঈশ্বৰৰ লাইচেন্স বিচাৰিছিল। বিষ্ণুৰ এই দৃশ্য দেখি ভল্‌টেয়াৰে বাৰু কি ক'লেহেঁতেন ! মই বাৰু এই বিষ্ণুক বিবেকৰ পীড়া অনুভৱ নকৰাকৈয়ে সেৱা কৰি মোৰ পৰিকল্পিত সমস্যাবোৰ দাঙি ধৰিব পাৰিমনে ? এইবোৰ ভাবি থাকোতে এজন ভক্তৰ নিৰক্ষৰতাই মোৰ বাবে সুৱৰ্ণ সুযোগ কঢ়িয়াই আনিলে। বিষ্ণুৱে কৈ যোৱা বিধি বিধান তেওঁ লিখিব নোৱৰাত মই সোল্লাসেৰে সেই দায়িত্ব লওঁ। বিষ্ণুৰ কাষতে পীৰা এখনত বহি ললো। সকলো ভক্ত/ জাতকৰ বাবে মই স্বেচ্ছাই বিষ্ণুৱে দিয়া বিধান লিখা দায়িত্ব ললো। লিখিছো – (ক) তোমাৰ পেটত আহুদি। ৩.৫০০ কেজি সোমাই আছে। (গ্ৰীনিজ ৱৰ্লড ৰেকৰ্ডলৈ পৰিসংখ্যাটো পঠিয়াব পাৰো নেকি ?) ...... (খ) তোমাৰ এতিয়া চাকৰি নহয়, অহামাহত হব। স্কুলৰ পাই যাবা। (কিন্তু জাতকে নেভী বিভাগতহে ইণ্টাৰভিউ দিছিল। স্কুলৰ শিক্ষকৰ ইণ্টাৰভিউ নিদিয়াকৈও বিষ্ণুৰ মাহাত্ম্যত পাব পাৰি নেকি ?) ...........(গ) তোমাৰ আঠবছৰ ল'ৰা-ছোৱালী নাই ক'ৰ পৰা হব ? বিষ্ণু দোষ। তুমি পৰিবাৰৰ কন্যাকাল হোৱা দেখিছিলা। মই তোমাক এটা জীৱ দিম। (লগে লগে বিষ্ণুৱে গদা-চক্ৰ ধাৰণ কৰিলে) ......... তাৰ এটা ভৰি খোৰা, এটা চকু কেঁৰা হব। (জাতকে ইতিমধ্যে হুক্ হুকাই কান্দিছে) তুমি জন্মৰ পাছত যদি মোক পাহৰা কি কৰিম জানা ? (জাতকে দুই হাত তুলি সেৱা ভঙ্গী কৰিলে) ........... ল'ৰাক পানীত পেলাই মাৰিম। (ইয়াকে কৈ বিষ্ণুৱে সুললিত সুৰেৰে কিদৰে ল'ৰাক বগা কাপোৰেৰে ঢাকি কাঢ়ি আনিব গাব ধৰিলে। মোৰ নবৌৱেও এই কাহিনী কৈছিল অৰ্থাৎ সকলো সন্তানহীন দম্পতীৰ আগত এই কেছেট বজায়।)......... (চ) তোমাৰ পত্নী নাবাচে......... নাই কোনো বিধান নাই। মই তাইক নিমেই। পত্নীৰ গেষ্ট্ৰিক আল্‌চাৰ্ কেন্সাৰ হৈছে........... (আলচাৰৰ লগত কেন্‌চাৰৰ ছান্দিক লয়ৰ



বাবেই বেমাৰ দুটাৰো সাদৃশ্য আছে নেকি ?)

বিষ্ণুৰ নকল নবিছ হোৱাৰ সুবাদত মই কোনো সেৱা সৎকাৰ নকৰাকৈয়ে বিষ্ণুৱে মোক এসময়ত সুধিলে, "বোপা তোমাৰ ?" (বিষ্ণুৰো বিস্মৃতি থাকিব পাৰে !) মই এই অপূৰ্ব অপ্ৰকাশিত সুযোগ গ্ৰহণ কৰি ক'লো, আই ! (নাৰীৰূপী বিষ্ণুক আইয়ে বোলে সম্ভৱ !) আজি মই এবছৰমান পাৰিবাৰিক অশান্তিত ভুগিছো। আজি এমাহৰ পূৰ্বে মোৰ পৰিবাৰে মোক এৰি গুচি গৈছে।' আয়ে ক'লে, লেখা বৃহস্পতিবাৰে ভাগৱত পাঠ ............'কিন্তু আই মোৰ আৰু এটা সমস্যা......... মই কেতবোৰ বিশেষ কিতাপ পঢ়াত এই সকলো শাস্ত্ৰ ঈশ্বৰৰ প্ৰতি অবিশ্বাসী হ'লে কি কৰো এতিয়া আই ? মোৰ এনে কাণ ফুটা কথাত ৪০।৪৫ বয়সৰ নাৰীৰূপী বিষ্ণুৱে ৰুদ্ৰমূৰ্তি ধাৰণ কৰিলে '......... তোৰ গাত হিৰণ্যকশিপুৱে স্থিতি লৈছে। তোৰ পত্নী গুচি যোৱাৰ ওপৰিও তোৰ আৰু বহু অপায় অমঙ্গল ............' 'কিন্তু আই মোৰ গুৰুৱে দেখোন মোক এইদৰেহে দীক্ষা দিছে।' "কোন তোৰ গুৰু পাপিষ্ঠ ? তই এই পাপ অহংকাৰ খণ্ডন কৰিবৰ বাবে দিখৌত ১০৮ বাৰ নাওঠ হৈ বুৰ মাৰিব লাগিব।" ............... বিষ্ণুৰ কথাত তাহানি '৮৬ চনতে পোৱা কালী সাধকৰ দৰে অশালীন শব্দ প্ৰয়োগৰ আশ্চৰ্যকৰ দক্ষতা প্ৰত্যক্ষ কৰি মোৰ মনৰ ভিতৰত থকা ঈশ্বৰে নিজমূৰ্তি ধাৰণ কৰিলে। অৱশ্যে সেই শক্তিৰ যথেষ্ট সীমাৱদ্ধতা আছে। কাৰণ মই সেই অচিন স্থানত অকলশৰীয়া। তাতে বিষ্ণুৰ হাতত ধাতুৰ অস্ত্ৰ। কি ঠিক তাহানি কৌটিল্যৰ অৰ্থশাস্ত্ৰ নিৰ্দ্দেশিত টকা ঘটিবৰ বাবে এই বিষ্ণুৱেও অলৌকিক মহিমা দৃঢ় কৰাৰ অৰ্থে স্থানীয় অস্ত্ৰধাৰী এজেন্ট ৰাখিব পাৰে। সেয়ে মই যথেষ্ট শান্তস্বৰে বিষ্ণুৰ প্ৰদৰ্শিত ক্ষমতাৰ সম্পৰ্কে প্ৰশ্ন তুলিলো। তেওঁৰ যদি নিজে ঘোষণা কৰা মতে সৰ্ব সৃষ্টি ধ্বংসৰ কাৰণ, সৰ্বজ্ঞ বিষ্ণু তেওঁ তেন্তে মোৰ অহাৰ উদ্দেশ্য কিয় ধৰিব নোৱাৰিলে ? মই বিয়া নপতাকৈয়ে পত্নী বিচ্ছেদৰ দৰে সম্পূৰ্ণ অবান্তৰ কথা এটা কওঁ তাক তেওঁ কিয় ধৰিব নোৱাৰিলে ? তেওঁ যদি বিষ্ণুৱেই তেওঁৰ ওচৰত কোনো উচ্চজাত নিম্নজাত থাকিব নোৱাৰে। তেনেস্থলত কৈৱৰ্ত নিঃসন্তান এজনক কিয় তেওঁতকৈ নীচজাতক দান দিবলৈ কৈ উচ্চ-নীচৰ পাপৰ কথা কয় ? মই বিষ্ণু-শিৱ নামানিব পাৰো কিন্তু মই মানুহক মানো। চণ্ডীদাস আৰু ৰবি ঠাকুৰে কোৱা- 'সবাৰ ওপৰে মানুহ বৰ / তাহাৰ ওপৰে নেই/ মোৰ শাস্ত্ৰৰ বাণী। সৰ্বজ্ঞ বিষ্ণুৱে ৰবি ঠাকুৰক চিনি নাপায়। বিষ্ণুৱে মোৰ গুৰু কোন সোধাত ডঃ আব্ৰাহাম কভুৰৰ নাম লওঁ। বিষ্ণুৰ বাবে এয়া হিৰণ্যকশিপু লম্ভা পাপিষ্ঠৰ কেতবোৰ দুৰ্বোধ্য শব্দ মাথোন। বিষ্ণুক মই কিছুদিনৰ পূৰ্বে হোৱা শিৱ আৱিৰ্ভাৱৰ ঘটনা কোৱাত বিষ্ণুৱে সেই শিৱক ভাল কৰিলে বুলি দাবী কৰে। (শিৱ লম্ভাটো বেমাৰ অথচ বিষ্ণু লম্ভা বেমাৰ নহয় !) পিছে শিৱৰ সঠিক স্থান বিষ্ণুৱে মোক কব নোৱাৰিলে। বিষ্ণুৰ মুখত মোৰ বিৰুদ্ধে অনেক দুৰ্যোগ সংকটৰ ভয়াল ভাবুকি শুনি (আন প্ৰতিজন ভক্তকো এইবোৰ দৈৱবাণী হিচাপে ব্যৱহাৰ কৰে।) নিজেও বিষ্ণুৰূপী নাৰীজনীক অসংখ্য প্ৰত্যাহ্বান জনাই এসময়ত সুস্থ দেহেৰে উভতিলো। বিষ্ণুৰ লগত তৰ্ক কৰি বহু সময় ব্যয় কৰাৰ বাবে সম্ভৱ আন ভক্তই মোক মনে মনে অভিশাপ দিছে। বিষ্ণুৰ কথানো চুবুৰীয়া জ্ঞাতি বংশই কি কয় তাক জানিবৰ বাবে বিষ্ণুৰ বংশৰ এঘৰত সোমাওঁ। মোক বিষ্ণুৰ ওচৰলৈ অহা বুলি জনাত প্ৰথমে ঘৰৰ বয়োবৃদ্ধ মুৰব্বীজনে , 'বোপাই পাপিনীৰ ওচৰলৈ কিয় আহিছিলা ? বুলি শ্লেষ পূৰ্ণ বাক্য নিক্ষেপ কৰে। মই বৰদেউতা সম্বোধন ধৰা ব্যক্তিজনক অধ্যয়নৰ বাবে অহা বুলি কোৱাতহে তেওঁ মোৰ প্ৰতি কোমল হ'ল। বৰ দেউতাৰ (পুত্ৰ) ককাইদেউ দুজনে মোক ক'লে, 'এইৰ আগৰ নাম '(?)' বুঢ়াগোঁহাই গুচি এতিয়া বিষ্ণু বুঢ়াগোঁহাই হৈছে। তাই টকা ঘটিছে। আমাৰ গাঁৱৰ মানুহে তাইৰ ভাওকী কথা জানে। তাই বইজ্জাতীয়ে গাঁৱৰ বহু সন্তানক তাই দিয়া বুলি কয়। গাঁৱৰ কোনোৱে দেখিব নোৱাৰে তাইৰ ব্যৱসায় খোলাৰ বাবে। দূৰৈৰ মানুহে নাজানে বাবেহে আহে। তাই ভক্তবোৰক তাবিজ, দৰব দিয়া আৰু পানী কটাবৰ বাবে তিনিটা এজেন্ট ৰাখিছে। এইবোৰৰ পৰা তাই কমিচন লয়। তোমালোক কেইজনমান আহি এইক মজা দিব নোৱাৰানে ? আমি ব্যৱস্থা লবলৈ গ'লে তাই টকা ঘটাৰ বাবে হিংসা কৰিছে বুলি কব। মানুহজনীৰ চৰিত্ৰ দোষ আছে, মগজৰতো আছেই। তাতে নিজৰ গিৰিয়েক, ল'ৰা-ছোৱালীবোৰো মাজে মাজে অপ্ৰকৃতিস্থ হয়।' বিষ্ণু স্থানৰ পৰা উভতা পথত মই বাটত লগ পোৱা ৪০/৫০ জনমান ভক্তৰ ওচৰত বিষ্ণুৰ তালুকি-ভালুকিৰ গোমৰ ফাঁক বাহিৰ কৰি থৈ আহো- বিষ্ণুৰ সমান দক্ষতাৰে None stope বাচালতাৰে।

স্থানীয় বিভিন্নজনৰ লগত কথাপাতি বিষ্ণুক আমাৰ চাইকেটিক পেচেন্ট (মেনোৰোগী) যেন লাগিল। অৱশ্যে বিষ্ণুৰ বাক্-চাতুৰী লক্ষণীয়। মিস্ৰাল-নষ্ট্ৰাদামুৰ নিচিনা জ্যোতিষীৰ কথাৰ দৰে দ্ব্যৰ্থক চাতুৰীপূৰ্ণ বাক্যৰে বহুতো ভক্তৰ জীৱনৰ ভূত-ভৱিষ্যৎ কেতবোৰ স্বাভাৱিকভাবে মিলাই দিব পাৰে। (এইজনৰ ভৱিষ্যৎবাণী জনমভূমিৰ জ্যোতিষ সংখ্যাৰ বাবে অনুবাদ কৰোতে এই অভিজ্ঞতা হৈছে।) মানুহৰ অন্তহীন সমস্যাবোৰৰ বাবেই, জীৱনৰ বহু অনিশ্চয়তাৰ বাবেই মানুহৰ বুদ্ধিক উপহাস কৰা এনে আজৱ অলৌকিক কাৰবাৰ চলিছে। (এই সংক্ৰান্তত অধিক নিলিখো। ১৭ মে'ৰ জনক্ৰান্তিত /৯২ ত এই সংক্ৰান্তত মোৰ এটা প্ৰবন্ধ প্ৰকাশ হৈছে।)

যুক্তিবাদী মানুহে এইবোৰ বিশ্বাসক অজ্ঞতাজনিত মানসিক ৰোগ বুলিয়েই চিহ্নিত কৰে। কেতিয়াবা প্ৰখ্যাত লোকৰো এনে ভ্ৰম হব পাৰে। কিছুদিনৰ পূৰ্বে পঢ়া ডঃ মহেন্দ্ৰ বৰাৰ অননুকৰণীয় গদ্যশৈলীৰ অনবদ্য আত্মজীৱনী "উপল নদীৰ দৰে" গ্ৰন্থত এনে বহুতো অভিজ্ঞতা আমি পঢ়িবলৈ পাইছো। পাছত জনমভূমিৰ বাবে লোৱা আমাৰ সাক্ষাৎ প্ৰসংগত তেখেতে সেইবোৰ মনৰ ভ্ৰম (Illusion) বুলি স্বীকাৰ কৰিছে। শিৱ-বিষ্ণু আদি এই অলৌকিক কাহিনীবোৰৰ বাস্তৱ বিস্তাৰত বাধা দি মানুহক বাস্তৱ সংগ্ৰামত লিপ্ত কৰাবলৈ আমাৰ মাজত আজি আন বহুতো কভুৰইঁতৰ দৰে যুক্তিবাদী লোকৰ আৱিৰ্ভাৱলৈ অপেক্ষা কৰিব লাগিব। নহ'লে কেৰেলাৰ নিচিনা তথাকথিত শিক্ষিত ৰাজ্যৰ মানুহে পুত্ৰৰ বাবে যজ্ঞ পতাৰ দৰে ('৯২) মানুহৰ বুদ্ধিক উপহাস কৰা কৰ্মত ব্যস্ত হব। জ্যোতিষ অলৌকিকতা আদিত মানুহবোৰ মজি থাকোতেই অসমৰ দৰে ৰাজ্যত ৰাজ্যখনৰ শ্ৰেষ্ঠ জ্যোতিষীজনৰ (জ্যোতিষ আলোচনী 'কালপুৰুষৰ' সম্পাদক) কিশোৰী ধৰ্ষণ অপৰাধত (১৮মে/৯২) গ্ৰেপ্তাৰ হব।





# সুখৰ অৱয়ব

মনোৰমা বৰুৱা



অংকন : চঞ্চল বৰবৰা

কিমান সময় বাৰু মানসীয়ে এইদৰে কটালে ? মূৰ শিতানৰ টিপয়খনত থকা ঘড়ীটোলৈ চালে মানসীয়ে। প্ৰায় চাৰিটাই বাজে। তাৰমানে অপৰা বাইদেউৰ ঘৰৰ পৰা অহাৰে পৰা মানসীয়ে ইমান সময় এইদৰেই কটালে ? কিন্তু কেনেকৈ গ'ল সময়খিনি ? টোপনিওটো অহা নাছিল, কিন্তু সাৰ পায়ো জানো আছিল ? আছিলেইতো চাগে; নহলে ফুকনৰ ঘৰৰ গেট খোলা বা গগৈৰ সৰু ছোৱালীজনীয়ে কন্দাৰ শব্দওতো মানসীয়ে শুনিছিল। নে শুনা নাছিল ? কিন্তু টোপনি নাহিলে সময়খিনি কেতিয়া কেনি পাৰ হৈ গ'ল মানসীয়েনো অকণো উমানেই নেপালে কিয় ? কিমান দিন বাৰু মানসীয়ে মিনিট, ঘণ্টা, সপ্তাহ পাৰ হৈ যোৱাৰ হিচাপ ৰখা নাই ? সময়ো জানো এইদৰে বেহিচাপত খৰচ কৰিব পাৰি ? অথচ কিমান মূল্যবান, মহাৰ্ঘ্য আছিল মানসীৰ বাবে ? প্ৰতিটো চেকেণ্ড, মিনিট জুখি হিচাপ কৰি খৰচ কৰিব লাগিছিল সেই দিনবোৰত।

বাতৰি কাগজৰ চাকৰি আছিল শৈবালৰ। কেতিয়া যাব লাগে কেতিয়া আহিব লাগে তাৰ কোনো নিৰ্দিষ্ট সময় নাছিল। প্ৰতিটো বস্তু সময়ত সঠিকভাবে হাতত তুলি দিব লাগে। নিশা উজাগৰে বহি কাগজৰ বাবে লিখে শৈবালে। ওচৰতে বহি থাকে মানসী, যাতে শৈবালৰ অকলে আমনি নেলাগে। ফিকা চাহ কাপ শৈবালে বিচাৰিলেই যাতে পায় তাৰ বাবে। এইবোৰ কৰিও কিন্তু মানসীয়ে আমনি নেপাইছিল। কাগজৰ অফিচৰ পৰা ওভতি আহোতে প্ৰায় সদায়ে পলম হৈছিল শৈবালৰ। ঘড়ীৰ প্ৰতিটো টিক্ টিক্ শব্দ হৃদয়ত অনুভৱ কৰি শৈবালৰ বাবে অপেক্ষা কৰি ৰৈ থাকিছিল মানসী। তাৰপিছত সংসাৰলৈ আহিল সুমন-মামন। মানসীৰ সময় ভাগ হৈ গ'ল, শৈবাল সুমন আৰু মামনৰ মাজত। স্কুল, টিফিন মামনৰ নাচৰ ক্লাছ, সুমনৰ টেনিচ কম্পিটিচন ইত্যাদিৰ মাজত মানসীৰ নিজৰ বুলিবলৈ সময়ৰ ৰাহি নহল। প্ৰয়োজনো অৱশ্যে নাছিল।

তেনেকুৱা সময়তে, শৈবালে কাগজৰ চাকৰি এৰাৰ সিদ্ধান্ত ললে। প্ৰথমৰে পৰাই মানসীয়ে মন কৰিছিল শৈবালৰ মাজত এটা মৰ্যাদা সচেতনাৰ ভাব। কথাই কথাই শৈবালে কৈছিল 'ষ্টেটাচ'ৰ কথা। ষ্টেটাচ লাগে। লাগে এটা বিলাসী প্ৰাচুৰ্যপূৰ্ণ জীৱন। যিটোক দেখি আনৰ ঈৰ্ষা হয়। আৰু সেইটোক পাবলৈ চিন্তাচৰ্চা চেষ্টাৰ শেষ নাছিল শৈবালৰ। আনহাতে, মানসী সন্তুষ্ট আছিল সহজ সৰল সুখে দুখে ভৰা জীৱন লৈ। হাঁহি কান্দোনেৰে ভৰা এখন সৰু সংসাৰলৈ।

কাগজৰ চাকৰি এৰি এটা বিদেশী কোম্পানীত সোমাল শৈবাল "টপ একজিকিউটিভ" হৈ। মানসীৰ সংসাৰখন চলাৰ গতিও আগতকৈ তীব্ৰ হ'ল। ছন্দৰ সলনি হ'ল ক্ৰমান্বয়ে। প্ৰাচুৰ্য আহিল। আহিল আশা কৰাতকৈও অধিক স্বচ্ছলতা।

সেই চেণ্ডেল চোঁচৰাই, হাৱাইনচার্ট বেগ, হাতত চিগাৰেটৰ আধাখোৱা টা লৈ খবৰৰ সন্ধানত ঘূৰি ফুৰা ৰ পোছাক পৰিচ্ছদ, আচাৰ ব্যৱহাৰৰ ন হ'ল। সকলোতে এটা অভিজাত, চেহেৰা। এই চেহেৰাটো কিছু স্বাভাৱিকভাবে পদমৰ্যাদাৰ সৈতে। কিছু কষ্টোপাৰ্জিত। যিখিনি াৰ্জিত, সেইখিনি চেহেৰাৰ সৈতে নগৈ মুখৰ ওপৰত মুখাৰ দৰে ওলমি। বন্ধু-বান্ধৱৰ সংখ্যা বৃদ্ধি পালে। ৰ আৰোৱা, ভাট্রনগৰ, ৰয় নতুন সকলোবোৰ মানসীৰ অচিনাকি। বন্ধুবোৰৰ পৰা শৈবালে কৌশলৰে ৰ আহিল–"ষ্টেটাচ" নিমিলে।

াগতে কৰি থকা এটা মাথো কাম ল কোম্পানীত সোমোৱাৰ পিছতো থাকিল, সেইটো হ'ল কাগজত লিখা। লিখাৰ হাত শৈবালৰ এনেইও ই আছিল, কাগজৰ চাকৰিয়ে আৰু ক্ষ কৰি তুলিছিল। শৈবালৰ লিখাবোৰ পৰিচিত, অপৰিচিত বহুতেই উচ্ছ্বসিত া কৰে, সেই প্ৰশংসা, প্ৰেৰণা কঢ়িয়াই ঝনঝনাই থাকে ঘৰৰ ৰঙা বগা চাৰিটা টেলিফোন। আগতে বাতৰি হ্নত শৈবালে কি লিখিছিল খবৰ ক'ৰ কেনেকৈ সংগ্ৰহ কৰিছিল মানসীয়ে ছিল। কিন্তু কোম্পানীত সোমোৱাৰ ৃ শৈবালে কি লিখে ক'ত প্ৰকাশ হয় ীয়ে নেজানে। প্ৰথমে কিছুদিনলৈ বলৈ বিচাৰিছিল, পঢ়িবলৈও ৰিছিল, কিন্তু শৈবালৰ উদাসীনতাই হেঁপাহ নোহোৱা কৰিলে।

'চেলুলয়ডৰ' ছবিৰ দৰে এৰি অহা বোৰ মানসীৰ চকুৰ আগেৰে পাৰ হৈ তেই, এদিনৰ এটা সৰু ঘটনা মানসীৰ কৈ মনত পৰিল।

মামনৰ স্কুলত 'ৱৰ্কএক্সপেৰিয়েনসৰ' লৈ কপাহৰ হাঁহ এটা বনাই নিব লাগে, নে ঠেনঠেনাই, পেনপেনাই আছিল। কী ভূতৰ ওপৰত দানহৰ দৰে সুমনক গ কবিতাৰ সাৰাংশ লিখি দিবলৈ, তাৰ ছিল অসমীয়া পৰীক্ষা। কপাহে নোমতে হাঁহৰ আকাৰ ধৰাগৈ নাই। নৰ লিখাতো হাত দিব পৰাই নাই। য়াটাৰে দ্বৈত কণ্ঠৰ হুলস্থূলত মানসী গহাৰা–কোনটো আগতে কৰিব, কোনটো ছত কৰিব তাকে লৈ, তেনেতে ধুমুহাৰ ৰ শৈবাল আহি কাগজ এসোপা দলি মাৰি দি কৈ উঠিছিল-

"এই হাঁহ-পাৰ বনোৱাবোৰ বাদ দি এইখিনিকে পঢ়াছোন, 'কালচাৰ' বুলিওটো কথা এটা আছে। যতচব আজে বাজে কাম।" ধৰিব পৰা নাছিল মানসীয়ে কোনটো আজে বাজে কাম? শৈবালৰ কণ্ঠত থকা তাচ্ছিল্য আৰু আদেশৰ সুৰটো খট্‌কৈ মানসীৰ কাণত যদিও বাজিছিল, তথাপিও আওকাণ কৰিছিল। লিখাটো মানসীয়ে পঢ়াটো শৈবালে বিচাৰিছিল বুলি ভাবি, মানসীৰ মন্তব্যৰ গুৰুত্ব শৈবালৰ ওচৰত আছিল বুলি ভাবি মানসীৰ ভাল লাগিছিল। এই অনুভৱে মানসীক সুখী কৰিছিল।

সেই সৰু সুৰা দৈনন্দিন ঘটনাবোৰ এতিয়া স্মৃতি হৈ ৰৈছে মাথো। দিনবোৰ সপ্তাহ, মাহ, বছৰ হৈ বাগৰি গৈছে। এতিয়া মামন সুমন ডাঙৰ হ'ল। আত্মনিৰ্ভৰশীল হ'ল। দুয়োৰে গঢ়ি উঠিছে একান্ত নিজৰ দুখন জগত। তাত আছে বন্ধু-বান্ধৱী, টি-ভি, ভি-চি-আৰ টেনিচ, কম্পিউটাৰ, ভাৰতনাট্যম ইত্যাদি অনেক। মামনৰ বাবে এতিয়া আৰু কপাহৰ হাঁহ বনাব নেলাগে। সুমনৰ কম্পিউটাৰ প্ৰগ্ৰেমিঙৰ কোনো সাৰাংশ মানসীৰ দ্বাৰা এতিয়া আৰু সম্ভৱ নহয়। টিফিন ভৰাই দিবলৈ, উভটিত অহাৰ পিছত খোৱা যতনাই দিবলৈ আছে বীৰেন, সবিতা, সুৱাগমণি। প্ৰচুৰ প্ৰাচুৰ্য, প্ৰচুৰ আভিজাত্যপূৰ্ণ সংসাৰ এতিয়া মিছেছ মানসী বৰুৱাৰ। কাৰো বাবে খৰচ কৰিব লগা নোহোৱা অখণ্ড অৱসৰ।

মানসীৰ অকণ, অকণ ল'ৰা-ছোৱালী হালো বহুত ডাঙৰ হৈ গ'ল। সিহঁতৰ ওচৰতো মানসীৰ প্ৰয়োজন নাই। দিনটোত সিহঁতৰ মুখত 'মা' শব্দটোও দুবাৰতকৈ বোধকৰো বেছি উচ্চাৰিত নহয়। সিহঁতৰ শৰীৰ মন আচাৰ ব্যৱহাৰতো শৈবালৰ ছাঁ। অভিজাত শৈবাল বৰুৱাৰ চৰিত্ৰৰ সুস্পষ্ট প্ৰতিফলন সিহঁতহালকো মানসীৰ আজিকালি কেতিয়াবা বৰ অচিনাকি যেন লাগে।

কোম্পানীত সোমোৱাৰ প্ৰথম অৱস্থাত শৈবালে কিছু সৌজন্য অৱশ্যে প্ৰকাশ নকৰা নহয়, ওভতোতে পলম হলে দুই এদিন হয়তো ফোনেৰে জনাইছিল-"মানু, মোলৈ খাবলৈ নৰবা। 'হোটেল প্ৰাগত' মিঃ ভাটনগৰে ডিনাৰ এটা দিছে। বুজিছাই চাগে' ডিনাৰৰ লগতে আমাৰ কোম্পানীয়ে বহুত টকাৰ অৰ্ডাৰ এটা পোৱাৰ চান্স' এটা আছে।" ক্ৰমে সেইবোৰ সাধাৰণ ভদ্ৰতাও কমি আহি, নাইকিয়াই হ'ল। অথবা সেইকণৰ বাবেও ব্যস্ত শৈবালৰ সময়ৰ নাটনি ঘটিল। বহুদিন, বহুনিশা খোৱাৰ টেবুলত শৈবালৰ বাবে অপেক্ষা কৰি ৰৈ ৰৈ ক্লান্ত হৈ একো নোখোৱাকৈয়ে শুই পৰিছে মানসী। মানসীৰ উৎকণ্ঠা, অপেক্ষাৰ খবৰে সাংঘাতিক বিৰক্ত কৰি তুলিছিল শৈবালক। অত্যন্ত ৰুক্ষ কণ্ঠেৰে সেই বিৰক্তি দ্বিধাহীন ভাবে শৈবালে প্ৰকাশো কৰিছিল- "চোৱা মানসী, 'আননেচেছেৰী' ৰৈ নেথাকিবা। কাম থাকিলে, পাৰ্টি থাকিলে পলম হবই। তুমি ৰৈ থাকিলা বুলিয়েই সেইবোৰ 'ইম্পৰটেণ্ট' কাম এৰি মই দৌৰি আহিব নোৱাৰো। তুমিও এতিয়া সৰু ছোৱালী হৈ থকা নাই। আৰু এইদৰে পেনপেনাই থাকিবলৈ মোৰো সময় নাই। 'আফটাৰঅল' মই কোম্পানীৰ এজন দায়িত্বশীল বিষয়া। কোম্পানীৰ স্বাৰ্থটো মই চাব লাগিব। আৰু কোম্পানীৰ স্বাৰ্থ মানেই মোৰ স্বাৰ্থ, তোমাৰ স্বাৰ্থ। নহলে একেদিনাই উৰি যাব এই সুখ, স্বাচ্ছন্দ্য, গাড়ী, ফ্লেট; চাৰভেণ্ট। তুমি অবুজ হলে মোৰ উপায় নাই।"

সঁচাকৈয়ে যদি মানসী অবুজ হ'ব পাৰিলেহেঁতেন! অবুজৰ দৰে শৈবালৰ কথাৰ শেষত চিঞৰি দিব পাৰিলেহেঁতেন!

"সেয়াই যেন হয় ঈশ্বৰ। উৰি যাওক কৰ্পূৰৰ দৰে নিমিষতে এই গাড়ী, ঘৰ বিলাস। ফিৰাই পাওক মানসীয়ে ব্যস্ত সময়। ফিৰাই পাওক শৈবালৰ সান্নিধ্য। কিন্তু নোৱাৰিলে। কাৰণ মানসী অবুজ নহয়। কাৰণ শৈবাল বৰুৱাৰ পত্নী মানসী বৰুৱা এতিয়া শৈবালে বিচৰাৰ ধৰণেই 'কালচাৰড', চফিচ্‌টিকেটেড্'।

শৈবালে 'উইলিয়াম এণ্ড চনচ্‌'ৰ একলাখ টকা বঁটা পোৱাৰ খবৰটোও পালে মানসীয়ে ৰবিতা বৰুৱাৰ টেলিফোনৰ পৰা। শৈবাল ঘৰত নথকাত ৰবিতাই অভিনন্দন জনাবলৈ কৰা ফোনটো মানসীয়ে ধৰিব লগা হ'ল। সেই বাতৰিটো আকৌ একেদিনাই গধূলি শুনিলে দুৰদৰ্শনৰ সন্ধিয়াৰ বাতৰিত। তাৰ পিছত আহিল অজস্ৰ অভিনন্দন, শুভেচ্ছাবাৰ্তা। সেইবোৰে অতিশয় ব্যস্ত ৰাখিলে শৈবালক প্ৰয়োজনতকৈ অধিক বিনয়ৰে সেই শুভেচ্ছা, ফুলৰ তোড়া গ্ৰহণ কৰি ভাগৰি পৰিল



শৈবাল। অফিচত, হোটেলত বহুতকে আপ্যায়ন কৰিব লগা হ'ল। আৰু সেইবোৰত ব্যস্ত থকাৰ বাবেই হয়তো মানসীক সুখবৰটো নিজমুখে জনাবলৈ শৈবালৰ সময় নহল। মানসীয়েও সুযোগ নেপালে অভিনন্দন জনোৱাৰ।

উস্! বিৰক্ত হৈ উঠিল মানসী হঠাতে নিজৰেই ওপৰত। অপৰ্যাপ্ত সময় মানসীৰ আছে বুলিয়েই এইবোৰ পোৱা নোপোৱা পাইও হেৰুৱাৰ পৰিসংখ্যা উলিয়াই সময় খৰচ কৰিব লাগিবনে? কিনো অসুবিধা হৈছে? জীৱনটোত নিজৰ হিচাপত চলিয়েই আছে। চলা নাই জানো?

শোৱা কোঠালিৰ দুৱাৰখন মেল খোৱাৰ সৰু শব্দটোত উচাপে খাই উঠিল মানসী। বোধকৰো নিজৰ বহু গভীৰলৈ সোমাই গৈছিল। সেয়েহে বৰ্তমানলৈ উভতি আহি বাস্তৱৰ মুখামুখি হবলৈ তেওঁৰ কিছু সময় লাগিল। দেখিলে, হাতত সৰু পেকেট এটা লৈ সোমাই আহিছে সুৱাগিমণি।

"বাইদেউ",

"কি হ'ল সুৱাগমণি"?

এই ইহঁত দুটালৈ কিবা এটা আনিছিলো' অলপ ইতস্ততঃ ভাবেৰে লাজ লাজকৈ তাই কলে। "এওঁৰ চাকৰিটো হ'ল নহয় বাইদেউ। দৰমহা পালে হেনো।"

সুৱাগমণিৰ "এওঁ" মানে হৰেনে। হৰেন ইমানদিনে শৈবাল মানসীকে লাগি আছিল পিয়ন, চকীদাৰ চাকৰি এটাতে তাক সুমুৱাই দিবলৈ। মানসীহঁতৰ ঘৰতে ইখন সিখন কৰি আছিল সি। হৰেন, শৈবালৰ গাঁৱৰ ল'ৰা। তাকো বাপেকে জোৰ কৰি বিয়াখন পাতি দিলে সোনকালে। ঘৈণীয়েক সুৱাগমণিকো আনি সি মানসীহঁতৰ ঘৰৰে কাম কাজত লগাই দিলে। তায়ো পুৱাৰে পৰা গধূলিলৈ ঘৰখনৰ কামকাজৰ দায়িত্ব ললে। ছোৱালীজনী ভাল নম্ৰ। মানসীৰো তাইৰ প্ৰতি মৰম এটা আছে।

মানসীয়ে দেখিলে অলপ সঙ্কোচ, অলপ অস্বস্তিৰে ঠাইতে সুৱাগমণি ৰৈ আছে আৰু যেন তাইৰ কিবা কব লগা আছে।

"কি আছে আৰু ক।" মানসীয়ে কলে।

"নাই মানে, বাইদেউ কথা এটা হ'ল –, মই পুৱা আৰু গধূলিটো নাহি দুপৰীয়াই যি পাৰো কাম কৰি যাম হব নে বাইদেউ?" একে উশাহে কথাখিনি কৈ শেষ কৰিহে যেন তাই ৰক্ষা পৰিল।

তৎক্ষণাত মানসীয়ে মনে মনে হিচাপ এটা কৰি পেলালে, এৰা বিয়াৰ প্ৰায় এবছৰেই হ'ল, অলপ কৌতূহল, অলপ উৎকণ্ঠাৰে মানসীয়ে সুধিয়েই পেলালে – "কিয় নাহ পুৱা, গধূলি? গা, মূৰ বেয়া নেকি? "মূৰ তুলি মানসীয়ে ভালদৰে তাইলৈ চালে। – "নহয় বাইদেউ, গা ভালেই আছে। পিছে 'এইজনৰ' উৎপাত। এনে নহবৰ হল চাকৰি এটা হ'ল আৰু! এতিয়া চাকৰিলৈ যোৱাৰ আগতে সৰু ল'ৰা-ছোৱালীৰ দৰে ভাত পানী সমুখত বহি খুৱাই বুৱাই পঠিয়াব লাগে। আকৌ, আহিয়েই হেনো, দুৱাৰ মুখতে মোক দেখিব লাগে। তাতো জানো শেষ? গোটেই দিনটো অফিচত কি হ'ল নহল, কোন আহিল, নাহিল সেইসোপা বহি বহি শুনিব লাগে। আকৌ হেনো দেওবাৰেও ৰিক্সাত উঠি "সেইজনৰ" লগত ফুৰিব যাব লাগে। তেনেকৈ গলে, লগৰ উমেশ, হৰেশ্বৰহঁতৰ আগত হেনো কিবা গহীন লাগে। জানো পাই এইবোৰ আৰু কিবা সৰু ল'ৰা-ছোৱালীৰ দৰে কথাবোৰ– ।"

সুৱাগমণিয়ে কথাবোৰ কৈ যাওঁতে মানসীয়ে কিয় জানো অনুভৱ কৰিলে, ৰাতিপুৱা মানসীৰ ঘৰলৈ আহি কুৱাঁৰ পাৰত বাচন ধুই থকা সুৱাগমণি আৰু এইজনী সুৱাগমণি একেজনী মানুহ নহয়। কিহে বাৰু হঠাতে তাইক বেলেগ কৰি তুলিলে? তাই লুকুৱাই ৰাখিব খোজা কি অনুভৱে বাৰু তাইক অসাধাৰণ অনন্যা কৰি তুলিলে?

"যাওঁ দিয়ক বাইদেউ; এইফালে আকৌ আহিবৰে হ'ল নহয়।"

লাহেকৈ দুৱাৰখন মেলি ওলাই গ'ল সুৱাগমণি। আজি তাইৰ খোজৰ ভঙ্গীটোও যেন মানসীৰ চকুত নতুন যেন লাগিল।

সুৱাগমণি সাম্ৰাজ্ঞীৰ দৰে ওলাই গ'ল। অবাক হৈ ভাবিলে মানসীয়ে–সুখৰ বাৰু কিবা চেহেৰা থাকে নেকি? থাকে নেকি অৱয়ব অথবা নিৰ্দ্দিষ্ট কোনো ৰঙ? নহলে সুৱাগমণিক হঠাতে সুৱাগমণি নহয় যেন কেলেই লাগিল???

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# চম্পক বৰবৰাৰ শিল্প-চৰ্চা

"..............আজিকালি প্ৰকৃতিয়েই মোৰ শিল্প
ৰ একমাত্ৰ প্ৰেৰণাৰ উৎস। যেনেকৈ মাটিয়ে
জাপাক জীপাল আৰু পৰি নোযোৱাকৈ ধৰি
ক.............." হাতত ব্ৰাচ এডাল লৈ তেওঁৰ
-কোঠাৰ এচুকত থকা চকীখনত বহি মোৰ
ল চাই নিৰ্বিকাৰভাবে সৃজনীশীল ছবিৰ শিল্পী
ক বৰবৰাই কলে।

হয়তো শিল্পী-বন্ধু বৰবৰাৰ কথাষাৰেই মানৰ চিন্তা-চৰ্চাত আত্মনিয়োগ কৰা সকলৰ ব একমাত্ৰ অবলম্বন। কাৰণ, আমি দেখিছো ক্ষত অসমীয়া মধ্যবিত্ত সকলৰ হৃদয়ত ভাষা-ইত্য বা শিল্প চৰ্চাৰ কোনো আগ্ৰহ নাই। ু কোনোবাইতো এই কাম কৰিবই লাগিব। লাগে এওঁলোকৰ প্ৰেৰণাৰ উৎস ক'ত? মি বৰবৰাৰ ভাষাৰেই এনেকৈ ভাবিব লাগিব "মাটিয়ে গছ জোপাক পৰি নোযোৱাকৈ নেকৈ আশ্ৰয় দান কৰিছে বা অভয় দান ছে, তেনেকৈয়ে আমি যিসকলে শিল্প-চৰ্চাত ত্মনিয়োগ কৰিছো সেই সকলোটিয়েই যেন – টিক আশ্ৰয় কৰি থকা এজোপা গছ।"

অন্য প্ৰদেশৰ দৰে শিল্প চৰ্চাৰ কোনো ৰিবেশ ইয়াত আজিলৈকে গঢ়ি নুঠিল বুলি ক্ষেপ কৰাৰ সলনি আমি যদি এই হতাশাক নদৰে লওঁ.......... এই যে ইয়াত একো নাই, ইটোকেই আমি যদি এক শুভাৰম্ভৰ আগমুহূৰ্ত লি ধৰি লওঁ? নাই, নহ'ব, নহ'ল এই তিবাচক শব্দ তিনিটাক যদি আমি আমাৰ ৰণাৰ অমল উৎস বুলি ধৰি লওঁ – তেতিয়া বা অসুবিধা আছে নেকি? মই বৰবৰাক প্ৰশ্ন ৰিলো –

বৰবৰাই মিচিকিয়াই হাঁহিলে আৰু মোক লে – "মইতো তাকেই ভাবো আৰু ভাবিব ৰিছো বাবেই ইমান যন্ত্ৰণাৰ মাজতো কাম ৰি গৈ আছো।"

শ্ৰীচম্পক বৰবৰা। চিত্ৰ-শিল্প চৰ্চাত সম্পূৰ্ণ -শিক্ষিত এজন যুৱক। আহিছে যোৰহাটৰ লিবৰৰ পৰা। বাল্যকালটো অতিবাহিত কৰিছে উতাকৰ লগত অ'ত ত'ত। যোৰহাট কলেজৰ ৰা স্নাতক। আটাইতকৈ উল্লেখনীয় বিষয় ছে আমি যেতিয়া কিশোৰ আছিলো তেতিয়া ৰ্তমানৰ দৰে ইমান কাকত আলোচনী নাছিল। কলোৰে একমাত্ৰ অবলম্বন আছিল দৈনিক সময়ৰ 'অকণিৰ ৰং-ঘৰ'। চম্পক বৰবৰাই হাঁহি মাৰি মোক কলে – 'বুজিছে দৈনিক সময়ৰ 'অকণিৰ ৰং-ঘৰ' নথকাহেঁতেন আমি কজানি এই জীৱন বাছি নললোহেঁতেন।' য়তো তেওঁৰ কথাই সঁচা। সৌমাৰ বিদ্যাপীঠৰ মূল্য বৰুৱা (বৰ্তমান লণ্ডনত; বোম্বেৰ জে জে ুল অব আৰ্টৰ এপলাইড আৰ্টত শিক্ষিত) যোৰহাটৰ চম্পক বৰবৰা, নলবাৰীৰ জ্ঞানেন ৰকাকতী আৰু মাজে মাজে মই অৰ্থাৎ আমি হুতেই (আৰু কেইবাজনো ভাল ছবি অঁকা ল'ৰা আছিল; নামবোৰ মনত পেলাব নোৱাৰি বৰ দুঃখিত) ছপাবৰ বাবে অকণিৰ ৰং-ঘৰলৈ শিল্প কৰ্ম পঠিয়াইছিলো।

সেই চম্পক বৰবৰাকে এদিন মই আমাৰ শিল্প-চিন্তাৰ অনুষ্ঠান গুৱাহাটী আটিষ্টচ্ গীল্ডৰ ষ্টুডিঅ'ত লগ পাই গলো আৰু কথা প্ৰসংগত তেওঁ মোক বিশেষ কথা এটা সোঁৱৰাই দিলে – "আপোনাৰ হয়তো মনত আছে, সেই যে আমি স্কুলত পঢ়ি থাকোতে, 'আমাৰ প্ৰতিনিধি'ৰ সম্পাদক ড° ভূপেন হাজৰিকাই এব্ষ্ট্ৰেক্ট-আৰ্ট আৰু কিউবিজম সম্পৰ্কে ব্যাখ্যা কৰিছিল – সেই ব্যাখ্যাবোৰ এতিয়া পঢ়ি চাইছেনে? আটাইবোৰ ব্যাখ্যাই ভুল।"

সঁচাকৈয়ে আমাৰ কৈশোৰ বৰ অসুস্থ আছিল (অৱশ্যে বৰ্তমান কিশোৰ সকলৰ আমাৰ দৰে দুৰৱস্থা নহ'ব। কিয়নো শ্ৰীযুত হোমেন বৰগোহাঞিদেৱৰ সম্পাদনাত ওলোৱা 'কিশোৰ' ড° ভবেন্দ্ৰনাথ শইকীয়াৰ সম্পাদনাত চলি থকা 'সফুঁৰা', জ্ঞানদ্বীপৰ উপৰিও কেইবাখনো শিশু আৰু চেমনীয়াৰ আলোচনী প্ৰকাশ হৈ থকাটো নিশ্চয় এক আশাৰ, সহাঁৰি)। এতিয়া সেই ব্যাখ্যাবোৰ পঢ়িলে হাঁহি উঠে। বৰ্তমান এইবোৰ আলোচনা কৰিলে দুৰ্গন্ধহে ওলাব গতিকে সকলোতকৈ উত্তম হ'ব সেইবোৰক পাহৰণিৰ নৰ্দমাত জাহ দিবলৈ যোৱাটোত। আচল কথা হ'ল আমাৰ ছবি অঁকা এই চৰ্চাটোৰ কোনো পৰম্পৰা নাই। যি এফেৰি শ্ৰীমন্ত শংকৰদেৱৰ কৃপাত পুথি-চিত্ৰৰ পৰম্পৰা এটা গঢ়



ফটো : অমূল্য কুমাৰ দাস

লে উঠিছিল সেই পৰম্পৰাটো কালৰ গতিত বিলুপ্ত হোৱা বাবেই হয়তো এনে হবলৈ পালে। হয়তো মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণো তাৰ কাৰণ হ'ব পাৰে শিল্পীবন্ধুৱে মোক আকৌ কলে।

সেইবোৰ যিয়েই নহওক কিয়, বৰবৰা কিন্তু আগৰ সেই চেমনীয়া শিল্পীজন হৈ থকা নাই। তেওঁৰ কথা-বতৰা, চিন্তা-ভাবনা সকলো পূৰঠ আৰু সম্পূৰ্ণ আধুনিক। শিল্পীয়ে আজি বুজি পাইছে, আধুনিক চিত্ৰ কেৱল দেখাই নহয়, ই চিন্তা ভাবনাৰ বস্তু; তাৰ কাৰণে লাগিব অধ্যয়ন; তাৰপাছতহে নিজকে কোনো শিল্পীয়ে অঁকা ছবি বা ভাস্কৰ্যৰ অন্তৰত প্ৰৱেশ কৰিব পাৰি। তেওঁৰ ৰেখা, বিষয়বস্তুৰ অৱয়ব, বৰ্ণগ্ৰাম, জমিন আদিৰ নিখুঁত অংকনে ছবিৰ সত্তাক প্ৰাণৱন্ত কৰি তোলে – যিটো বৰ্তমান আমাৰ প্ৰদেশৰ সৰহভাগ শিল্পীৰ ক্ষেত্ৰতে পোৱা নাযায়। অৱশ্যে ইয়াৰ মূল কাৰণটো হৈছে সেই সকল 'চিজনেল পেইন্টাৰ' হোৱা বাবেহে – অৰ্থাৎ তেওঁলোকে ছবিৰ অনুশীলন কমকৈ কৰে। বৰবৰাৰ ছবি চাই মোৰ এটা কথা উপলব্ধি হৈছে তেওঁ নিশ্চয় অনুশীলনত সময় খৰচ কৰে। কিন্তু এইখিনিতে এটা কথা, বোধহয় বৰবৰাই পৰিষ্কাৰকৈ বুজি পাই যে প্ৰতিজন শিল্পীৰে এটা সুকীয়া সত্তা আছে আৰু সেই সত্তাটোক তেওঁৰ কামৰ দ্বাৰাই নিখুঁতভাবে সম্পন্ন কৰাত যত্নপৰ হলে শিল্পীৰ নিজৰেই মঙ্গল হ'ব যেন লাগিছে। বিশ্বভাৰতীৰ কলা ভৱনৰ গুৰু কে জি সুব্ৰামনিয়মৰ কথালৈ আহিলেই কথাটো পৰিষ্কাৰভাবে ওলাই পৰিব। সুব্ৰামনিয়মৰ ড্ৰয়িং বা পেইন্টিঙৰ এটা স্বকীয়তা আছে। মাজে মাজে দেখা যায় সেই প্ৰণালী তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিল্পকৰ্মত অজ্ঞাতভাবে সুঁহুৰি মাৰে আৰু দেখা যায় সেই ছাত্ৰ-ছাত্ৰীসকল তেতিয়াই সমালোচনাৰ ক্ষুৰধাৰত পৰে। যেনেকৈ আমাৰ শিল্পী শোভা ব্ৰহ্ম বা বেণু মিশ্ৰৰ এটা সুকীয়া সত্তা আছে। মোৰ ধাৰণাত, বৰবৰাই এই কথাটোত অধিক মনোযোগ দিলে ভৱিষ্যতে ৰণুৱা শিল্পী হ'বই, তাত কোনো সন্দেহ নাই। যিহেতু মই আগেয়েই কৈছো যে বৰবৰাৰ ছবিৰ ড্ৰয়িং, জমিন, বিষয়বস্তুৰ অৱয়ব, ৰেখা আৰু বৰ্ণগ্ৰাম অতি সুন্দৰ – যিকোনো উল্লেখযোগ্য শিল্পীৰ লগত ফেৰ মাৰিব পৰা বিধৰ। আশা কৰো, চম্পক বৰবৰাই তেওঁৰ শিল্প কৰ্মৰ নৈপুণ্যতাৰে অনুজ শিল্পীসকলক প্ৰেৰণা যোগাব।

ৰাতি দোভাগ হৈ আহিল। শিল্পী বন্ধুৰ পৰা মই বিদায় ললো। তেওঁ বিক্ষুব্ধ হলেও কোনো কথাত উত্তেজিত নহয়। এক সহিষ্ণু, শান্ত, কোমল ভাব চকুত লাগি আছে..........

*অহা সংখ্যাৰ এক পৃষ্ঠা*
*দিল্লী ভ্ৰমণ (দ্বিতীয় খণ্ড)*





আইৰ মৰম—স্নেহৰ দৰেই খাঁটি

কৈশোৰৰ নানা ৰঙৰ দিনবোৰক নিৰ্ভৰতাৰ
আশ্বাসে ভৰাই তোলে অকৃত্ৰিম মাতৃস্নেহ
আৰু সাহচৰ্যই। দিন পৰিবৰ্ত্তনৰ ক্ষেত্ৰত এনে
কিছুমান বস্তু আছে যি মাতৃস্নেহৰ দৰেই খাঁটি,
যেনে শালিমাৰৰ নাৰিকল তেল। যোৱা
পঞ্চছ বছৰ ধৰি সেয়েহে ইয়াৰ ইমান
চাহিদা প্ৰতি ঘৰে ঘৰে।

TSPL/SCW/919/A




শালিমাৰৰ
নাৰিকল তেল— খাঁটি বস্তুৰ ঘৰুৱা নাম

শালিমাৰ কেমিকেল ওৱাৰ্ক্স লিমি
কলিকতা-২৭